# প্ৰান্তিক

১১শ বছৰ ৫ম সংখ্যা ১—১৫ ফেব্ৰুৱাৰি '৯২







## বিপৰ্যস্ত অসম ঃ এক নতুনৰ অন্বেষণত

## সত্ৰীয়া নৃত্য আৰু অষ্ট্ৰেলিয়ান যুৱতী



## বিধায়কসকল অপ্ৰিয় হয় কিয় ?

OKDISCD

## প্ৰান্তিকৰ এটা দশকৰ নিৰ্বাচিত ৰচনাসূচী

### য

ষ্টুগা কবিতা গধূলিৰ পোহৰ/নীলমণি ফুকন ২৩ (৩১), ২৪ (৩২)

### হ

হিমায়িত মানৱ/প্ৰীতি কাকতী ১৭ (২৪)

হেৰাই যোৱা দিনবোৰ (গ্ৰন্থ সমালোচনা)/ড. অৰুণ কুমাৰ ভূঞা ৩ (৩৬)

### ক্ষ

ক্ষণভংগুৰ অসমীয়া সংবাদপত্ৰ/প্ৰসন্ন কুমাৰ ফুকন ১৮ (২৮)

১৯৮১ চনৰ সাহিত্য অকাডেমি বঁটা ৫ (৩৬)

১৯৮২-৮৩ চনৰ কেন্দ্ৰীয় বাজেট/দিলীপ কুমাৰ বৰুৱা ৮ (২২)

(প্ৰথম বছৰৰ ৰচনাসূচী সমাপ্ত)

(এই ৰচনাসূচী যুগুত কৰোঁতে মৃণালজ্যোতি বৰঠাকুৰৰ পৰা পোৱা সহায় ধন্যবাদেৰে সুৱৰিছোঁ।

—শা. কৌ ব.)

প্ৰান্তিকৰ দ্বিতীয় বছৰৰ ৬ষ্ঠ আৰু ৭ম সংখ্যা দুটা যুটীয়াভাবে প্ৰকাশ পোৱা বাবে এই সংখ্যাত প্ৰকাশিত ৰচনাসমূহৰ সংখ্যা-নিৰ্দেশ কৰোতে কেৱল ৬-ৰে কৰা হৈছে

দ্বিতীয় বছৰ

**(১ সংখ্যা ২৪ সংখ্যা; ১ ডিছেম্বৰ, ১৯৮২ — ৩০ নৱেম্বৰ, ১৯৮৩)**

### অ

অজাত শত্ৰু ঃ মিত্ৰদেৱ মহন্ত/বদন বৰুৱা ১১(৩৪)
অনাই বনাই ফুৰা এটা জাতি/পবিত্ৰ গগৈ ১০(৩০)
অনিল বৰুৱা/প্ৰমোদ বৰ্মন, বীৰেন্দ্ৰ নাথ শৰ্মা বৰঠাকুৰ ৪(২৭)
অবাসিন্দা ভাৰতীয়ৰ বিনিয়োগ ঃ বৃহৎ ঔদ্যোগিক গোষ্ঠীলৈ ভাবুকি/পৰাগ কুমাৰ দাস ১৯(২৯)
অভিজ্ঞতা আৰু সংশয়/জীৱন চেটিয়া ১(১৩)
অসম আন্দোলনৰ কিছুমান গুৰুত্বপূৰ্ণ প্ৰশ্ন/দ্ৰোণ ভট্টাচাৰ্য্য ১২(২৫)
অসমত মাইলছ ব্ৰনছন/ড. লীলা গগৈ ২৩(২০)
অসমত ববৰ কৃষি আৰু উদ্যোগ/ড. অমিয় মোহন দাস ১৩(৩১)
অসমত ৰাজাকাৰ আছেনে ?/গিৰীশ চন্দ্ৰ শৰ্মা ১৭(১৮)
অসমৰ উদ্যোগক্ষেত্ৰত ভূমিপুত্ৰ/ভুবন বৰুৱা ১৫(২২)
অসমৰ কমাৰশিল্প ঃ ঢেঁকৰগড়াৰ এটি সমীক্ষা/প্ৰমোদ চন্দ্ৰ নেওগ ২১(১৯)
অসমৰ চাহ বাকচ উদ্যোগ/গিৰীশ চন্দ্ৰ শৰ্মা ২(১৪)
অসমৰ চাহ শিল্পৰ লগত জড়িত জনগোষ্ঠী/মৃগেন্দ্ৰলাল দত্ত ১১(১৫)
অসমৰ জনজাতীয় ৰাইজৰ সমস্যা, উদয়াচল আৰু অন্যান্য/পৰাগ কুমাৰ দাস ১৬(১৩)
অসমৰ ট্ৰেজেডি ঃ যেনেকৈয়েই নহওক, যিয়েই নহওক, নিৰ্বাচন হ'ব লাগে/অৰুণ শৌৰি ১২(১৪)
অসম সাহিত্য সভাৰ সোণালী জয়ন্তী অধিবেশন, বঙাইগাঁও ঃ প্ৰত্যাহ্বান আৰু কিছু পৰিবৰ্তনৰ সমুখত/সমুদ্ৰ গুপ্ত কাশ্যপ ১৮(৭)
অসমীয়া কোন ?/ড. ভুবনমোহন দাস ২২(১৩)
অসমীয়া মাধ্যমৰ পাঠ্যপুথিৰ অভাৱ ঃ ব্যক্তিগত অভিজ্ঞতা/ভবেন্দ্ৰ নাথ ১(১৬)

### আ

আজিৰ অসমৰ ট্ৰেজেডিটোৰ প্ৰসংগত/ভবেন বৰুৱা ৮(১৯)
আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম মানে 'ইংৰাজীত নপঢ়িবা' নহয় !/বিশ্বেশ্বৰ হাজৰিকা ১(১৫)
আদিবাসীৰ দেশ ঝাৰখণ্ড/ইমৰান হুছেইন ১২(২৯)
আন্দোলিত অসমত তিনিগৰাকী বিশিষ্ট ব্যক্তি ১২(৯)
আমেৰিকাৰ চিঠি/ড. দিলীপ কুমাৰ দত্ত
আমেৰিকাৰ ঘৰৰ চাওত উনৈছ শতিকাৰ অসমৰ সম্ভেদ থকা চিঠি-পত্ৰ ১৭(১৯).
কৃত্ৰিম হৃদযন্ত্ৰৰ আৱিস্কাৰকজন ৫(২৪)
বিদেশত অসম আন্দোলনৰ প্ৰতিধ্বনি ৯(২৯)
ব্ৰনছন সংবাদ ২৩(১৭)
আমেৰিকাৰ ছাত্ৰসকলৰ অভিনৱ সংগঠন/ড. দিলীপ কুমাৰ দত্ত ২(৩২)

### ই

ইউৰোপ ভ্ৰমণ ঃ ব্যক্তিগত উপলব্ধিৰ দৃষ্টিৰে/অৰূপ কুমাৰ দত্ত ১১(২৮)

৪১ পৃষ্ঠাত চাওক





# প্ৰান্তিক

নবগিৰি পথ, চানমাৰি, ডাকঘৰ—শিলপুখুৰী,
গুৱাহাটী—৭৮১০০৩ ফোন—২৮৭৫১
১১শ বছৰ ৫ম সংখ্যা ১—১৫ ফেব্ৰুৱাৰি '৯২
মূল্য সাত টকা


## এই সংখ্যাত

অসমৰ কোনো সমস্যাৰেই আপোনা-আপুনি অথবা স্বাভাৱিকভাৱে সমাধান হোৱা নাই । ....আমাৰ পূৰ্ব অভিজ্ঞতাৰ পৰা এই কথা উপলব্ধি কৰিব পাৰিছোঁ যে ভাৰত ৰজনজনাই যোৱা আলফা-সমস্যাৰ সৃষ্টি নোহোৱাহেঁতেন এনে ধৰণে অসমত ব্যাপক উদ্যোগীকৰণৰ আঁচনি কেন্দ্ৰীয় চৰকাৰে কেতিয়াও নিজে-নিজে লৈ আগবাঢ়ি নাহিলহেঁতেন । তদুপৰি বৃহৎ পুঁজিপতিৰ অসমৰ প্ৰাকৃতিক সম্পদ লুণ্ঠনৰ এটা আকাংক্ষা আৰু অৰ্থনৈতিক শোষণৰ উদ্দেশ্য অবিহনে এই আঁচনি গ্ৰহণ কৰা নিশ্চয় হোৱা নাই,—এই কথাৰ সত্যতাও আমি দকৈ বিচাৰ কৰা উচিত ।

**অনুভৱ দত্তৰ প্ৰবন্ধ ঃ বিপৰ্যস্ত অসম ঃ এক নতুনৰ অন্বেষণত ।১৬।**

বিধায়ক এগৰাকীক সৰ্বক্ষণে ব্যস্ত ৰাখি আহুকালত পেলোৱা বাবে সদায় ৰাইজেই কিন্তু দায়ী নহয় । এনে এচাম বিধায়কো আছে যি সংশ্লিষ্ট সমষ্টিটোৰ চাকৰিয়াল, কৰ্মচাৰী, ঠিকাদাৰ, উদ্যোগপতি, নিবনুৱা চাকৰিপ্ৰাৰ্থী যুবক-যুবতী আদিয়ে কাৰণে-অকাৰণে তেওঁলোকক লগ ধৰি থকাটো বিচাৰে। সংশ্লিষ্ট সমষ্টিৰ প্ৰতিখন সভা-সমিতি, উৎসৱ-মহোৎসৱ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰিও ঘৰুৱা সকাম-নিকাম আদিতো এইসকল বিধায়কে নিমন্ত্ৰিতসকলৰ তালিকাৰ শীৰ্ষস্থানত নিজৰ নামটো থকাটো বিচাৰে।

**লোচন চন্দ্ৰ বৰাৰ প্ৰবন্ধ ঃ বিধায়কসকল অপ্ৰিয় হয় কিয় ? ।২১।**

অসমৰ বেছিভাগ মানুহেই এতিয়াও 'স্বাধীনতা' খায় নে কাণত পিন্ধে তাক ভালদৰে নাজানে । জানে—'আল্‌ফা'ই কিবা এটা কৰিব খুজিছে; কিন্তু সংগঠনটোৰে যে স্বাধীনতা বিচাৰিছে সেই কথাটো বহুলোকেই নাজানে । পিছে কেৱল ৰাজনৈতিক স্বাধীনতা বা ক্ষমতা হস্তান্তৰেই মুক্তি নহয় । মুক্তি মানে অসমৰ জনগণৰ মুক্তি, অসমৰ কৃষক-শ্ৰমিক-বনুৱাৰ মুক্তি ।

**স্বাধীন অসমৰ প্ৰশ্নটো সম্পৰ্কত এক মতামত ।২৪।**

পঞ্জাবত নিৰ্বাচনৰ কথা লৈ ইতিমধ্যে ভালেখিনি বাদানুবাদৰ সৃষ্টি হৈছে । এতিয়ালৈকে পোৱা ইংগিতমতে এইবাৰো উগ্ৰপন্থীসকলে একেই গেমপ্লেন অৱলম্বন কৰিব পাৰে। খালিস্তান সমৰ্থকসকলে শিখসকলক নিৰ্বাচনত অংশ গ্ৰহণ কৰা সম্পৰ্কে সাৱধান কৰি দিয়া বুলি প্ৰাপ্ত বাতৰিত প্ৰকাশ। সেইবাবে শিখসকলে এই নিৰ্বাচনত যোগদান কৰাৰ আশা অতি ক্ষীণ।



**ৰবীন্দ্ৰ নাথ বৰুৱাৰ নিৰীক্ষণ ঃ পঞ্জাবৰ নিৰ্বাচন কেন্দ্ৰৰ বাবে প্ৰত্যাহ্বান ।১২।**


সম্পাদকীয় ।৫। পত্ৰালাপ ।৫। ঘটনা-প্ৰবাহ ।৯। নিৰীক্ষণ ।১২। কম্পিউটাৰ ভাইৰাছ ।১৪। নতুনৰ অন্বেষণ ।১৬। বিধায়কসকল অপ্ৰিয় কিয় হয় ।২১। স্বাধীন অসমৰ প্ৰশ্নটো ।২৪। ভ্ৰমণ ।২৬। সত্ৰীয়া নৃত্য আৰু এগৰাকী অষ্ট্ৰেলিয়ান গাভৰু ।৩১। বিক্ৰম ।৩২। ধাৰাবাহিক উপন্যাস (বাহাৰউদ্দিন এখন গাঁৱৰ নাম) ।৩৩। দৈনন্দিন ।৩৬। গল্প ।৩৭। ৰচনাসূচী ।৪১। ধাৰাবাহিক উপন্যাস (প্ৰবাস বৈভৱ) ।৪২। কবিতা ।৪৫। গকুলৰ প্ৰিয় কৃষ্ণ ।৪৬। ক্ৰীড়াংগন ।৪৭। শেষপৃষ্ঠা ।৫০।


বেটুপাতৰ ৰঙীন ছবি ঃ প্ৰসেনজিত দুৱৰা

## অহা সংখ্যাত

সাধাৰণতে সাংবাদিকে পঠোৱা আনৰ বাতৰি বাতৰি-কাকতত ছপা হয় । কিন্তু কিছুদিনৰ পৰা অসমৰ সাংবাদিকৰ বাতৰিয়েও কাকতৰ শিৰোনামা অধিকাৰ কৰিছে । কাকত-আলোচনী আৰু সাংবাদিকৰ সংখ্যা সৰহ হোৱা অৱস্থাত, আৰু ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতিত, সংবাদসেৱা কেনে সমস্যাৰ সন্মুখীন হৈছে ? সংবাদসেৱীৰ সততাই কেনে ৰূপ লৈছে ? সংবাদসেৱাৰ মান কেনে হৈছে ?

**বদন বৰুৱাৰ পৰ্যালোচনা ঃ অসমৰ সাম্প্ৰতিক সংবাদ সেৱাৰ কেইটামান দিশ**

অসমৰ বনাঞ্চলত নগালেণ্ডৰ চৰকাৰে এটা-এটাকৈ নতুন মহকুমা গঠন কৰিব পাৰিছে কেনেকৈ ?

**পূৰ্ণ বৰাৰ প্ৰবন্ধ ঃ বনাঞ্চলৰ ৰাইজ আৰু চৰকাৰ**

সৃষ্টিকৰ্তাৰ জন্মৰ আগেয়ে "সময়"ৰ ধাৰণাটো বিবেচনা কৰাটো একেবাৰে অবাস্তৱ কাম নে কি ? সময়ৰ আৰম্ভ কেতিয়া হৈছিল ?

**ড. দিলীপ কুমাৰ চৌধুৰীৰ প্ৰবন্ধ ঃ সময়**

**বাদল ঠাকুৰৰ ৰস-ৰচনা ঃ বোন্দাৰ গ্ৰন্থছিছ**

অসমত মম-উদ্যোগৰ ক্ষেত্ৰত পঞ্জীকৰণৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰা হৈছিল কিয় ?

**শান্তনু কুমাৰ বৰুৱাৰ পৰ্যালোচনা ঃ লাভজনক মম-উদ্যোগৰ পঞ্জীকৰণৰ ৰহস্য ।**


Prantik
The Assamese Fortnightly
Vol XI No. 5. 1 – 15 February '92
Rs. 7·00
Navagiri Road, Chanmari,
P.O. Silpukhuri, Guwahati–781003
Phone 28751

# মাৰ্চ পাষ্টৰ বাণী



পুৰুষ, মহিলা আৰু ল'ৰা ছোৱালী, জেষ্ঠ নাগৰিক আৰু স্বাধীনতাৰ প্ৰহৰী সকলোৱে যেতিয়া একেলগে গনতন্ত্ৰ দিবসত গৌৰবেৰে আগুবাই যায় তেতিয়া তেওঁলোকৰ মনত কেবল এটাই ধাৰণা থাকে–ভাৰতবৰ্ষ, আমাৰ ভাৰতবৰ্ষ

আৰু যি সকলে এই পেৰেড দৰ্শন কৰে সেই সকলোৰে মনত কেবল একেই উৎসাহ সমন্বয়ৰ উৎসাহ। অৰ্থনৈতীক অথবা অইন প্ৰত্যাহবানৰ কাৰণে এই উৎসাহ আৰু শক্তিশালী হৈ উঠে।

আৰু আমাক দৰিদ্ৰতাৰ সৈতে যুজিবলৈ আৰু এক নতুন দিশত আগবঢ়িবলৈ অধিক দৃঢ় সংকল্পবদ্ধ কৰে।

**প্ৰত্যাহবান জয় কৰিবলৈ এক সংকল্প এইটোৱেই হ'ল পেৰেডৰ উৎসাহ।**

davp 91/600 Ass.




# প্ৰান্তিক

একাদশ বছৰ, পঞ্চম সংখ্যা । ১-১৫ ফেব্ৰুৱাৰি, ১৯৯২ চন ।

## সভ্যতা-সংস্কৃতিৰ মিটাৰ

এখন ৰাজ্য বা এখন নগৰলৈ আহি, কিছুদিন তাত থাকি, মানুহ-দুনুহ, ঘৰ-বাৰী, ৰাস্তা-ঘাট আদিৰ বিষয়ে জানিবলৈ চেষ্টা কৰিলে এজন মানুহৰ ঠাইখন সম্পৰ্কে এক ধৰণৰ জ্ঞান হয়। আনহাতে দুদিন-তিনিদিন ঘূৰা-ফুৰা কৰি গুচি গ'লে তেওঁৰ ঠাইখন সম্পৰ্কে অইন এক ধৰণৰ ধাৰণা হ'ব পাৰে। এই দ্বিতীয় ধৰণৰ ধাৰণাটো সঠিক নহ'ব পাৰে, কিন্তু এখন ৰাজ্য বা এখন নগৰৰ সুনাম-দুৰ্নামৰ ক্ষেত্ৰত এই ধাৰণাও কম গুৰুত্বপূৰ্ণ নহয়।

অতি কম সময়ৰ ভিতৰতে যিবোৰ ধৰণে নতুন মানুহৰ মনত ঠাইখন সম্পৰ্কে ভাল বা বেয়া ধাৰণাৰ সৃষ্টি কৰে, সেইবোৰৰ এটা হ'ল তেওঁ যি ব্যৱহাৰ কৰিব পৰা যান-বাহন,— গুৱাহাটীৰ ক্ষেত্ৰত বিশেষকৈ অটোৰিক্সা আৰু টেক্সি। এজন নতুন মানুহে গুৱাহাটীৰ কোনো ষ্টেচনত নামিয়েই লগ পোৱা এই বাহনবোৰৰ চালক এজনে মানুহজনক নগৰখন বা ৰাজ্যখন সম্পৰ্কে কেইমিনিটমানৰ ভিতৰতে অতি সুন্দৰ বা অতি বেয়া ধাৰণা এটা দি দিব পাৰে।

যাত্ৰী, গাড়ী আৰু প্ৰয়োজনৰ ক্ষেত্ৰত পৰা এই তিনিবিধৰ ভিতৰত অটোৰিক্সাই গুৱাহাটী নগৰত প্ৰাধান্য লাভ কৰিছে, আৰু এই অটোৰিক্সাবোৰত মিটাৰ লগোৱা সম্পৰ্কে বহুদিনৰ পৰা উত্থাপিত হৈ থকা কথাটোৰ সন্দৰ্ভতে এটা পৰিসমাপ্তি ঘটাৰ উপক্ৰম হৈছে। এই সময়ত এটা বেলেগ দৃষ্টিকোণৰ পৰা এটা কথালৈ আমি অটোৰিক্সাৰ মালিক, চালক, সংগঠন,—সকলোৰে মনোযোগ আকৰ্ষণ কৰিব খুজিছোঁ। কথাটো মূলতঃ সাংস্কৃতিক দৃষ্টিকোণৰ পৰা উপলব্ধি কৰা কথা।

ভাড়াৰ নিৰিখ, প্ৰয়োজনীয় সংখ্যক মিটাৰ পোৱা যাব নে নাযায়, মিটাৰৰ দাম কিমান হ'ব, মিটাৰ কিনিবলৈ মালিকসকলৰ ইচ্ছা আছে নে নাই,—অটোৰিক্সাত মিটাৰ লগোৱাৰ ক্ষেত্ৰত এইবিলাকেই সমস্যা। কিন্তু আচলতে এইবিলাক সমস্যাৰ সমাধান আন্তৰিকতাৰ মাজতে নোহোৱাকৈয়ো কৰিব পৰা যায়—যদিহে মালিকসকল বা চালকসকলৰ "মিটাৰ লগালে আমাৰ অসুবিধা হ'ব"—জাতীয় নিম্নমান চিন্তাই প্ৰতিবন্ধকতাৰ বাধা নিদিয়ে। ভিতৰি-ভিতৰি এনে চিন্তাই কাম কৰি থাকিলে বাকীবোৰ সমস্যা অনাহকত ডাঙৰ হৈ গৈ থাকে। এনে চিন্তা অপসংস্কৃতিৰ ভেটিত গঢ় লৈ উঠে, আৰু ই অপসংস্কৃতিক লালন-পালন কৰে।

জনজীৱনৰ বিভিন্ন হিচাপ-পাতি, লেন-দেন আদিৰ ক্ষেত্ৰত কথা আৰু সময়ৰ অপচয় ৰক্ষা কৰিবলৈ বিজ্ঞানে মিটাৰৰ দৰে বিভিন্ন বিধৰ আহিলা আগবঢ়াইছে, সেইবোৰে সভ্যতা আৰু উন্নতিৰ প্ৰতীক হিচাপেও কাম কৰে। তদুপৰি প্ৰত্যেকজন মানুহৰ প্ৰবৃত্তিৰ ওপৰত এটা হিচাপেৰে সমানে ভাৰসা কৰিব নোৱাৰি কাৰণেই হিচাপটো নিৰ্ভুলভাৱে চলিবৰ বাবে যান্ত্ৰিক সহায়ৰ প্ৰয়োজন হয়। দাঁড়ি-পাল্লা, জোখ, ঘড়ী,—এইবোৰ আমাৰ সভ্যতাক উপলুঙা বা সন্দেহ কৰা আহিলা নহয়, এইবোৰে সভ্যতাক আমাৰ জীৱনত সহজ কৰি তোলা আহিলা। পেট্ৰল ডিপোৰ পেট্ৰল দিয়া যন্ত্ৰটোত দিয়াৰ মিটাৰ নথকা দেখিলে এজন অটোৰিক্সাচালক যিমান আচৰিত হ'ব, গুৱাহাটী নগৰৰ অটোৰিক্সাত মিটাৰ নথকা দেখিলে অইন এজন সভ্য মানুহ সিমানেই আচৰিত হোৱা উচিত।

আমাক যে সভ্যতাই আকোৱালি লৈছে, আমি যে সংস্কৃতিবান জাতিৰ মানুহ, সেইটো পৰিচয় দিবলৈকে আমি এই সাধাৰণ আহিলাবিধক গ্ৰহণ কৰা উচিত। শান্তিপ্ৰিয় বহু মানুহে আজি অনেকেও ভাবে ঃ মিটাৰৰ দূৰত্বটো বৈজ্ঞানিক উঠক, তথাপি তৰ্কাতৰ্কি নকৰাকৈ যেন ভাড়াটো শোধ কৰিব পাৰি।

কথাবোৰ অধিক গুৰুত্বপূৰ্ণ হোৱাৰ আৰু এটা ডাঙৰ কাৰণ হ'ল,—গুৱাহাটী নগৰত অটোৰিক্সা বহুতো অসমীয়া (শিক্ষিত) যুৱক নিয়োজনত আছে বুলি সকলোৱে বিশ্বাস কৰে।


**মুখ্য সম্পাদক ঃ ড. ভবেন্দ্ৰ নাথ শইকীয়া**

সহকাৰী সম্পাদক ঃ ইমৰান হুছেইন

অংগসজ্জা ঃ নবীন বৰুৱা

ব্যৱস্থাপনা ঃ মায়া বৰুৱা (একাউণ্টচ্চ), প্ৰশান্ত শৰ্মা (চাৰ্কুলেশ্যন), উদয় চন্দ্ৰ মেধি (একাউণ্টচ্চ), ফ'টো টাইপচেটিং ঃ মহেশ্বৰ ডেকা, খগেন্দ্ৰ শইকীয়া, মুদ্ৰাংকন ঃ গুৱাহাটী অফচেট প্ৰেছ, গুৱাহাটী ফ'টো টাইপচেট আৰু প্ৰিণ্টিং প্ৰেছ, প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত




### উগ্ৰপন্থীৰ সৈন্যসকলৰ কি হ'ব ?

আলফা আৰু ভাৰত চৰকাৰ সম্পৰ্কত আমাৰ মনত বিভিন্ন ধৰণৰ চিন্তাই ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰি থকা সময়তে প্ৰকাশ পোৱা আলফাৰ এটা গুৰুত্বপূৰ্ণ বিবৃতিয়ে সংগঠনটোৰ ভৱিষ্যত সম্পৰ্কে আমাক হঠাতে নতুন ধৰণে চিন্তা কৰিবলৈ ইন্ধন যোগাইছে'। আলফাই প্ৰকাশ কৰিছে যে আমি বিচৰা ধৰণে তেওঁলোকে সন্ত্ৰাসবাদ বাদ দিব, যদিহে ৰাজনৈতিক দলবোৰৰ দৰে তেওঁলোকেও তেওঁলোকৰ বক্তব্য মুক্তভাৱে প্ৰচাৰ কৰাৰ সুবিধা ভাৰত চৰকাৰৰ পৰা পায়।

এই বিবৃতিটো পঢ়ি প্ৰান্তিকৰ কোনো এটা সংখ্যাৰ "শেষপৃষ্ঠাত" প্ৰকাশ পোৱা মূল্যবান কথা এষাৰ মোৰ মনলৈ আহিছে। তাত ভাৰত চৰকাৰৰ সৈন্য আৰু আলফাৰ (বা যিকোনো উগ্ৰপন্থী গোটৰ) সৈন্যৰ কথা তুলনা কৰি লিখা হৈছিল যে, যদিহে এটা বিৰোধী শক্তিৰ লগত যুদ্ধ দিয়াৰ পাছত যিকোনো এটা ক্ষণত (stage) চৰকাৰী সামৰিক বাহিনীৰ কৰ্তৃপক্ষই তেওঁলোকৰ সৈন্যসকলক যুদ্ধ বন্ধ কৰি উভতি আহিবলৈ কয় তেন্তে সেই সৈন্যদল উভতি আহিব। কিন্তু এনেক্ষেত্ৰত আলফাৰ দৰে যিকোনো উগ্ৰপন্থী দল এটাৰ কৰ্তৃপক্ষই তেওঁলোকৰ আটাইবোৰ সৈন্যক এনেকৈ "ওভতাই" আনিব পাৰিব বুলি আশা কৰাটো অসম্ভৱ।

আকৌ, চৰকাৰী সৈন্যদলক এটা নিৰ্দষ্ট অভিযানৰ (operation) পাছত ওভতাই আনিও সামৰিক কাম-কাজতেই ব্যস্ত কৰি ৰখা হয়। কিন্তু, উগ্ৰপন্থী দল এটাই যদি সন্ত্ৰাসবাদ বাদ দিয়ে তেন্তে তেওঁলোকৰ, অকল সামৰিক অনুশীলনী আৰু চিন্তাত ব্যস্ত ৰখা সৈন্যসকলৰ কি হ'ব ? তেওঁলোকক "মূলসুঁতি"লৈ ওভতাই অনা হ'ব নে চৰকাৰী সৈন্যৰ দৰে ভৱিষ্যতৰ সামৰিক প্ৰয়োজনৰ বাবে সাজু কৰি ৰখা হ'ব ?

—ইন্দ্ৰজ্যোতি ৰায় চৌধুৰী
গণককুছি, বৰপেটা

### "আমাক শান্তি লাগে"

উক্ত শিৰোনামাৰ চিঠিখন (১/১১/৯১) পঢ়ি বৰ ভাল পালো। ই সময়োপযোগী হৈছে। স্বাধীন অসমৰ প্ৰশ্নত, সোণৰ অসম গঢ়াৰ প্ৰশ্নত অসমৰ জনসাধাৰণক ক্ষতিগ্ৰস্ত কৰাটো আমি সঁচাকৈয়ে দুখ পাব লগা কথা। যোৱা এঘাৰ বছৰীয়া অভিজ্ঞতাই সুন্দৰ সোণৰ অসম গঢ়াৰ স্পষ্ট উদাহৰণ দেখুৱালে। সদৌ অসম ছাত্ৰসস্থাৰ "এই জুই জ্বলিছে, জ্বলিবই" শ্ল'গানত অসম এতিয়াও দগ্ধ। কোনে এই জুই নুমুৱাব ! কোনো অসমীয়া নিঃস্বাৰ্থ ব্যক্তি এতিয়াও অসমত আছেনে'? যদি আছে ওলাই আহক। কাৰণ আমাক শান্তি লাগে। মানুহ খোৱা ৰাজনীতি কৰি সোণৰ অসম গঢ়া তথা

বন্দুকৰ গুলীৰে জনসাধাৰণক আতংকিত কৰি আমাক শান্তি দিবলৈ বিচৰাটো আমাৰ কাম্য নহয় । আমাৰ কাম্য,—বিভিন্ন জাতি-সম্প্ৰদায়ৰ মাজৰ ঐক্য-সম্প্ৰীতি । অসমক লাগে সেইখন অসম—য'ত আমি শান্তিৰে দুবেলা দুমুঠি খাই অসম তথা অসমীয়া জাতিক সমৃদ্ধিশালী কৰি গঢ়ি তুলিব পাৰোঁ ।

—বিবেকানন্দ পগাগ
উত্তৰ লক্ষীমপুৰ।

## "নাৰী অৰু পুৰুষৰ বন্ধুত্ব" সম্পৰ্কীয় বিতৰ্ক

আমি লিখা "নাৰী আৰু পুৰুষৰ বন্ধুত্ব সম্ভৱনে ?" শীৰ্ষক আলোচনাটো (১৬।৯।৯১) সম্পৰ্কে শ্ৰী দেৱকান্ত সন্দিকৈদেৱে আগবঢ়োৱা সমালোচনা (১।১২।৯১) পঢ়ি কেইটামান কথা পুনৰ জনোৱাৰ প্ৰয়োজন অনুভৱ কৰিছোঁ ।

প্ৰথমেই স্পষ্ট কৰিব খোজোঁ যে আমাৰ মূল আলোচনাটো নিতান্তই সামাজিক নীতি-নিয়ম, আচাৰ-আচৰণ, সভ্যতা-সংস্কৃতিৰ মাজত চলা ব্যক্তিসকলৰ বিষয়েহে আগবঢ়োৱা হৈছিল । আমাৰ সমাজত যিহেতু বন্ধু-বান্ধৱীয়েই হওক, স্বামী-স্ত্ৰীয়েই হওক, পিতৃ-মাতৃয়েই হওক বা ভাতৃ-ভগ্নীয়েই হওক,—সকলো সম্পৰ্কৰ বাবেই কিছুমান সুকীয়া আচাৰ-আচৰণ, নিৰ্ধাৰিত কৰা আছে । সেইবাবে দুজন ব্যক্তিৰ মাজৰ যিকোনো এটা সম্পৰ্কৰ সংজ্ঞা কি হ'ব—সেইটো বহু পৰিমাণে ব্যক্তি দুজনৰ মাজৰ আচাৰ-আচৰণৰ ওপৰতো নিৰ্ভৰ কৰিব । এই ক্ষেত্ৰত যৌনতাই এটা মুখ্য ভূমিকা লয় । যদি দুজন স্বামী-স্ত্ৰীৰ মাজত সংঘটিত হোৱা ধৰণৰ যৌন সম্পৰ্ক দুজন বন্ধুৰ (নাৰী আৰু পুৰুষ) মাজতো হ'ব পাৰে, তেনেহ'লে স্বামী-স্ত্ৰীৰ সম্পৰ্ক আৰু বন্ধুত্বৰ সম্পৰ্কৰ মাজত কিবা প্ৰভেদ থাকিবগৈনে ? বাস্তৱ দৃষ্টিৰে মানুহৰ মাজৰ বিভিন্ন সম্পৰ্কবোৰ বিশ্লেষণ কৰি চালে দেখা পাম যে বেছিভাগ সম্পৰ্কৰ ক্ষেত্ৰতে যৌনতা হ'ল এড়াল সীমাৰেখাৰ দৰে অথবা এখন দেৱালৰ দৰে। এটা সামাজিক শৃংখলাৰ বাবেই সেই সীমাৰেখা বা সেই দেৱালখনৰ প্ৰয়োজন । এই কথা মনে-প্ৰাণে বিশ্বাস কৰোঁ বাবেই আমি কৈছোঁ যে নাৰী আৰু পুৰুষৰ মাজত বন্ধুত্বৰ পথ যৌনতাই বন্ধ কৰে আৰু যিহেতু সেই ক্ষেত্ৰত যৌনতা অনিবাৰ্যভাৱে আহি পৰিবই, গতিকেই নাৰী-পুৰুষৰ মাজত প্ৰকৃত বন্ধুত্বও সম্ভৱ হৈ নুঠে । মুক্ত যৌনাচাৰৰ যুক্তিৰে নাৰী-পুৰুষৰ বন্ধুত্বক সম্ভৱ বুলি ক'বলৈ যোৱাটো উচিত নহ'ব, কাৰণ সভ্যতাই মুক্ত যৌনাচাৰক স্বীকৃতি নিদিয়ে ।

দ্বিতীয়তে, আমাৰ আলোচনাটোত নাৰীৰ প্ৰতি কোনো ধৰণৰ অশ্ৰদ্ধা বা বিদ্বেষৰ ভাব প্ৰকাশ হোৱা নাছিল । নাৰীৰ হিয়াক কুকুৰনেচীয়া বাঘৰ হিয়াৰ লগত তুলনা কৰা বেদৰ শ্লোকটো ড° মহেশ্বৰ নেওগদেৱেহে উদ্ধৃত কৰিছিল । নাৰীক কুকুৰনেচীয়া বাঘৰ লগত তুলনা কৰিবলৈ মন যোৱা ধৰণৰ তিতা অভিজ্ঞতা ব্যক্তিগতভাৱে আমাৰ এতিয়ালৈকে হোৱা নাই বাবেই সেই কথা আমি সমৰ্থন নকৰোঁ আৰু আমাৰ মূল আলোচনাটোত তেনে ধৰণৰ কোনো কথা লিখা হোৱা নাছিল । কিন্তু শ্ৰী দেৱকান্ত সন্দিকৈদেৱে তেখেতৰ সমালোচনাটোৰ শেষৰ ফালে পাঠকক এনে এটা ধাৰণা দিবলৈ বিচাৰিলে যেন আমিও নাৰীৰ হিয়াক কুকুৰনেচীয়া বাঘৰ হিয়াৰ লগত তুলনা কৰা কথাটো সমৰ্থন কৰোঁ । তেখেতে লিখিছে— "বন্ধুত্ব হ'ব নোৱাৰাৰ কাৰণ হিচাপে নাৰী-পুৰুষৰ মাজৰ যৌন আকৰ্ষণ তথা প্ৰেমহে বুলি এবাৰ কোৱাৰ পাছত কাৰণটোক আকৌ কি মতলবত নাৰীৰ 'শৰীৰ'ৰ পৰা 'হিয়া'লৈ লৈ অহা হ'ল ?"—

সন্দিকৈদেৱৰ এই প্ৰশ্ন অবান্তৰ নহয়নে ? যিহেতু নাৰীৰ দেহ বা যৌনতাৰ কথা কোৱাজন আৰু নাৰীৰ হিয়া বা কুকুৰনেচীয়া বাঘৰ কথা কোৱাজন দুজন বেলেগ ব্যক্তি, সেয়ে প্ৰথমজনে (অৰ্থাৎ আমি) নাৰীৰ দেহ বা যৌনতাৰ যুক্তিক এৰি 'হিয়া'ৰ যুক্তিলৈ কি মতলবত গ'ল বুলি প্ৰশ্নই উঠিব নোৱাৰে। আনহাতে দ্বিতীয়জনেও (অৰ্থাৎ বেদৰ শ্লোক লিখা জনেও) নাৰী-পুৰুষৰ বন্ধুত্বৰ ক্ষেত্ৰত বাধা হিচাপে পোনপটীয়াভাৱে নাৰীৰ হিয়াখনকহে জগৰীয়া কৰিছে; যৌনতাৰ কথা তেখেতে উত্থাপনেই কৰা নাই । তেনে স্থলত নেওগদেৱৰ মন্তব্যৰ ভিতৰতো কিবা মতলব থকাৰ প্ৰমাণ নাই । তদুপৰি ড. নেওগদেৱে ইতিমধ্যেই "প্ৰান্তিক"ত স্পষ্টীকৰণ দি জনাই থৈছে যে বেদৰ কবিয়ে নাৰী সম্পৰ্কে কৰা উক্ত মন্তব্য তেখেতে সমৰ্থন নকৰে। গতিকে সন্দিকৈদেৱৰ উক্ত বাক্যটো পাঠকক বিপথে পৰিচালিত কৰিব পৰা ধৰণৰ বাক্য বুলি ক'বলৈ আমি বাধ্য হৈছোঁ ।

**ড. হেমন্ত কুমাৰ গোস্বামী,**
নাজিৰা, শিৱসাগৰ।

## গিয়েন নে গুলিয়েন

শ্ৰীলোকাভিৰাম শইকীয়া ডাঙৰীয়াৰ "কিউবাৰ কবি Nicolas Guillen সন্দৰ্ভত" শীৰ্ষক চিঠিখনৰ (১।১১।৯১) উত্তৰ স্বৰূপে এইখন চিঠি লিখিলো ।

Guillen-অৰ কিউবান তথা স্পেনিছ ভাষাৰ সঠিক উচ্চাৰণ গিয়েন হে, গুলিয়েন নহয় ।

পাঠক-পাঠিকাসকলৰ বহুতে হয়তো জানিব পাৰে যে কিউবা, মেক্সিক', পুয়েৰিক' আৰু দক্ষিণ আমেৰিকা মহাদেশৰ সকলো দেশতে (ব্ৰাজিল, গায়ানা, ফ্ৰেন্স গায়ানা আৰু ছুৰিনেমৰ বাদে) স্পেনিছ ভাষাই চলে । স্পেনিছ ভাষাত দুটা L একেলগে লিখিলে তাৰ উচ্চাৰণ 'য়'ৰ দৰে হয় । দুটা L-অৰ সৈতে লিখা সততে ব্যৱহৃত হোৱা অন্য শব্দ এটা হ'ল CABALLERO—উচ্চাৰণ হ'ল "কাবায়েৰ"; —অৰ্থ হল পুৰুষ (gentlemen). আমেৰিকাৰ টেক্সাছ, কেলিফৰ্নিয়া আৰু দক্ষিণ ফ্ল'ৰিডা,—য'ত আজিকালি অনেক Hispanic (স্পেনিছ ঐতিহ্যৰ বা ভাষাভাষী) লোকে বাস কৰে তেনে ঠাইবিলাকৰ প্ৰায়বিলাক সাৰ্বজনীন শৌচালয় (public rest rooms) দুৱাৰত ইংৰাজীত Gents বুলি লিখাৰ উপৰিও Caballero শব্দটোও দেখা পোৱা যায় ।

দুটা L-অৰ সৈতে আৰু এটা স্পেনিছ শব্দ হ'ল কেলিফৰ্নিয়াৰ এখন ঠাইৰ স্পেনিছ নামটো । নামটো হ'ল LA JOLLA — উচ্চাৰণ হ'ল লা হয়া" । আৰু এটা কথা,—স্পেনিছ ভাষাত Jৰ উচ্চাৰণ 'হ'ৰ দৰেহে হয় । যেনে Jose' হ'ল হ'জে" ।

**অৱনী কুমাৰ শৰ্মা,**
অৰ্লাণ্ড, ফ্ল'ৰিডা

## "শিক্ষাদানৰ ক্ষেত্ৰত প্ৰত্যাহ্বান"

শ্ৰীঅনুৰূপ গোহাঁইবৰুৱাৰ আলোচনা "শিক্ষাদানৰ ক্ষেত্ৰত প্ৰত্যাহ্বান" (১৬/১১/৯১) পঢ়িলো । শিক্ষাজগতৰ এনে দুৰ্দিনৰ সময়ত শ্ৰীগোহাঁইবৰুৱাদেৱৰ শিক্ষাদানৰ ক্ষেত্ৰত এনে ধৰণৰ নতুন চিন্তা প্ৰশংসনীয় । অৱশ্যে তেখেতৰ লেখনীৰ কেইটামান কথাৰ লগত আমি একমত হ'ব নোৱাৰিলো ।

আজিৰ ছাত্ৰসমাজত এটা কথা সদায় লক্ষ্য কৰা হয়,—শিক্ষা গ্ৰহণৰ একমাত্ৰ উদ্দেশ্য হ'ল পৰীক্ষাত উত্তীৰ্ণ হোৱা । বিজ্ঞানৰ এজন ছাত্ৰ হিচাপে আমিও সদায় এটা কথা উপলব্ধি কৰোঁ যে বিষয়বস্তুৰ মূলজ্ঞান আহৰণৰ কাৰণে শ্ৰেণীকক্ষত এটা 'বিশেষ পৰিবেশ'ৰ সৃষ্টি হোৱাটো দৰকাৰ। শ্ৰীগোহাঁইবৰুৱাদেৱে কোৱাৰ দৰে "হাতত কিতাপ এখন বা 'খট' এখন লৈ গৈ পঞ্চল্লিছ মিনিট-এঘণ্টা কটাই অহা" শিক্ষক-প্ৰবক্তা-অধ্যাপকৰ কাৰণে এই পৰিবেশ সৃষ্টি কৰাটো সম্ভৱ নহয় ।

কোনো শ্ৰেণীকোঠাত ছাত্ৰৰ উপস্থিতি কম হ'লে শিক্ষকসকলে কেৱল ছাত্ৰক দোষ দিয়ে । কিন্তু এই পৰিবেশৰ বাবে কেৱল ছাত্ৰসকলেই সম্পূৰ্ণৰূপে জগৰীয়া নহয় । আমাৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা কওঁ যে শ্ৰেণীকোঠাত বিষয়বস্তুৰ প্ৰতি ছাত্ৰৰ মন আকৰ্ষিত কৰাত শিক্ষকসকল ব্যৰ্থ হ'লে তেনে ক্লাছৰ প্ৰতি ছাত্ৰসকলৰ আগ্ৰহ কমি যোৱাটো নিতান্তই স্বাভাৱিক । শ্ৰেণীকোঠাত শিক্ষকে দিয়া note এটা কোনো কিতাপত হুবহু পোৱা গলে তেনে শ্ৰেণীত উপস্থিত থকাৰ যুক্তিযুক্ততা ক'ত ? সেয়ে শ্ৰীগোহাঁইবৰুৱাদেৱে ভবাৰ দৰে বৰ্তমান সময়ত পৰীক্ষা পাতি অকৃতকাৰ্য ছাত্ৰ-ছাত্ৰীক "ৰখাই দিয়া"ৰ দৰে শিক্ষকসকলৰো ছাত্ৰসকলৰদ্বাৰা মূল্যায়ন কৰি ৰখাই দিয়া নাইবা আন কোনো ইনষ্টিটিউটলৈ বদলি কৰাটো ছাত্ৰ-ছাত্ৰীসকলৰ বাবেই মংগলজনক হ'ব; অৱশ্যে তেখেতে ভবাৰ দৰে "কটন মহাবিদ্যালয়ত পাঠদান কৰিবৰ কাৰণে অনুপযুক্ত অধ্যাপকক" বেলেগ মহাবিদ্যালয়লৈ বদলি কৰিলে উদ্দেশ্য পূৰণ নহ'ব । কাৰণ আমাৰ দৃষ্টিত যিসকল অধ্যাপক কটন মহাবিদ্যালয়ত পাঠদান কৰিবৰ কাৰণে অনুপযুক্ত, সেইসকল আন মহাবিদ্যালয়ত পাঠদান কৰিবৰ বাবেও অনুপযুক্ত; কাৰণ—কটন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী শ্ৰেণীলৈ যোৱাত যি উদ্দেশ্য নিহিত হৈ থাকে, সেয়া আন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও একেই । আনহাতে লেখকে ভবাৰ দৰে কঠিন পাঠ পঢ়াবলৈ ব্যৰ্থ হোৱা বিজ্ঞানৰ অধ্যাপকক "থিয়'ৰি" ক্লাছৰ পৰিবৰ্তে প্ৰেক্টিকেল ক্লাছ লবলৈ দিলে জানো সমস্যাৰ সমাধান হ'ব ? আমাৰ ক্ষুদ্ৰ জ্ঞানৰপৰা কব পাৰোঁ যে প্ৰেক্টিকেল ক্লাছসমূহ লোৱা হয় থিয়'ৰি ক্লাছত পোৱা কিছুমান সূত্ৰৰ পৰীক্ষামূলক প্ৰমাণৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ ধাৰণাসমূহ পৰিষ্কাৰ কৰিবলৈ । সেয়েহে যিসকল বিজ্ঞানৰ অধ্যাপক থিয়'ৰিৰ ক্লাছতে ছাত্ৰ-ছাত্ৰীক বিষয়বস্তুৰ প্ৰতি আকৰ্ষিত কৰাত ব্যৰ্থ হয়, সেইসকল অধ্যাপক প্ৰেক্টিকেল ক্লাছৰ বাবে উপযুক্ত হ'বনে ?

সামৰণিত আমি কওঁ,—আমাৰ দৰে ছাত্ৰসকল সজাগ হওক; শ্ৰেণীকোঠাত অধ্যাপকসকলৰ ওচৰ চাপিবলৈ যৎপৰোনাস্তি চেষ্টা কৰক আৰু লেখকে ভবাৰ দৰে শিক্ষকসকলে শিক্ষাদানক এক "প্ৰত্যাহ্বান" ৰূপে গ্ৰহণ কৰক ।

**বিজয় শৰ্মা,**
তালাপ।

## প্ৰশ্নোত্তৰত "মহাপুৰুষ"

নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱে 'মহাপুৰুষ' শব্দৰ অপব্যৱহাৰ সম্পৰ্কে লিখা কথাখিনিৰ (১৬।১০।৯১) লগত আমি একমত । প্ৰায় ৬-৭ বছৰৰ আগতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত 'তুমি জনা এজনা মহাপুৰুষ'ৰ বিষয়ে এখন ৰচনা লিখিবলৈ কোৱা হৈছিল । পৰীক্ষাৰ্থীসকলে উত্তৰ লিখোঁতে শ্ৰীশ্ৰী শংকৰদেৱ, হজৰত মহম্মদ, ৰঘুনাথ চৌধাৰী আদিক একাকাৰ কৰি পেলাইছিল । সেই বছৰ পৰীক্ষাৰ্থীসকলৰ মূল্যায়ন আমি জনাত সঠিককৈ কৰা নহ'ল । কথাটো এই কাৰণেই কোৱা হৈছে যে মই নিজে দুশ বহী পৰীক্ষা কৰোঁতে যিসকল পৰীক্ষাৰ্থীয়ে শ্ৰী গোস্বামীদেৱে কোৱাৰ দৰে অৱতাৰী পুৰুষসকলৰ বিষয়ে উত্তৰ লিখিছিল, সেই সকল পৰীক্ষাৰ্থীৰ উত্তৰৰ গুৰুত্ব সহকাৰে মূল্যায়ম কৰিছিলো; আৰু যিসকলে সাহিত্যিক নাইবা ৰাজনৈতিক ব্যক্তিৰ বিষয়ে লিখিছিল তেওঁলোকক কেৱল লিখা পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰি, নম্বৰ নিদিলে নহয় কাৰণেই, কিবা এটা নম্বৰ দিছিলো । কেন্দ্ৰত যেতিয়া সূক্ষ্ম পৰীক্ষাৰ মাজত এক প্ৰকাৰৰ তৰ্ক-বিতৰ্কই হৈছিল । প্ৰধান পৰীক্ষকেও পৰীক্ষকে দিয়া নম্বৰ কৰ্তন কৰা নাইবা বেছিকৈ দিয়াৰ অধিকাৰ সূক্ষ্ম পৰীক্ষকসকলৰ নাই বুলি খুচি-খেয়ালৰ ওপৰতে বিষয়টো এৰি দিলে । কথাটো গুৰুত্বপূৰ্ণ তিনিফালৰ পৰা ঃ প্ৰথম কথা, পৰীক্ষাৰ্থীসকলে প্ৰশ্নটো কিয় ভুলকৈ বুজিলে ? দ্বিতীয়তে, পৰীক্ষকসকল কিয় একমতত উপনীত হ'ব নোৱাৰিলে ? আৰু তৃতীয়তে, সেই বছৰ বিষয়টিৰ ওপৰত প্ৰকৃত মূল্যায়ন নহ'ল, ফলত পৰীক্ষাৰ্থীসকলৰ মূল্যায়নৰ ক্ষেত্ৰত সেইবাৰ সুবিচাৰ নহ'ল । ভবিষ্যতে এনে ভুল নকৰিবৰ বাবে সাৱধান হোৱা উচিত । প্ৰশ্ন কৰ্তাই 'অৱতাৰী পুৰুষ' নাইবা 'সাহিত্যিক'ৰ কথা স্পষ্টভাৱে উল্লেখ কৰিলে ভাল হয় ।

**সদানন্দ বৰুৱা,**
বাগ্মীবৰ নীলমণি ফুকন উ°মা° বিদ্যালয়,
ডিব্ৰুগড়

## মহাপুৰুষৰ ধৰ্ম

নাৰায়ণপুৰ অঞ্চলৰ মাঘনোৱা দ'লটো চৰকাৰে সংৰক্ষণ কৰিবলৈ এৰি দিয়াত হাবিত পোত খালে । স্থানীয় ৰাইজে তাক মেৰামতি কৰি আছিল, কিন্তু এতিয়া বৈষ্ণৱীলোকৰ সংখ্যা বাঢ়ি গ'ল । তেওঁলোকে হেনো মূৰ্তি থকা বাবে দ'লৰ মেৰামতি নকৰে। শাক্ত লোকো কম । গতিকে দ'লটো খহি পৰিছে । কিন্তু দ'লটো মেৰামতি কৰিলেই তাত থকা মূৰ্তি পূজা কৰা হ'ব নেকি ? মই ভাবোঁ, আমি বৈষ্ণৱেই হওঁ বা শাক্তই হওঁ, সেইটো আমাৰ মাজতে থাকক । যিজনে যি ধৰ্ম গ্ৰহণ কৰে তাত আমাৰ আপত্তি নাই । কিন্তু ৰাজহুৱা কামৰ ক্ষেত্ৰত ধৰ্মৰ কথা পাহৰি, সমাজৰ একতাৰ খাতিৰত উভয় পক্ষৰ লোকে, বিশেষকৈ যুবকসকলে একেলগে হাত উজান দিয়া উচিত । শিক্ষিত যুবকসকলে বহল দৃষ্টিভংগী গ্ৰহণ কৰি সমাজৰ কামত হাত দিয়া উচিত ।

**হৰেন পূজাৰী,**
বি. মহাবিদ্যালয় ।

## "দুৰ্গাপূজা অসমৰ জাতীয় উৎসৱ হয়নে"

উক্ত শিৰোনামাৰে নতুন কমলাবাৰী সত্ৰৰ (মাজুলী) সত্ৰাধিকাৰ গোস্বামীদেৱে লিখা চিঠিখন (১৬/২/৯১) পঢ়ি, তাৰ প্ৰতিবাদত এই চিঠিখন লিখিলো ।

তেখেতে কি যুক্তিৰ আধাৰত দুৰ্গাপূজা আৰু বিহুৰ তুলনা কৰিছে ? বিহু নিতান্তই এটা সামাজিক উৎসৱ; ইয়াক আমি জাতীয় উৎসৱ বুলি মানি চলিছোঁ । আনহাতে দুৰ্গাপূজা হিন্দুৰ এটা ধৰ্মীয় উৎসৱ। ইয়াক অসমীয়া-বাঙালী-বিহাৰী জনজাতি-অজনজাতি নিৰ্বিশেষে বহু হিন্দুৱে আন্তৰিকতাৰে পালন কৰে। গতিকে দুৰ্গাপূজা অসমীয়াৰ জাতীয় উৎসৱ নহয়, বৰং ই হিন্দুসকলৰ এটা ভাগৰ এটা ধৰ্মীয় উৎসৱ। শ্ৰীগোস্বামীদেৱে স্বৰাজ আন্দোলনৰ সময়ত অসমত দুৰ্গাপূজাৰ প্ৰচলন নাছিলেই বুলি প্ৰতিপন্ন কৰিবলৈ শিক্ষাগুৰুৰ সহায় লৈছে । মই সিমান দিবলৈ নাযাওঁ । আজিৰ পৰা ১০-১৫ বছৰৰ আগতে নামনি অসমত নগৰ-চহৰক বাদ দি আন অঞ্চলত বিহু দেখা নাছিলো । এতিয়াও গোৱালপাৰা, কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও আদি জিলাসমূহত অতি সীমিতভাৱে বিহু উৎসৱ পালন কৰা হয় । বৰং এইবিলাক ঠাইত দুৰ্গাপূজা মহাসমাৰোহেৰে পালন হয় । কাছাৰ, উত্তৰ কাছাৰ আৰু কাৰবি আংলঙৰ ফালেও একেই অৱস্থা । কেৱল মাজুলী, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়েই অসম নহয় । অসমীয়া মাত্ৰেই শংকৰভক্ত নহয়, আনহাতে দুৰ্গাপূজাও মাত্ৰ বাংলা-সংস্কৃতি নহয় । মই নিজে মূৰ্তিপূজা, বলি-বিধান আৰু দেৱীপূজাত বিশ্বাসী । বিহু আৰু দুৰ্গাপূজা দুয়োটাই মোৰ বাবে পৱিত্ৰ অনুষ্ঠান ।

**সুৰেন্দ্ৰ কুমাৰ ভাগৱতী,**
নলবাৰী ।

## "দেউতাই মাক নামাতে"

অলপতে আপোনাৰ কাকতৰ পত্ৰালাপ শিতানত উক্ত শিৰোনামাৰ কথাখিনি পঢ়ি বৰ দুখ লাগিল, আজি প্ৰায় দহ বছৰমানৰ আগতে মই মোৰ ঘৰত ল'ৰা কেইটাক মোৰ বিষয়ে এখন ৰচনা লিখিবলৈ দিলো । মোৰ কি কি কথা সিহঁতে ভাল পায় আৰু কি কি কথা বেয়া পায় সেইটো স্পষ্টকৈ লিখি দিবলৈ কলো । মোৰ তিনিটা ল'ৰাৰ ডাঙৰ আৰু সৰুটোৱে মই যাতে বেয়া নাপাওঁ তেনেকৈ লিখিলে । কিন্তু মোৰ মাজু ল'ৰাটো স্পষ্টবাদী, তাৰ ভুলে-শুদ্ধই লিখা ৰচনাখনৰ কথা মোৰ আখৰে-আখৰে আজিও মনত আছে । তলত সি যিদৰে লিখিছিল সেইমতেই লিখিছোঁ ।

'দেউতাৰ গোণবোৰ'

(১) দেউতাই আমালৈ কিবাকিবি বস্তু আনিলে আমি ভাল পাওঁ । নানিলে বেয়া পাওঁ । (২) দেউতাই অকণ কথাতেই খং কৰে। তেতিয়া দেউতাক আমি বেয়া পাওঁ ।

সেই কথা মোৰ মাজু ল'ৰাটোৱে কোৱা আজি প্ৰায় দহ বছৰ কাল হ'ল । আজিও মই পৰাপক্ষত সেই কথা মানি চলিছোঁ । স্বৰ্গীয় জয়ভদ্ৰ হাগজেৰে কৈছিল, 'জীৱনটো এৰা-ধৰাৰ সমন্বয় । লোকৰ কথা শুনি নিজৰ পৰিয়াললৈ অশান্তি মাতি আনি কাৰো একো লাভ নহয় । নিজৰ সুখেই নিজৰ পৰিয়ালৰ সুখ, পৰিয়ালৰ সুখেই গাঁৱৰ সুখ— দেশৰ সুখ।

**নগেন্দ্ৰ নাথ বৰুৱা,**
গুৱাহাটী

## চহৰৰ ছোৱালী, গাঁৱৰ ছোৱালী

আজি কেইবছৰমান আগতে 'পত্ৰালাপ' শিতানতে এগৰাকী পত্ৰলেখিকাই আক্ষেপ কৰিছিল যে চহৰৰ ছোৱালীবিলাকে ধুন-পেচ কৰাৰ বাদে একো কামেই নাজানে বুলি বহুতে ধাৰণা কৰে। এই ধাৰণা মানুহৰ কথা-বতৰাৰ পৰা আৰম্ভ কৰি গল্প, উপন্যাস আৰু ব্যংগ কবিতাতো প্ৰতিফলিত হৈছে।

ধুন-পেচ মানে দীঘল চুলি চুটিকৈ কটা, গাল-ওঁঠ-নখ আদি বিভিন্ন কৃত্ৰিম ৰঙেৰে বোলোৱা, আধুনিক (শেহতীয়া ফেছনৰ) সাজপাৰ পিন্ধা বুলি যদি ধৰি লোৱা যায় তেনেহ'লে চহৰ আৰু গাঁৱৰ ছোৱালীৰ মাজত বিভেদ ননাই ভাল। (এই ক্ষেত্ৰত গৰিষ্ঠসংখ্যক গাঁৱৰ আৰু কমসংখ্যক নগৰৰ ছোৱালীক ব্যতিক্ৰম বুলি বাদ দিয়াটো উচিত হ'ব বুলি বিবেচনা কৰোঁ।) শেহতীয়াভাৱে চহৰ আৰু গাঁৱৰ ছোৱালীৰ মাজত আৰু এটা সাদৃশ্য আমাৰ দৃষ্টিগোচৰ হৈছে। সেয়া হ'ল বিয়ানাম গাব নোৱৰা বা নজনাটো। সৰুৰে পৰা আমি বিভিন্নজনৰ, বিভিন্ন সমাজৰ বিয়াৰ ৰভাতলিত উপস্থিত থাকি শুনা পানীতোলা, দৰা-কইনাক গা ধুউৱা, দৰা আদৰা, দৰাৰ লগত অহা "দুষ্ট" ল'ৰাজাককে উদ্দেশি আৰু কইনাক বিদায় দিয়া সময়ত গোৱা বিয়ানামবোৰ এতিয়া অতীতৰ সুখ-স্মৃতি হৈ ৰ'ল। আজিকালি বজাৰত বিয়ানামৰ কেছেটৰ সংখ্যা যিমানেই বৃদ্ধি পাইছে, ৰভাতলিত বিয়ানাম গাব পৰা জীয়ৰী-বোৱাৰীৰ সংখ্যা চহৰ আৰু গাঁও অঞ্চলত সিমানেই হ্ৰাস পাইছে। এই কথা আমাৰ চাক্ষুষ অভিজ্ঞতাৰ পৰা'ন দি ক'ব পাৰোঁ। এতিয়াও বিয়ানাম গোৱা সংস্কৃতিটো যিসকল জীয়ৰী, বোৱাৰী তথা আইতাই জীয়াই ৰাখিছে, তেখেতসকললৈ সশ্ৰদ্ধ প্ৰণাম জনাই বাকীসকলক সনিৰ্বন্ধে অনুৰোধ জনাইছোঁ—আধুনিক ভাব-ভাষা লগাই ৰচনা কৰা বিয়ানাম হ'লেও (উদাহৰণ-গুৱাহাটীৰ টেকছি, কইনাঘৰৰ ছোৱালীবোৰ একেবাৰে ধেপেচী) গোৱাৰ অভ্যাসটো যাতে তেখেতসকলে নেৰে।

—**ধৰণীধৰ দাস,**
বৰমা— ৭৮১৩৪৬

## "স্কুলৰ সাজ"

গড়গাওঁ মহাবিদ্যালয়ত ছাত্ৰী শ্ৰীমতী ৰীণা বুঢ়াগোহাঁয়ে শ্ৰীমতী নন্দিনী বৰুৱাই লিখা "স্কুলৰ সাজ" সম্পৰ্কীয় চিঠিখনৰ সন্দৰ্ভত যি কেইটা কথা লিখিছে (১/৮/৯১), সেই সম্পৰ্কে মোৰ দুআষাৰ মন্তব্য আগবঢ়ালো। মোৰ দুৰ্ভাগ্য শ্ৰীমতী বৰুৱাৰ চিঠিখন মই পঢ়া নাই আৰু স্কুলত চাদৰ-মেখেলাই পিন্ধক বা চুৰিদাৰেই পিন্ধক সেই সম্পৰ্কেও মোৰ বিশেষ মতামত নাই। শ্ৰীমতী বুঢ়াগোহাঁইৰ কেইটামান কথা হজম কৰিব নোৱাৰিহে এই চিঠিখন লিখিবলৈ বাধ্য হলো। তেখেতে লিখিছে যে এগৰাকী ছোৱালী আজি বাদে কাইলৈ গৃহিনী হ'ব লাগিব। এগৰাকী ছোৱালীয়ে সকলো সময়তে 'গৃহিনী' হ'ব লাগিব বুলিয়েই প্ৰস্তুত হৈ থাকিব নেকি? বিয়াই জীৱনৰ উদ্দেশ্য হিচাপে ছাত্ৰী অৱস্থাতে ললে নিজকে সমাজৰ শিক্ষিত ব্যক্তি হিচাপে গঢ় দিবলৈ তেওঁৰ কিমানখিনি মানসিক প্ৰস্তুতি থাকিব? চাদৰ-মেখেলা পিন্ধি এজনী ১৩-১৪ বছৰীয়া ছোৱালীয়ে নিজকে গৃহিনীৰূপে প্ৰস্তুত কৰা কথাটো হাস্যকৰ। শ্ৰীমতী বুঢ়াগোহাঁয়ে লিখিছে,—"যুগৰ লগত খাপ খাবলৈ বহুতো মহান কাম পৰি আছে।" যুগৰ লগত খাপ খাবলৈ যদি মহান কাম পৰিয়েই আছে, তেন্তে সাজপাৰৰ দৰে সৰু কথাত তেওঁ কিয় লাগিছে?

সাধাৰণতে যৌনআবেদনময়ী সাজপাৰেই নাৰীক মোহনীয়া কৰি তোলে আৰু এই ক্ষেত্ৰত শাৰী বা চাদৰ-মেখেলাৰ তুলনা নাই। কিন্তু ই এগৰাকী পূৰ্ণ-যৌৱনা নাৰীৰ বাবেহে—এগৰাকী কিশোৰীক ই পূৰ্ণতাতো নিদিয়েই, বৰঞ্চ তেওঁৰ জধলা ৰূপ এটাহে ফুটাই তোলে। এগৰাকী কিশোৰীক "স্কাৰ্ট টপ" এযোৰে কিমান মোহনীয়া কৰি তোলে সেয়া যাৰ সৌন্দৰ্যবোধ আছে তেওঁহে বুজিব।

অসমৰ হকে চিন্তা কৰাসকলৰ একাংশৰ দূৰদৰ্শনত প্ৰচাৰ কৰা যিকোনো আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত নিজিকিলে ভাত খাবলৈ মন নোযোৱা অৱস্থা হয়। সেই সময়ত তেখেতসকলৰ প্ৰাণ ঠিকেই ভাৰতগত হয়; কিন্তু যেতিয়াই চাদৰ-মেখেলাৰ পৰিবৰ্তে যিকোনো ভাৰতীয় সাজপাৰ এযোৰ, বিশেষকৈ বৰ্তমানে জনপ্ৰিয় হৈ থকা চুৰিদাৰ বা ছেলোৱাৰ-কামিজ পৰিধান কৰোঁ, তেতিয়াই তেখেতসকলৰ বহুতে অসমীয়াত্ব বজাই ৰখাৰ বাবে তৎপৰ হৈ উঠে। সাধাৰণতে সাজপাৰৰ ক্ষেত্ৰতে জাতিগত ছেণ্টিমেণ্টে মূৰ দাঙি উঠে। সাজপাৰ যিয়েই নহওক সি মাৰ্জিত হোৱাটোৱেই বাঞ্চনীয়; পুৰুষ আৰু নাৰী উভয়ৰে ক্ষেত্ৰতে এই কথা প্ৰযোজ্য।

**মীনাক্ষি বৰা,**
গুৱাহাটী বিশ্ববিদ্যালয়।

## ভবেন বৰুৱাৰ প্ৰতিবাদী প্ৰবন্ধ

অসমৰ এগৰাকী আগশাৰীৰ বুদ্ধিজীৱী অধ্যাপক ভবেন বৰুৱাই প্ৰান্তিকত লিখা চিন্তাগধুৰ আৰু গুৰুত্বপূৰ্ণ প্ৰবন্ধ কেইটামান পুনৰ পঢ়ি চাই দেখিলো যে গভীৰ অধ্যয়ন আৰু বৌদ্ধিক বিশ্লেষণৰ ফল এই প্ৰবন্ধসমূহৰ কেইবাটাও স্পষ্টভাৱে 'প্ৰতিবাদ' প্ৰবন্ধ।

১৯৮৯ চনত প্ৰান্তিকত প্ৰকাশিত কুলদীপ নায়াৰৰ এটা প্ৰবন্ধত নেহৰুৰ বিষয়ে কেনে বিভ্ৰান্তিমূলক কথা পৰিবেশন কৰা হৈছিল সেই কথা শ্ৰীবৰুৱাই তথ্য সহকাৰে আৰু বেচ সুদৃঢ়ভাৱে স্পষ্ট কৰি দেখুৱাইছিল।

সেইদৰে ১৯৯০ চনত প্ৰান্তিকত প্ৰকাশিত ড. নিৰোদ কুমাৰ বৰুৱাৰ নেহৰু সম্পৰ্কীয় কিছুমান কথাৰ প্ৰতিবাদ কৰি শ্ৰীভবেন বৰুৱাই "...অসত্যৰ ৰক্তবীজ" শীৰ্ষক প্ৰবন্ধটোত অকাট্য যুক্তি আৰু বিশ্লেষণৰ সহায়ত ড. নিৰোদ কুমাৰ বৰুৱাৰ নেহৰু সম্পৰ্কীয় কিছু ধ্যান-ধাৰণা আৰু দৃষ্টিভংগী ভ্ৰান্তিকৰ বুলি দেখুৱাইছিল।

কিন্তু ড. নিৰোদ কুমাৰ বৰুৱাই শ্ৰীভবেন বৰুৱাৰ প্ৰতিবাদৰ প্ৰত্যুত্তৰত যিখিনি কথা লিখিলে সেইখিনি মানিব লাগিলে গান্ধীৰ সচিব প্যাৰেলাল, তৈয়বুল্লা (গান্ধীয়ে দিয়া চিঠি), ৰাজমোহন গান্ধী, ড. এছ গোপাল, ৱাডেলৰ ডায়েৰি, ট্ৰেন্সফাৰ অৱ পাৱাৰ আদিৰ পৰা শ্ৰীভবেন বৰুৱাই দিয়া সাক্ষ্যবোৰ প্ৰকৃততে ভুল আৰু জালিয়াতি বুলি অন্য এক অদ্ভুত আৰু ভয়ংকৰ কথাহে সমৰ্থন কৰিব লাগিব।

**অভিজিত দত্ত,**
ডিব্ৰুগড়।

## নেফ্ৰাইটিছ সম্পৰ্কে

পত্ৰালাপ শিতানৰ "গোহাৰি" শিৰোনামাত লিখা বিষয়টো (১৬।১২।৯১) সম্পৰ্কে তলৰ কথাকেইটা লিখিবলৈ মনস্থ কৰিলো।

ডাক্তৰী (এলোপেথিক) চিকিৎসাত নেফ্ৰাইটিছ ৰোগ হ'লে ভাল নহয় বুলি এটা ধাৰণা দিয়া হয়। কিন্তু বায়'কেমিক পদ্ধতিৰে চিকিৎসা কৰিলে ভাল হোৱাৰ যথেষ্ট আশা থাকে। এই ধাৰণাটো মই এজন বায়'কেমিক চিকিৎসক ড. হৰেন্দ্ৰনাথ শৰ্মাৰ (শংকৰ হোমিও হোম, গান্ধীবস্তি, গুৱাহাটী— ৩) পৰা পাইছোঁ। তেখেতে মই জনাত বহুতো পুৰণি ৰোগীক বায়'কেমিক ঔষধৰ দ্বাৰা আৰোগ্য কৰিছে। তেখেতে এগৰাকী লেডি এম.বি.বি.এছ. ডাক্তৰক, নেফ্ৰাইটিছ হোৱাৰ ছমাহমান পাছত চিকিৎসা আৰম্ভ কৰি মাত্ৰ তিনিমাহৰ চিকিৎসাত সম্পূৰ্ণ আৰোগ্য কৰে। ডাক্তৰগৰাকী বৰ্তমান সম্পূৰ্ণ সুস্থ আৰু তেখেতে স্বাভাৱিক জীৱন নিৰ্বাহ কৰি আছে।

ৰাইজক গোহাৰিটোত উল্লেখ কৰা ৰোগীগৰাকীৰ কাৰণে কোনো সদাশয় লোকে কিডনি দান দি তেওঁৰ জীৱন ৰক্ষা কৰিলে ময়ো আনন্দ পাম। শ্ৰী ৰানু বৰুৱা, জয়কান্ত গন্ধীয়া আদি লোকসকলৈও মোৰ কৃতজ্ঞতা জনালো।

**প্ৰফুল্ল কুমাৰ শৰ্মা,**
দিছপুৰ, গুৱাহাটী

### সম্পাদকৰ কোঁঠালিত

বন্ধু : ভাৰত ৰত্ন সন্মানেৰে সন্মানিত কৰিবলৈ মানুহ বিচাৰি অতীতলৈ গৈ থাকিবলগীয়া হৈছে,—মন কৰিছানে? গৈ গৈ একেবাৰে আকবৰ পাৰ হৈ চন্দ্ৰগুপ্ত, বিক্ৰমাদিত্যত উপস্থিত হোৱাটোও বেয়া কথা নহয়। কিন্তু তোমালোকে যদি নিৰপেক্ষভাৱে, নিমখৰ গুণ নাপাহৰি বিচাৰ কৰা, তেনেহ'লে অতীতলৈ গৈ থাকোঁতে বাটত ৰবাৰ্ট ক্লাইবক পাহৰি নাযাবা। কাৰ যত্নত আজি ভাৰতত এই ৰূপ, সেই কথা পাহৰি নাযাবা।





## আলফাৰ সৈতে আলোচনা

মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ মতে চৰকাৰ আৰু আলফাৰ মাজৰ প্ৰস্তাৱিত আলোচনা ফেব্ৰুৱাৰি মাহৰ শেষভাগত অনুষ্ঠিত হ'ব। তেওঁ প্ৰকাশ কৰা মতে আলফাৰ সমস্যাটোৰ এক স্থায়ী সমাধানৰ সম্ভাৱনা বৰ্তমান উজ্জ্বল হৈ উঠিছে। আলফাৰ নেতাসকলৰ সৈতে প্ৰস্তাৱিত আলোচনা ফেব্ৰুৱাৰিৰ প্ৰথম সপ্তাহত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও সেই আলোচনা প্ৰায় এমাহ কিয় পিছুৱাই দিয়া হ'ল সেই কথা মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা নাই।

ইফালে আলফাৰ জিলা পৰ্যায়ৰ কিছু নেতাই চৰকাৰৰ সৈতে আলোচনাৰ বিৰোধিতা কৰা দেখা গৈছে। কিন্তু আলফাৰ অধ্যক্ষ অৰবিন্দ ৰাজখোৱা আৰু সাধাৰণ সম্পাদক অনুপ চেটিয়া ওৰফে গোলাপ বৰুৱাই চৰকাৰৰ সৈতে প্ৰস্তাৱিত আলোচনা সন্দৰ্ভত সংগঠনটোৰ মাজত কোনো মতবিৰোধ নাই বুলি দৃঢ়তাৰে প্ৰকাশ কৰিছে।

ইয়াৰ মাজতে আলফাৰ কমাণ্ডাৰ-ইন-চিফ পৰেশ বৰুৱায়ো আলোচনাত মত দিয়া নাই বুলি বাতৰি ওলাইছে। এই সম্পৰ্কত পৰেশ বৰুৱাই অধ্যক্ষ অৰবিন্দ ৰাজখোৱালৈ এখন দীঘলীয়া চিঠি লিখিছে বুলিও বাতৰিত প্ৰকাশ।

পৰেশ বৰুৱাই ৩৫০ জন কৰ্মীৰ সৈতে বাংলাদেশ সীমান্ত অতিক্ৰম কৰাৰ বাতৰি ওলাইছে। কিন্তু মুখ্যমন্ত্ৰী শ্ৰীশইকীয়াই পৰেশ বৰুৱা এতিয়াই অসমলৈ অহাৰ সম্ভাৱনা নুই কৰিছে আৰু এই সম্পৰ্কীয় বাতৰিবোৰ দৃঢ়তাৰে অস্বীকাৰ কৰিছে।

আনহাতে স্বাধীনতাৰ বিকল্প হিচাপে আলফাই কেন্দ্ৰৰ ওচৰত আন কি প্ৰস্তাৱ দাঙি ধৰিব সেই বিষয়ে একো কথা জানিব পৰা হোৱা নাই। স্বাধীনতাৰ বিকল্প হিচাপে তেওঁলোকে হয়তো পূৰ্ণ স্বায়ত্তশাসনৰ দাবী উত্থাপন কৰিব। কিন্তু এনে দাবী ১৯৭৭ চনৰ পৰা অসম জাতীয়তাবাদী দল, ১৯৭৮ চনৰ পৰা অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ আৰু বৰ্তমান অসম গণ পৰিষদ, নতুন অসম গণ পৰিষদ, সদৌ অসম ছাত্ৰ সন্থা আদি বিভিন্ন সংগঠনেও উত্থাপন কৰি আহিছে। গতিকে আলফাই তেনে এটা দাবী উত্থাপন কৰিলে সি কোনো নতুন দাবী নহ'ব। আনহাতে সেই দাবী উত্থাপন কৰাৰ বাহিৰে হয়তো সংগঠনটোৰ হাতত বিকল্প একো নাই।

★ উৰিষ্যাৰ মুখ্যমন্ত্ৰী বিজু পাটনায়কে ৰাজ্যসমূহলৈ অধিক বিত্তীয় স্বায়ত্তশাসন দিবলৈ আহ্বান জনাইছে। এই ক্ষেত্ৰত ৰাছিয়াৰ অভিজ্ঞতাৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ তেওঁ কেন্দ্ৰীয় চৰকাৰক সকীয়াই দিছে।

অলপতে নতুন দিল্লীত অনুষ্ঠিত জনতা দলৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহকৰ সভাত উত্থাপন কৰা ভাৰতৰ বাবে ফেডাৰেল গাঁথনি সম্পৰ্কীয় তেওঁৰ এটা প্ৰস্তাৱত শ্ৰীপাটনায়কে কেন্দ্ৰীয় চৰকাৰৰ হাতত সীমিত ক্ষমতা ৰখাৰ পোষকতা কৰে। কেন্দ্ৰৰ হাতত প্ৰতিৰক্ষা, মুদ্ৰা, বৈদেশিক পৰিক্ৰমা আৰু ৰাষ্ট্ৰীয় বিকাশ পৰিষদে নিৰ্দিষ্ট কৰি দিয়া এনে ধৰণৰ আন বিভাগবোৰৰ দায়িত্ব দি বিত্তীয় স্বায়ত্ত শাসনকে ধৰি বাকীবোৰ বিষয় ৰাজ্যসমূহৰ এক্তিয়াৰলৈ অনা উচিত বুলি তেওঁ মতপোষণ কৰে।

ভাৰতৰ সংবিধানখনৰ সঘনে কৰি থকা সংশোধনৰ ফলত কেন্দ্ৰীয় চৰকাৰৰ হাতত ক্ৰমান্বয়ে অধিক ক্ষমতা কেন্দ্ৰীভূত হৈ পৰাৰ ফলত কেন্দ্ৰ ক্ৰমাৎ একনায়কত্ববাদী ব্যৱস্থাৰ ফালে অগ্ৰসৰ হৈছে। এনেদৰে চলি থাকিলে ভাৰতৰ অৱস্থাও এটা সময়ত ছোভিয়েট ইউনিয়নৰ দৰে হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি বুলি তেওঁ কয়।

★ অসমৰ কাজিৰঙা অভয়াৰণ্যৰ পৃথিৱী-বিখ্যাত এশিঙীয়া গঁড়বোৰৰ বাবে ইমানদিনে চোৰাংচিকাৰীবোৰেই প্ৰধান ভাবুকি স্বৰূপ হৈ আছিল। কিন্তু শেহতীয়াভাৱে অভয়াৰণ্যখনৰ বাঘবোৰেও গঁড়ৰ বাবে আন এক ভাবুকিৰ সৃষ্টি কৰিছে। প্ৰকাশিত বাতৰি মতে অভয়াৰণ্যখনত সুগৰি পহুৰ সংখ্যা হ্ৰাস পোৱা বাবে বাঘে বৰ্তমান গঁড়ৰ পোৱালিকে খাদ্য হিচাপে ব্যৱহাৰ কৰিবলৈ লোৱাৰ ফলতে এই সমস্যাৰ সৃষ্টি হৈছে। যোৱা বছৰৰ অক্টোবৰ মাহত বাঘে তিনিটা গঁড়ৰ পোৱালি মাৰে। ২২ অক্টোবৰ দিনা বাঘে আধা খাই এৰি থৈ যোৱা এটা পাঁচমহীয়া গঁড়ৰ পোৱালিৰ মৰাশ উদ্ধাৰ কৰা হয়।

অভয়াৰণ্যখনত যোৱা কেইবছৰমানৰ ভিতৰত বাঘৰ সংখ্যা বৃদ্ধি পাইছে। বৰ্তমান তাত ৬৫টা বাঘ আছে। ১৯৬৬ চনত কাজিৰঙাত যেতিয়া প্ৰথমবাৰৰ বাবে বৈজ্ঞানিক পদ্ধতিৰে পিয়ল কৰা হৈছিল তেতিয়া তাত বাঘ মাত্ৰ ২০টাহে পোৱা গৈছিল।

## অসমলৈ মাহে এক কোটি টকাৰ কণী

কথাটো অবিশ্বাস্য যেন লাগিলেও সঁচা। অসমে ৰাজ্যখনৰ বাহিৰৰ পৰা মাহে প্ৰায় এক কোটি টকাৰ কণী আমদানি কৰে। এই কণী মূলতঃ আহে অন্ধ্ৰপ্ৰদেশৰ পৰা। চৰকাৰী হিচাপ মতে ৰাজ্যখনৰ প্ৰধান মহানগৰী গুৱাহাটীৰ বাবেই দিনে প্ৰায় ২,৭৮,০০০ টাকৈ কণীৰ প্ৰয়োজন হয়।

অসমত থলুৱাভাৱে যিখিনি কণী উৎপন্ন হয় সি ৰাজ্যখনৰ মুঠ চাহিদাৰ শতকৰা এভাগমানহে পূৰাব পাৰে।

অন্ধ্ৰপ্ৰদেশৰ পৰা যিখিনি কণী আহে সি কণী পৰাৰ ২০ দিন মানৰ পাছতহে গ্ৰাহকৰ হাতত পৰেহি। অন্ধ্ৰ প্ৰদেশৰ পৰা অসম আহি পাওঁতে এটা কণীত প্ৰায় ৪০ পইচা খৰচ পৰে। অসমত কণীৰ মূল্য দেশৰ ভিতৰতে আটাইতকৈ বেছি বুলি জানিব পৰা গৈছে। অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে কণীৰ উৎপাদন আৰু বিপণনৰ বাবে এটা বাণিজ্যিক শাখা মুকলি কৰিছে যদিও ই অন্ধ্ৰ প্ৰদেশৰ ব্যৱসায়ীসকলৰ তুলনাত খুচুৰা ব্যৱসায়ীসকললৈ কমিশ্যন কমকৈ দিয়া বাবে সফল হ'ব পৰা নাই। ফলত এই বিভাগটোৱে উৎপাদন কৰা বেছিভাগ কণীয়েই বিক্ৰি নোহোৱাকৈ থাকি যায়।

অসম চৰকাৰৰ অৱহেলাৰ বাবে এই লাভজনক ব্যৱসায়টো ৰাজ্যখনত সফলভাৱে গঢ়ি উঠিব পৰা নাই বুলি জানিব পৰা গৈছে। ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত কিছু প্ৰয়োজনীয় ব্যৱস্থা ললেই এই ব্যৱসায়টোৰ জৰিয়তে অন্ততঃ দহ হাজাৰ নিবনুৱা লোকলৈ কৰ্মসংস্থানৰ সুবিধা আগবঢ়াব পৰা হ'ব।

★ চলিত বছৰৰ মাজভাগৰ ভিতৰত ৰাজ্যসভাৰ ৩৬ জন ই-কংগ্ৰেছ সদস্যই অৱসৰ গ্ৰহণ কৰিব কাৰণে ৰাজ্য সভাত ই-কংগ্ৰেছৰ শক্তি হ্ৰাস পোৱাৰ সম্ভাৱনাই দেখা দিছে। এনেদৰে অৱসৰ লব লগা অন্ততঃ আধাখিনি সদস্যই বিৰোধী পক্ষৰ শাসন চলি থকা ৰাজ্যৰ হোৱা বাবে সেইবোৰ ৰাজ্যৰ পৰা তেওঁলোক পুনৰ নিৰ্বাচিত হৈ অহাৰ আশা ক্ষীণ।

ৰাজ্যসভাৰ মুঠ ৭০ জন সদস্যই এইবাৰ অৱসৰ লব। এই আসনবোৰৰ বাবে অনুষ্ঠিত নিৰ্বাচনত বিজেপি আৰু জনতা দলৰ আসনৰ সংখ্যা বাঢ়িব। অৱশ্যে অসমত ই-কংগ্ৰেছৰ শক্তি বৃদ্ধি পাব। অসমৰ দুজন সদস্য—অসম গণ পৰিষদৰ ড. নগেন শইকীয়া আৰু নতুন অসম গণ পৰিষদৰ শ্ৰীমতী বিজয়া চক্ৰৱৰ্তীয়ে এইবাৰ অৱসৰ গ্ৰহণ কৰিব।

★ কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা খণ্ডৰ ৰুগ্ন উদ্যোসমূহৰ পৰিচালনাৰ ভাৰ শ্ৰমিকসকলৰ দ্বাৰা গঠিত সমবায়ৰ ওপৰত অৰ্পণ কৰা সম্পৰ্কীয় এটা প্ৰস্তাৱ নীতিগতভাৱে মানি লৈছে। এনে উদ্যোগসমূহৰ বিষয়ে পৰ্যালোচনা কৰি চাবলৈ ছখন ত্ৰিপক্ষীয় সমিতি গঠন কৰিবলৈও চৰকাৰে সিদ্ধান্ত লৈছে।

কেন্দ্ৰীয় শ্ৰমমন্ত্ৰী পি.এ. চাংমাই এই কথা প্ৰকাশ কৰি কয় যে শ্ৰমিকসকলে প্ৰয়োজন বোধ কৰিলেই কোম্পানিৰ ইকুইটি শ্বেয়াৰত ধন খটুৱাব পাৰে। শ্ৰীচাংমাৰ মতে দেশৰ ১৪৪টা ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ভিতৰত ৯৮টাই ৰুগ্ন অৱস্থাত আছে। ইয়াৰে ৫৮টাৰ অৱস্থা বেছি গুৰুতৰ। গতিকে এই

উদ্যোগকেইটাৰ ক্ষেত্ৰত ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন হৈছে । তেওঁৰ মতে এই ৫৮টা উদ্যোগৰ দেনাৰ পৰিমাণ হ'ল ১০,০০০ কোটি টকা । এই উদ্যোগকেইটা পুনৰ সজীৱ কৰি তুলিবলৈ চৰকাৰক ১৫,০০০ কোটি টকাৰ প্ৰয়োজন । কিন্তু বৰ্তমান অৱস্থাত চৰকাৰৰ পক্ষে ইমান বৃহৎ পৰিমাণৰ ধন-যোগাৰ কৰাটো সম্ভৱ নহয় । তেওঁৰ মতে এই ৫৮টা উদ্যোগত ৪.৭ লাখ লোকে কাম কৰে।

শ্ৰীচাংমাৰ মতে একে ধৰণে ব্যক্তিগত খণ্ডৰ ৰুগ্ন উদ্যোগসমূহৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰা হ'ব ।

ইফালে চৰকাৰৰ ব্যক্তিগত খণ্ডলৈ অনাৰ আঁচনিৰ অধীনত ইতিমধ্যে ৰাজহুৱা খণ্ডৰ মাৰুতি উদ্যোগ লিমিটেডক ব্যক্তিগত খণ্ডলৈ ৰূপান্তৰিত কৰা হৈছে । মাৰুতিৰ মূল কোম্পানি জাপানৰ ছুজুকি কোম্পানিৰ অংশৰ পৰিমাণ পূৰ্বৰ শতকৰা ৪০ ভাগৰ পৰা শতকৰা ৫০ ভাগলৈ বৃদ্ধি কৰি এই ব্যক্তিগতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয় । এই শতকৰা ৫০ ভাগ অংশৰ বলত কোম্পানিটোৱে এতিয়া আন্তঃৰাষ্ট্ৰীয় বিত্তীয় সংস্থাবোৰৰ পৰা পোনপটীয়াকৈ ঋণ লব পাৰিব । কোম্পানিটোৰ অধ্যক্ষ আৰু পৰিচালন-সঞ্চালক আৰ.ছি. ভাৰ্গৱৰ মতে এই ব্যৱস্থাৰ ফলত কোম্পানিটোৰ সম্প্ৰসাৰণৰ জৰিয়তে উৎপাদন বৃদ্ধি কৰি বৈদেশিক মুদ্ৰা আহৰণৰ দিশতো ই বিশেষ ভূমিকা পালন কৰিব পাৰিব । ১৯৯২ চনত কোম্পানিটোৱে ২৫,০০০ গাড়ী ৰপ্তানি কৰি ২৫০ কোটি টকা মূল্যৰ বৈদেশিক মুদ্ৰা আয় কৰিব পাৰিব বুলি আশা কৰা হৈছে ।

★ বিদেশী নাগৰিকৰ, বিশেষকৈ বাংলাদেশীৰ অবৈধ অনুপ্ৰবেশৰ বিৰুদ্ধে অসমত এটা দীঘলীয়া আন্দোলন হৈছিল আৰু সেই আন্দোলনৰ ফল হিচাপে কেন্দ্ৰ আৰু আন্দোলনৰ নেতাসকলৰ মাজত ১৯৮৫ চনৰ ১৫ আগষ্টৰ দিনা 'অসম চুক্তি' স্বাক্ষৰিত হৈছিল । এই চুক্তিৰ অংশ হিচাপে ভাৰত-বাংলাদেশৰ সীমান্তত কাঁইটীয়া তাঁৰৰ (barbed-wire) বেৰ দিয়াৰ লগতে সীমান্তইদি এটা পথ নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছিল । পিছে গোটেই ভাৰত-বাংলাদেশ সীমান্ততে তেনেদৰে বেৰ দিয়া বা পথ নিৰ্মাণ কৰাটো সম্ভৱ নহয় । কাৰণ ১৯৪৭ চনত দেশ বিভাজনৰ সময়ত তেতিয়াৰ পাকিস্তান আৰু ভাৰতৰ মাজত সীমা নিৰ্ধাৰণ কৰোঁতে কিছুমান ঠাইত মানুহৰ থকা ঘৰৰ মাজেদিও সীমা-ৰেখাডাল পাৰ হৈ গৈছিল । উক্ত সীমান্তছোৱাত এতিয়াও এনে বহু পৰিয়াল আছে যাৰ হয়তো পাগঘৰটো বাংলাদেশত পৰিছে, কিন্তু থকা ঘৰটো ভাৰতত পৰিছে । এনে এটা পৰিয়াল হ'ল পশ্চিম ত্ৰিপুৰাৰ মতিনগৰৰ কাজী ৰহমান ভূঞাৰ পৰিয়ালটো । শ্ৰীভূঞাৰ ঘৰটো ভাৰত-বাংলাদেশৰ ঠিক সীমাতে আছে । ভাৰত-বাংলাদেশৰ ২০৩৩ নম্বৰৰ সীমান্ত খুটিটো তেওঁৰ ঘৰৰ বেৰতে লাগি আছে । তেওঁৰ ঘৰৰ



পশ্চিম ত্ৰিপুৰাৰ মতি নগৰৰ কাজী ৰহমান ভূঞাৰ ঘৰৰ গাতে লাগি আছে ভাৰত-বাংলাদেশৰ ২০৩৩ নম্বৰৰ সীমান্ত খুটিটো

পিছফালে গাতে লাগি থকা তেওঁৰ খুৰাকৰ ঘৰটো বাংলাদেশত পৰিছে ।

সীমান্ত নিৰাপত্তা বাহিনীৰ মতে এনেবোৰ অসুবিধাৰ বাবে বিদেশী নাগৰিকৰ অনুপ্ৰবেশৰ বিৰুদ্ধে উপযুক্ত কাৰ্যব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত বাহিনীটো যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে । বিশেষকৈ সীমান্ত অঞ্চলৰ লোকসকলৰ আচাৰ-ব্যৱহাৰ, থকাৰ ধৰণ-কৰণ আদি মোটামুটিভাৱে একে হোৱা বাবে অবৈধ অনুপ্ৰবেশকাৰীক চিনাক্ত কৰাটো সহজ কাম নহয় । বাহিনীটোৰ সূত্ৰৰ পৰা পোৱা বাতৰি মতে সীমান্ত অঞ্চলত বাস কৰা নাগৰিকসকলক পৰিচয় পত্ৰ প্ৰদান কৰিলে এই ক্ষেত্ৰত থকা অসুবিধা কিছু আঁতৰ হোৱাৰ আশা কৰিব পাৰি।

★ ৰাছিয়াৰ প্ৰথম গৰাকী নিৰ্বাচিত ৰাষ্ট্ৰপতি বৰিছ য়েল্টছিনৰ জনপ্ৰিয়তা ক্ৰমাৎ হ্ৰাস পাই আহিছে । তাৰ কূটনৈতিক মহলসমূহে অচিৰেই তাত আন এক অভ্যুত্থানৰ সম্ভাৱনা নুই কৰা নাই । সৰ্বসাধাৰণ ৰাইজৰ দুখ-কষ্ট লাঘৱ কৰাৰ দিশত য়েল্টছিনে একো কাৰ্যকৰী ব্যৱস্থা লব নোৱৰা বাবে তেওঁৰ জনপ্ৰিয়তা এনেদৰে হ্ৰাস পাবলৈ লৈছে । দেশখন যোৱা কিছুদিন ধৰি গভীৰ খাদ্য সংকটৰ কবলত পৰিছে । নিত্য-ব্যৱহাৰ্য সামগ্ৰীবোৰৰ মূল্য অতিপাত বৃদ্ধি পাইছে ।

এনে গভীৰ অৰ্থ সংকটৰ পৰা সকাহ পোৱাৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি য়েল্টছিনে শেহতীয়াভাৱে দেশখনৰ সামৰিক ব্যয় যথেষ্ট কৰ্তন কৰিবলৈ সিদ্ধান্ত লৈছে । ইয়াৰ ফলত সামৰিক অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ উদ্যোগসমূহৰ উৎপাদন হ্ৰাস পাব । এনে উদ্যোগসমূহত কাম কৰা ১১ লাখ লোকেও চাকৰি হেৰুৱাব । তথাপি দেশখনক সংকটৰ মুখৰ পৰা ৰক্ষা কৰাৰ বাবে ইয়াৰ বাহিৰে কোনো উপায় নাই বুলি এই আঁচনিখনৰ প্ৰস্তুতকৰ্তা উপপ্ৰধান মন্ত্ৰী য়েগৰ গ'ডৰে প্ৰকাশ কৰিছে ।

★ ইজৰাইল আৰু চীনৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপিত হৈছে । ইজৰাইলৰ উপ-প্ৰধান মন্ত্ৰী আৰু বিদেশ মন্ত্ৰী ডেভিড লেভিৰ পেইছিং ভ্ৰমণৰ সময়ত এই সিদ্ধান্ত লোৱা হয় । চৰকাৰী ভ্ৰমণৰ কাৰ্যসূচী লৈ চীনলৈ অহা ডেভিড লেভিয়েই হ'ল প্ৰথম গৰাকী ইজৰাইলী নেতা ।


'সাদিন'ৰ
জন্ম লগ্নৰ পৰা
অন্যতম জনপ্ৰিয় কলম
**দেৱব্ৰত দাসৰ**
**"হিয়াৰ পখিলাবোৰ"**

**বহু পাঠকৰ মৰমৰ দাবীত**
**আমি আগবঢ়ালো**
**নিৰ্বাচিত সংকলন**
**মূল্য—২০ টকা।**

**পূৰ্বাঞ্চল প্ৰকাশ**
**আমবাৰী; গুৱাহাটী—৭৮১০০১**






# সম্পত্তি বেচিছে?

**এন. এইচ. বি. ৯% কেপিটেল বণ্ড কিনক। মাটি-বাৰী, ঘৰ, ছেয়াৰ, ছিকিউৰিটি, গহনা আদিৰ দৰে দীৰ্ঘম্যাদী সম্পত্তিৰ বিক্ৰিৰ পৰা পোৱা মূলধনী লাভৰ ক্ষেত্ৰত আপুনি ১০০% ভাগ কৰ ৰেহাই পাব। এন. এইচ. বি. ৯% কেপিটেল বণ্ডৰ জৰিয়তে আপোনালৈ আৰু আপোনাৰ মূলধনলৈ বহুতো সুবিধা আগবঢ়োৱা হৈছে।**

- ছমাহৰ মূৰে-মূৰে আদায় দিয়াৰ ভিত্তিত আপুনি বিনিয়োগ কৰা ধনৰ পৰা বছৰি ৯% সুদ আদায় কৰিব।
- নতুবা, আপুনি যদি ৩ বছৰৰ বাবে ৯% হাৰৰ সুদৰ গোটেই টকাখিনিয়েই আগতীয়াকৈ পাব খোজে, তেনেহ'লে বিনিয়োগৰ তাৰিখৰ তিনিমাহৰ পাছত বিনিয়োগ কৰা ধনৰ ওপৰত প্ৰতি ১০০০ টকাত ২৪০ টকা ৰেহাই দিয়াৰ ভিত্তিত সুদৰ টকা পোৱাৰ ব্যৱস্থাটো বাছি লব পাৰে। ইয়াৰ লগত মাজৰ তিনিমাহৰ সম্পূৰ্ণ সুদখিনিও ধৰা আছে। ফলত আপুনি এদিনৰ বাবেও সুদ নেহেৰুৱায়।
- সম্পত্তি কৰ আইন, ১৯৫১ ৫(১এ) ধাৰাৰ সৈতে সংলগ্ন সম্পত্তি কৰৰ ইউ/এছ ৫(১) (xvie) ধাৰাৰ অধীনত অন্যান্য নায্য সম্পত্তিৰ লগতে ৫ লাখ টকা পৰ্যন্ত সম্পত্তি কৰ ৰেহাই।
- আয়কৰ আইন, ১৯৬১ৰ ৮০ এল ধাৰাৰ অধীনত অৰ্জিত সুদত কৰ ৰেহাই।
- আয়কৰ আইন, ১৯৬১ৰ ইউ/এছ ৫৪E ধাৰাৰ অধীনত মূলধনী লাভত কৰ ৰেহাই।
- আহৰণ কৰা সুদৰ পৰা উৎসতে কৰ কাটি ৰখা নহয়।
- টকা প্ৰেৰণৰ ব্যয় এন. এইচ. বিয়ে বহন কৰিব।
- সমগ্ৰ দেশৰে ১৫০ টাৰো অধিক কেন্দ্ৰত গোটেই বছৰ জুৰি সমমূল্যত এই বণ্ড পোৱা যায়।
- দেশৰ শীৰ্ষস্থানীয় গৃহনিৰ্মাণৰ বিত্তীয় প্ৰতিষ্ঠান হিচাপে আমাৰ একমাত্ৰ উদ্দেশ্য হ'ল—গৃহহীনলৈ আশ্ৰয়স্থলৰ ব্যৱস্থা কৰা ; গৃহনিৰ্মাণৰ বাবে অধিক পুঁজিৰ সৃষ্টি কৰা। গতিকে এই বিনিয়োগৰ ক্ষেত্ৰত সমানেই সন্তোষজনক কথাটো হ'ল—নিজা ঘৰ এখন লাভ কৰাত ই সহায় কৰা লোকৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়ি গৈ থাকিব।



NATIONAL HOUSING BANK
YOU GAIN THE NATION GAINS
9% CAPITAL BONDS

**এইবোৰ ঠাইত আবেদন পত্ৰ পোৱা যাব আৰু গ্ৰহণ কৰা হ'ব ঃ**
নেশ্যনেল হাউছিং বেংকৰ কাৰ্যালয়সমূহ (বোম্বাই আৰু দিল্লী) • কেনফিনা (CANFINA) কাৰ্যালয়সমূহ এলাহাবাদ বেংক, অন্ধ্ৰ বেংক, বেংক অৱ বৰোডা, কানাড়া বেংক, ছিটি বেংক (শাখৰ ভৱন, বোম্বাই), ফেয়াৰগ্ৰ'থ ফাইনেনছিয়েল ছাৰ্ভিছেছ, ইণ্ডিয়ান বেংক, পঞ্জাব নেশ্যনেল বেংক, ষ্টেট বেংক অৱ মাইশ'ৰ আৰু বিজয়া বেংক লিমিটেড—৫১ খন ঠাইৰ এই ইছুৰ এই নটা বেংকাৰৰ ১৪২টা শাখাত।

নেশ্যনেল হাউছিং বেংক
(সম্পূৰ্ণৰূপে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মালিকানাধীন)
**গৃহনিৰ্মাণৰ দিশত নতুন পথৰ সূচনা**

৩য় মহলা, বোম্বাই লাই বিল্ডিং, আকবৰ আলিৰ ওপৰত, ৪৫, বীৰ নৰীমেন ৰ'ড, বোম্বাই ৪০০০২৩ • ফোন ঃ ২২২৭০২, ২২৪৩৪৭
৬ষ্ঠ মহলা, হিন্দুস্তান টাইমছ হাউছ, ১৮-২০, কস্তুৰবা গান্ধী মাৰ্গ, নতুন দিল্লী—১১০০০১ • ফোন ঃ ৩৭১২০১৬, ৩৭১২০৩৬

FORTUNE 45


OKDISCD

# পঞ্জাবৰ নিৰ্বাচন কেন্দ্ৰৰ বাবে এটা প্ৰত্যাহ্বান

**ৰবীন্দ্ৰ নাথ বৰুৱা**

"মোক পঞ্জাবত এজন মুখ্যমন্ত্ৰী দিয়ক, তেওঁ যি কোনো দলৰেই নহওক । মোৰ দাবী হৈছে যে দেশৰ কোনো অংশতে যাতে গণতান্ত্ৰিক চৰকাৰ এখন নথকাকৈ নাথাকে ।"—এইয়া হৈছে প্ৰধানমন্ত্ৰী শ্ৰীপি.ভি. নৰসিংহ ৰাওৰ কথা । ১৮ জানুৱাৰিত ঔৰংগাবাদৰ এখন সভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে সকলো ৰাজনৈতিক দললৈ এই মিনতি বা প্ৰাৰ্থনা কৰিছে যে তেওঁলোকে যেন পঞ্জাবৰ আগন্তুক নিৰ্বাচনত অংশ গ্ৰহণ কৰে। তেওঁ ভোটাৰসকলকো নিৰ্বাচনত যোগ দিবলৈ আহ্বান কৰিছে ।

প্ৰধানমন্ত্ৰীৰ এই আহ্বানে যে দেশৰ সকলো ঠাইতে সমৰ্থন পাব সেইটো নিশ্চিত । কিন্তু ১৯ ফেব্ৰুৱাৰিত হ'বলগীয়া লোকসভা আৰু বিধান সভাৰ নিৰ্বাচনত পঞ্জাবৰ প্ৰধান দলসমূহে বা তাৰ ভোটাৰসকলে কি দৰে অংশ গ্ৰহণ কৰে সেইটোহে আচল কথা । বিশেষকৈ আকালি দলৰ চাৰিটা গোট আৰু নিখিল ভাৰত শিখ ছাত্ৰ ফেডাৰেশ্যনৰ দুয়োটা গোটে নিৰ্বাচন বৰ্জন কৰাৰ সিদ্ধান্ত লোৱা হেতুকে এই নিৰ্বাচনৰ গতি কেনে ধৰণৰ হয়গৈ কোৱা টান । অৱশ্যে এইবাৰ সৰ্বভাৰতীয় দলসমূহে নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ প্ৰস্তুতি চলাইছে আৰু কোনো-কোনো দলৰ মাজত বুজা-বুজি হ'ব বুলিও ভাবিবৰ থল আছে; কিন্তু পঞ্জাবত শিখ সম্প্ৰদায়ৰ লোকে যদি অংশ গ্ৰহণ নকৰে তেনেহ'লে সেই নিৰ্বাচন অসমত হোৱা ১৯৮৩ চনৰ নিৰ্বাচনৰ দৰে ভেকো ভাওনাহে হ'ব । তাতোকৈ ডাঙৰ কথা,—বৰ্জনৰ নামত যদি নিৰ্বাচনৰ বিৰোধিতা কৰা হয় তেনেহ'লে হিংসাত্মক কাৰ্য সংঘটিত হোৱাৰ আশংকাও নুই কৰিব নোৱাৰি।

পঞ্জাবত নিৰ্বাচনৰ কথা লৈ ইতিমধ্যে ভালেখিনি বাদানুবাদৰ সৃষ্টি হৈছে । ১৯৮৯ চনৰ লোক সভাৰ নিৰ্বাচন পঞ্জাবতো হৈছিল । (উল্লেখযোগ্য যে এই নিৰ্বাচনৰ পৰা অসমক বঞ্চিত কৰা হৈছিল)। পঞ্জাবৰ ১৩ খন আসনৰ ভিতৰত শ্ৰীছিমৰানজিৎ সিং মানৰ আকালি দলে ছখন আসন লাভ কৰিছিল আৰু এই দলৰ দ্বাৰা সমৰ্থিত আন চাৰিজন প্ৰাৰ্থীও নিৰ্বাচিত হৈছিল । শেষলৈ অৱশ্যে এওঁলোকৰ প্ৰায় কেইজনেই শপত গ্ৰহণ নকৰিলে । ১৯৯১ চনৰ মে'-জুনৰ নিৰ্বাচনত প্ৰথমতে অসম, পঞ্জাব আৰু জম্মু আৰু কাশ্মীৰক নিৰ্বাচনৰ কাৰ্যসূচীৰ পৰা বাদ দিয়া হৈছিল । তেতিয়া শ্ৰীচন্দ্ৰশেখৰ প্ৰধানমন্ত্ৰী হৈ আছিল । তেওঁৰ হেঁচাতে অসমত নিৰ্বাচন পতাৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল । পাছত ২২ জুনত পঞ্জাবতো নিৰ্বাচন পতাৰ কথা ঘোষণা কৰা হ'ল । সেই মতে প্ৰস্তুতিও চলিল । ইতিমধ্যে উগ্ৰপন্থী বা বিচ্ছিন্নতাবাদী শক্তিসমূহে নিৰ্বাচনটো বন্ধ কৰাবলৈ উঠি-পৰি লাগিল, আৰু পৰিকল্পিতভাৱে এজন-এজনকৈ প্ৰাৰ্থী হত্যা কৰাত লাগিল । যিহেতু এটা সমষ্টিত এজন প্ৰাৰ্থীৰ মৃত্যু হ'লেই নিৰ্বাচন স্থগিত ৰখা হয়, গতিকে উগ্ৰপন্থীসকলে ২৬ জন মান প্ৰাৰ্থীক আঁতৰ কৰি পঠিয়ালে । কিন্তু তৎসত্ত্বেও চৰকাৰে নিৰ্বাচন পতাটো প্ৰায় খাটাং কৰি লৈছিল । পিছে নিৰ্বাচনৰ আগমুহূৰ্তত, অৰ্থাৎ ২১ জুনৰ মাজনিশা কেন্দ্ৰৰ গৃহ দপ্তৰৰ এজন বিষয়াই টেলিফোনযোগে পঞ্জাবৰ ৰাজ্যপাল জেনেৰেল অ'.পি. মালহোত্ৰাক জনালে যে নিৰ্বাচন পিছুৱাই দিয়া হৈছে । এইটো যে সম্পূৰ্ণৰূপে নিৰ্বাচনী আয়ুক্ত শ্ৰীটি.এন. শেষণৰ কাম, সেইটো বুজিবলৈ কাৰো বাকী নাথাকিল । কিন্তু ঘোষণা কৰাৰ পাছত তাৰ কোনো প্ৰতিকাৰৰ উপায় নাছিল । এনেকৈ ১৯৯১ চনত পঞ্জাবক নিৰ্বাচনী কাৰ্যসূচীৰ পৰা বঞ্চিত কৰি ৰাষ্ট্ৰপতিৰ শাসন বাহাল ৰখা হ'ল ।

এতিয়ালৈকে পোৱা ইংগিতমতে এইবাৰো উগ্ৰপন্থীসকলে একেই গে'মপ্লেন (gameplan) অৱলম্বন কৰিব পাৰে। খালিস্তান সমৰ্থকসকলে শিখসকলক নিৰ্বাচনত অংশ গ্ৰহণ কৰা সম্পৰ্কে সাৱধান কৰি দিয়া বুলি প্ৰাপ্ত বাতৰিত প্ৰকাশ। সেইবাবে শিখসকলে এই নিৰ্বাচনত যোগদান কৰাৰ আশা অতি ক্ষীণ। উগ্ৰপন্থীসকল যে নিষ্ক্ৰিয় হৈ থকা নাই, যোৱা এমাহৰ ভিতৰত সংঘটিত হিংসাত্মক কাৰ্যই সেই কথা প্ৰমাণ কৰে। ২৬ ডিচেম্বৰত লুধিয়ানা জিলাত পঞ্চাছ জনতকৈও অধিক ট্ৰেইন যাত্ৰীক গুলীয়াই হত্যা কৰা হ'ল । জানুৱাৰি মাহতো কুপকলনত ১২ জন শ্ৰমিকক, আৰু কেইদিনমানৰ পাছতে খাৰাৰ নামৰ ঠাইত ৮জন কৰ্মীক হত্যা কৰা হ'ল । তাৰ বাহিৰেও সৰু-সৰু হত্যাকাণ্ড চলিয়েই আছে । অসমৰ আইন-শৃংখলাৰ লগত বহুতে (বিশেষকৈ অসমৰ বাহিৰৰ ৰাজনৈতিক নেতাসকলে) পঞ্জাবৰ তুলনা কৰা দেখা যায়; কিন্তু অলপতে অসম ভ্ৰমণ কৰা শিখ নেতা, পঞ্জাবৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু তামিলনাডুৰ প্ৰাক্তন ৰাজ্যপাল শ্ৰীসুৰজিৎ সিং বাৰনালাৰ মতে অসমৰ পৰিস্থিতি পঞ্জাবতকৈ বহুত উন্নত । গতিকেই দেখা যায়, পঞ্জাবত শান্তিপূৰ্ণ নিৰ্বাচন হ'ব নে নহয়, সেই বিষয়ে যথেষ্ট সন্দেহ আছে ।

আগতে উল্লেখ কৰা হৈছে যে এই নিবন্ধ লিখা সময়লৈকে পাঁচ্থিক আকালি দলৰ চাৰিটা উপদলে নিৰ্বাচন বৰ্জন কৰাৰ সিদ্ধান্ত ঘোষণা কৰিছে । এই কেইটা উপদল হৈছে আকালি দল (মান), আকালি দল (বাবা), অৰ্থাৎ ভিন্দ্ৰানৱালেৰ দেউতাক বাবা যোগীন্দৰ সিঙৰ দল, বাব্বাৰ আকালি দল (নেতা– কাৰ্টাৰ সিং নাৰাং) আৰু পঞ্জাবৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰকাশ সিং বাদলৰ নেতৃত্বাধীন আকালি দল (বাদল)। বাকী চাৰিটা আকালি দলৰ গোটৰ তিনিটাই,—অৰ্থাৎ পাঁচ্থিক আকালি দল (নেতা– ৰাজদেৱ সিং), আকালি দল (ফেৰুমান) আৰু আকালি দল (ভিন্দ্ৰানৱালে)—আনকেইটা আকালি দলৰ মতে চলিব বুলি আভাস পোৱা গৈছে । কেৱল আকালি দল—লংগোৱালেহে অন্য দলৰ লগত বুজাবুজিৰ যোগেদি নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ কথা বিবেচনা কৰিছে । এই গোটটো বৰ্তমানে আকালি দল (কাবুল বা কে') নামে জনা যায়, যিহেতু ইয়াৰ নেতৃত্ব দিছে কাবুল সিঙে ।

এনেকুৱা পৰিস্থিতিত পঞ্জাবৰ ভোটাৰসকলে,—তেওঁলোক শিখেই হওক বা আন সম্প্ৰদায়ৰে হওক,—ভোট গ্ৰহণলৈ ওলাই আহিব বুলি আশা কৰা টান । খালিস্তানী শক্তিসমূহৰ ভাবুকিলৈ লক্ষ্য ৰাখিয়েই বোধকৰোঁ ৰাষ্ট্ৰপতি শ্ৰীৰামাস্বামী ভেংকটৰমনে এখন অধ্যাদেশ যোগে নিৰ্বাচনৰ প্ৰচাৰৰ সময়সীমা ২০ দিনৰ পৰা ১৪ দিনলৈ হ্ৰাস কৰিছে । সেইমতে নিৰ্বাচন যদিও আগৰ ঘোষণা মতে ১৯ ফেব্ৰুৱাৰিতে হ'ব, নিৰ্বাচনৰ প্ৰক্ৰিয়া ২০ জানুৱাৰিৰ পৰা ২৫ জানুৱাৰিলৈ পিছুৱাই দিয়া হ'ল । এই অধ্যাদেশ কেৱল পঞ্জাবৰ ক্ষেত্ৰতে নহয়, ভৱিষ্যতে দেশৰ সকলো নিৰ্বাচনতে প্ৰযোজ্য হ'ব । এই অধ্যাদেশ অনুসৰি নিৰ্বাচন ঘোষণা কৰা জাননী ২৫ জানুৱাৰিত প্ৰকাশ কৰা হৈছে; মনোনয়ন পত্ৰ দাখিল কৰাৰ শেষ সময় ২৭ জানুৱাৰিৰ পৰিবৰ্তে ১ ফেব্ৰুৱাৰি কৰা হৈছে আৰু মনোনয়ন প্ৰত্যাহাৰৰ তাৰিখো ৩০ জানুৱাৰিৰ পৰিবৰ্তে ৫ ফেব্ৰুৱাৰি কৰা হৈছে । এই কাৰ্যসূচী পৰিবৰ্তন কৰা অধ্যাদেশখনে নিৰ্বাচনী আইনখনৰ (Representation of the People Act of 1951) ৩০ নং দফাৰ সংশোধন কৰিছে আৰু সমগ্ৰ দেশতে এই সংশোধনী প্ৰযোজ্য হ'ব ।

২০ দিনৰ ঠাইত নিৰ্বাচনী প্ৰচাৰ-কাৰ্য ১৪ দিনলৈ কমাই দিয়া বাবে যে প্ৰাৰ্থীসকলৰ বিপদৰ সময়ো হ্ৰাস পাইছে সেইটো ঠিক । যিহেতু যোৱা জুনত হ'বলগীয়া নিৰ্বাচনত হোৱা দৰে এইবাৰো প্ৰাৰ্থী হত্যা কৰি নিৰ্বাচনটো অচল কৰি দিয়াৰ পৰিকল্পনা উগ্ৰপন্থীসকলে লব বুলি জনা যায়, গতিকে চৰকাৰ তথা নিৰ্বাচনী আয়োগৰ তৰফৰ পৰা প্ৰতিকাৰৰ ব্যৱস্থা হিচাপেই এই সংশোধনী অনা হৈছে বুলি ভবাৰ থল আছে । আনহাতে নিৰ্বাচনৰ সময়ত আৰু তাৰ আগে-পিছেও আইন-শৃংখলা অটুট ৰাখিবলৈও চৰকাৰ যথেষ্ট তৎপৰ হ'বলগীয়া হৈছে । কেৱল লোকসভাৰ ১৩ খন আসনৰ বাবে নিৰ্বাচন হোৱা হ'লে হয়তো সিমান উত্তেজনা বা চিন্তাৰ কাৰণ নাছিল; কিন্তু লগতে বিধান সভাৰ ১১৭ খন আসনৰ বাবেও ভোট গ্ৰহণ হ'ব বাবে ৰাজ্যখনত এটা বেলেগ পৰিবেশৰ সৃষ্টি হোৱাটো স্বাভাৱিক । বিশেষকৈ পঞ্জাবত ছবছৰৰ পাছতহে এইবাৰ বিধান সভাৰ নিৰ্বাচন পতা হৈছে বাবে ভোটাৰসকলৰ মাজত এটা উত্তেজনাৰ সৃষ্টি হোৱাটো স্বাভাৱিক । ইয়াৰ আগতে অৰ্থাৎ ১৯৮৫ চনত ৰাজীৱ-লংগোৱাল চুক্তি অনুযায়ী পঞ্জাবত নিৰ্বাচন হোৱাত তেতিয়া অবিভক্ত আকালি দল ক্ষমতালৈ আহে । কিন্তু পঞ্জাবত হিংসাত্মক কাৰ্যৰ অৱসান নঘটিল । যদিও শিখ আতংকবাদীসকলৰ মুখ্য নিচান হ'ল হিন্দুসকল, গতিকে তেওঁলোকে ভাৰতৰ লগত থাকিব খোজা শিখসকলৰ ওপৰতো আক্ৰমণ চলাবলৈ ধৰিলে । কেতিয়াবা জধেমধে সভা, বিয়া আদিত এ.কে. ৪৭ ৰাইফলেৰে গুলী চলাই বিভীষিকাৰ সৃষ্টি কৰাও দেখা গৈছে । মুঠতে পঞ্জাবলৈ যোৱা ১০-১৪ বছৰে শান্তি ঘূৰি অহা নাই ।

এতিয়া কথা হ'ল, যদি পঞ্জাবৰ মুখ্য আকালি দলসমূহে নিৰ্বাচন বৰ্জন কৰে, তেনেহ'লে নিৰ্বাচন কেনে ধৰণৰ হ'ব ? ইতিমধ্যে ই-কংগ্ৰেছ দলে লোকসভা আৰু বিধান সভাৰ আটাই কেইখন আসনতে প্ৰাৰ্থী থিয় কৰাব বুলি প্ৰকাশ কৰিছে । মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি আৰু ভাৰতীয় জনতা পাৰ্টিয়েও নিৰ্বাচনত প্ৰাৰ্থী থিয় কৰাব বুলি ঘোষণা কৰিছে । প্ৰথম অৱস্থাত সৰ্বভাৰতীয় ৰাজনৈতিক দলসমূহে নিৰ্বাচনী বুজা-বুজিৰ মাজেৰে প্ৰাৰ্থী মনোনয়ন কৰাৰ কথা ভাবিছিল আৰু এই বিষয়ে কাকতে-পত্ৰই বাতৰি প্ৰকাশ হৈছিল । কিন্তু আকালি দলসমূহে নিৰ্বাচন বৰ্জন কৰাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় দলবোৰেও এতিয়া একেলগে যুঁজ কৰাৰ কথা পাহৰা যেন লাগিছে । যোৱা জুনত হ'বলগীয়া নিৰ্বাচনত ই-কংগ্ৰেছ দলে অংশ গ্ৰহণ কৰা নাছিল । সেইবাবেই কেন্দ্ৰত ই-কংগ্ৰেছ চৰকাৰে শপত গ্ৰহণ কৰাৰ আগমুহূৰ্তত ৰাতিৰ ভিতৰতে টেলিফোন যোগে নিৰ্বাচন পিছুৱাই দিলে বুলি ভাবিবৰ থল আছে । এইবাৰ ই-কংগ্ৰেছে পূৰ্ণোদ্যমে নিৰ্বাচনত নামিব যেন অনুমান হয় । পুলিছ, কেন্দ্ৰীয় আৰক্ষী বাহিনী (ছি.আৰ.পি) আদি অৰ্ধ-সামৰিক বাহিনীৰ উপৰিও সৈন্য বাহিনীকো আইন-শৃংখলাৰ কামত মোতায়েন কৰা হ'ব বুলি জানিব পৰা গৈছে । সৈন্য বাহিনীৰ লোকে টহল দি থাকিলে মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন হোৱাৰ আশা কম । কিন্তু চৰকাৰেও চাব লাগিব যাতে নিৰ্বাচন অন্ততঃ শান্তিপূৰ্ণ হয় । ইয়াৰ মাজতে আৰু এটা কথা উঠিছে ঃ চৰকাৰে নিৰ্বাচনৰ আগে-আগে পঞ্জাবক কিবা 'পেকেজ' দিব নেকি !

প্ৰধানমন্ত্ৰী শ্ৰীনৰসিংহ ৰাৱে ঘোষণা কৰিছে যে নিৰ্বাচনৰ আগতে কোনো পেকেজৰ ঘোষণা কৰা নহ'ব । কিন্তু কোনো-কোনো মন্ত্ৰীৰ মতে ৰাজীৱ-লংগোৱাল চুক্তি মতে পঞ্জাবলৈ আগবঢ়োৱা প্ৰকল্পসমূহৰ বিষয়ে এটা ঘোষণা কৰা আৱশ্যক । এই বিষয় লৈও মন্ত্ৰীসভাৰ (কেবিনেট) মাজত মতদ্বৈধ হোৱা বুলি বাতৰিত প্ৰকাশ। কোনো-কোনোৰ মতে নিৰ্বাচনৰ আগতে এনে ঘোষণা কৰা মানে নিৰ্বাচন বৰ্জন কৰা আকালি উপদলবোৰকহে ভেটি দিয়াৰ দৰে হ'ব । তদুপৰি এতিয়া, যাৰ দ্বাৰা ৰাজ্যখন উপকৃত হ'ব তেনে কিবা ঘোষণা কৰিলে নিৰ্বাচনৰ নীতি বা বিধি উলংঘা কৰা হ'ব ।

ইতিমধ্যে আকালি দল (কাবুল) অৰ্থাৎ আগৰ আকালি দল—লংগোৱালৰ পাৰ্লিয়ামেণ্টেৰি ব'ৰ্ডৰ চেয়াৰমেন শ্ৰীঅমৰিন্দৰ সিঙে জনাইছে যে তেওঁৰ দলে নিৰ্বাচনত অংশ গ্ৰহণ কৰিব আৰু ৰাজ্যত ক্ষমতাধিষ্ঠ হ'ব পাৰিলে সকলো বন্দী আৰু আত্মগোপনকাৰীক সাধাৰণ ক্ষমাদান (general amnesty) কৰিব । তেওঁৰ মতে ভালেসংখ্যক শিখ যুবকে হিংসাৰ পথ পৰিহাৰ কৰি শান্তিপূৰ্ণ জীৱন যাপন কৰিবলৈ আগ্ৰহী; কিন্তু তেওঁলোকৰ পুলিছৰ ওপৰত অকণো আস্থা নাই । ইতিমধ্যে পঞ্জাবত দুৰ্ধৰ্ষ আৰক্ষী বিষয়া শ্ৰীকে.পি.এছ. গিলে আৰক্ষী মহাঅধীক্ষক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে । তেওঁৰ অভিজ্ঞতাৰ সহায়ত কেন্দ্ৰীয় চৰকাৰে সুকলমে নিৰ্বাচনটো পাতিবলৈ আশা কৰিছে । আকালি দলসমূহে বৰ্জনৰ লগতে নিৰ্বাচনৰ বিৰোধিতা কৰি হিংসাত্মক কাৰ্যত লিপ্ত হ'লেহে বিপদ হ'ব । কিন্তু নিৰ্বাচনী প্ৰচাৰ-কাৰ্যৰ সময় হ্ৰাস কৰাৰ বাবে দুই-এটা আকালি গোটে বৰ্জন উঠাই লবও পাৰে। তেতিয়া হ'লে নিৰ্বাচনে কিছু বেলেগ ৰূপ লোৱাৰ সম্ভাৱনা আছে । মুঠতে পঞ্জাবৰ নিৰ্বাচন কেন্দ্ৰৰ বাবে এটা ডাঙৰ পৰীক্ষা আৰু প্ৰত্যাহ্বান বুলি ক'লেও ভুল কোৱা নহ'ব ।

২৩/১/৯২

সপ্তাহ দৰ্পণ

অসমীয়া মানুহ । প্ৰাপ্তিৰ দিনা সমালনি কৰি ব্যক্তিজন সম্পৰ্কে / ব্যক্তিজনৰ আত্মজীৱনি প্ৰকাশ কৰে । ব্যক্তিজনেও জীৱনৰ একেবাৰে শিয়লি বেলাতহে আত্মজীৱনি লিখিবলৈ লয় ।

'সপ্তাহ দৰ্পণ' ইয়াৰ ব্যতিক্ৰম । ধাৰাবাহিক ভাবে প্ৰকাশ কৰিবলৈ লোৱা হৈছে - ড. ভবেন্দ্ৰনাথ শইকীয়া দেৱৰ জীৱনৰ স্মৰণীয় দিন বা মুহূৰ্তবোৰৰ ৰোমন্থন আগলৈ যি লেখাৰ ভিত্তিতে সৃষ্টি হ'ব ব্যক্তিজনৰ আত্মজীৱনী । 'মোৰ দিন মোৰ ৰাতি' এই নামাকৰণৰ শিতানত লিখিবলৈ লোৱা শইকীয়া দেৱৰ লেখনীত জীৱনৰ সকলো স্তৰৰ সকলো অনুভূতিকেই আপুনি 'সপ্তাহ দৰ্পণ'ৰ পাতত পাব।

তাৰোপৰি – খুহৱন্ত সিং, অৰুণ বাগচী, ড. হিৰেন গোঁহাই, ড. লক্ষ্মীনন্দন বৰা, বং বং তেৰাঙ, পদ্মবৰকটকী, অৰূপ দত্ত, বীতা চৌধুৰী, ডা. ধ্ৰুৱজ্যোতি বৰা, চাৰু মহন্ত, নিলিময় চৌধুৰী, নিলয় দত্ত, যদুকাকতি, দিলীপ কুমাৰ মহন্তৰ ব্যতিক্ৰমধৰ্মী সত্যালাপৰ কলম – 'মানুহ' আৰু বহু নতুন লেখক লেখিকাক লগ পাব 'সপ্তাহ দৰ্পণ'ত।

মুখ্যকাৰ্যালয়
'সপ্তাহ দৰ্পণ'
জি, এন, বি, ৰোড।
আমবাৰী, গুৱাহাটী –১

নামঘৰীয়া

এজন সাধাৰণ মানুহৰ অসাধাৰণ গল্প

অতুলানন্দ গোস্বামী

বেচ ২০ ০০ টকা


পৰিবেশক

জ্যোতি প্ৰকাশন, গুৱাহাটী–১

# কম্পিউটাৰ ভাইৰাছ

মৃন্ময় ভূঞা

১৯৮৭ চনৰ জুন মাহ মাত্ৰ চাৰিটা দিনৰ কথা । আমেৰিকাৰ নিউয়ৰ্ক চহৰত থকা মহাকাশ গৱেষণা কেন্দ্ৰ এটাৰ চাৰিটা মেইন ফ্ৰেম[1] কম্পিউটাৰকে আদি কৰি প্ৰায় ২০০টা পাৰছনেল কম্পিউটাৰ ছে'ট ক্ৰমশঃ কাম কৰাত অক্ষম হৈ উঠিল । মহামাৰী ভাইৰাছৰ আক্ৰমণত ধৰাশায়ী হ'ল এই



কম্পিউটাৰবোৰ। অতীব প্ৰয়োজনীয় গৱেষণাসমূহলৈ নামি আহিল অস্বাভাৱিক যতি । চাৰিওফালে হুলস্থুল লাগি গ'ল । মানুহৰ নিৰ্দেশনামা অমান্য কৰি কম্পিউটাৰ পৰ্দাত ভাহি উঠিল কেতবোৰ আচৰিত বাৰ্তা,—ৱেলকাম টু ডা'নজন (নৰকলৈ স্বাগতম) ইত্যাদি । কম্পিউটাৰ পৰ্দাৰ সন্মুখত কৰ্মৰত চতুৰ মানুহক উপলুঙা কৰি পৰাক্ৰমী ভাইৰাছসমূহে নিঃশেষ কৰি পেলালে কম্পিউটাৰ মেম'ৰিত সাঁচি ৰখা হাজাৰ-হাজাৰ তথ্য আৰু প্ৰগ্ৰেম[2] ।

মহামাৰী কম্পিউটাৰ ভাইৰাছ সম্পৰ্কে আলোচনা কৰাৰ আগতে কম্পিউটাৰৰ আনুষংগিক কেইটামান মূল কথা চমুকৈ উনুকিওৱা যাওক । কম্পিউটাৰ বুলিলেই সমগ্ৰ বিষয়টোক দুটা শব্দত সাঙুৰি থব পাৰি। শব্দ দুটা হ'ল হাৰ্ডৱেৰ (Hardware) আৰু ছফটৱেৰ (Software) । হাৰ্ডৱেৰ হ'ল কম্পিউটাৰৰ ইলেকট্ৰ'নিক আৰু মেকানিকেল যন্ত্ৰপাতিসহ সম্পূৰ্ণ ব্যৱস্থাপনাটো । ব্যৱস্থাপনাটোৰ কাৰ্যকাৰিতাৰ বাবে তাৰ গ্ৰহণযোগ্য কেতবোৰ নিৰ্দেশৰ প্ৰয়োজন হয় । 'কি ব'ৰ্ড'ৰ (Key Board) সহায়েৰে আক্ষৰিক নিৰ্দেশসমূহ কম্পিউটাৰটোক দিয়া হয় । নিৰ্দেশৰ প্ৰত্যেকটো আখৰৰ বাবে একোটা বিশেষ বৈদ্যুতিক পালছৰ (Pulse) সৃষ্টি হয় আৰু এই পালছসমূহে ইলেকট্ৰনিক ব্যৱস্থাটোক কাৰ্যক্ষম কৰি তোলে । এনে নিৰ্দেশমালাকে একেলগে প্ৰগ্ৰেম বুলি কোৱা হয় । আৰু ইয়েই হ'ল ছফটৱেৰ। হাৰ্ডৱেৰ ছফটৱেৰৰ পিছতেই কম্পিউটাৰৰ সৈতে ওতপ্ৰোতভাৱে জড়িত শব্দটো হ'ল মেম'ৰি। ৰেকৰ্ড বা কেছেটত গান, ছবি আদি ৰেকৰ্ড কৰি থোৱাৰ দৰে ছেমিকণ্ডাক্টৰৰ (ছিলিকন, আদিৰ) দ্বাৰা তৈয়াৰী এক বিশেষ ধৰণৰ ৰেকৰ্ডিং ব্যৱস্থাত কম্পিউটাৰৰ প্ৰগ্ৰেম বা তথ্য সমূহ (data) ৰেকৰ্ড, বা কম্পিউটাৰৰ ভাষাত ষ্ট'ৰ কৰি থব পৰা যায় । ইয়াকে মেম'ৰি বোল । মেম'ৰি প্ৰধানতঃ দুই প্ৰকাৰৰ,—ফ্লপি ডিস্ক আৰু হাৰ্ড ডিস্ক। ফ্লপিসমূহক টেপ ৰেকৰ্ডাৰৰ কেছেটৰ লেখীয়াকৈ ব্যক্তিগতভাৱে ব্যৱহাৰ কৰিব পাৰি। আনহাতে হাৰ্ড ডিস্ক হ'ল কম্পিউটাৰৰ ভিতৰত থকা স্থায়ী মেম'ৰি। দুয়ো ধৰণৰ মেম'ৰিতেই প্ৰগ্ৰেম আৰু তথ্য সুৰক্ষিত অৱস্থাত ভৰাই থব পাৰি। পাৰ্থক্য হ'ল এয়ে যে হাৰ্ড ডিস্কৰ একাংশত কেতবোৰ ইন বিল্ট (In built) অৰ্থাৎ কোম্পানিতেই কৰি থোৱা প্ৰগ্ৰেম সুমুৱাই থোৱা থাকে । মেম'ৰিৰ এই অংশক ৰম (ROM অৰ্থাৎ Read Only Memory) বোলা হয় । হাৰ্ড ডিস্কৰ পৰা ফ্লপিলৈ নতুবা ফ্লপিৰ পৰা হাৰ্ড ডিস্কলৈ প্ৰগ্ৰেম নকল (কপি) কৰিব পৰা যায় । ছেমিকণ্ডাক্টৰ মেম'ৰিৰ অকণমান অংশতেই কেইবা হাজাৰো তথ্য আৰু প্ৰগ্ৰেম সঞ্চিত কৰি ৰাখিব পৰাটো সম্ভৱ।

১৯৮১ চনমানলৈ যথেষ্ট ক্ষমতাশালী মেইনফ্ৰে'ম কম্পিউটাৰ বা তাতকৈ কিছু কম ক্ষমতাৰ মিডিফ্ৰে'ম বা তাতকৈও তলৰ মিনিফ্ৰে'ম কম্পিউটাৰহে বহুলভাৱে ব্যৱহৃত হৈ আছিল । ব্যৱহাৰিক দিশৰ পৰা ই সুবিধাজনক আছিল যদিও এইবোৰৰ মূল্য আছিল খুব বেছি । সৰু-সৰু কামৰ বাবে আৰু ব্যক্তিগত বা বেংক আদিৰ ব্যৱহাৰৰ বাবে ইমান ডাঙৰ কম্পিউটাৰ ব্যৱস্থাৰ প্ৰয়োজনো নাছিল আৰু সেইবোৰ সংগ্ৰহ কৰাটো আৰ্থিকভাৱে সম্ভৱো নাছিল । সেইবাবে ১৯৮৩ চনত আমেৰিকাৰ IBM কোম্পানিয়ে ব্যক্তিগত ব্যৱহাৰৰ বাবে সাজি উলিয়ালে ২০/৩০ হাজাৰ টকাৰ ভিতৰতে পাব পৰা তেনেই নিম্ন ক্ষমতাৰ পাৰছনেল কম্পিউটাৰ। বছৰচেৰেকৰ ভিতৰতে ই ইমান জনপ্ৰিয় হৈ পৰিল যে ঘৰ, স্কুল, অফিছ, উদ্যোগ, বেংক, হোটেল, চিকিৎসালয়, বজাৰ, ৰেল-ষ্টেছন, বিমান বন্দৰ, সামৰিক ঘাটি আদি পাৰছনেল কম্পিউটাৰেৰে উপচি পৰিল । মানুহৰ মগজুৰ কষ্ট কমি আহিল; পাৰছনেল কম্পিউটাৰে বিনা দ্বিধাই মূৰ পাতি ললে মানুহৰ সেই দায়িত্ব । লাহে-লাহে দৈনন্দিন জীৱনৰ প্ৰতিটো কামৰ বাবে মানুহ পুতৌ লগাভাৱে নিৰ্ভৰশীল হৈ পৰিল পাৰছনেল কম্পিউটাৰৰ ওপৰত ।

ঠিক এনে এক সময়ত এক অদৃশ্য শত্ৰুৰ ভয়াবহতাই সচকিত কৰি তুলিলে কম্পিউটাৰৰ পৃথিৱীখনক । মেম'ৰি আৰু মেম'ৰিত থকা সকলো তথ্য আৰু প্ৰগ্ৰেম নিমিষতে বিনষ্ট কৰি পেলাব পৰা এই পৰাক্ৰমী শত্ৰুবিধক নামকৰণ কৰা হ'ল, চিকিৎসা বিজ্ঞানৰ পৰা ধাৰ কৰি অনা দুটা শব্দৰে—সংক্ৰামক ভাইৰাছ । কোনো-কোনো ঠাইত তাক কম্পিউটাৰ ভাইৰাছ বোলা হ'ল ।

কম্পিউটাৰ ভাইৰাছ এবিধ বিধ্বংসী ছফটৱেৰ প্ৰগ্ৰেম । যি মুহূৰ্তত ইয়াক কম্পিউটাৰৰ মেম'ৰি বা ফ্লপিত স্থাপন কৰা হয়, তেতিয়াৰ পৰাই এই প্ৰগ্ৰেমত থকা নিৰ্দেশমালাই স্বয়ংক্ৰিয়ভাৱে মেম'ৰি বা ফ্লপিত আগৰে পৰা থকা প্ৰগ্ৰেমবোৰৰ অংশবিশেষ বা সম্পূৰ্ণ অংশ ওলট পালট কৰি পেলায় । ফলত অশেষ কষ্ট কৰি আৰ্হি কৰা সেই প্ৰগ্ৰেমবোৰ নিৰৰ্থক হৈ পৰে। একোবিধ ভাইৰাছ প্ৰগ্ৰেমে নিমিষতে হাজাৰ-হাজাৰ প্ৰগ্ৰেম বা মেম'ৰিত থকা তথ্য বিনষ্ট কৰি পেলাব পাৰে।

ভাইৰাছ নাম পোৱা এই প্ৰগ্ৰেমবোৰক চাৰিভাগত ভগাব পাৰি ঃ টাইম বোমা, ট্ৰ'জান ঘোঁৰা, হাঁকোটা আৰু সাধাৰণ ভাইৰাছ । টাইম বোমা প্ৰকৃতিৰ প্ৰগ্ৰেম বিধ পূৰ্বে নিৰ্ধাৰিত একোটা বিশেষ দিনৰ নিৰ্দ্দিষ্ট সময়তহে সক্ৰিয় হৈ উঠে । সেই মুহূৰ্ততে কম্পিউটাৰটোৱে তাৰ সকলো নিয়ন্ত্ৰণ হেৰুৱাই পেলায় আৰু কেতবোৰ আচৰিত বাৰ্তা পৰ্দাত ভাহি উঠে । ট্ৰজান ঘোঁৰা নামৰ ভাইৰাছবিধ্ৰ আকৌ বহু সময় ধৰি এটা বিশেষ প্ৰগ্ৰেমক আক্ৰমণ কৰি তাক থকাসৰকা কৰি পেলায় । কিন্তু ইয়াৰ পুনৰাবৃত্তি নহয়, অৰ্থাৎ ই আকৌ অইন এটা প্ৰগ্ৰেম গৈ আক্ৰমণ নকৰে। আনহাতে হাঁকোটা আৰু সাধাৰণ ভাইৰাছৰ মুহূৰ্তে-মুহূৰ্তে পুনৰাবৃৰ্তি হয়; অৰ্থাৎ ইহঁতে একে সময়তে অসংখ্য প্ৰগ্ৰেমৰ ভিতৰ সোমাই সেইবোৰ বিনষ্ট কৰিব পাৰে। এই শেষৰ দুবিধ ভাইৰাছৰ পাৰ্থক্য হ'ল,—হাঁকোটাই সদায় তাৰ নিজৰ অস্তিত্ব বজাই ৰাখে, অৰ্থাৎ ই অইন প্ৰগ্ৰেমৰ ভিতৰ সোমাই পৰিলেও মেম'ৰি বা ফ্লপিত তাৰ নিজৰ নকল এটা ৰাখি থয় । আনহাতে সাধাৰণ ভাইৰাছে আক্ৰমণ সূচনা কৰাৰ পাছত তাৰ সুকীয়া অস্তিত্ব লোপ পায় আৰু সি আক্ৰমণ কৰা প্ৰগ্ৰেমসমূহৰ মাজত সোমাই পৰে।



আমেৰিকাৰ AT & T ৰ বে'ল লেবৰেটৰিত দুগৰাকী ছফটৱেৰ বিশেষজ্ঞই পোনতে তেওঁলোকৰ মনোৰঞ্জনৰ উপায় হিচাপে এবিধ কম্পিউটাৰত খেলিব পৰা খেল উদ্ভাবনৰ চেষ্টা কৰিছিল । দুয়ো দুবিধ প্ৰতি আক্ৰমণকাৰী ছফটৱেৰ প্ৰগ্ৰেম লিখি উলিয়াইছিল । প্ৰগ্ৰেমসমূহক বোলা হৈছিল 'অৰগেনিজম' । কেৰম বা দবা খেলত গুটি থকাৰ লেখীয়াকৈ এই প্ৰগ্ৰেমসমূহত আছিল 'অৰগেন' নামৰ কিছুমান লজিকেল (logical) সিদ্ধান্ত । কম্পিউটাৰত সুমুউৱাৰ পাছত এটা প্ৰগ্ৰেমে আনটোৰ এই অৰগেনসমূহ ওলট-পালট অৰ্থাৎ নষ্ট কৰি পেলাইছিল । শেষত যিটো প্ৰগ্ৰেমৰ সকলো অৰগেন আগতেই ধৰাশায়ী হৈছিল তাক পৰাজিত বুলি ধৰা হৈছিল । এই খেলবিধৰ নাম দিয়া হৈছিল শীতল যুদ্ধ । ই এবিধ মনোৰঞ্জক খেল আছিল যদিও ছফটৱেৰ প্ৰগ্ৰেমক অসৎভাৱে ব্যৱহাৰ কৰিব পৰা ধাৰণাৰ ই আছিল আৰম্ভণি। ইয়াৰ পাছতেই বাচিত আৰু আমজাদ নামৰ পাকিস্তানী ভাতৃদ্বয়ে তেওঁলোকৰ চুৰি হোৱা প্ৰগ্ৰেমসমূহৰ বিৰুদ্ধে প্ৰতিশোধ লোৱাৰ উদ্দেশ্যে সৃষ্টি কৰিছিল ছি-ব্ৰেইন (C-Brain) নামৰ এক বিষাক্ত ভাইৰাছৰ। এই ভাইৰাছবিধ থকা একপি ফ্লপি কোনো কম্পিউটাৰত ব্যৱহাৰ কৰিলে ফ্লপিৰ পৰা ভাইৰাছ প্ৰগ্ৰেমটো নিজে নিজেই হাৰ্ড ডিস্ক মেম'ৰিত সোমাই পৰে। লগে-লগে ই হাৰ্ড ডিস্কত থকা তথ্য আৰু প্ৰগ্ৰেম নষ্ট কৰে। তদুপৰি তেতিয়াৰ পৰাই কম্পিউটাৰটোত ব্যৱহাৰ কৰা অন্য ফ্লপি সমূহলৈও ই সহজেই সংক্ৰমিত হয় । তাৰ পাছত এই ফ্লপিসমূহ অন্য কম্পিউটাৰত ব্যৱহাৰ কৰিলে একে ধৰণে সেই কম্পিউটাৰসমূহো আক্ৰান্ত হয় । ছি-ব্ৰেইন-আক্ৰান্ত কম্পিউটাৰৰ পৰ্দাত সাধাৰণতে ডিস্ক এৰৰ বা 'নৰকলৈ স্বাগতম' ইত্যাদি বাৰ্তা দেখিবলৈ পোৱা যায় । লগতে আমজাদ ভাতৃদ্বয়ৰ কম্পিউটাৰ সংগঠনটোৰ নাম, টেলিফোন নম্বৰ আৰু শেষত 'কনটেক্ট আছ ফৰ ভেকছিনেশ্যন' অৰ্থাৎ নিৰাময়ৰ বাবে তেওঁলোকক যোগাযোগ কৰিবলৈ দিয়া বিজ্ঞাপনো পৰ্দাত ভাহি উঠে । মাত্ৰ কেইটামান দিনৰ ভিতৰতে আমেৰিকাত এই ভাইৰাছ ব্যাপকভাৱে বিয়পি পৰে। ভাৰতত প্ৰথমে বিশাখাপট্টনমৰ এটা ৰাজহুৱা খণ্ডৰ কোম্পানি আৰু তাৰ পাছত বোম্বাই আৰু বাংগালোৰৰ দুটা কম্পিউটাৰ ট্ৰেইনিং প্ৰতিষ্ঠান ছি-ব্ৰেইনৰ কবলত পৰে। পাকিস্তানী ফ্লু নামেৰেও জনাজাত এই ভাইৰাছবিধে এতিয়ালৈকে পৃথিৱীৰ বিভিন্ন ঠাইত মুঠতে এক লাখতকৈও অধিক ফ্লপি নষ্ট কৰিছে বুলি অনুমান কৰা হৈছে । ছি-ব্ৰেইন সৃষ্টিৰ কেইবছৰমানৰ ভিতৰতে মাৰিজুৱানা, পিছি ষ্ট'ন, জেৰুজালেম ৰেইনড্ৰপ, গ্ৰেভিটি, ইটালিয়ান, ফ্ৰাইডে' ১৩, য়াংকি ডুডলে, হেপি বাৰ্থডে' জোছি, ভিয়েনা, ডাৰ্ক এভেঞ্জাৰ ইত্যাদি প্ৰায় দুশবিধ ভাইৰাছৰ জন্ম হয় । শেহতীয়াভাৱে জন্ম পোৱা বিলাকৰ ভিতৰত '৯.৮ মিনিট ভাইৰাছ' নামৰ ভাৰতীয় ভাইৰাছবিধ অন্যতম । ইয়াৰ বিশেষত্ব এয়ে যে ই সহজে কম্পিউটাৰ স্ক্ৰিনত ধৰা নপৰে।

আমজাদ ভাতৃদ্বয়ে ভাইৰাছ উদ্ভাৱন কৰাৰ উদ্দেশ্য আছিল তেওঁলোকৰ চুৰি হোৱা প্ৰগ্ৰেমসমূহৰ পৰা, পৃথিৱীৰ য'তেই নহওক কিয়, কোনোবা উপকৃত হোৱাৰ আগতেই যাতে ভাইৰাছৰ দ্বাৰা সেই প্ৰগ্ৰেমসমূহ নষ্ট হৈ যায় । এই উদ্দেশ্যত তেওঁলোক কিমান সফল হৈছিল সেই কথা ঠাৱৰ কৰা টান; কিন্তু বহু কষ্ট কৰি অইনে সৃষ্টি কৰা উচ্চ'মানৰ প্ৰগ্ৰেম আন এবিধ প্ৰগ্ৰেমেৰে (যাক ভাইৰাছ বুলি স্বীকৃতি দিয়া হ'ল) নিমিষতে নষ্ট কৰি দিব পৰা ধাৰণাৰ ই আছিল বাটকটীয়া । কাজেই বিভিন্ন কূট উদ্দেশ্যৰে সৃষ্ট অসংখ্য ভাইৰাছ পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি যাবলৈ খুব কম সময়ৰহে প্ৰয়োজন হ'ল ।

ইয়াৰ পাছতে কম্পিউটাৰ জগতত আৰম্ভ হ'ল ভাইৰাছ-বিদ্বেষী চিন্তাধাৰাৰ,—কেনেকৈ ভাইৰাছৰ পৰা কম্পিউটাৰ ৰক্ষা কৰিব পৰা যায় । ফলস্বৰূপে এইবাৰ সৃষ্টি হ'ল অইন কিছুমান প্ৰগ্ৰেমৰ—যিবোৰে কম্পিউটাৰ এটাক ভাইৰাছৰ পৰা নিৰাপত্তা দিয়াৰ উপৰিও ভাইৰাছসমূহক প্ৰতি- আক্ৰমণ কৰি কৰ্ম-অক্ষম কৰি তুলিব পাৰে। এই প্ৰগ্ৰেমসমূহক বোলা হয় এণ্টি ভাইৰাছ বা ভেকছিন । বেলেগ-বেলেগ ভাইৰাছৰ বিৰুদ্ধে বেলেগ-বেলেগ ভেকছিন ব্যৱহাৰৰ দৰকাৰ হয় ।

কোনো বীজাণুৰ দ্বাৰা আক্ৰান্ত হোৱাৰ পূৰ্বেই যিদৰে শিশু এটাক সতৰ্কতামূলক ব্যৱস্থা হিচাপে ভেকছিন দিয়া হয়, ঠিক তেনেদৰেই ব্যৱহাৰ কৰাৰ পূৰ্বেই নতুন কম্পিউটাৰ ছে'ট এটাত ভেকছিন প্ৰগ্ৰেম সংস্থাপন কৰা হয়, যাতে পাছলৈ ই সহজে ভাইৰাছৰ দ্বাৰা আক্ৰান্ত নহয় । সংস্থাপিত ভেকছিনবিধ যদি শক্তিশালী ভাইৰাছৰ দ্বাৰা পৰাভূত হয়, তেন্তে সেই ভাইৰাছৰ লক্ষণসমূহ পৰীক্ষা কৰি উচ্চ খাপৰ ভেকছিন প্ৰয়োগ কৰাটো প্ৰয়োজনীয় হৈ পৰে।

আজিকালি বিভিন্ন কম্পিউটাৰ কোম্পানিয়ে তেওঁলোকৰ পৰা কিনা কম্পিউটাৰসমূহৰ সৈতে অতিকমেও দহ বিধমান ভেকছিন বিনামূল্যে যোগান ধৰে। অৱশ্যে অন্য ব্যৱসায়িক কম্পিউটাৰ প্ৰতিষ্ঠানতো সুলভ মূল্যত (এটা পেকেজৰ দাম বৰ বেছি এশ টকা) ভেকছিন কিনিবলৈ পোৱা যায় । যিয়েই নহওক, জ্ঞাত অজ্ঞাত অসংখ্য ভাইৰাছৰ বিৰুদ্ধে বোধহয় সৰ্বনিৰাময়কাৰী ভেকছিন এতিয়াও আমি সৃষ্টি কৰিব পৰা নাই, আৰু হয়তো নোৱাৰিমো; কিয়নো,—যিমানেই সৃষ্টিশীল মানুহৰ মগজু ব্ৰতী হৈছে ভেকছিন প্ৰগ্ৰেমৰ আৰ্হি কৰাত, তাতোকৈ বেছি মানুহৰ চতুৰ মগজু শীত-তাপ-নিয়ন্ত্ৰিত ভিতৰ কোঠাত নিশ্চয় ব্যস্ত হৈ আছে আৰু অধিক মাৰাত্মক ভাইৰাছৰ সৃষ্টি কৰাত ।

বাংগালোৰৰ কম্পিউটাৰ প্ৰতিষ্ঠান এটাই তেওঁলোকে উলিওৱা ভেকছিনৰ বাবে ব্যৱসায়ী বিজ্ঞাপন প্ৰচাৰ কৰিছে এনেদৰে। বিজ্ঞাপনত উল্লিখিত MS-DOS মানে হ'ল ফ্লপি ডিস্ক ব্যৱহাৰ কৰিব পৰা পাৰছনেল কম্পিউটাৰ।



The Norton AntiVirus works behind the scenes. Watching for and diagnosing any suspicious activity. Protecting your system *before* viruses can invade. And it detects and removes existing viruses lurking on your hard disks, floppy diskettes, and network servers. Just as important, the Norton AntiVirus protects you against newly discovered viruses. In ways no other program can.

Virus attacks are serious. Serious as a heart attack. So get serious protection. The Norton AntiVirus for MS-DOS. It's the protection you need. From the name you can trust.

**টোকা ঃ**

১। মেইন ফ্ৰে'ম কম্পিউটাৰ হ'ল যথেষ্ট ক্ষমতাশালী এক কম্পিউটাৰ। এনে একোটা মেছিনৰ সহায়ত কেইবাজনো মানুহে একে সময়তে কাম কৰিব পাৰে।

২। কম্পিউটাৰ এটাৰ সহায়ত কিবা এটা কাম কৰিবলৈ (যেনে খুব টান অংক এটাৰ উত্তৰ উলিয়াবলৈ), কম্পিউটাৰটোক সুচাৰুৰূপে কেতবোৰ নিৰ্দেশ দিয়াৰ প্ৰয়োজন হয় । এই নিৰ্দেশসমূহৰ ওপৰত ভিত্তি কৰিহে কম্পিউটাৰটো সমস্যাটো (বা অংকটো) সমাধানৰ বাবে অগ্ৰসৰ হয় । নিৰ্দেশনামাত ভুল থাকিলে ই ভুল পথে অগ্ৰসৰ হ'ব আৰু ভুল উত্তৰ দিব, নতুবা নিৰ্দেশটো তাৰ বাবে অবোধ্য হ'লে এৰৰ (error) বুলি দেখুৱাব । এই নিৰ্দেশাৱলীক একেলগে এটা প্ৰগ্ৰেম বুলি কোৱা হয় ।

# বিপৰ্যস্ত অসম ঃ এক নতুনৰ অন্বেষণত

অনুভৱ দত্ত

বিশ্বৰ জনমানসত উদ্ভট চিন্তা কৰিব পৰা জাতি বুলি অসমীয়া মানুহৰ এটা নাম আছে। পেণ্ডুলামৰ বলটোৰ দৰে অনুভূতিপ্ৰৱণ অসমীয়া মানুহৰ চিন্তাধাৰাও গতিশীল। পাৰ্থক্যটো হ'ল,—পেণ্ডুলামৰ গতিয়ে এক নিয়ম মানি চলে, কিন্তু অসমীয়া মানুহৰ চিন্তাধাৰা দুৰ্দান্ত আৰু নিয়মানুবৰ্তিতাহীন। সেয়েহে কেতিয়াবা বিদেশী খেদাৰ আন্দোলন কৰি, কেতিয়াবা স্বাধীন অসমৰ স্বপ্ন দেখি, আৰু কেতিয়াবা অখণ্ড ভাৰত আৰু শান্তিৰ সপক্ষে নিৰ্বাচনত নিৰৱ মতদান কৰি অসমীয়া মানুহ ক্ষান্ত হয়। বিবেকৰ বশৱৰ্তী হৈ অসমীয়া নচলে। চিন্তা-চৰ্চাত সন্তোলন অথবা ভাৰসাম্য অসমীয়াই ভাল নাপায়। কিন্তু আমি বেছি দিন এনেকৈ ওপৰে-ওপৰে চলিব নোৱাৰিম। আমাৰ এই জীৱনত অসমৰ সমস্যাৰাজিৰ সমাধানৰ বাবে কিবা প্ৰচেষ্টা চলাই নগলে আমাৰ পাছৰ সতি-সন্ততিসকলৰ ভৱিষ্যত অন্ধকাৰময় হৈ ৰ'ব। ৰাছিয়া বা চীনদেশত কি ইজিমৰ বিপৰ্যয় হ'ল, অথবা মাৰ্কিন ভাবধাৰা আৰু অৰ্থনীতি কিমান আদৰণীয়, ই আমাৰ বাবে আলোচনাৰ বিষয় সদ্যহতে হোৱা অনুচিত। আমাৰ প্ৰগতিৰ বাবে কি প্ৰযোজ্য হোৱা উচিত সেইটোহে আমাৰ বিচাৰ্যৰ বিষয়। সেয়েহে কিবা এটা নতুন চিন্তাধাৰাৰ অন্বেষণৰে এই নিবন্ধটো যুগুতোৱা হ'ল। প্ৰযুক্তিবিদ্যাত appropriate technology অথবা উপযুক্ত শিল্পতত্ত্ব নীতি এটা চৰ্চাৰ বিষয় হৈ পৰিছে। এৰ্থন সমাজৰ সকলো দিশ বিবেচনা কৰি যিটো প্ৰযুক্তিবিদ্যাৰ জৰিয়তে পৰিমিতভাৱে ফল পোৱা যায়, আৰু যি কোনো নৱদ্বন্দ্বৰ সৃষ্টি নকৰে তাকেই appropriate technology বুলি কোৱা হয়। সেয়েহে আমাৰ মতে গধুৰ উদ্যোগ,—গেছ ক্ৰেকাৰ আৰু ৰিফাইনেৰি স্থাপনৰ জৰিয়তে অসমৰ গভীৰ নিবনুৱা সমস্যাৰ সমাধান নহয়; অথবা উৎপাদনবিহীন কিছুমান চৰকাৰী চাকৰিৰ জন্ম দি তাত ৰাজনৈতিক মুনাফাৰে কিছু কৰ্মহীন যুৱক-যুৱতীক অন্নসংস্থান দিলেও অসমৰ নিবনুৱা সমস্যাৰ সমাধান নহয়। সেয়েহে আমাক লাগে অসমৰ সমস্যাৰ লগত ৰজিতা খোৱা এটা উপযুক্ত তত্ত্বনীতিৰ।

**গধুৰ উদ্যোগ,—গেছ ক্ৰেকাৰ আৰু ৰিফাইনেৰি স্থাপনৰ জৰিয়তে অসমৰ গভীৰ নিবনুৱা সমস্যাৰ সমাধান নহয়; অথবা উৎপাদনবিহীন কিছুমান চৰকাৰী চাকৰিৰ জন্ম দি তাত ৰাজনৈতিক মুনাফাৰে কিছু কৰ্মহীন যুৱক-যুৱতীক অন্নসংস্থান দিলেও অসমৰ নিবনুৱা সমস্যাৰ সমাধান নহয়। সেয়েহে আমাক লাগে অসমৰ সমস্যাৰ লগত ৰজিতা খোৱা এটা উপযুক্ত তত্ত্বনীতিৰ।**

### পাতনি

বৰ্তমান যুগটো অপটিমাইজেশ্যনৰ (optimisation) যুগ, কাৰিকৰী প্ৰযুক্তিবিদ্যাৰ যুগ। স্থানবিশেষে ভৌগোলিক বিশেষত্ব, সামাজিক আৰু আৰ্থিক গাঁথনি, উৎপাদন ব্যৱস্থা আৰু জনগণৰ সম্পৰ্কৰ লগত সংগতি ৰাখি কৰা প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগেহে জনগণৰ বাবে অৰ্থনৈতিক মুক্তিৰ বাট মোকলাই দিব পাৰিব। যেনেকৈ মাৰ্কিন শিবিৰৰ প্ৰতি আনুগত্য থকা বুদ্ধিজীৱী আৰু পণ্ডিত লোকসকলে অৰ্থনৈতিক মাৰ্ক্সবাদ আৰু লেনিনবাদৰ প্ৰাসংগিকতা সম্পৰ্কে নানান ইতিকিংসূচক মন্তব্য দি মাৰ্কিন নীতিৰ অনুকূলৰ অৰ্থনীতিৰ পক্ষে মত পোষণ কৰিছে, তেনেকৈ,—আমি ভাবোঁ—আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানীতিৰ (IMP) পৰা পৰোক্ষভাৱে হেঁচা পাই ভাৰতীয় অৰ্থনীতিত প্ৰচলন কৰা মুকলিবজাৰৰ অৰ্থনীতিৰ নীতিসমূহেও ভাৰতীয় অৰ্থনীতিত একো বিপ্লৱৰ সূচনা কৰিব নোৱাৰিব, আৰু জনসাধাৰণক সকাহো দিব নোৱাৰিব। সেয়েহে বৰ্তমান যুগত স্থানবিশেষে শাসনতন্ত্ৰ, অৰ্থনীতি, ৰাজনীতি সকলো দিশতে আমাক এক উপযুক্ত শিল্প বিজ্ঞানৰ তত্ত্বৰ (appropriate technology) দৰে উপযুক্ত শাসনতন্ত্ৰ, উপযুক্ত অৰ্থনীতি, উপযুক্ত ৰাজনীতিৰ আৱশ্যক।

লেনিন, গান্ধী আৰু মাও চে টুঙে পৃথিৱীৰ পৃথক-পৃথক ভৌগোলিক আৰু বুৰঞ্জীগত পৰিস্থিতিত পৃথক-পৃথক দৰ্শন আৰু ৰাজনীতিৰে বিপ্লৱ সাৰ্থক কৰি তুলিছিল। সহজ কথাত বুজাবলৈ গ'লে সময় আৰু জনগণৰ লগত মূলতে সংগতি ৰাখি ৰাজনীতিত এক 'উপযুক্ত প্ৰযুক্তিবিদ্যা'ৰ প্ৰবৰ্তন কৰি তাক কাৰ্যকৰী কৰিবলৈ তেওঁলোক সমৰ্থ হৈছিল; আৰু তাৰ ফলতে জনগণে মুক্তিৰ পথ পাইছিল। লেনিন-ষ্টেলিনৰ পৰৱৰ্তী সময়ছোৱাত ৰাছিয়াৰ নেতৃবৃন্দই সেই নতুন বাতাৱৰণত ৰাজনীতি আৰু অৰ্থনীতিত আৱশ্যকীয় এক নতুন উপযুক্ত প্ৰযুক্তিবিদ্যাৰ প্ৰবৰ্তন কৰাত বিফল হোৱাৰ পৰিণতি স্বৰূপেই জনগণৰ মোহভংগ হৈছে আৰু তেওঁলোক মাৰ্কিন অৰ্থনীতিৰ অনুকূল এক অৰ্থনীতিত ৰাইজৰ মুক্তি আছে বুলি মৰীচিকাৰ চিকাৰ হৈছে। মাও চে টুং আৰু গান্ধী বাস্তৱবাদী দূৰদৰ্শী লোক আছিল। সেয়েহে গান্ধীৰ অহিংসাৰ জৰিয়তে ভাৰতবৰ্ষ স্বাধীন হ'ল। দ্বিতীয় মহাযুদ্ধ অবিহনে এইফেৰা কাম হয়তো সম্পন্ন নহ'লহেঁতেন। সি যিকি নহওক, গান্ধীৰ ভাৰতবৰ্ষতেই গান্ধীবাদী আন্দোলনক গান্ধীবাদৰ ধ্বজা ধৰোঁতাসকলে বন্দুক-লাঠীৰে ঠাণ্ডা কৰিছে। গান্ধীবাদী আন্দোলন আজিৰ ভাৰতবৰ্ষত অপ্ৰাসংগিক হৈ পৰিছে। মাও চে টুং অথবা মাওবাদো একেদৰে বুৰঞ্জীৰ অনুগ্ৰহতহে সৃষ্টি হোৱা ব্যক্তি আৰু দৰ্শন। কিন্তু সকলো পৰিবেশত আৰু সকলো সময়ত মাওবাদৰ বাস্তৱ প্ৰযোজ্যতা নাথাকিবও পাৰে।


**গান্ধীৰ ভাৰতবৰ্ষতেই গান্ধীবাদী আন্দোলনক গান্ধীবাদৰ ধ্বজা ধৰোঁতাসকলে বন্দুক-লাঠীৰে ঠাণ্ডা কৰিছে। গান্ধীবাদী আন্দোলন আজিৰ ভাৰতবৰ্ষত অপ্ৰাসংগিক হৈ পৰিছে।**



### ভাৰতীয় আৰ্থসামাজিক গঠন আৰু উত্তৰ-পূৰ্বাঞ্চল ঃ

অপ্ৰিয় হ'লেও এষাৰ কথা ধ্ৰুৱ সত্য যে আজিৰ ভৌগোলিক ভাৰতবৰ্ষ উপনিবেশী বৃটিছ শক্তিৰ সৃষ্টি। ভাৰতীয় অগণন শাসক ৰজা-মহাৰজাই বুৰঞ্জীৰ স্তৰত আজিৰ ভৌগোলিক ভাৰতবৰ্ষৰ স্বপ্ন দেখিছিল যদিও কাৰ্যতঃ তেৰাসবৰ স্বপ্ন স্বপ্ন হৈয়েই ৰ'ল। উপনিবেশী বৃটিছ শক্তিয়ে তেওঁলোকৰ শোষণৰ স্বাৰ্থতে ভাৰতবৰ্ষৰ জন্ম দিছিল যদিও ভাৰতীয় জাতি গঠনৰ প্ৰক্ৰিয়াটো কাহানিও সম্পূৰ্ণ নহ'ল। বৰং স্বাধীনোত্তৰ ভাৰতবৰ্ষক এক শক্তিশালী অৰ্থনৈতিক শক্তি হিচাপে গঢ় দি বিভিন্ন অঞ্চলৰ সমবিকাশৰ বাবে দেশীয় শাসকবৰ্গই একো আশাশুধীয়া প্ৰচেষ্টা চলোৱা দৃষ্টিগোচৰ নহ'ল। সহজ কথাত কোনো উপযুক্ত প্ৰযুক্তি বিদ্যাৰ আবিষ্কাৰ নহ'ল। সঁচাসচিকৈ অখণ্ড ভাৰতবৰ্ষখনৰ আজিকোপতি জন্ম নহ'ল। একোটা অঞ্চলৰ কোনো জাতিয়ে অকলে, অথবা জাতি-উপজাতি একত্ৰ হৈ দিল্লীৰ শাসকবৰ্গই সেই অঞ্চলৰ প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত কৰা অবাধ লুণ্ঠন, অথবা অৰ্থনৈতিক শোষণ, অথবা অঞ্চলটোৰ অনগ্ৰসৰতাৰ বিপক্ষে মাত মাতিলে, শান্তি আৰু অখণ্ডতাৰ নামত সেনাবাহিনী মোতায়েন কৰি সেই আন্দোলনবোৰ দমন কৰা হয়। কিন্তু আঞ্চলিক সমবিকাশ আৰু প্ৰাকৃতিক সম্পদৰাজিৰ সুব্যৱহাৰ কৰি এক সুস্থ জনভিত্তিক অৰ্থনীতিৰ জন্ম দিবলৈ শাসকবৰ্গই প্ৰয়াস নকৰে। মাথোঁ বৃহৎ পুঁজিপতিৰ মৰ্জি আৰু স্বাৰ্থৰ ওপৰতেই আমাৰ দেশীয় অৰ্থনীতিৰ ক্ৰমবিকাশ অথবা অধঃবিকাশ নিৰ্ভৰশীল।

অসমত প্ৰাকৃতিক গেছ পুৰি শেষ কৰা হয়, অথচ ইয়াৰ সুব্যৱহাৰৰ বাবে আৰ্জি পেচ কৰিলে তাৰ দাম নিৰ্ধাৰণ লৈ দিল্লীত ৰাজনীতি কৰা হয়। সত্তৰৰ দশকতে বৰগোলাইৰ কয়লাৰে এটা বিজুলীশক্তি উৎপাদন গোটৰ আৰ্জি দাখি ধৰা হৈছিল; কিন্তু গন্ধক আঁতৰাই অসমৰ কয়লাৰ অসমত সুব্যৱহাৰ কৰাৰ বাবে তেতিয়া একো কৰা নহ'ল। এতিয়া কিন্তু বিদেশী মুদ্ৰাৰ সংকট আঁতৰ কৰিবৰ বাবে আৰু তীখা কাৰখানাসমূহত ক'কিং কয়লাৰ নাটনি দূৰ কৰাৰ বাবে ৩০০০ কোটি টকা ব্যয় কৰি বৰগোলাইৰ কয়লাৰ পৰা গন্ধক আঁতৰোৱাৰ আঁচনি যুগুতোৱা হৈছে। অসমৰ ৰাইজৰ ইমান দিনৰ আশা,—গুৱাহাটী-তিনিচুকীয়া ব্ৰডগেজ লাইনৰ সম্প্ৰসাৰণৰ বাবেও এতিয়া পইচাৰ যোগাৰ হ'ব। বঙাইগাঁও তাপবিদ্যুৎ প্ৰকল্পত কয়লাৰ নাটনি দূৰ কৰাৰ বাবে অসমৰ কয়লাৰ সুব্যৱহাৰৰ একো আঁচনি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা নাই। দিল্লীৰ শাসকবৰ্গৰ, অৰ্থাৎ কংগ্ৰেছ চৰকাৰৰ এনেবোৰ পক্ষপাতিত্বমূলক কাম-কাজৰ বাবে অঞ্চলসমূহৰ সমবিকাশ হোৱা নাই। এনে হোৱাৰ ফলত আঞ্চলিকতাবাদৰ জন্ম হৈছে আৰু স্থান বিশেষে ই আতংকবাদী আন্দোলনত পৰিণত হৈছে। ভাৰতীয় অৰ্থনীতিত উদ্যোগীকৰণ অথবা বিকাশৰ বুনিয়াদ জনগণে নিৰ্ধাৰণ নকৰে, বৰং ইয়াক ওপৰৰ পৰা জাপি দিয়া হয়। পঞ্জাবত এই অৰ্থনৈতিক বিকাশে প্ৰথমছোৱা সুস্থভাৱে গঢ় লৈ উঠিছিল। ভাক্ৰা-নাংগল বহুমুখী আঁচনিৰ সফল ৰূপায়ণৰ পাছত পঞ্জাবত কৃষি-বিপ্লৱ হৈছিল আৰু লগতে হৈছিল শ্বেত বিপ্লৱ। পঞ্জাবী কৃষকসকলৰ কৃষি প্ৰণালীৰ ক্ষেত্ৰত উপযুক্ত প্ৰযুক্তি বিদ্যাৰ যুগপৎ সংঘটন ঘটিছিল। ফলত পঞ্জাবৰ অৰ্থনীতিৰ ক্ৰমবিকাশ ঘটিছিল। জনসাধাৰণৰ ক্ৰয়ক্ষমতা বৃদ্ধি হৈছিল। কৃষিৰ বাবে আৱশ্যকীয় আৰু অন্যান্য চাহিদাৰ শিল্পজাত সামগ্ৰীৰ বজাৰ এখন পঞ্জাবত আপোনাআপুনি গঢ়ি উঠিছিল। ফলত জন্ম হৈছিল অসংখ্য লঘু উদ্যোগৰ। ইয়াৰ পাছত পঞ্জাবত ভাৰত চৰকাৰে গধুৰ উদ্যোগৰ বিকাশৰ বাবে প্ৰচেষ্টা চলোৱাৰ আৱশ্যক আছিল। কিন্তু ভাৰত চৰকাৰে তাকে কৰা নাই। লঘু উদ্যোগবোৰ বৃহৎ উদ্যোগৰ পৰিপূৰক হ'ব পৰা নাই। অৰ্থনীতিৰ ক্ষেত্ৰত স্বাভাৱিক পূৰ্ণবিকাশত প্ৰতিবন্ধকৰ সৃষ্টি হৈছে। উদ্যোগীকৰণৰ ক্ষেত্ৰত স্থিতাৱস্থাৰ সৃষ্টি হৈছে। পঞ্জাবী ডেকাৰ মনৰ হতাশাৰ এইটোও এটা (অৰ্থনৈতিক) গুপুত কাৰণ আৰু ই সন্ত্ৰাসবাদৰ জন্ম দিছে।



**আমাৰ পূৰ্ব অভিজ্ঞতাৰ পৰা এই কথা উপলব্ধি কৰিব পাৰিছোঁ যে ভাৰত ৰজনজনাই যোৱা আলফা-সমস্যাৰ সৃষ্টি নোহোৱাহেঁতেন এনে ধৰণে অসমত ব্যাপক উদ্যোগীকৰণৰ আঁচনি কেন্দ্ৰীয় চৰকাৰে কেতিয়াও নিজে-নিজে লৈ আগবাঢ়ি নাহিলহেঁতেন। তদুপৰি বৃহৎ পুঁজিপতিৰ অসমৰ প্ৰাকৃতিক সম্পদ লুণ্ঠনৰ এটা আকাংক্ষা আৰু অৰ্থনৈতিক শোষণৰ উদ্দেশ্য অবিহনে এই আঁচনি গ্ৰহণ কৰা নিশ্চয় হোৱা নাই,—এই কথাৰ সত্যতাও আমি দকৈ বিচাৰ কৰা উচিত।**

মনমোহন সিঙৰ অৰ্থনীতি বুলি কোনো এটা অৰ্থনীতি ভাৰতবৰ্ষত চলি থকা নাই। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ (IMF) ওচৰত ভাৰত চৰকাৰৰ ভিক্ষা কৰাৰ বাহিৰে গত্যন্তৰ নোহোৱা পৰিস্থিতিৰ বাবে দায়ী মনমোহন সিঙৰ কংগ্ৰেছ দলৰ বিগত চৰকাৰসমূহ। ১৯৮৪ চনৰ পাছত বহুতো বস্তুৰ আমদানি সুচল কৰি দিয়াত ভাৰতীয় বৃহৎ পুঁজিপতিৰ এক বৃহৎ পৰিমাণৰ ক'লা ধন ছুইজাৰলেণ্ড আৰু ইউৰোপৰ বেংকবোৰলৈ হস্তান্তৰিত হৈ গ'ল। অথচ এই বিগত বছৰবোৰত বিদেশী কোনো মুদ্ৰাৰ ভাৰতবৰ্ষত প্ৰয়োজন নহ'ল। ভ্ৰষ্টাচাৰী কংগ্ৰেছ চৰকাৰে এই সময়ছোৱাত চৰকাৰী খৰচৰ নামত এক বুজন সংখ্যক বিদেশী মুদ্ৰাৰ ধ্বংস-যজ্ঞ কৰিলে। ফলত দেশত ৰাজকোষ উদং হ'ল। সেয়েহে ভাৰতীয় অৰ্থনীতিৰ পুনৰ গঠনৰ বাবে IMF-অৰ পৰা ভিক্ষা মাগিব লগা অৱস্থাৰ সৃষ্টি হ'ল। পৰিণতিত মনোমোহন সিঙৰ অৰ্থনীতিৰ জন্ম হ'ল। নতুন সুৰুয দেখাৰ আশাৰে জনগণেও

প্ৰতীক্ষা কৰি আছে । ইতিমধ্যে জুলাই মাহৰ পৰা বৰ্তমানলৈকে মুদ্ৰাস্ফীতি প্ৰায় শতকৰা ১৬ ভাগ পাইছেগৈ। অৰ্থনীতিৰ কেতিয়া সুস্থিৰ অৱস্থা আহিব আমি বুজি পোৱা নাই যদিও ধান পকে মানে টুনীৰ মৰণ নহ'লেই ৰক্ষা ।

কিন্তু আমাৰ দৃঢ় বিশ্বাস মনমোহন সিঙৰ অৰ্থনীতি অসমৰ ক্ষেত্ৰত "উপযুক্ত অৰ্থনীতি" কেতিয়াও হ'ব নোৱাৰে। কাৰণ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মূল সমস্যাৰ অধ্যয়ন নকৰাকৈ এটা গেছ ক্ৰেকাৰ প্ৰজেক্ট, এটা ৰিফাইনেৰি প্ৰজেক্ট অথবা এখন আই.আই.টি.ৰ ব্যৱস্থা কৰিলে অসমৰ অৰ্থনৈতিক সমস্যাটোৰ কোনোমতেই সমাধান হ'ব নোৱাৰে।

### অসমৰ বাবে উপযুক্ত অৰ্থনীতি

অসমৰ জনসংখ্যাৰ শতকৰা নব্বৈ ভাগেই কৃষিজীৱীলোক । সেয়েহে অসমৰ অৰ্থনীতি গঠনৰ ক্ষেত্ৰত কৃষিক কেন্দ্ৰ নকৰাকৈ সৃষ্টি কৰা যি কোনো পৰিকল্পনাই ব্যৰ্থ প্ৰমাণিত হ'ব । এনে পৰিকল্পনাই অসমৰ লোকৰ অৰ্থনীতি টনকিয়াল কৰিব নোৱাৰে। প্ৰাথমিক স্তৰত অসমৰ খেতিৰ উপযোগী মাটি আৰু ব্যক্তিৰ সম্পৰ্ক সম্পৰ্কে এখন খচৰা প্ৰস্তুত কৰাৰ আৱশ্যক হ'ব । বৰ্তমান ভূমি সম্পৰ্কীয় সকলো ৰেকৰ্ডপাতি কম্পিউটাৰ যোগে সংৰক্ষণৰ যি ব্যৱস্থা কৰাৰ কথা ওলাইছে, ই আমি কোৱা খচৰাখন প্ৰস্তুত কৰোঁতে নিশ্চয় সহায় কৰিব । ইয়াৰ পাছতে ব্যক্তিগত খণ্ড অথবা ৰাজহুৱা খণ্ড যিটোৱেই ফলপ্ৰসূ বুলি বিবেচিত হয় তাৰ ভিত্তিত খেতিৰ বন্দবস্তু কৰিব লাগিব । তদুপৰি ভূমি আৰু ৰাজহ আইনবোৰ আৱশ্যক অনুযায়ী সংস্কাৰৰ প্ৰয়োজন হ'ব ।

কৃষিৰ ক্ষেত্ৰত উপযুক্ত কৃষি বিজ্ঞানৰ তত্ত্ব এটা উদ্ভাৱন কৰাৰ আৱশ্যকতা সম্পৰ্কে দুনাই কোৱা নিষ্প্ৰয়োজন । অসমৰ কৃষিবিজ্ঞানীসকলে সূক্ষ্মভাৱে সকলোবোৰ কথা চালি-জাৰি চাই এটা কাৰ্যকৰী প্ৰণালী কৃষক ৰাইজৰ আগত আগবঢ়াব পাৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। কেৱল আমাৰ চৰকাৰখন এই ক্ষেত্ৰত সততাৰে আগবাঢ়িব লাগিব । এই ক্ষেত্ৰত এটা কথা উনুকিয়াই থোৱা সমীচীন হ'ব ঃ আজি কিছুবছৰৰ আগতে বিশ্ব বেংকে কানপুৰৰ এজন কৃষকৰ কৃষি-প্ৰণালীক ভূয়সী প্ৰসংশা কৰি সেয়া এক উপযুক্ত কৃষিবিজ্ঞানৰ তত্ত্ব বুলি অভিহিত কৰিছিল । এই কৃষকজনে স্বঅভিজ্ঞতাৰ ভেটিত কিছু অংশ গৰুৰে আৰু কিছু অংশ যান্ত্ৰিক প্ৰণালীৰে খেতি কৰি, সাৰ আৰু জলসিঞ্চনৰ সুপ্ৰয়োগ কৰি যথেষ্ট ভাল ফল পাইছিল । অসমত নিম্নতম কিমান মাটিত কি প্ৰণালীৰে কি কি খেতি, কি কি সৰঞ্জামেৰে কৰি কৃষক ৰাইজ উপকৃত হ'ব পাৰে ক'তো তাৰ খচৰা দেখা মনত পৰা নাই । কথাষাৰ বিশেষভাৱে উল্লেখযোগ্য এই কাৰণে যে এনে খচৰা কৰবাত আছে যদিও বাস্তৱক্ষেত্ৰত সি জনপ্ৰিয় আৰু কাৰ্যকৰী হৈ উঠা নাই ।

### বানপানী আৰু কৃষি প্ৰণালী

ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ বানপানী অসমৰ এটা পুৰণিকলীয়া সমস্যা । যোৱা দুবছৰমান যিকোনো কাৰণতেই নহওক ইয়াৰ ভয়াবহতা কিছু কম হৈ থকাত ৰাজনৈতিক নেতা আৰু চৰকাৰে সাময়িকভাৱে বানপানীৰ কথা পাহৰি আছে । বানপানী হ'লে অসমলৈ ডাঙৰ-ডাঙৰ নেতাৰ আগমন হয় । চৰকাৰী ধনৰ অপব্যৱহাৰ কৰি আকাশীমাৰ্গেৰে বান-পৰিস্থিতিৰ বুজ লৈ তেখেতসকলে সমস্যাৰ গাম্ভীৰ্য অনুধাৱন কৰে। তাৰ পাছত সাংবাদিক মেলত প্ৰেছ বিজ্ঞপ্তি দিয়ে, বানপীড়িত লোকক সাহায্য বিতৰণ কৰা হয় আৰু তাৰে উচ্ছিষ্টখিনি নেতা-পালিনেতা আৰু চৰকাৰী বিষয়াৰ মাজত ভাগ-বাঁটোৱাৰা হয় । বুদ্ধিজীৱী. সাংবাদিক আৰু নাগৰিকৰ মাজত অসমৰ বানপানী সমস্যাৰ বিষয়ে আলোচনা-চক্ৰ হয় । কেন্দ্ৰীয় চৰকাৰে অসমৰ বানপানী সমস্যাৰ সমাধান উলিওৱাৰ প্ৰতিশ্ৰুতি দিয়ে । কিন্তু বানপানী অসমৰ পৰা শেষ হৈ নাযায় । অসমৰ কৃষিজীৱী জনগণক বানপানীয়ে সদায় কঁকাল ভাঙি আহিছে ।


পৰিকল্পনা আয়োগে মূলতঃ জনসংখ্যাৰ ভিত্তিতে পৰিকল্পনাৰ ধন প্ৰদেশসমূহক আবণ্টন কৰি আহিছে । যদিও নতুন ফৰ্মুলা অনুসৰি বৰ্তমান জনসংখ্যাৰ ওপৰত মাত্ৰ ৫৫ শতাংশ মূল্য দিয়া হয়, তথাপি পৰিকল্পনাৰ ধনেৰে জনসাধাৰণৰ অৰ্থনীতিৰ উৎকৰ্ষ সাধন কৰাটো মূল উদ্দেশ্য হোৱা উচিত । তেনেহ'লে প্ৰশ্ন হ'ল আমাৰ সমাজৰ সংখ্যাগৰিষ্ঠ কৃষিজীৱী লোকৰ সমস্যাৰ সমাধান কৰিবলৈ অসম চৰকাৰে কি আঁচনি যুগুত কৰিছে ? কৃষিজীৱী জনসাধাৰণৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰিব নোৱাৰাকৈ অসমত বৃহৎ উদ্যোগ গঢ়িবলৈ যি প্ৰচেষ্টা চলোৱা হৈছে ই অসমৰ বাবে বিপদজনক প্ৰচেষ্টা । বৰং অসমৰ বানপানী সমস্যাৰ সমাধানৰ বাবে এখন মাষ্টাৰপ্লেন যুগুতাই পৰ্যায় ক্ৰমে ইয়াক কাৰ্যকৰী কৰিবলৈ প্ৰচেষ্টা চলোৱা বেছি যুক্তিসংগত হ'ব । ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈবোৰৰ বহুমুখী পৰিকল্পনা এখন কাৰ্যকৰী কৰিব নোৱাৰি নেকি ? ইয়াৰ বাবে যথেষ্ট ধনৰ প্ৰয়োজন হ'ব, কিন্তু আমি অন্ততঃ পৰ্যায়ক্ৰমে এই কাম কৰিব পাৰো ।

### মীন উদ্যোগৰ নীতি

অসমৰ মাজেদি যোৱা ৰাষ্ট্ৰীয় পথৰ দুয়োকাষে যথেষ্ট পৰিমাণৰ মাটি অপব্যৱহৃত হৈ পৰি আছে । ৰাষ্ট্ৰীয়পথ নিৰ্মাণ কৰাৰ সময়ত এই মাটিবোৰ অধিগ্ৰহণ কৰা হৈছিল । আৰু ইয়াৰ পৰা খন্দা মাটিৰে ৰাস্তা বন্ধা কাম কৰা হৈছিল । গঞা ৰাইজৰ হতুৱাই অথবা গাঁও পঞ্চায়তৰ জৰিয়তে এই মাটিবোৰত অনায়াসে, কোনো বিশেষ খৰচ নকৰাকৈ, মীন উদ্যোগ স্থাপন কৰিব পৰা যায় । অতি দুখৰ কথা যে অসমৰ গাঁও অঞ্চলত সমাজসেৱী কোনো অনুষ্ঠান নাই যি এইবোৰ কামত অগ্ৰণী ভূমিকা লব পাৰে। এই মাটিবোৰত পাৰ উঠাই তামোল, নাৰিকলৰ খেতিও কৰিব পৰা যায় । আমাৰ বোধেৰে পুখুৰী খান্দি খৰচ নকৰি এনে এটা পদ্ধতিৰে মীনশিল্প স্থাপনৰ ব্যৱস্থাটো অসমৰ বাবে এটা উপযুক্ত মীন নীতি হ'ব ।

**কৃষিজীৱী জনসাধাৰণৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰিব নোৱাৰাকৈ অসমত বৃহৎ উদ্যোগ গঢ়িবলৈ যি প্ৰচেষ্টা চলোৱা হৈছে ই অসমৰ বাবে বিপদজনক প্ৰচেষ্টা ।**

ছবি ঃ দীপক বেজবৰুৱা



### উদ্যোগীকৰণৰ নীতি

কৃষি-সমাজৰ চাহিদাৰ ওপৰত যদি উদ্যোগীকৰণৰ আঁচনি যুগুতোৱাৰ বন্দবস্ত হ'লহেঁতেন, অসমত হয়তো তেতিয়া কিছুমান লঘু উদ্যোগে গা-কৰি উঠিলহেঁতেন । কিন্তু তাৰ আগতে কৃষি-সমাজৰ অৰ্থনৈতিক উন্নতি সাধন অপৰিহাৰ্য । বৰ্তমান এই ৰাজ্যখন অৰ্থনৈতিক আৰু ঔদ্যোগিক বিকাশৰ যি স্তৰত আছে এই স্তৰত একেলগে কেন্দ্ৰীয় চৰকাৰৰ গুৰু উদ্যোগসমূহ ইয়াত জাপি দিলে ইয়াৰ ফলাফল ভয়াবহ হ'ব । কাৰণ তীখা উদ্যোগৰ ককিং কয়লাৰ চাহিদা পূৰণৰ বাবে বিদেশী পুঁজিপতিৰ স্বাৰ্থত লাভৰ এক লঘু অংশ মাথোঁ আমাৰ ভাগত ৰাখিলে আমদানি কৰা শিল্পতত্ত্বৰ ভিত্তিত প্ৰস্তাৱিত কেমিকেলছ উদ্যোগসমূহে অসমৰ গঞা ৰাইজৰ একো উন্নতি সাধন কৰিব নোৱাৰে।

অসমৰ কোনো সমস্যাৰেই আপোনা-আপুনি অথবা স্বাভাৱিকভাৱে সমাধান হোৱা নাই । এখন ক্ৰমবিকাশমান সমাজত জনসাধাৰণৰ ক্ৰয় ক্ষমতা বৃদ্ধিৰ লগে-লগে পণ্যদ্ৰব্যৰ চাহিদা বৃদ্ধি হয় আৰু তাকে পূৰাবলৈ উদ্যোগীকৰণৰ পদ্ধতিটো আৰম্ভ হয় । উদ্যোগে অৰ্থনীতিৰ বুনিয়াদ গঢ় দিয়াৰ পাছত পুঁজিৰ পুনৰ নিয়োজন কৰা হয় আৰু ঠাইখনৰ স্থানীয় চাহিদা পূৰণৰ পাছত উৎপাদিত দ্ৰব্যসমূহ অঞ্চলটোৰ বাহিৰলৈ ৰপ্তানি কৰিব পৰা যায় । এইটো এটা স্বভাৱিক প্ৰক্ৰিয়া । কিন্তু অসমৰ ক্ষেত্ৰত এই স্বাভাৱিক প্ৰক্ৰিয়াটোৰে উদ্যোগীকৰণ কৰা হোৱা নাই । বৰং বৃহৎ পুঁজিপতিৰ স্তাৱক চৰকাৰসমূহে দেশী আৰু বিদেশী উপনিবেশী শক্তিৰ স্বাৰ্থতহে উদ্যোগীকৰণৰ নীতিসমূহ অসমৰ ওপৰত জাপি দিয়ে । জনজাতি অধ্যুষিত অঞ্চলত স্থাপন কৰা জাগীৰোড কাগজ কলে জনজাতিক উচ্ছেদ কৰি পাৰিপাৰ্শ্বিক বাতাৱৰণ দূষিত কৰি তুলিলে; কিন্তু উচ্ছেদ হোৱা মানুহখিনিক পুনৰ সংস্থাপন দি, জাগীৰোডৰ চৌপাশে এক শুদ্ধ ঔদ্যোগিক বাতাৱৰণৰ জন্ম দি অৰ্থনৈতিক বুনিয়াদ গঢ়ি তুলিব নোৱাৰিলে ।

কৃষিজাত সামগ্ৰীৰ মূল্য আমাৰ দেশত উদ্যোগত উৎপাদিত সামগ্ৰীৰ মূল্য নিৰ্ধাৰণৰ দৰে নিৰ্ধাৰণ কৰা নহয় । ইয়াৰ মূল কাৰণ হ'ল,—কৃষিজাত সামগ্ৰীৰ বজাৰ-মূল্যৰ ওপৰত ভিত্তি কৰিয়েই গ্ৰাহকৰ মূল্য সূচ্যাংক নিৰ্ধাৰণ কৰা হয় । ঔদ্যোগিক ক্ষেত্ৰৰ বনুৱা আৰু কৰ্মচাৰীৰ মজুৰি বঢ়া বা কমা এই গ্ৰাহক মূল্য সূচ্যাংক কমা বা বঢ়াৰ ওপৰত নিৰ্ভৰশীল । সেয়েহে আমাৰ দেশত কৃষিজাত সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ কৰোঁতে কৃষক আৰু তেওঁৰ পৰিয়ালৰ শ্ৰমৰ মজুৰি যোগ দিয়া নহয় । কাৰণ তেনে কৰিলে কৃষিজাত সামগ্ৰীৰ মূল্য আকাশলংঘী হ'ব ।

আনহাতে, কৃষি ক্ষেত্ৰত যি ৰাসায়নিক সাৰৰ ব্যৱহাৰ কৰা হয় ইয়াৰ সিংহ অংশ জমিদাৰ আৰু বৃহৎ খেতিয়কসকলেহে কৰে। সেয়েহে ৰাসায়নিক সাৰৰ ক্ষেত্ৰত ভাৰত চৰকাৰে যি অৰ্থ সাহায্য দিয়ে, তাৰ মুখ্য অংশ পৰোক্ষভাৱে সমাজৰ পুঁজিপতি গোষ্ঠীলৈকে পুনৰ প্ৰবাহিত হয় । সেইবাবেই এই অৰ্থ সাহায্য উঠাই লবলৈ আজিকোপতি কোনো ৰাজনৈতিক দলে সাহস গোটাব পৰা নাই । তদুপৰি চাহ উদ্যোগসমূহকো সাৰৰ নামত যি অৰ্থ সাহায্য দিয়া হয়, তাৰ যুক্তিযুক্ততা ক'ত ?

আমি ওপৰত উল্লেখ কৰাৰ দৰে সংখ্যাগৰিষ্ঠ কৃষক ৰাইজৰ ক্ৰয় ক্ষমতা বৃদ্ধিৰ উপায় নকৰাকৈ অসমত অকালবোধন উদ্যোগীকৰণৰ প্ৰচেষ্টা অসমৰ হিতৰ পৰিপন্থী হ'ব ।

১৯৪৭ চনত ক্ষমতা হস্তান্তৰ হোৱাৰ সময়ৰ অসম আৰু উত্তৰ-পূৰ্বাঞ্চল আৰু আজিৰ উত্তৰ-পূৰ্বাঞ্চলৰ মাজত ঔদ্যোগিক বিকাশৰ স্তৰ হিচাপে গুণগত অথবা পৰিমাণগত বিশেষ একো পাৰ্থক্য আমাৰ দৃষ্টি গোচৰ হোৱা নাই । তদুপৰি ঔদ্যোগিক বিকাশৰ বাবে সমাজত যি এক কৃষ্টিৰ আৱশ্যক এই কৃষ্টিকো অকালবোধন উদ্যোগীকৰণৰ নীতিয়ে জন্ম দিয়াত বিফল হৈছে । মাথোঁ মাজে-মাজে বিৰোধী শক্তিৰ নেতৃত্বত শোধনাগাৰ স্থাপনৰ বাবে কৰা আন্দোলন আৰু ছাত্ৰ আন্দোলনৰ জোকাৰণিত অৰ্থনৈতিক পেকেজত দিয়া কিছুমান ৰাজহুৱাখণ্ডৰ উদ্যোগ, আৰু সদ্যহতে আলফাৰ দ্বাৰা পৰিচালিত বিচ্ছিন্নতাবাদী আন্দোলনৰ পৰিপ্ৰেক্ষিতত একেলগে পূৰ্ব প্ৰতিশ্ৰুত নুমলিগড় শোধনাগাৰ, গেছ ক্ৰেকাৰ প্ৰকল্প, কয়লা নিষ্কাশন প্ৰকল্প আদি কিছুমান উদ্যোগ অসমত স্থাপন কৰিবলৈ কেন্দ্ৰ চৰকাৰে আগ্ৰহ প্ৰকাশ কৰিছে । কিন্তু এই উদ্যোগবোৰ স্বতঃস্ফূৰ্তভাৱে অসমত গঢ়ি উঠা নাই । অথবা এই উদ্যোগসমূহ গঢ়ি উঠাৰ আগতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত যি ধৰণে ক্ষুদ্ৰ উদ্যোগ আৰু কাৰিকৰী উদ্যোগ গঢ়ি উঠা উচিত আছিল সিও গঢ়ি উঠা নাই । আমাৰ পূৰ্ব অভিজ্ঞতাৰ পৰা এই কথা উপলব্ধি কৰিব পাৰিছোঁ যে ভাৰত ৰজনজনাই যোৱা আলফা-সমস্যাৰ সৃষ্টি নোহোৱাহেঁতেন এনে ধৰণে অসমত ব্যাপক উদ্যোগীকৰণৰ আঁচনি কেন্দ্ৰীয় চৰকাৰে কেতিয়াও নিজে-নিজে লৈ আগবাঢ়ি নাহিলহেঁতেন । তদুপৰি বৃহৎ পুঁজিপতিৰ অসমৰ প্ৰাকৃতিক সম্পদ লুণ্ঠনৰ এটা আকাংক্ষা আৰু অৰ্থনৈতিক শোষণৰ উদ্দেশ্য অবিহনে এই আঁচনি গ্ৰহণ কৰা নিশ্চয় হোৱা নাই,—এই কথাৰ সত্যতাও আমি দকৈ বিচাৰ কৰা উচিত ।

### ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ উদ্যোগসমূহ

তেল আৰু ইয়াৰ আনুষংগিক উদ্যোগসমূহ, ৰাসায়নিক উদ্যোগসমূহ, বয়ন শিল্পোদ্যোগসমূহে ৰাজহুৱা খণ্ডত আৰু চাহ উদ্যোগসমূহে ব্যক্তিগত খণ্ডত গঢ় লৈ উঠাৰ বাহিৰে উত্তৰ-পূৰ্বাঞ্চলত বিশেষ উল্লেখযোগ্য কোনো কাৰিকৰী উদ্যোগ অথবা অন্য লঘু উদ্যোগে গঢ় লৈ উঠা নাই । জনসাধাৰণৰ চাহিদাৰ ওপৰত ভিত্তি কৰি পলিয়েষ্টাৰ বয়ন শিল্পৰ বাদে অন্য কোনো উল্লেখযোগ্য শিল্প অসমত নাই । সেয়েহে অসম আৰু উত্তৰ-পূৰ্বাঞ্চল কেৱল ভোক্তাৰ (consumers) বজাৰ হৈ আছে । চৰকাৰী চাকৰিয়াল আমোলা-ঠিকাদাৰ, ৰাজনীতিবিদ আৰু দালালৰ জৰিয়তে এই অঞ্চলত কোটি-কোটি টকাৰ ক'লা ধনৰ প্ৰচলন হৈ এক ক'লা বজাৰৰ অৰ্থনীতি চলি আছে । ফলত আমি একো দ্ৰব্য উৎপাদন নকৰোঁ যদিও বুজন পৰিমাণৰ টকা লাহ-বিলাহ আৰু অন্যান্য অলাগতিয়াল শিতানত খৰচ কৰিব পৰা লোকো আমাৰ সমাজত আছে । উপনিবেশী শক্তিৰ প্ৰচেষ্টাত দেশী আৰু বিদেশী ঔপনিবেশিক শক্তিৰ সুচলৰ বাবে এনে এটা আৰ্থসামাজিক ব্যৱস্থাৰ জন্ম দিয়া হৈছে ।

### অসমৰ চাহ শিল্প আৰু পুঁজিৰ পুনৰ বিনিয়োগ

ভাৰতবৰ্ষৰ পৰা ৰপ্তানি হোৱা চাহৰ শতকৰা ৬৫ ভাগ অসমৰ পৰা যায় । অসমৰ ২,২৬,৮৮৩ হেক্টৰ মাটিত বিস্তৃত ৮৪৫ খন চাহ-বাগিচাৰ পৰা মুঠতে ৩৭১ নিযুত কিল'গ্ৰাম চাহ উৎপন্ন হয় । ভাৰতীয় চাহ সংঘৰ খতিয়ান মতে অসমৰ চাহ উদ্যোগত ৪৫ হাজাৰজন শিশু শ্ৰমিককে ধৰি ৪,৮৪,৩৮০ জন কৰ্মচাৰী আছে । অসমৰ পৰা বছৰি ১০০০ কোটি টকাৰ চাহপাত বিক্ৰি হয় । এই বিয়াগোম অংশৰ শতকৰা ৩ ভাগ অৰ্থাৎ ৩০ কোটি টকা যদি অসমৰ উদ্যোগ অথবা চাহপাতৰ আনুষংগিক উদ্যোগত পুনৰ খটুওৱা হয়, তেতিয়াও ইমানদিনে অসমত চাহ উদ্যোগৰ আনুষংগিক বহুতো উদ্যোগ গঢ়ি উঠিলহেঁতেন । কিন্তু নানান অজুহাতত দেশী আৰু বিদেশী চাহ কোম্পানিসমূহে অসমত এই কাম কৰা নাই । ইয়াক ঔপনিবেশিক শক্তিৰ কামৰ লগত তুলনা কৰিব পাৰি। কিন্তু এই কাৰ্যকলাপসমূহক ভাৰতীয় শাসকৰ অসমৰ প্ৰতি ঔপনিবেশিক দৃষ্টিভংগী বুলি অভিহিত কৰিলে উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলক বিচ্ছিন্নতাবাদী বুলি আখ্যা দিয়া হয় ।

পৰিসংখ্যা নোহোৱাকৈ কেৱল জন্মগত প্ৰবৃত্তিৰ সহায়ত আলফা সংগঠনে চাহ-বাগিচাসমূহে অসমত শোষণ কৰি আছে বুলি ডকা-হকা দি তথাকথিত সমৰ-পুঁজিৰ বাবে ধন গোটাইছিল । তাৰ পৰিপ্ৰেক্ষিতত বিদেশী সাম্ৰাজ্যবাদী শক্তিৰ স্তাৱকসকলে অসমত ৰাষ্ট্ৰপতিৰ শাসন



OKDISCD

প্ৰবৰ্তন কৰিছিল । এয়া আজি কিছুদিনৰ আগৰ কথা ।

এই কথা সত্য যে অসমৰ চাহ উদ্যোগে অসমৰ অৰ্থনৈতিক বুনিয়াদ গঢ়াত যি ব্যাপক ভূমিকা গ্ৰহণ কৰা উচিত আছিল সেইটো কৰা নাই । বৰ্তমান হতাশাগ্ৰস্ত ডেকাল'ৰাৰ ধমকিৰ পাছত অন্ততঃ এটা কোম্পানিয়ে 'মেগৰ ন্যাস' খুলি কলা-সংস্কৃতিৰ নামত অসমীয়া ৰাইজলৈ নিচুকনি বঁটা আগবঢ়াই চাহ উদ্যোগসমূহৰ পিতৃ পুৰুষে কৰা পাপৰ প্ৰায়শ্চিত্ত কৰিব খুজিছে যদিও সকলো কোম্পানিয়ে এই উদ্যোগৰ ৰাহি পইচাখিনি অসমত পুনৰ বিনিয়োগ কৰাটোহে বেছি আৱশ্যকীয় কথা । অসমপ্ৰেমী চৰমপন্থী সংগঠনসমূহে এই লৈ কামৰ বাবে চাহ উদ্যোগলৈ সকীয়নি দিয়াহেঁতেন অসমে বেছি সুফল পালেহেঁতেন । কিন্তু তাকে কৰা নহ'ল আৰু কৰাৰ আঁচনিও আমাৰ দৃষ্টিগোচৰ হোৱা নাই ।

অসম চৰকাৰে এক বৃহৎ অংশৰ মাটি চাহ উদ্যোগক পট্টন দি আৰু ভাৰত চৰকাৰে ৰাসায়নিক সাৰকে ধৰি বহুতো বিষয়ত অৰ্থসাহায্য দি যি সহায় আগবঢ়াইছে, তাৰ প্ৰতিদানত সেই উদ্যোগবোৰে অসমৰ অৰ্থনৈতিক উন্নতিৰ বাবে বিশেষ একো কৰা নাই । আনহাতে এই উদ্যোগৰ নামত যিখিনি অসমৰ লোকে অন্নসংস্থাপন পাইছে, সেইখিনি মানুহৰ মাজত চাহ খেতি কৰা মাটিবোৰ বিলাই দিয়াহেঁতেন, খেতি-বাতি কৰি তাৰেই তেওঁলোকে জীৱিকা নিৰ্বাহ কৰিব পাৰিলেহেঁতেন । সেয়েহে চাহ উদ্যোগীসকলৰ স্বাৰ্থতে চাহ কোম্পানীসমূহে এই বিষয়বোৰ চালিজাৰি চোৱা উচিত । কেৱল হতাশাগ্ৰস্ত অসমৰ ডেকা চামকেই সকলো সময়তে গালি-শপনি পাৰি থকাতকৈ তেওঁলোকৰ হতাশাগ্ৰস্ততাৰ মূল কাৰণবোৰ অনুধাৱন কৰা উচিত ।

**সদ্যঘোষিত উদ্যোগনীতি আৰু পুঁজিৰ নিয়োগ**

অসমত হিটলাৰৰ জন্ম হোৱা নাই । কিন্তু বিছমাৰ্কৰ অভাৱ নাই । যিহেতু অসম সদায় পিছপৰা, সেয়েহে অসমত এনে ঘটনা সদায় ঘটি আছে । বৰ্তমানৰ বিছমাৰ্ক সিংহ পুৰুষ শ্ৰীশইকীয়াই অষ্টম পৰিকল্পনাৰ ভিতৰতে নুমলিগড় শোধনাগাৰ, গেছ ক্ৰেকাৰ উদ্যোগ, কয়লাৰ পৰা গন্ধক নিষ্কাষণ প্ৰকল্প আদি ভালেমান হাজাৰ-কোটিটকীয়া প্ৰকল্প স্থাপনৰ কথা কৈছে । ই অতি সুখৰ কথা । কিন্তু হাজাৰটকীয়া প্ৰশ্ন হ'ল,—দেশৰ এই দেউলীয়া অৰ্থনীতিত এই উদ্যোগবোৰৰ বাবে যি কোটি-কোটি টকাৰ মূলধনৰ আৱশ্যক হ'ব সেই বিদেশী মুদ্ৰাসমূহ কেনেকৈ যোগাৰ কৰা হ'ব ? দ্বিতীয়তে, ইমানবোৰ গধুৰ উদ্যোগ অসমত গঢ়ি উঠিব অথচ অসমত আজিও উদ্যোগ বিকাশৰ বাবে আৱশ্যকীয় কাৰিকৰী উদ্যোগ এটাই গঢ় লৈ উঠা নাই । তৃতীয়তে, বৰ্তমান মনমোহন সিঙৰ মুকলিবজাৰৰ অৰ্থনৈতিক ব্যৱস্থাত, বিদেশী বহুমুখী কোম্পানীসমূহে অসম আৰু ভাৰতবৰ্ষৰ স্বাৰ্থত এই উদ্যোগসমূহত ভাগ লব নে তেওঁলোকৰ মুনাফাৰ বাবে এই উদ্যোগ স্থাপন কৰিব ? এই উদ্যোগবোৰৰ পৰা ৰাহি হোৱা ধন অসমত পুনৰ খটুওৱা হ'ব নে নহয় ? আৰু বৰ্তমান অনগ্ৰসৰ অৱস্থাত থকা অসমীয়া সমাজখনে প্ৰস্তাৱিত এই বৃহৎ ঔদ্যোগিক জাপৰ লগত কেনেকৈ সংগতি ৰাখিব ? নে থৰকাছুটি হেৰুৱাই নগৰীয়া সভ্যতাৰ আক্ৰমণত জনজাতীয় ৰাইজ বিলীন হৈ যোৱাৰ দৰে নাইকিয়া হৈ যাব ?—এইবোৰ হাজাৰটকীয়া প্ৰশ্ন । জনসাধাৰণৰ লগত ওতপ্ৰোতভাৱে জড়িত মৌলিক প্ৰশ্নবোৰৰ সমাধান নোহোৱাকৈ অসমত কৰা উদ্যোগীকৰণে অসমীয়া ৰাইজৰ অৰ্থনৈতিক উৎকৰ্ষসাধন কৰিব নোৱাৰে । ইমানদিনে ৰেললাইন, কয়লাখনি আৰু নতুনকৈ হোৱা উদ্যোগৰ চৌপাশে গঢ়ি উঠা অস্বাস্থ্যকৰ পৰিস্থিতিৰ বস্তি অঞ্চলবোৰ অতি শীঘ্ৰেই হোজা ভূমিহীন অসমীয়া গাঁৱলীয়া মানুহেৰে ভৰি পৰিব ।

**উৎপাদিত সামগ্ৰীৰ বজাৰ**

সুস্থ উদ্যোগবিকাশত এখন দেশীয় বজাৰৰ ভিত্তিত উদ্যোগ স্থাপিত হয় আৰু দেশীয় চাহিদা পূৰণৰ পাছত এই উদ্যোগৰ সামগ্ৰীৰ ৰপ্তানি হয় । কিন্তু অসমৰ সদ্যঘোষিত ঔদ্যোগিক নীতিত এই বজাৰৰ সমাধান কেনেকৈ কৰা হ'ব তাক ঘোষণা কৰা হোৱা নাই । আমাৰ মতে চৰকাৰী ধন আৰু সময়ৰ অপব্যৱহাৰ নকৰি উদ্যোগ বিভাগে নতুন উদ্যোগ স্থাপনৰ আগতে বৰ্তমান অসমত ৰুগ্ন অৱস্থাত থকা উদ্যোগসমূহক পুনৰ উৎপাদনক্ষম কৰি তোলাৰ বন্দবস্তহে কৰা উচিত । বৰ্তমান অসমত থকা ক্ষুদ্ৰ উদ্যোগবোৰক পুনৰ সঞ্জীৱিত কৰি তুলিবলৈ চৰকাৰে অভিজ্ঞ বৃত্তিধাৰী মাৰ্কেটিঙৰ লোকৰ নেতৃত্বত এখন মাৰ্কেটিং পৰিষদ গঠন কৰি এই উদ্যোগবোৰৰ উৎপাদিত সামগ্ৰীবোৰ বজাৰত বিক্ৰি কৰাৰ বন্দবস্ত কৰাটোহে বেছি ফলপ্ৰসূ হ'ব । আজি ব্যক্তিগত খণ্ডৰ উৎপাদিত সামগ্ৰীৰ বজাৰৰ অভাৱত এই উদ্যোগবোৰ মৃতপ্ৰায় অৱস্থাত পৰিছে । ৰঙাফিটাৰ মেৰপাকৰ পৰা মুক্ত এখন চৰকাৰী বিপণন পৰিষদ অবিহনে এই উদ্যোগসমূহ জীয়াই ৰাখিব পৰা অসম্ভৱ ।

**অসম ৰাজ্যিক ঔদ্যোগিক বিকাশ নিগমৰ চৰম ব্যৰ্থতা**

পেট্ৰ'কেমিকেলছ প্ৰকল্প, ৰাসায়নিক কাৰখানাকে আদি কৰি পলিয়েষ্টাৰ সূতা প্ৰকল্পলৈকে ৰাজহুৱা খণ্ডত মুঠিয়ে-মুঠিয়ে ধন ভাঙি বহুতো উদ্যোগ অসমত স্থাপন কৰা হৈছে । গুৱাহাটীত অৱস্থিত A.I.D.C.-এই হ'ল অসমৰ উদ্যোগীকৰণৰ নাওখনৰ কাণ্ডাৰী । কিন্তু অতি দুখৰ কথা যে A.I.D.C.ৰ নেতৃত্বত স্থাপিত হোৱা উদ্যোগবোৰ মূলতে ৰাজনৈতিক উদ্দেশ্যৰেহে পৰিচালনা কৰা হয় । উদ্যোগ পৰিচালনা কৰাতকৈ ৰাজহুৱা খণ্ডত উদ্যোগ স্থাপন কৰাতহে এই অনুষ্ঠান অধিক আগ্ৰহী । কাৰণ পৰামৰ্শদাতা নিয়োগৰ পৰা উদ্যোগৰ লগত জড়িত ঠিকা-ঠুকুলি বণ্টন দিয়ালৈকে এইবোৰ কামৰ জৰিয়তে টকাৰ ভাগ-বাটোৱাৰা কৰাৰ সুবিধা অধিক; আৰু ইয়াৰ অংশ দিছপুৰৰ বিষয়া-মন্ত্ৰীয়েও পায় বুলি জনৰৱ আছে । কিন্তু এটা উদ্যোগ উৎপাদনক্ষম হৈ গ'লে তাক কাৰ্যকৰী কৰি অৰ্থনৈতিকভাৱে লাভজনক কৰি তুলিবলৈ যি আশাশুধীয়া প্ৰচেষ্টাৰ আৱশ্যক, সেই প্ৰচেষ্টাৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হৈছে । অসমৰ উদ্যোগীকৰণতকৈ হোটেল, নাৰ্ছিং হ'ম ইত্যাদি স্থাপন কৰি চৰকাৰী অৰ্থসাহায্য আগবঢ়োৱাতহে এই নিগমে বেছি কাৰ্যক্ষমতা প্ৰকাশ কৰিছে ।

এই কথা নকলেও হ'ব যে ৰাজহুৱা খণ্ডত চৰকাৰী ধন ধৰচ কৰি অসমত স্থাপন কৰা উদ্যোসমূহে অসমৰ অৰ্থনীতিৰ বিকাশত একো বিশেষ ভূমিকা লোৱা পৰিলক্ষিত হোৱা নাই; বৰং এই উদ্যোগবোৰক জীয়াই ৰাখিবলৈ চৰকাৰী ৰাজকোষৰ অজস্ৰ পৰিমাণৰ ধন ধৰচ হৈ আছে । এই উদ্যোগবোৰৰ মুৰব্বী চেয়াৰমেনৰ পদত অগপৰ দিনত হাতীমাৰ্কা স্তাৱক আৰু কংগ্ৰেছৰ দিনত হাত মাৰ্কা স্তাৱকক বহুৱাই চৰকাৰী ধনৰ অপব্যয় কৰি, মটৰগাড়ী, ভাৰাঘৰ আৰু অন্যান্য সা-সুবিধা আগবঢ়াই উদ্যোগ বিকাশতকৈ ৰাজনৈতিক মুনাফাৰ ওপৰত অধিক প্ৰাধান্য দিয়া হৈছে ।

সেয়েহে A.I.D.C.এ অসমৰ ৰাইজক প্ৰতাৰণা কৰা নীতি পৰিহাৰ কৰি এতিয়ালৈকে তেওঁলোকৰ অধীনস্থ আৰু অন্যান্য ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰে কিমান টকা লোকচান ভৰি আছে আৰু ইয়াক কেনেকৈ লাভজনক স্তৰলৈ আনিব পৰা যায় তাৰ আঁচনি এখনহে যুগুতোৱা উচিত । জধেমধে চৰকাৰী ধনৰ অপচয় কৰি কিছুমান নতুন উদ্যোগ গঢ়ি তোলাৰ আগতে এই মৌলিক প্ৰশ্নটোৰ সমাধান কৰা অত্যন্ত আৱশ্যক । মুষ্টিমেয় লোকক ভৰণ-পোষণ দিবলৈহে উদ্যোগবোৰৰ নামত ধন অপচয় কৰাৰ কিবা যুক্তি আছে জানো ?

ভাষণ আৰু শ্ল'গানৰ ফুলজাৰিৰে সোণৰ অসম গঢ়িব পৰা হোৱাহেঁতেন ইমান দিনে শ্ৰীহিতেশ্বৰ শইকীয়াৰ পৰা শ্ৰীপ্ৰফুল্ল মহন্তলৈকে আৰু তাৰ পাছত আকৌ শ্ৰীহিতেশ্বৰ শইকীয়ালৈকে এই সুদীৰ্ঘ সময়ছোৱাত অসমখন সোণৰ স্বৰ্গত পৰিণত হ'লহেঁতেন । সেয়েহে বৰ্তমান অসমপ্ৰেমীলোকে 'সোণৰ স্বৰ্গ অসম' গঢ়াৰ স্বপ্ন পৰিহাৰ কৰি বাস্তৱৰ অসম এখনৰ বাবেহে বেছিকৈ চিন্তান্বিত হোৱা উচিত । এনে উদ্দেশ্যৰে আমি কৰ্মমুখী হ'বৰ বাবে বন্দুক-বাৰুদৰ ৰাজনীতিৰ প্ৰয়োজন নাই । বৰং সকলো দিশতে সময়োচিত শুদ্ধতত্ত্ব আৰু নীতি আৱিষ্কাৰ কৰি ৰাইজে লক্ষ্যস্থল থিৰাং কৰা আৱশ্যক । সেয়েহে ৰাইজৰ আগলৈ নতুনৰ অন্বেষণ কৰিবৰ বাবে কিছুমান ভাব আগবঢ়োৱা হ'ল ।

সময়ত শক্তিখণ্ডৰ বিষয়েও আমাৰ ভাব প্ৰকাশ কৰাৰ আশা ৰাখিলো ।



# বিধায়কসকল অপ্ৰিয় হয় কিয় ?

**লোচন চন্দ্ৰ বৰা**

বিধান সভাৰ প্ৰাৰ্থীসকলে নিৰ্বাচনৰ তাৰিখৰ কিছুদিন আগৰে পৰা ভোট বিচাৰি ৰাইজৰ কাষ চাপে। সেই সময়ছোৱাত প্ৰাৰ্থীসকলৰ, বিশেষকৈ পুনৰবাৰ প্ৰাৰ্থী হিচাপে থিয় হোৱা প্ৰাক্তন বিধায়ক কিছুমানৰ বিৰুদ্ধে ৰাইজৰ মুখে-মুখে কিছুমান অভিযোগ চাৰিওফালে বিয়পি পৰা দেখা যায় । অভিযোগবোৰ সাধাৰণতে এনে ৰূপত আছে ঃ

"এতিয়া ৰাইজক বিচাৰি আহিছে,—যোৱা পাঁচটা বছৰে ক'ত সোমাই আছিল ?"

"এওঁনো আমাৰ অঞ্চলটোৰ বাবে যোৱা পাঁচ বছৰত কি কাম কৰিলে ?"

"বিধায়ক হোৱাৰ আগতে এওঁ মোৰ ঘৰতে বহি ফিকা চাহ খাই গৈছিল, বিধায়ক হোৱাৰ পাছত দেখিলেও চিনি নোপোৱা হ'ল !"

"বিধায়ক হৈ থাকোঁতে এওঁক লগ ধৰিবলৈ গ'লে ওলাই মাতষাৰ দিবলৈকে সময় নাপায় ।"

"এওঁৰ ধনীসকলৰ লগতহে হাট-বাট । আমাৰ দৰে দুখীয়াৰ দুখ এওঁ কি বুজিব ?"—ইত্যাদি ।

ইয়াৰে কিছুমান অভিযোগ হয়তো নানা কাৰণত উদ্দেশ্যপ্ৰণোদিত বুলি ভাবিব পাৰি; কিন্তু কিছুমান অভিযোগৰ ভিত্তি নথকা নহয় । অভিযোগবোৰ বিশ্লেষণ কৰি চালে থূলমূলকৈ এইবোৰক দুভাগত ভগাব পাৰি ঃ (১) ব্যক্তিগত স্বাৰ্থ পূৰণ নোহোৱাৰ ক্ষোভ, (২) সমষ্টিটোৰ সামগ্ৰিক কল্যাণৰ ক্ষেত্ৰত বিধায়কগৰাকীয়ে দেখুউৱা ব্যৰ্থতা ।

বিধায়ক হিচাপে নিৰ্বাচিত হৈ যিসকল লোকে পূৰ্বৰ সামাজিক স্থিতি আৰু ৰাইজক দিয়া প্ৰতিশ্ৰুতিৰ কথা পাহৰি, কেৱল ব্যক্তিগত সা-সম্পত্তি আহৰণ আৰু পৰিয়াল পৰিজনক সুপ্ৰতিষ্ঠিত কৰাত লাগে, ক্ষমতাৰ ৰাগীত আত্মহাৰা হৈ অনেক অপকৰ্মত ইচ্ছাকৃতভাৱেই লিপ্ত হয়, সেইসকলক এই আলোচনাৰ বাহিৰত ৰখা হৈছে । কিয়নো, সেইসকল বিধায়কৰ বাবে জনপ্ৰিয়তাৰ গুৰুত্ব বৰ সৰহ নহয় । কিন্তু কিছু সংখ্যক এনে বিধায়কো আছে যিসকলে সঁচা অৰ্থত ৰাইজৰ সেৱা কৰাৰ মানসেৰেই বিধায়কৰ দায়িত্ব গ্ৰহণ কৰে। মান-সন্মান, ক্ষমতা-প্ৰতিপত্তিৰ ৰাগীত তেওঁলোক আত্ম বিস্মৃত নহয়; তেওঁলোকে নিজকে সৰ্বসাধাৰণ ৰাইজৰ মাজৰে এজন বুলি গণ্য কৰে। তেনে বিধায়কসকলো কিন্তু কেতিয়াবা ৰাইজৰ অপ্ৰিয় হৈ পৰা দেখা যায় । কিয় এনে হয় ? সেই বিষয়ে থূলমূলকৈ আলোচনা কৰাহে আমাৰ ইচ্ছা ।

●

**যি কোনো এজন ব্যক্তিৰেই নিজাকৈও অনেক কাম থাকে । বিধায়ক এজনো ইয়াৰ ব্যতিক্ৰম নহয় । তেওঁৰ নিত্য-নৈমিত্তিক কাম,—যেনে স্নান, ভোজন, বিশ্ৰাম, শয়ন আদিৰ কাৰণেও কিছু সময় খৰচ কৰিবলগীয়া হয় । কেৱল সিমানেই নহয়;—এজন সচেতন আৰু সাৰ্থক বিধায়ক হ'বলৈ হ'লে দেশৰ ভিতৰৰ আৰু বাহিৰৰ নিত্য-নতুন বা-বাতৰিবোৰৰ লগত সাধাৰণভাৱে হ'লেও সম্পৰ্ক ৰখাৰ উপৰিও বিভিন্ন বিষয়ৰ কিতাপ-পত্ৰ অধ্যয়ন কৰা অতি প্ৰয়োজনীয় । কিন্তু প্ৰায়সকল বিধায়কৰ সময়ৰ অভাৱৰ বাবেই এই অধ্যয়নৰ কাৰ্যসূচীটো বাদ পৰি ৰয় ।**

●

নিৰ্বাচনী প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে-লগে দলীয় প্ৰাৰ্থী একোজনে কিছুমান দলীয় কৰ্মীৰ ওপৰত আৰু একোজন নিৰ্দলীয় প্ৰাৰ্থীয়ে তেওঁৰ শুভাকাংক্ষীসকলৰ ওপৰত, নিৰ্বাচনী প্ৰচাৰকে ধৰি অন্যান্য অনেক আনুষংগিক কামৰ বাবে নিৰ্ভৰ কৰিবলগীয়া হয় । প্ৰাৰ্থীৰ সুততা, ৰাজনৈতিক জ্ঞানৰ পৰিধি, নিষ্ঠা, সেৱাৰ মনোভাব, সামাজিক স্থিতি আদিয়ে যদি সমষ্টিৰ ৰাইজক সন্তুষ্ট কৰে, তেন্তে তেনে প্ৰাৰ্থীক নিৰ্বাচনী অভিযানত সহায় কৰিবলৈ বহুতো সৎ, নিস্বাৰ্থ, জ্ঞানী, সমাজসেৱী লোকেও আগুৱাই অহাৰ ইচ্ছা পোষণ কৰে। কিন্তু, প্ৰাৰ্থীৰ তেনে লোকসকলৰ পৰা সহায় বিচৰাৰ আগ্ৰহ নেদেখিলে অথবা দলীয় নিৰ্দেশ নাপালে সাধাৰণতে এনে লোকসকলে উপযাচি দায়িত্ব লব নোখোজে । তদুপৰি বাকপটুতা, নিৰ্বাচনী কৌশল উদ্ভাৱন আৰু প্ৰয়োগৰ দক্ষতা আৰু ৰাজনীতিৰ কিছু ধাৰণা অবিহনে নিৰ্বাচনী অভিযানত সফলতা লাভ কৰাও কঠিন । এনেবোৰ গুণৰ অভাৱ উপলব্ধি কৰিও ইচ্ছুক বহুলোক এই ক্ষেত্ৰত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত থাকে । উল্লিখিত আটাইকেইটা গুণবিশিষ্ট অথচ নিস্বাৰ্থ, সৎ, সমাজসেৱী লোকক নিৰ্বাচনী কৰ্মী হিচাপে পোৱাটো বহুতো প্ৰাৰ্থীৰ ভাগ্যত নঘটে ।

ইয়াৰ বিপৰীতে আন এচাম লোক উপযাচিয়েই এই কামৰ বাবে আগবাঢ়ি আহে,—যাৰ হয়তো বাকপটুতাকে ধৰি নিৰ্বাচনী অভিযানৰ বাবে প্ৰয়োজনীয় প্ৰায় আটাইকেইটা গুণেই আৱশ্যকীয় মাত্ৰাতে থাকে;—নাথাকে কেৱল নিস্বাৰ্থ, সৎ, সমাজসেৱী এটা সৰল মন । জয়ী হোৱাৰ সম্ভাৱনা থকা একোজন প্ৰাৰ্থীৰ নিৰ্বাচনী অভিযানত সক্ৰিয় অংশ গ্ৰহণ কৰি, প্ৰাৰ্থীগৰাকী নিৰ্বাচিত হোৱাৰ পাছতেই তেওঁৰেই প্ৰত্যক্ষ নাইবা পৰোক্ষ পৃষ্ঠপোষকতা নিজৰ বাবে ঐশ্বৰ্য-সম্পদ আৰু ক্ষমতা-প্ৰতিপত্তি আহৰণৰ সুবিধা লোৱাটোৱেই হয়গৈ এইচাম লোকৰ মূল লক্ষ্য । এওঁলোকৰ মাজতে কেতিয়াবা আনকি কিছুমান বিদ্বেষী আৰু প্ৰতিশোধপৰায়ণ লোকো থাকে ।

যি কি নহওক, এওঁলোকৰ সহায়-সহযোগত নিৰ্বাচিত হোৱা বিধায়কগৰাকীৰ পৰাপক্ষত এওঁলোকে লগ নেৰা হয় । গাটোৰ লগত ছাঁটো থকাৰ দৰে বিধায়কগৰাকীৰ লগত থাকি এইচাম লোকে তেওঁৰ প্ৰায় প্ৰতিটো কথা আৰু প্ৰতিটো কামতে হস্তক্ষেপ কৰিবলৈ চেষ্টা কৰে। এইচাম লোকক বুজাবলৈ "সুযোগ সন্ধানী" শব্দটোৱেই সঠিক হ'ব যেন লাগে।

ইফালে প্ৰাৰ্থী এগৰাকী বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ প্ৰায় লগে-লগেই তেওঁৰ দৈনন্দিন জীৱন ধাৰাৰ এক অভাৱনীয় পৰিবৰ্তন ঘটে । বিধান সভাৰ সদস্য হোৱাৰ উপৰিও তেওঁ চৰকাৰী



OKDISCD

অন্যান্য দুই-এক অনুষ্ঠান-প্ৰতিষ্ঠানৰো কেতিয়াবা কিবা দায়িত্ব ল'বলগীয়াত পৰে। তদুপৰি সমষ্টিটোৰ অনেক অনুষ্ঠান-প্ৰতিষ্ঠান, সভা-সমিতি আদিৰ লগতো জড়িত হৈ পৰে। ইয়াৰ লগতে যোগ হয় সমষ্টিটোৰ ৰাজহুৱা আৰু ব্যক্তিগত অভাৱ-অভিযোগ আৰু সমস্যাসমূহ সমাধানৰ দায়িত্বখিনি। তেনে অৱস্থাত বিধায়কগৰাকীয়ে পূৰ্ব প্ৰতিশ্ৰুতি অনুসৰি সমষ্টিটোৰ প্ৰতিটো অঞ্চলৰ লগত প্ৰত্যক্ষ যোগাযোগ ৰক্ষা কৰিবলৈ সময় উলিয়াব নোৱৰা হয়। নিৰুপায় হৈ তেওঁ তেওঁৰ প্ৰায় সৰ্বক্ষণৰ সংগী, উক্ত "সুযোগ সন্ধানী"সকলৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰিবলগীয়া হয়। সেই চামটোৱেও এনে সুযোগৰ পূৰ্ণ ব্যৱহাৰ কৰি নিজৰ অভিৰুচি আৰু স্বাৰ্থৰ অনুকূলে সমষ্টিটোৰ একোখন চিত্ৰ বিধায়কগৰাকীৰ ওচৰত দাঙি ধৰে। কোৱাই বাহুল্য যে এওঁলোকৰ স্বভাৱ-চৰিত্ৰ, আশা-আকাংক্ষা অনুসৰি এই চিত্ৰখনে গঢ় লয়। ফলত কেতিয়াবা নাপাবলগীয়া অঞ্চল বা ব্যক্তি কিছুমানেও চৰকাৰে আগবঢ়োৱা সুযোগ-সুবিধা কিছুমান লাভ কৰে আৰু নিতান্তই পাবলগীয়া অঞ্চল বা ব্যক্তি বিশেষো এনে সুযোগ-সুবিধাৰ পৰা বঞ্চিত হয়। এই বঞ্চিতসকলে বিধায়কগৰাকীক সাধাৰণতে নিৰলে লগ ধৰিবলৈ সুযোগ নাপায়। কিয়নো তেওঁ "সুযোগ সন্ধানী"সকল আৰু তেওঁলোকৰ অনুগ্ৰহ-ধন্যসকলৰ দ্বাৰা প্ৰায়েই পৰিবেষ্টিত হৈ থাকে। এওঁলোকৰ বিভিন্ন দাবী, সমস্যা, অভাৱ-অভিযোগবোৰৰ সমাধানক লৈ তেওঁ ব্যস্ত হৈ থাকে। তাৰ উপৰিও যি কোনো এজন ব্যক্তিৰেই নিজাকৈও অনেক কাম থাকে। বিধায়ক এজনো ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁৰ নিত্য-নৈমিত্তিক কাম,—যেনে স্নান, ভোজন, বিশ্ৰাম, শয়ন আদিৰ কাৰণেও কিছু সময় খৰচ কৰিবলগীয়া হয়। কেৱল সিমানেই নহয়,—এজন সচেতন আৰু সাৰ্থক বিধায়ক হ'বলৈ হ'লে দেশৰ ভিতৰৰ আৰু বাহিৰৰ নিত্য-নতুন বা-বাতৰিবোৰৰ লগত সাধাৰণভাৱে হ'লেও সম্পৰ্ক ৰখাৰ উপৰিও বিভিন্ন বিষয়ৰ কিতাপ-পত্ৰ অধ্যয়ন কৰা অতি প্ৰয়োজনীয়। কিন্তু প্ৰায়সকল বিধায়কৰ সময়ৰ অভাৱৰ বাবেই এই অধ্যয়নৰ কাৰ্যসূচীটো বাদ পৰি ৰয়।

অধ্যয়নৰ কথা বাদেই, তেওঁলোকৰ কোনো-কোনোৱে আনকি বিধান সভাৰ বৈঠকসমূহতো নিয়মীয়াকৈ উপস্থিত থাকিব নোৱাৰে। তেনেবোৰ সময়তো আনকি তেওঁলোকে সমষ্টিৰ কিছুমান ৰাইজৰ হেঁচাত পৰি ৰাজধানীৰ বিভিন্ন বিভাগীয় কাৰ্যালয়ত ৰাইজক লগত লৈ ঘূৰি ফুৰিবলগীয়া হয়। ইয়াৰ ফলত বহু ক্ষেত্ৰত ৰাইজৰো সামূহিক ক্ষতি হয়। কিয়নো, বিধান সভাৰ বৈঠকত উত্থাপন কৰিবলগীয়া একোটা গুৰুত্বপূৰ্ণ ৰাজহুৱা বিষয়ো কেতিয়াবা বিধায়কগৰাকীয়ে উত্থাপন কৰিবলৈ অসমৰ্থ হয়। উত্থাপন কৰিবলগীয়া বিষয়টো তথ্যসমৃদ্ধ কৰিবলৈ হ'লে তাৰ বাবে কেতিয়াবা যথেষ্ট পঢ়া-শুনা কৰিবলগীয়া থাকে। কিন্তু তাৰ বাবে কোনো-কোনো বিধায়কক ৰাইজেই আহৰি নিদিয়ে। তদুপৰি নিজৰ সমষ্টিটোৰ সামগ্ৰিক উন্নতি আৰু সমস্যাসমূহ সমাধানৰ কাৰণেও কিছুমান সুপৰিকল্পিত আৰু সুচিন্তিত আঁচনিৰ প্ৰয়োজন। বিধায়কগৰাকীয়ে নিৰলে, অতি সাৱধানে চিন্তা-চৰ্চা কৰি সেই আঁচনি প্ৰস্তুত কৰিবলৈ প্ৰয়োজনীয় সময় আৰু সুযোগ পাব লাগে।

এনে ধৰণৰ ভালেমান অপৰিহাৰ্য কামৰ বাবে সময় উলিওৱাৰ প্ৰয়োজনত যিসকল বিধায়কে ৰাইজক তেওঁলোকে

●

**বিধায়ক এগৰাকীক সৰ্বক্ষণে ব্যস্ত ৰাখি আহুকালত পেলোৱাৰ বাবে সদায় ৰাইজেই কিন্তু দায়ী নহয়। বিধায়কসকলৰ মাজতে কিছুসংখ্যক এনে লোক থাকে যাৰ হয়তো আন বদগুণ বৰ বেছি নাই; মাত্ৰ তেওঁলোক ক্ষমতা আৰু তোষামোদপ্ৰিয়। এনে চাম বিধায়কে সংশ্লিষ্ট সমষ্টিবোৰৰ চাকৰিয়াল, কৰ্মচাৰী, ঠিকাদাৰ, উদ্যোগপতি, নিবনুৱা চাকৰিপ্ৰাৰ্থী যুৱক-যুৱতী আদিয়ে কাৰণে-অকাৰণে তেওঁলোকক লগ ধৰি থকাটো বিচাৰে। সংশ্লিষ্ট সমষ্টিসমূহৰ প্ৰতিখন সভা-সমিতি, প্ৰতিটো উৎসৱ-মহোৎসৱ, প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ তেওঁলোককেই গুৰিয়াল পতাটো বিচাৰে। আনকি তেওঁলোকৰ কিছু সংখ্যকে ঘৰুৱা সকাম-নিকামতো নিমন্ত্ৰিতসকলৰ তালিকাৰ শীৰ্ষস্থানত নিজৰ নামটো থকাটো বিচাৰে।**

●

বিচৰামতে দেখা কৰিবলৈ বা লগ ধৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে, তেওঁলোকো ৰাইজৰ সমালোচনাৰ পাত্ৰ হৈ পৰে। আনহাতে এনে সমালোচনাৰ পৰা হাত সাৰিবলৈ যিসকল বিধায়কে ৰাইজৰ লগত ঘনিষ্ঠতা ৰক্ষা কৰি চলিবলৈ বিচাৰে তেওঁলোকৰ শেষত গৈ খোৱা-শোৱাৰ বাবেও সময় নোহোৱাৰ দৰে হয়গৈ। তেওঁলোকে নিজাকৈ চিন্তা কৰাৰ আৰু সিদ্ধান্ত লোৱাৰ বাবে সময় আৰু সুচল পৰিবেশ নোপোৱাৰ কাৰণে উল্লিখিত সুযোগ সন্ধানীসকলৰ ওপৰত বহুলাংশে নিৰ্ভৰ কৰিবলগীয়া হয়।

এনে কিছুমান কাৰণতে বিধায়কগৰাকীৰ সৌহাৰ্ত স্বৰূপ হৈ পৰা এই সুযোগ সন্ধানীসকলে সমষ্টিটোৰ ৰাইজৰ মাজত, অনুষ্ঠান-প্ৰতিষ্ঠানত, মেল-মিটিং, সভা-সমিতিত নিজৰ ইচ্ছা অনুসৰি হস্তক্ষেপ কৰিবলৈ লয়। ইয়াক আজিকালিৰ প্ৰচলিত ভাষাত 'দাদাগিৰি' বুলি কোৱা হয়। স্থান, কাল, পাত্ৰৰ বাছ-বিচাৰ নকৰাকৈ, ন্যায়-অন্যায়, নীতি-দুৰ্নীতিৰ প্ৰতি ভ্ৰূক্ষেপ নকৰাকৈ এওঁলোকৰ কিছু সংখ্যকে (সকলোৱেই নহয়) এনে কিছুমান কাম কৰিবলৈ আৰম্ভ কৰে যাৰ বাবে অঞ্চলটোৰ ৰাইজ অতিষ্ঠ হৈ পৰে আৰু বিধায়ক গৰাকীকে এনেবোৰ কথাৰ কাৰণে জগৰীয়া কৰে। আনকি তেওঁকো সেই সকলৰ লগৰে এজন বুলিয়েই ধৰি লয়গৈ,—কাৰণ "a man is known from the company he keeps." নিৰ্বাচনী অভিযানত আগবঢ়োৱা সহায়-সহযোগিতাৰ কথা সুঁৱৰি,—তাতোকৈ ডাঙৰ কথা, এই সুযোগ সন্ধানীসকলক অসন্তুষ্ট কৰিবলৈ সাহ নকৰি, সংশ্লিষ্ট বিধায়কগৰাকীয়ে এওঁলোকক আপদে-বিপদে ৰক্ষণা-বেক্ষণ দিবলগীয়াত পৰে। ফলত ৰাইজে বিধায়কগৰাকীৰ ওপৰত লোৱা বিৰূপ ধাৰণা ক্ৰমান্বয়ে দৃঢ় হয় আৰু ফলত তেওঁ সৰ্বসাধাৰণ ৰাইজৰ মাজত অপ্ৰিয় হৈ পৰে।

বিধায়ক এগৰাকীক সৰ্বক্ষণে ব্যস্ত ৰাখি আহুকালত পেলোৱাৰ বাবে সদায় ৰাইজেই কিন্তু দায়ী নহয়। বিধায়কসকলৰ মাজতে কিছুসংখ্যক এনে লোক থাকে যাৰ হয়তো আন বদগুণ বৰ বেছি নাই; মাত্ৰ তেওঁলোক ক্ষমতা আৰু তোষামোদপ্ৰিয়। এনে চাম বিধায়কে সংশ্লিষ্ট সমষ্টিবোৰৰ চাকৰিয়াল, কৰ্মচাৰী, ঠিকাদাৰ, উদ্যোগপতি, নিবনুৱা চাকৰিপ্ৰাৰ্থী যুৱক-যুৱতী আদিয়ে কাৰণে-অকাৰণে তেওঁলোকক লগ ধৰি থকাটো বিচাৰে। সংশ্লিষ্ট সমষ্টিসমূহৰ প্ৰতিখন সভা-সমিতি, প্ৰতিটো উৎসৱ-মহোৎসৱ, প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ তেওঁলোককেই গুৰিয়াল পতাটো বিচাৰে। আনকি তেওঁলোকৰ কিছু সংখ্যকে ঘৰুৱা সকাম-নিকামতো নিমন্ত্ৰিতসকলৰ তালিকাৰ শীৰ্ষস্থানত নিজৰ নামটো থকাটো বিচাৰে। ইয়াৰ ব্যতিক্ৰম ঘটিলে সংশ্লিষ্ট পক্ষ এনে বিধায়কসকলৰ ৰোষত পৰে। গতিকেই ৰাইজে সাধাৰণতে তেনে বিধায়কসকলক অসন্তুষ্ট নকৰি তেওঁলোকে বিচৰা ধৰণেই প্ৰায় প্ৰতিটো ক্ষেত্ৰতে তেওঁলোকক জড়িত কৰি পেলায়। ফলত স্বাভাৱিকতেই তেনে বিধায়কসকলৰ ওচৰত ৰাইজৰ ভিৰ বৃদ্ধি পায়। ৰাইজৰ অত্যধিক ভিৰৰ বাবে কাম কৰিবলৈ সুযোগ নোপোৱা বুলি আকৌ এইসকল বিধায়কেই ৰাইজক ওলোটাই জগৰীয়া কৰিবলৈ বিচৰাৰ নজিৰো নোহোৱা নহয়। ৰাইজে বিচৰামতে ৰাজহুৱা অথবা ব্যক্তিগত অভাৱ-অভিযোগবোৰ হয়তো এইসকল বিধায়কে পূৰণ কৰিব নোৱাৰিব পাৰে; কিন্তু এওঁলোকৰ ৰোষত পৰা সকলৰ অনিষ্ট সাধন ঠিকমতেই কৰিব পাৰে আৰু কৰেও। এনেদৰেই এইসকল বিধায়ক ৰাইজৰ অপ্ৰিয় হৈ পৰে।

ওপৰত উনুকিওৱা কাৰণসমূহৰ বাহিৰেও আন অনেক কাৰণ থাকিব পাৰে যাৰ বাবে একোজন জনপ্ৰিয় বিধায়কে হঠাতে জনপ্ৰিয়তা হেৰুৱাব পাৰে। তাৰ ভিতৰত ৰাজনৈতিক দলৰ মাজত হঠাতে আহি পৰা ভাঙোন আৰু ৰাজ্যৰ বিভিন্ন সময়ত উদ্ভৱ হোৱা সমস্যাৱলীৰ সমাধানৰ ক্ষেত্ৰত ৰাজনৈতিক দলসমূহে লোৱা স্থিতি আৰু দৃষ্টিভংগীৰ কথাই প্ৰধানকৈ উল্লেখ কৰিব পাৰি। দলীয় ভাঙোনে ৰাইজৰ দলটোৰ ওপৰত থকা পূৰ্বৰ আস্থাৰ পৰিমাণ হ্ৰাস কৰে আৰু এনে দলৰ ৰাইজৰ আস্থাভাজন আৰু প্ৰিয় বিধায়ক একো গৰাকীয়েও এনে পৰিবৰ্তিত পৰিস্থিতিত পূৰ্বৰ আস্থা আৰু জনপ্ৰিয়তা হেৰুৱাই পেলায়।

সেইদৰেই ৰাজ্যত উদ্ভৱ হোৱা সমস্যাৱলীৰ সমাধানৰ ক্ষেত্ৰত কোনো ৰাজনৈতিক দলে লোৱা স্থিতি আৰু দৃষ্টিভংগী যদি ৰাইজৰ স্বাৰ্থৰ প্ৰতিকূলে যোৱা বুলি ৰাইজে অনুভৱ কৰে, তেনেবোৰ ক্ষেত্ৰতো সেই দলৰ বিধায়কসকল ৰাইজৰ অপ্ৰিয় হৈ পৰে। অৱশ্যে উক্ত দুয়োটা কাৰণতে অপ্ৰিয় হোৱা বিধায়কসকলৰ এনেবোৰ পৰিস্থিতিত ব্যক্তিগতভাৱে কৰিবলগীয়া একো নাথাকে। দলীয় আদৰ্শ আৰু ৰীতি-নীতিৰ প্ৰতি আনুগত্য থাকিলে মাজে-সময়ে এনেদৰে একোটা আহুকলীয়া পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হোৱাটো স্বাভাৱিক।

যি কি নহওক, এটা কথা কিন্তু অনস্বীকাৰ্য যে এগৰাকী প্ৰাৰ্থী বিধায়ক হিচাপে নিৰ্বাচিত হ'বৰ কাৰণে প্ৰাৰ্থীগৰাকীৰ জনপ্ৰিয়তা আৰু (প্ৰাক্তন বিধায়ক এজন যদি পুনৰ প্ৰাৰ্থী হয় তেনেক্ষেত্ৰত) সমষ্টিটোত তেওঁ আগতে কৰা কামৰ সাফল্যয়েই একমাত্ৰ নিৰ্ণায়ক ভূমিকা গ্ৰহণ নকৰে। একোজন প্ৰাৰ্থী নিৰ্বাচিত হ'বলৈ যাওঁতে দৃশ্য আৰু অদৃশ্য অনেক উপাদানে কাম কৰে। এনে একো গৰাকী প্ৰাক্তন বিধায়কো পুনৰ সগৌৰৱে নিৰ্বাচিত হোৱা দেখা যায় যাৰ জনপ্ৰিয়তা আৰু পূৰ্বৰ কামত লাভ কৰা সাফল্যৰ ঘৰ প্ৰায় শূন্য। পাঁচ বছৰীয়া কাৰ্যকালত সমষ্টিটোত এবাৰলৈও ভুমুকি নামাৰি ৰাইজৰ তীব্ৰ সমালোচনাৰ পাত্ৰ হৈ থকা প্ৰাক্তন বিধায়ক একোগৰাকীও কেতিয়াবা চমকপ্ৰদ সংখ্যক ভোট লাভ কৰি পুনৰবাৰ নিৰ্বাচিত হোৱা দেখা যায়। তেনেদৰে জয়লাভ কৰা এনে প্ৰাৰ্থীও বিচাৰিলে ওলাব যাৰ জন্মস্থান এঠাইত; সমষ্টি আন এঠাইত আৰু স্থায়ী বাসস্থান হয়তো হয়গৈ আন এখন বেলেগ ঠাইত। যি কি নহওক, এইটো দিশ যিহেতু আমাৰ আলোচ্য বিষয় নহয়, গতিকে এই বিষয়ে আৰু আগবাঢ়িব নোখোজোঁ।

শেষত ইয়াকে ক'ব খোজোঁ যে জনপ্ৰিয় এগৰাকী বিধায়ক পুনৰ নিৰ্বাচিত নহ'লেও ৰাইজে সিজনৰ প্ৰতি ব্যক্তি হিচাপে হ'লেও শ্ৰদ্ধা আৰু আস্থা প্ৰদৰ্শন কৰাত কাৰ্পণ্য নকৰে। ক্ষমতাত থাককেই বা নাথাকক, ৰাইজে সিজনক বিপদৰ বন্ধু আৰু অসহায়ৰ সহায় বুলি গণ্য কৰে। এজন ব্যক্তি হিচাপে ৰাইজৰ এনেদৰে আস্থাভাজন হৈ থাকিব পৰাটোৰ গুৰুত্বও বৰ তাকৰ নহয়।

আৰম্ভণিৰে পৰাই এগৰাকী বিধায়কে সুচিন্তিত পৰিকল্পনাৰে এটা সৎ আৰু মুকলি মন লৈ দক্ষতা আৰু সতৰ্কতাৰে আগবাঢ়িলে, সমষ্টিৰ ৰাইজৰ সৰ্বাংগীন উন্নতি আশানুৰূপ পৰিমাণত কৰিব নোৱাৰিলেও, ৰাইজৰ মাজত জনপ্ৰিয়তা নেহেৰুৱাকৈ থাকিব পাৰে। এই ক্ষেত্ৰত অভিজ্ঞ, সৎ আৰু জ্যেষ্ঠ ৰাজনীতিকসকলৰ দিহা-পৰামৰ্শই তেওঁলোকৰ যথেষ্ট উপকাৰ কৰিব পাৰে। তাৰ বাবে লাগে মাথোন এটা সৎ আৰু সৰল মন আৰু নজনাক জানিবলৈ আন্তৰিক আগ্ৰহ।




**বিনামূল্যে!** জনী জ'কাৰ সজাৰ কৌশল: আজিয়েই লিখক; 1 টকাৰ টিকট লগোৱা নিজৰ ঠিকনা থকা লেফাফা এখনো লগতে দিয়ক। এই ঠিকনালৈ: কৰেচ (ইণ্ডিয়া) লিমিটেড, পোঃ বঃ নং 6558, ৱৰ্লি, বম্বে 400 018

# স্বাধীন অসমৰ প্ৰশ্নটো

(১) অসমীয়াই যিটো ভাষা কয়, সেইটো ভাষাৰ ফালৰ পৰা বিচাৰ কৰিলে অসমীয়া মানুহে ভাৰতৰ পৰা আঁতৰি এখন স্বাধীন ৰাষ্ট্ৰ গঠন কৰা উচিত নে আৰু সম্ভৱ নে ?

(২) বড়োভাষীৰ বসতিপ্ৰধান অঞ্চল (বড়োলেণ্ড !), কাৰবি আংলং, উত্তৰ কাছাৰ, কাছাৰ আৰু কৰিমগঞ্জ জিলাক বুকুত লৈ এখন স্বাধীন অসম গঢ়া সম্ভৱ নে ?

(৩) যিখন ৰাজ্যৰ মূল ভাষাটো কোৱা মানুহৰ মাজৰ পৰা বছৰে গড়ে দুজনকৈও আই এ এছ পৰীক্ষা পাছ কৰা লোক নোলোৱা হৈছে, কোনো এটা বৃত্তি বা ব্যৱসায়তে যিটো জাতিয়ে আজিও ব্যুৎপত্তি অৰ্জন আৰু আধিপত্য স্থাপন কৰিব পৰা নাই, যিটো জাতিৰ উঠি অহা যুব-সমাজৰো ৰাজনীতি কৰা অংশটোৰ নৈতিক বল বিপৰ্যস্ত বুলি প্ৰমাণিত হৈছে, সেইটো জাতিৰ বৰ্তমানৰ উদ্দেশ্য "স্বাধীন অসম প্ৰতিষ্ঠা কৰা" হোৱা উচিত নে ?

(৪) তেল, চাহপাত, কাঠ আদি সম্পদৰে অসম চহকী ; কিন্তু এই সম্পদৰ ধনখিনি এখন স্বাধীন ৰাষ্ট্ৰ চলাবলৈ যথেষ্ট নে ? বিদেশৰ সাহায্য সকলো দেশে পায় ; স্বাধীন অসমেও পাব । কিন্তু নিজৰ ধন কিমান, পৰৰ ধন কিমান, মুঠতে দেশ চলাবলৈ বছৰি কিমান ধন লাগিব,—এই অংকটো নিৰ্দিষ্টভাৱে কোনোবাই কৰি দেখুৱাবনে ?

(৫) ভাৰতবৰ্ষ, চীন, ব্ৰহ্মদেশ আদিয়ে আক্ৰমণ কৰিলে স্বাধীন অসমক ৰক্ষা কৰাৰ জোখাৰে অস্ত্ৰ-শস্ত্ৰ আৰু সৈন্য অসমত ওলাবনে ? ছুইজাৰলেণ্ডৰ নিচিনাকৈ যুদ্ধ-বিগ্ৰহত লিপ্ত নোহোৱা দেশ এখনৰ নীতি কেনেকুৱা হোৱা উচিত ? তেনে নীতি প্ৰৱৰ্তন কৰিব পৰা প্ৰজা আমাৰ বৰ্তমানৰ কোচ-কছাৰী-বড়ো-কাৰবি-মিছিং- মৰাণ- মটক-কলিতা-বামুণ (বাঙালী-অসমীয়া-হিন্দু-মুছলমানৰ কথা নকওঁৱেই) নাগৰিকসকলে সৃষ্টি কৰিব পাৰিব নে ?

## এক

অসমীয়া ভাষাটো এটা প্ৰতিষ্ঠিত ভাষা । ইয়াৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ নিজস্ব ইতিহাস আছে; নিজস্ব লিপি আৰু ব্যাকৰণেৰে ভাষাটো সমৃদ্ধ । সঠিক তথ্য এটা এতিয়াও প্ৰকাশ পোৱা নাই যদিও ক'ব পাৰি যে বৰ্তমান অসমত অসমীয়াভাষী লোকৰ সংখ্যাই সৰ্বাধিক । এই দৃষ্টিকোণৰ পৰা এই কথাও অনুমান কৰিব পাৰি যে "সাৰ্বভৌম স্বাধীন অসম" প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ভাষাই বিশেষ অন্তৰায় হিচাপে দেখা নিদিয়ে । কিন্তু কথা হ'ল, প্ৰতিবেশী ৰাজ্যৰ ভাষাৰ কথা বাদেই, অসমৰ থলুৱা জনজাতীয় ভাষাসমূহৰ সৈতেও অসমীয়া ভাষাৰ সম্পৰ্ক মধুৰ নোহোৱা বাবে মাজে-সময়ে যি তিক্ততাপূৰ্ণ পৰিবেশৰ সৃষ্টি হয়, প্ৰস্তাৱিত "স্বাধীন অসম"ৰ ভিতৰত ই হয়তো আৰু অধিক প্ৰসাৰ লাভ কৰিব । এটা কথা অৱশ্যে ঠিক যে "স্বাধীন অসম"ৰ দাবী পৰিত্যাগ কৰি ভাৰতীয় সংবিধানৰ প্ৰতি আস্থা আৰু আনুগত্য প্ৰকাশ কৰিলেই এই সম্পৰ্ক মধুৰ হৈ নুঠে । ইয়াৰ বাবে সংশ্লিষ্ট পক্ষই অৱশ্যেই বাস্তৱ কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব । বৰ্তমান অসমৰ ভাষা-উপভাষাসমূহৰ মাজত চলি থকা পাৰস্পৰিক বিবাদ, বিশেষকৈ 'ঘাই' অসমীয়া ভাষাৰ প্ৰতি বাকীবোৰ থলুৱা ভাষাই যি আধিপত্যবাদৰ অভিযোগ উত্থাপন কৰিছে তাৰ পৰাই অনুমান কৰিব পাৰি যে "অসমীয়াৰ ঘাই সুঁতি"ৰ(?) সৈতে তেওঁলোকে এতিয়াও একাত্ম অনুভৱ কৰিব পৰা নাই । গতিকে, যেতিয়ালৈকে অন্ততঃ থলুৱা ভাষীলোকসকলৰ অসমীয়া ভাষাৰ প্ৰতি থকা বিদ্বেষ দূৰ নহয়, যেতিয়ালৈকে এজনো অনা-অসমীয়া থলুৱা লোক নিজে 'প্ৰকৃত' অসমীয়াখিনিৰ দ্বাৰা প্ৰতাৰিত, প্ৰবঞ্চিত হোৱাৰ অভিযোগ দূৰ নহয়, তেতিয়ালৈকে এক "স্বাধীন অসম"ৰ পৰিকল্পনা কৰা অসম্ভৱ নহ'ব পাৰে,—কিন্তু অনুচিত ।

## দুই

অপ্ৰিয় হ'লেও সত্য যে উল্লিখিত কেউটা অঞ্চলেই ইতিমধ্যে "অসমীয়া ঘাই সুঁতি"ৰ পৰা বিচ্ছিন্ন হৈ গৈছে । আমি 'বিশুদ্ধ' অসমীয়াসকলে বলেৰে তেওঁলোকক অসমীয়া বুলি ক'লেও, তেওঁলোকে নিজকে অসমীয়া বুলি ভাবিবলৈ কাহানিবাই এৰি দিছে । কেৱল বড়ো, কাৰবি অথবা বাঙালীসকলেই নহয়, অসমত বসবাস কৰা প্ৰায়বিলাক ক্ষুদ্ৰ-ক্ষুদ্ৰ জাতি-জনগোষ্ঠীৰ প্ৰতি বিশুদ্ধ অসমীয়াই কৰা উগ্ৰ জাতিদাম্ভিক আচৰণ আৰু ইবিলাকৰ ওপৰত চলোৱা আধিপত্যবাদে তেওঁলোকৰ গোষ্ঠীচেতনাত আঘাত হানি আহিছে আৰু ইয়েই তেওঁলোকক বৃহত্তৰ অসমীয়া সমাজৰ পৰা ফালৰি কাটি যোৱাত ইন্ধন যোগাই আহিছে । সেয়ে বড়োসকলে 'বড়োলেণ্ড' আৰু কাৰবিসকলে 'স্বায়ত্ত শাসিত ৰাজ্য' দাবী কৰাৰ উপৰিও অন্যান্য ক্ষুদ্ৰ-ক্ষুদ্ৰ জাতিসমূহে গোষ্ঠীগত আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ দাবীৰে ৰাজপথত ভৰি দিছে । মন কৰিব লগা কথা যে উল্লিখিত কোনো এটা জনগোষ্ঠীয়েই ভাৰতীয় সংবিধান আৰু ৰাষ্ট্ৰীয় একতাক অস্বীকাৰ কৰা নাই; বৰং সংবিধানৰ আধাৰতে সমস্যাসমূহৰ আশু সমাধানৰ পোষকতা কৰিছে । তথাকথিত অসমীয়াসকলেহে এওঁলোকৰ প্ৰথম আৰু প্ৰধানশত্ৰু; ভাৰত অথবা ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰ নহয় । গতিকে, "স্বাধীন অসম"ৰ হকে কৰা "বিপ্লৱ"ৰ(?) এওঁলোক অংশীদাৰ নহয় আৰু সেয়ে এনে 'বিপ্লৱ' সফল হোৱাটোও সম্ভৱ নহয় ।

## তিনি

সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত হোৱা প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ অকৃতকাৰ্যতাই 'অসমীয়াবোৰ' মগজুহীন বুলি প্ৰতিপন্ন নকৰে সঁচা, কিন্তু অসমতকৈ তুলনামূলকভাৱে অনগ্ৰসৰ ৰাজ্য 'মিজোৰাম'ৰ ছাত্ৰ-ছাত্ৰীসকলে এই ক্ষেত্ৰত প্ৰদৰ্শন কৰা পাৰদৰ্শিতা মন কৰিবলগীয়া । স্বাধীন ৰাষ্ট্ৰ এখন পৰিচালনাৰ বাবে IAS পৰ্যায়ৰ অফিছাৰ এখিনি লাগিবই বুলি কোনো কথা নাই; কিন্তু আজি ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত তিষ্ঠিব নোৱৰা এচাম যুৱকৰ মাজৰ পৰাই ভৱিষ্যতে নেতৃত্ব দি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পৰা দক্ষ লোক ওলাব বুলি ভাবিব নোৱাৰি । আজিৰ প্ৰতিযোগিতামূলক বিশ্বত টিকি থাকিবলৈ হ'লে, প্ৰকৃতি প্ৰদত্ত কিছুমান সম্পদ হ'লেই নহ'ব, ইবিলাকৰ যথাৰ্থ ব্যৱহাৰ তথা উপভোগৰ বাবে উপযুক্ত কাৰিকৰীজ্ঞান আৰু দক্ষতাৰ নিতান্তই প্ৰয়োজন । এনে জ্ঞান আৰু দক্ষতা অসমীয়াই প্ৰকৃততে অৰ্জন কৰিব পাৰিছেনে ?



বিভিন্ন চৰকাৰী প্ৰতিষ্ঠান, ৰাজহুৱা খণ্ডৰ উদ্যোগ, অনুষ্ঠান-প্ৰতিষ্ঠান, নিগম আদিত চাকৰি কৰি জীৱিকা উপাৰ্জন কৰা অসমীয়া লোকৰ সংখ্যাটো তেনেই নগণ্য নহয় । কিন্তু পৰিতাপৰ কথা যে এওঁলোকৰ সৰহভাগেই চাকৰিহে কৰে; জনসাধাৰণৰ প্ৰতি সেৱাৰ মনোভাব এওঁলোকৰ নাই । চতুৰ্থ শ্ৰেণীৰ পিয়ন-চকিদাৰৰ পৰা আৰম্ভ কৰি ওপৰ খাপৰ আমোলা-বিষয়া, শিক্ষক-কৰ্মচাৰীসকলৰ অধিকাংশই এতিয়া দুৰ্নীতিত লিপ্ত । জনস্বাৰ্থৰ বাবে আৰোপিত, এওঁলোকৰ ক্ষমতাৰ পৰিধিৰ ভিতৰৰ ন্যূনতম কৰ্তব্যজ্ঞান সম্পাদন কৰাৰ বেলিকাও এওঁলোকৰ মাজত দেখা দিয়া সততা, নিষ্ঠা আৰু দায়িত্বজ্ঞানৰ চৰম অভাৱে সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ ইচ্ছাকৃত অৱহেলাৰে ইংগিত নিদিয়েনে ? বৰ্তমান অৱস্থাত এনে এচাম মানুহক লৈয়েই দুৰ্নীতিমুক্ত, শোষণহীন এখন স্বাধীন ৰাষ্ট্ৰ গঠন কৰাটো সম্ভৱনে ? সঁচা কথা, অত্যাৱশ্যকীয় সামগ্ৰীৰ মহাৰ্ঘৰ দিনত আজি সৰুসুৰা কেৰাণী মহৰী চাকৰিৰ সীমিত উপাৰ্জনেৰে পৰিয়াল চলোৱা ডাঙৰ সমস্যা হৈ পৰিছে । কিন্তু, ৰাজ্যখনৰ সমগ্ৰ প্ৰশাসন ব্যৱস্থাটোত বিস্তাৰিত হৈ পৰা দুৰ্নীতিৰ ইয়েই একমাত্ৰ কাৰণ হ'ব পাৰেনে ? ৰাইজৰ স্বাৰ্থত অকমান ত্যাগ, অকমান কষ্ট স্বীকাৰ কৰাৰ নৈতিক মনোবল হেৰাই যোৱা এচামলোকে, দুৰ্নীতিক বৈধতা প্ৰদান কৰাৰো ধৃষ্টতা প্ৰদৰ্শন কৰে ।

ব্যৱসায়-বাণিজ্যত যে অসমীয়াৰ দখল নাই, সেইকথা আনে নাজানিলেও শাৰীৰিক তথা মানসিক শ্ৰম নকৰাকৈয়ে, অনায়াস লব্ধ ধনেৰে সমৃদ্ধিশালী হোৱাৰ সপোন দেখা অসমীয়াৰ চকুৰ আগতে সুদূৰ ৰাজস্থান, বিহাৰ, উত্তৰ প্ৰদেশ, কলিকাতাৰ পৰা খালিহাতেৰে অহা অনা-অসমীয়া ব্যবসায়িক সম্প্ৰদায়ে যেতিয়া এইখন অসমতে মুঠিয়ে মুঠিয়ে টকা ঘাটিবলৈ ধৰে, তেতিয়া আমাৰ চকু কপালত উঠে । ইহঁতেই অসমখন চুহি-চুহি খালে বুলি ধিক্কাৰ দি, চিঞৰ-বাখৰ লগাই, নিজৰ নামত পাৰ্মিট, লাইছেন্স আদি উলিয়াই এওঁলোককে বিক্ৰি কৰি, কৃষি-উদ্যোগ-ব্যৱসায় আদিৰ বাবে বেংকৰ পৰা ধাৰ-ঋণ লৈ য়ামাহা, হিৰ'হোন্দা আদি কিনি অনাৱশ্যকভাৱে অনুৎপাদনমূলক কামত ধাৰে লোৱা টকাবোৰ খৰচ কৰি, ব্যৱসায়িক উদাসীনতাৰ পৰিচয় দিয়াৰ লগতে পৰোক্ষভাৱে অসমত ব্যৱসায়-বাণিজ্য কৰিবৰ বাবে অনা-অসমীয়া ব্যৱসায়ীসকলকে উদগনি দিয়া হৈছে । মুঠতে, সকলো দিশতে শ্ৰম আৰু কৰ্মবিমুখিতাই এক ভয়াবহ ৰূপ ধাৰণ কৰিছে । এনে পৰিস্থিতিত এখন স্বাধীন ৰাষ্ট্ৰ গঠনৰ কিবা বাস্তৱ ভিত্তি থাকিব পাৰেনে ?

অসমৰ যুৱ সমাজৰ ৰাজনীতি কৰা অংশটোৰ প্ৰতি অসমৰ ৰাইজ কিমান আস্থাশীল এই সম্পৰ্কে বিশেষ কোৱাৰ প্ৰয়োজন নাই । দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰত আকণ্ঠ নিমজ্জিত, নৈতিক অধঃপতন ঘটা এই চাম দুষ্ট যুৱ ৰাজনীতিকে যেতিয়া 'আলফা'ৰ প্ৰতি সহানুভূতি সূচক মন্তব্য কৰে আলফায়ো এওঁলোকক কৃপাদৃষ্টিৰে চায়, তেতিয়া "স্বাধীন অসম"ৰ বাবে কৰা দাবীৰ প্ৰতি সাধাৰণ ৰাইজৰ সন্দেহ ওপজা তেনেই স্বাভাৱিক । প্ৰকৃততে এনে এচাম নেতাৰ সঁহাৰিৰে "স্বাধীন অসম"ৰ পৰিকল্পনা কৰাই অনুচিত ।

## চাৰি

খাৰুৱা তেল, চাহ, কাঠ, কয়লা, চূণশিল আদি সম্পদত অসম চহকী সঁচা; কিন্তু অকল সম্পদ হ'লেই নহ'ব, ইবিলাকৰ আহৰণ আৰু শোধন অথবা পণ্য প্ৰস্তুকৰণৰ বাবে বিভিন্ন ধৰণৰ আধুনিক যন্ত্ৰপাতি আৰু বৈজ্ঞানিক আৰু কাৰিকৰীজ্ঞান আৰু দক্ষতাৰ প্ৰয়োজন । বৰ্তমান এই সকলোবিলাক দায়িত্ব আৰু খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰি আহিছে । কিন্তু অসম স্বাধীন হ'লে, পৰিবহন আৰু যাতায়তকে ধৰি ইয়াৰ সমস্ত খৰচ নিজে বহন কৰিব লাগিব আৰু সেয়ে হ'লে এতিয়া চাহ-তেলৰ ৰয়েল্টিৰ বাবদ পোৱা লভ্যাংশতকৈ অধিক উপাৰ্জন হ'ব বুলি ক'ব নোৱাৰি। তেতিয়াহ'লে এখন স্বাধীন ৰাষ্ট্ৰ চলাবলৈ সেই উপাৰ্জম যথেষ্ট হ'ব নোৱাৰে। অৱশ্যে এশ এবুৰি সমস্যাৰে জৰ্জৰিত অসমৰ দৰে এখন ৰাষ্ট্ৰ (যদিহে হয়) চলাবলৈ বছৰি কিমান টকাৰ প্ৰয়োজন হ'ব, তাক খাটাংকৈ নিৰ্ধাৰিত কৰি দিয়া কাৰো পক্ষে আনকি বিদগ্ধ অৰ্থনীতিবিদৰ পক্ষেও সহজ নহয় ।

বিদেশৰ সাহায্য সকলো দেশে পায়, অসমেও পাব । কিন্তু এই সাহায্য চৰ্তবিহীনভাৱে কোনো দেশে পোৱা নাই; আৰু অসমেও নাপায় । খাৰুৱা তেলৰ বাবে আনৰ ওপৰত নিৰ্ভৰ কৰিব লগা হোৱা ধনীৰাষ্ট্ৰবিলাকে অসমৰ দৰে 'পনীয়া সোণ'ৰ ভাণ্ডাৰেৰে ভৰপূৰ দেশ এখনক বিত্ত সাহায্য দিবলৈ যে অলপো কুণ্ঠাবোধ নকৰিব সেইটো ঠিক; কিন্তু বিনা চৰ্তে তেওঁলোকে সেয়া কৰিব বুলি ভাবিবলৈ টান লাগে। (বৰ্তমান মধ্যপ্ৰাচ্যত ঘটি থকা ঘটনাৱলী লক্ষ্য কৰিলে)।

## পাঁচ

ভূটান, নেপাল, মালদ্বীপ আদি ক্ষুদ্ৰ ৰাষ্ট্ৰৰ সাৰ্বভৌম্ব বিঘ্নিত হোৱা নাই, অথবা কোনো বহিঃশক্তিৰ দ্বাৰা সেই ৰাষ্ট্ৰবোৰ আক্ৰান্ত হোৱা নাই; গতিকে অসমো কোনো বিদেশী ৰাষ্ট্ৰৰ আক্ৰমণৰ লক্ষ্য হ'ব নোৱাৰে,—এনে যুক্তি মানি লব নোৱাৰি। কিয়নো, প্ৰতিকূল ভৌগোলিক স্থিতি, অৰ্থনৈতিক সম্পদৰ প্ৰাচুৰ্যহীনতা তথা বিশ্ব ৰাজনীতিত গুৰুত্বহীন ভূমিকাৰ বাবে সেইবোৰ ৰাষ্ট্ৰ নব্য উপনিবেশবাদী, সাম্ৰাজ্যবাদী শক্তিসমূহৰ আক্ৰমণৰ লক্ষ্য হোৱা নাই । ক্ষুদ্ৰ ৰাষ্ট্ৰ হিচাপে বা ক্ষুদ্ৰ জাতি হিচাপে তেওঁলোকৰ সাৰ্বভৌমত্বক সন্মান জনাই অন্যান্য দেশ আক্ৰমণৰ পৰা বিৰত থকা কথাটো কেতিয়াও সত্য নহয় । সেইদিশৰ পৰা চালে, এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে অসমৰ জটিল ভৌগোলিক অৱস্থানে এক শক্তিশালী, সুসজ্জিত সামৰিক বাহিনীৰ দাবী কৰিব । নকলেও হ'ব যে এনে এক শক্তিশালী সামৰিক শক্তি প্ৰস্তুত কৰোঁতে বিদেশৰ পৰা অস্ত্ৰ-শস্ত্ৰ, যান-বাহন আদি ক্ৰয় কৰিবলৈ এক বিপুল পৰিমাণৰ অৰ্থ ব্যয় কৰিব লাগিব । ফলত ৰাষ্ট্ৰৰ উপাৰ্জনৰ অধিকাংশই উন্নয়নমূলক কামৰ পৰিবৰ্তে প্ৰতিৰক্ষাৰ শিতানতে খৰচ কৰা হ'ব ।

ছুইজাৰলেণ্ডৰ দৰে "মুক্ত গণতন্ত্ৰ" প্ৰবৰ্তনৰ জৰিয়তে অভ্যন্তৰীণ বাদ-বিসম্বাদ ঠাইতে নিৰ্মূল কৰি বহিঃশত্ৰুক প্ৰশ্ৰয় নিদিয়া নীতি প্ৰবৰ্তনৰ পৰিবেশ অসমত বৰ্তমান নাই । কঠোৰ শ্ৰম, দৃঢ়তা আৰু আত্মপ্ৰত্যয়েৰে, নতুন-নতুন জ্ঞান আৰু প্ৰযুক্তি কৌশলৰ উদ্ভাৱনেৰে, দ্বিতীয় মহাযুদ্ধৰ পাছত চুচুমৈ হৈ পৰা জাতীয় অৰ্থনীতিক অতি কম সময়ৰ ভিতৰতে জাপানীসকলে যি দৰে টনকিয়াল কৰি তুলিলে, সেই দৃঢ়তা আৰু আত্মপ্ৰত্যয় অসমীয়াৰ কাহানিবা হ'বনে ?

শেহত, শ্ৰুতিকটু হ'লেও সত্য কথা যে অসমৰ বেছিভাগ মানুহেই এতিয়াও 'স্বাধীনতা' খায় নে কাণত পিন্ধে তাক ভালদৰে নাজানে । জানে— 'আলফা' ই কিবা এটা কৰিব খুজিছে; কিন্তু সংগঠনটোৱে যে 'স্বাধীনতা' বিচাৰিছে সেই কথাটো বহুলোকেই নাজানে । এই কথা সকলোৱে জনা প্ৰয়োজন যে কেৱল ৰাজনৈতিক স্বাধীনতা অথবা ক্ষমতা হস্তান্তৰেই মুক্তি নহয় । মুক্তি মানে অসমৰ জনগণৰ মুক্তি, অসমৰ কৃষক-শ্ৰমিক-বনুৱাৰ মুক্তি । এই কথাও সকলোৱে জনা দৰকাৰ যে "বৈজ্ঞানিক সমাজবাদী" আদৰ্শৰ এখন সুসংহত সমাজ প্ৰতিষ্ঠাৰ প্ৰথম আৰু প্ৰাথমিক চৰ্ত হ'ল নিষ্পেষিত শোষিতজনৰ মুক্তি । 'আলফা'ৰ বিপ্লৱে সঁচাকৈয়ে জানো এনে মুক্তিৰ কিবা ইংগিত বহন কৰিছে ।

**দিব্যধৰ বৰুৱা,**
বৰুৱাগাঁও,
গোলাঘাট ।

সপ্তম মুদ্ৰণ
হীৰেন ভট্টাচাৰ্যৰ
নিৰ্বাচিত কবিতা
সুগন্ধি পখিলা
মূল্য ঃ ৩৫.০০ টকা
পৰিবেশক
প্ৰকাশিকা — গুৱাহাটী ৭৮১০০১

নিজৰ বিষয়ে, লিখি ড. দেব কান্ত বৰাক দাখিল কৰা ব্যক্তিসকল হ'ল---মতিউৰ ৰহমান, ঈশ্বৰ চক্ৰবৰ্তী, অতুল শৰ্মা, মঞ্জুলা দত্তবৰুৱা, লোহিত দত্তবৰুৱা, আৰু বলীন বৰা ।

লোহিত আৰু মঞ্জুলা দত্তবৰুৱাৰ বিষয়ে আগতে উনুকিয়াইছোঁ । কিন্তু লোহিত দত্তবৰুৱা সম্পৰ্কে আৰু অলপ কোৱাৰ প্ৰয়োজন । তেওঁ বিৰলা ইনষ্টিটিউট অৱ টেকন'লজি এণ্ড ছায়ন্সৰ পৰা ১৯৭০ চনত ইলেকট্ৰিকেল ইঞ্জিনিয়াৰিঙত বি.এছ ডিগ্ৰি লাভ কৰে। একে বিষয়তে হিউষ্টন বিশ্ববিদ্যালয়ৰ

# সীমাৰ পৰিধি ভেদি


ড. লক্ষ্মীনন্দন বৰা

ন

এম.এছ (১৯৭৮) আৰু কেলিফৰ্নিয়া ৱেষ্টাৰ্ন ইউনিভাৰ্ছিটিৰ পি.এইচ.ডি (১৯৮২) ডিগ্ৰি লাভ কৰে। তেওঁ আমেৰিকান চায়ন্স এণ্ড ইঞ্জিনিয়াৰিং কম্পেনি'ত মেনেজাৰ আৰু ইউনাইটেড গেছ পাইপ লাইন কম্পেনিৰ মাপন অধীক্ষক (Superintendent of Measurement) হিচাপেও কাম কৰিছিল ।

'মেক্‌গ্ৰ'হিলে' তেওঁৰ আৰু এখন কিতাপ প্ৰকাশ কৰিছে । নাম —Natural Gas Measurement : A Guide to Operators and Engineers । তেওঁৰ Vortex Shedding Flow Meter পদ্ধতি ইতিমধ্যে আমেৰিকাত 'পেটেণ্ট' হৈছে । তেওঁ আমেৰিকাৰ নাগৰিক ।

ড. অতুল শৰ্মাৰ বিষয়ে আৰু অলপ ক'বলগীয়া আছে । তেওঁৰ ঘৰ মঙলদৈৰ আনন্দীপাৰা গাঁৱত । বয়স বাৱন্ন। তেওঁলোকৰ দুয়োটা সন্তানেই ল'ৰা । বিবাহ অসবৰ্ণ । স্ত্ৰীৰ নাম ইভা গোঁহাই শৰ্মা । ড. শৰ্মা আমেৰিকাৰ পাঁচটামান বৈজ্ঞানিক সংস্থাৰ সভাপতি, সম্পাদক নাইবা উপদেষ্টা । তেওঁ ভালেমান বৃত্তিমূলক প্ৰশিক্ষণো লৈছে । সাতখন বিজ্ঞান সমিতিৰ সদস্য । তেওঁ লুইভিল বিশ্ববিদ্যালয়ৰ ১৯৮৮ চনৰ শ্ৰেষ্ঠ



চেম্পলেইন কলেজৰ বে'ল টাৱাৰ

ঔদ্যোগিক বিজ্ঞানী বঁটা পাইছে । তেওঁ কৰ্মজীৱন আৰম্ভ কৰে কটন মহাবিদ্যালয়ৰ প্ৰবক্তা হিচাপে। তাত দুবছৰ কাম কৰি তেওঁ আমেৰিকালৈ যায় (১৯৬৫চনত)। তেওঁ এতিয়া কেণ্টাকি ৰাজ্যৰ লুইভিলত থকা WHIP MIX CORPORATION-অৰ উপাধ্যক্ষ ।


জাঁজিৰ ড. বলীন্দ্ৰ নাথ বৰাই গণিতত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এছছি. ডিগ্ৰি পোৱাৰ পাছত যোৰহাট ইঞ্জিনিয়াৰিং কলেজত প্ৰবক্তা হিচাপে কাম কৰে (১৯৫৮-১৯৬৪)। তেওঁ আমেৰিকাৰ অৰিগন ৰাজ্যিক বিশ্ববিদ্যালয়লৈ উচ্চ শিক্ষাৰ বাবে যায় আৰু ১৯৬৬ চনত তাৰ পৰা গণিতত এম.এছ.ডিগ্ৰি আৰু ১৯৬৮ চনত পি.এইচ.ডি ডিগ্ৰি লাভ কৰে। তেওঁ সম্প্ৰতি গ্ৰিনছব'ৰ'ৰ নৰ্থ কেৰলিনা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ গণিতৰ অধ্যাপক হিচাপে যোগ্যতাৰ পৰিচয় দিছে । তেওঁৰ প্ৰকাশিত গৱেষণা পত্ৰিকাৰ সংখ্যা একুৰিতকৈ বেছি । তেওঁৰ Hydrostatics and Hydrodymics নামে এখন পাঠ্যপুথি ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰকাশ কৰিছে (১৯৭৫)।

মতিউৰ ৰহমানৰ ঘৰ কামৰূপ জিলাৰ ডুমুনীচুকীত । তেওঁ কানাডাৰ নাগৰিক । এটা ল'ৰা আৰু এজনী ছোৱালীৰ পিতৃ । বয়স একাৱন্ন। তেওঁ এজন বিচক্ষণ ছাত্ৰ আছিল । গণিতত অনাৰ্ছ সহ বি.এছছি পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম, একে বিশ্ববিদ্যালয়ৰে গণিতৰ এম.এছছিত প্ৰথম শ্ৰেণী লাভ কৰে (১৯৬৪)। তাৰ পাছত লণ্ডনৰ ইম্পিৰিয়েল কলেজৰ প্ৰায়োগিক গণিতৰ



ডি.আই.ছি. (১৯৬৯) আৰু কানাডাৰ উইণ্ডছৰ বিশ্ববিদ্যালয়ৰ পি.এইচ.ডি (১৯৭৩) ডিগ্ৰি লাভ কৰে।

তেওঁ যোৰহাট ইঞ্জিনিয়াৰিং কলেজত গণিতৰ প্ৰবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰে (১৯৬৪-১৯৬৬)। পাছত লণ্ডনৰ



ড. মতিউৰ ৰহমান

ইম্পাৰিয়েল কলেজলৈ যায় । ১৯৬৯ চনৰ পৰা কানাডাৰ বিভিন্ন বিশ্ববিদ্যালয়ত কাম কৰি ১৯৮৭ চনত কানাডাৰ হেলিফেক্স নগৰৰ নোভা স্ক'চিয়া কাৰিকৰী বিশ্ববিদ্যালয়ৰ অধ্যাপক হয়গৈ। তেওঁ লণ্ডন বিশ্ববিদ্যালয়ৰ ভিজিটিং প্ৰফেছাৰ (১৯৮৭-৮৮) আছিল । তদুপৰি তেওঁ কানাডাৰ বেডফ'ৰ্ড ইনষ্টিটিউট অৱ অ'ছেন'গ্ৰাফি আৰু তাৰে ডেলহাউছি বিশ্ববিদ্যালয়ৰ গণিত, সংখ্যাবিজ্ঞান আৰু কম্পিউটাৰ বিজ্ঞান বিভাগৰ অবৈতনিক অধ্যাপক ।

তেওঁ এগৰাকী আন্তৰ্জাতিক খ্যাতিসম্পন্ন গণিতজ্ঞ । এই কথা কানাডা আৰু আমেৰিকাৰ বহুতৰ মুখত শুনি গৌৰৱবোধ কৰিছিলো । তেওঁ প্ৰায় এঘাৰখন বৃত্তিমূলক সমিতিৰ সদস্য । এতিয়ালৈকে ষোল্লজনমান গৱেষকে তেওঁৰ তত্ত্বাৱধানত বিভিন্ন প্ৰকল্পত কাম কৰি ডক্টৰেট ডিগ্ৰি লাভ কৰিছে । তেওঁ পৃথিৱীৰ ভালেমান বিশ্ববিদ্যালয়ৰ গৱেষণা-গ্ৰন্থৰ পৰীক্ষক । বৃটেইন আৰু আমেৰিকাৰ বিখ্যাত প্ৰকাশকে প্ৰকাশ কৰা তেওঁৰ তিনিখন গ্ৰন্থও (Applied Differential Equations for Scientists and Engineers. The Hydrodynamics of Waves and Tides আৰু An Introduction to the Modern Theory of Waves) আছে ।


তেওঁৰ কথা ভালেমান গ্ৰন্থত পোৱা যায় । তাৰ ভিতৰত উল্লেখযোগ্য হ'ল, (১) Personalities of America, (২) Who's Who in America, (৩) Dictionary of International Biography, (৪) Biography International, (৫) 5,000 Personalities of the World আৰু (৬) American Men and Women of Science ।

তেওঁ বক্তৃতা দিবৰ বাবে পৃথিৱীৰ ভালেমান ঠাইলৈ নিমন্ত্ৰিত হয় আৰু মাজে-মাজে গণিতৰ আন্তৰ্জাতিক অধিবেশনৰ অধ্যক্ষও হয় । তেওঁৰ গৱেষণাই আন্তৰ্জাতিক স্বীকৃতি লাভ কৰিছে ।

গতিকে অসমে এজন গণিতজ্ঞক হেৰুৱাইছে যদিও সমগ্ৰ পৃথিৱীয়ে তেওঁক পাইছে । লগতে অসমেও । কাৰণ বিজ্ঞান আন্তৰ্জাতিক, ই সীমাহীন ।

ড. ঈশ্বৰ চন্দ্ৰ চক্ৰবৰ্তী গুৱাহাটীৰ মানুহ । তেৰোঁ এগৰাকী খ্যাতিসম্পন্ন গণিতজ্ঞ । তেওঁ কানাডাৰ ট্ৰেণ্ট বিশ্ববিদ্যালয়ৰ (পিটাৰব'ৰ) অন্তৰ্ভুক্ত চেম্পলেইন কলেজৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক । তেওঁ এই বিশ্ববিদ্যালয়ৰ এজন গুৰুত্বপূৰ্ণ ব্যক্তি । ১৯৮৯ চনৰ পৰা তাৰ জ্যেষ্ঠ প্ৰশাসনিক বিষয়া হৈ আছে । তদুপৰি তেওঁ বিশ্ববিদ্যালয়টোৰ আন্তৰ্জাতিক কৰ্মসূচীৰ উপদেষ্টা পৰিষদ, ভ্ৰমণ মঞ্জুৰী সমিতি, গৱেষণা পুঁজি মঞ্জুৰী সমিতি আদিৰ সভাপতিও ।

তেওঁৰ গৱেষণা-ক্ষেত্ৰ হ'ল বিশুদ্ধ আৰু প্ৰায়োগিক গণিত আৰু গণিতৰ ইতিহাস।



অধ্যাপক ঈশ্বৰ চক্ৰৱৰ্তী

তেওঁ ১৯৮০ চনত বছৰৰ শ্ৰেষ্ঠ শিক্ষক হিচাপে ছাইমনছ বঁটা লাভ কৰে। এই বছৰ (১৯৯১) তেওঁ ওণ্টাৰিঅ' বিশ্ববিদ্যালয়ৰ শিক্ষা বঁটাৰ বাবে মনোনীত হৈছে ।

ড. চক্ৰবৰ্তীৰ অসমীয়া সাহিত্যৰ প্ৰতি অনুৰাগ প্ৰবল । তেওঁ অসমীয়া ভাষাত গল্প আৰু কবিতা লিখে। তেওঁ ট্ৰিনিডাড, বেংকক, টকিঅ' আৰু নতুন দিল্লীলৈ ভিজিটিং প্ৰফেছাৰ হিচাপেও গৈছিল । আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিজ্ঞান-পত্ৰিকাত এতিয়ালৈকে তেওঁৰ পঁচিছখনমান গৱেষণাপত্ৰ প্ৰকাশিত হৈছে ।

তেওঁ ১৯৫৪ চনত গণিতৰ অনাৰ্ছ সহ বি.এছছি পাছ কৰি (কটন কলেজ) ১৯৫৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ একে বিষয়তে এম.এছছি ডিগ্ৰি অৰ্জন কৰে। এই পৰীক্ষাত তেওঁ প্ৰথম শ্ৰেণী পায় । তাৰ পাছত কানাডাৰ ছাস্কাট্চেৱান বিশ্ববিদ্যালয়ৰ পৰা পি.এইচ.ডি ডিগ্ৰি লাভ কৰে।

তেওঁ কৰ্মজীৱন আৰম্ভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰবক্তা হিচাপে (১৯৬১-৬২)। তাৰ পাছত কানাডাৰ ছাস্কাটচেৱান বিশ্ববিদ্যালয়ত প্ৰবক্তা হিচাপে থাকি (১৯৬২-৬৫) তাৰ পৰাই ডক্টৰেট ডিগ্ৰি লাভ কৰে। পাছত তেওঁ আকৌ গুৱাহাটী বিশ্ববিদ্যালয়ত গণিতৰ প্ৰবক্তা হিচাপে যোগদান কৰে। এই কামত দুবছৰ থাকি (১৯৬৫-৬৭) তেওঁ কানাডাৰ ট্ৰেণ্ট বিশ্ববিদ্যালয়লৈ যায় । তাত পোনতে সহকাৰী অধ্যাপক হিচাপে থাকি শেষত অধ্যাপক হয়গৈ (১৯৮০)। যোৱা জুলাই মাহৰ শেষ সপ্তাহত তেওঁৰ পিটাৰব'ৰৰ ঘৰত আলহী হৈহে গম পালো যে তেওঁ এতিয়া ট্ৰেণ্ট বিশ্ববিদ্যালয়ৰ চেম্পলেইন কলেজৰ অধ্যক্ষ ।

আজীৱন গণিত শাস্ত্ৰৰ সাধক অধ্যাপক চক্ৰবৰ্তীৰ মাজতে ঘৰুৱা জীৱনত কিছুমান অশান্তি হৈছিল । এইবোৰে তেওঁক বৰ হতাশ কৰিছিল । কিন্তু অলপতে সুগায়িকা অনিমা (ভট্টাচাৰ্য) চক্ৰৱৰ্তীক বিয়া কৰোৱাৰ পাছত তেওঁ বেছ সুখী হ'ব পাৰিছে, তেওঁৰ জীৱনটোৱে এক গতিশক্তি লাভ কৰিছে ।

ড. দেব কান্ত বৰা মোৰ গাঁৱঁৰে মানুহ । হাতীচোং কুজিডাঁহৰ। তেওঁ নিউয়ৰ্ক আৰু নিউজাৰ্ছি ৰাজ্যৰ বৃত্তিমূলক অনুজ্ঞাপত্ৰধাৰী ।

ড. বৰা গুৱাহাটীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ স্নাতক (১৯৭০)। তেওঁ অৰুণাচল প্ৰদেশৰ বমদিলাত কেন্দ্ৰীয় গড়কাপ্টানী বিভাগত এবছৰ কাম কৰি (১৯৭০-৭১) অসম চৰকাৰৰ বান নিয়ন্ত্ৰণ আৰু জলসিঞ্চন বিভাগৰ সহকাৰী অভিযন্তা হিচাপেও কাম কৰে (১৯৭১-৭৩)। তাৰ পাছত তেওঁ গ্লাছগোলৈ গৈ তাৰ ষ্ট্ৰাথক্লাইড্ বিশ্ববিদ্যালয়ৰ পৰা এম.এছছি ডিগ্ৰি লাভ কৰে। তেওঁ মিছিছিপি বিশ্ববিদ্যালয়ত চাকৰি কৰি তাৰে পৰাই ডক্টৰেট ডিগ্ৰি লাভ কৰে (১৯৭৯)। তেওঁ সম্প্ৰতি নিউজাৰ্ছি ৰাজ্যৰ ব্ৰাঞ্চউইকত অৱস্থিত বিখ্যাত ৰাটগাৰ্চ বিশ্ববিদ্যালয়ৰ কুক কলেজৰ কৃষি অভিযান্ত্ৰিকবিদ্যাৰ সহকাৰী অধ্যাপক । তেওঁ নদী-নিয়ন্ত্ৰণ গৱেষণাৰ কাম বহু



ড. দেবকান্ত বৰা

বছৰ ধৰি কৰি আছে । তেওঁ প্ৰস্তুত কৰা ব্ৰহ্মপুত্ৰৰ নিয়ন্ত্ৰণৰ কম্পিউটাৰ মডেল সম্পৰ্কীয় এটা পয়ত্ৰিছ লাখটকীয়া প্ৰকল্প মাৰ্কিন যুক্তৰাষ্ট্ৰ আন্তৰ্জাতিক বিকাশ সংস্থাই (U.S. Agency for International Development) মঞ্জুৰ কৰিছে । ভাৰত

চৰকাৰে সন্মতি দিলেই তেওঁ অসমলৈ আহি এই কাম আৰম্ভ কৰাৰ কথা ।

ড. বৰা এজন বিচক্ষণ জলতত্ত্ববিদ । তেওঁ এতিয়ালৈকে পৃথিৱীৰ বেলেগ-বেলেগ ঠাইত প্ৰায় ছখনমান আলোচনাত অংশ গ্ৰহণ কৰিছে । তেওঁৰ তত্ত্বাৱধানত গৱেষণা কৰি কেইবাজনো ছাত্ৰই এম.এছ আৰু পি.এইচ.ডি ডিগ্ৰি লাভ কৰিছে । বিভিন্ন পত্ৰিকাত প্ৰকাশিত তেওঁৰ গৱেষণাপত্ৰৰ সংখ্যা একুৰিতকৈ বেছি । ব্ৰহ্মপুত্ৰৰ বাননিয়ন্ত্ৰণ সম্পৰ্কে তেওঁ ১৯৮৮ চনৰ জুনৰ ১৬-৩০ তাৰিখৰ 'প্ৰান্তিক'তো এটা প্ৰবন্ধ লিখিছিল । তেওঁ আমেৰিকাৰ এজন স্থায়ী বাসিন্দা; কিন্তু নাগৰিক নহয় । তেওঁ ভাৰতীয় পাৰপত্ৰখনহে নবীকৰণ কৰি থাকে ।

আৰু ভালেমান লোকৰ কথা ক'বলৈ থাকি গ'ল । কাৰণ প্ৰত্যেকজন মানুহক ব্যক্তিগতভাৱে লগ পোৱাটো মোৰ কাৰণে সম্ভৱ নাছিল আৰু তেওঁলোকৰ কথা মই অসমতো শুনা নাছিলো । উদাহৰণ স্বৰূপে এটা নাম উল্লেখ কৰোঁ । তেওঁ ফণীন্দ্ৰ দেৱচৌধুৰী । তেওঁ বিচক্ষণ কম্পিউটাৰ বিজ্ঞানী । ঘৰ পাঠশালাত । থাকে নৰ্থ কেৰলিনা ৰাজ্যৰ কোনোবা নগৰত । তেওঁৰ শিক্ষাগত অৰ্হতাৰ কথা মই চেষ্টা কৰিও জানিব নোৱাৰিলো । এই কথা কেইবাজনো অসমীয়া মানুহৰ ক্ষেত্ৰত খাটে । যেনে মোৰ ছাত্ৰ ড. উৎসৱ চৌধুৰী, ড. দুলাল বৰকটকী আৰু ড. মদন ভট্টাচাৰ্য্য । শেষৰ দুজন জৈৱ প্ৰযুক্তিবিদ্যাৰ এটা শাখাৰ বিশেষজ্ঞ বুলি শুনিছোঁ । তেওঁলোকে অসম কৃষি বিশ্ববিদ্যালয়লৈ কিয় ঘূৰি আহিব নোখোজে এই বিষয়ে অসমীয়া মানুহে শুনি দুখ পোৱা বিধৰ মতামতো শুনিছোঁ ।

উত্তৰ আমেৰিকাৰ প্ৰবাসী অসমীয়া সকলৰ বিষয়ে এনেকৈ সাধাৰণীকৰণ (generalisation) কৰিব পাৰি ঃ

(১) ভাৰতৰ আন ৰাজ্যৰ পৰা অহা মানুহখিনিৰ ভিতৰত অতি সাধাৰণ কাম কৰা মানুহৰ পৰা অতি ডাঙৰ কাম কৰা মানুহো আছে । কিন্তু তাত অসমীয়া মানুহখিনিয়ে সৰু কাম কৰা নাই । প্ৰত্যেকেই জীৱন ক্ষেত্ৰত সুপ্ৰতিষ্ঠিত । তেওঁলোক উপযুক্ত শিক্ষাগত অৰ্হতা লৈয়েই বিদেশলৈ আহিছিল । (২) বেছি ভাগ লোকেই ইঞ্জিনিয়াৰ। ইয়াৰ ভিতৰত ইলেকট্ৰনিকছ আৰু কম্পিউটাৰৰ বিশেষজ্ঞই বেছি । আমেৰিকা আৰু কানাডাত 'প্ৰফেশ্যনেল ইঞ্জিনিয়াৰ' (পি.ই) হ'লেহে শিল্প-প্ৰতিষ্ঠানত কাম পোৱা আৰু পাছত উন্নতি কৰাত বেছি সুবিধা হয় । কিন্তু পি.ই হোৱাটো যথেষ্ট কঠিন । কিন্তু উত্তৰ আমেৰিকাত ভালেমান অসমীয়া পি.ই আছে । আনকি পদাৰ্থবিজ্ঞানত উচ্চ ডিগ্ৰি থকা মানুহো পাছত ইলেকট্ৰনিকছৰ পাৰদৰ্শী হৈ পি.ই হোৱাৰ দৃষ্টান্ত আছে । (৩) অসমীয়া মানুহখিনিৰ মাজত ভালেমান এম.বি.এ আছে । একোজন পদাৰ্থবিজ্ঞান বা ৰসায়নবিজ্ঞানৰ মানুহ লগতে এম.বি.এ হোৱাৰ কাৰণে তেওঁলোকৰ উদ্যোগ-প্ৰতিষ্ঠানত সোমাই উন্নতি কৰিবলৈ সুবিধা হৈছে । (৪) বেছি ভাগ মানুহৰে নিজৰ ঘৰ আছে । কোনোবাই কাচিৎহে এপাৰ্টমেণ্ট ভাৰা কৰি থাকে । (৫) প্ৰবাসী অসমীয়াখিনিৰ দ্বিতীয় প্ৰজন্মই সেই দেশৰ লগত নিজকে চিনাক্ত কৰিছেনে নাই বুজা নাযায়; কিন্তু তেওঁলোকৰ অসমৰ প্ৰতি টানটো কম । তেওঁলোকৰ পিতৃ-মাতৃয়ে দুটা সুকীয়া সংস্কৃতিৰ দোমোজাত থাকি নতুন পৰিবেশত নিজকে খাপ খুৱাই লৈয়ো এক অজান বিষাদ আৰু 'বিচ্ছিন্নতাৰ অৱসাদত ভুগিছে ।''

''অসম দিবস '৯১ স্মৃতিগ্ৰন্থ'ত প্ৰকাশিত ড. সঞ্জীৱ বৰুৱাৰ ''Sojournero, Immigrants or Exiles ?'' শীৰ্ষক প্ৰবন্ধটোত উত্তৰ আমেৰিকাবাসী অসমীয়াৰ মনৰ কথা প্ৰকাশ পাইছে ।-তাৰে এটা অংশৰ নিম্নোক্ত মুকলি অনুবাদ প্ৰণিধানযোগ্য ঃ

''.... আমি অনিচ্ছুক পমুৱা । অন্ততঃ আমাৰ এটা অংশই (মনেৰে) অসমতহে বাস কৰি আছে । 'আছাম ট্ৰিবিউন'ৰ যোগেদি অসমত এৰি অহা ঘৰখনৰ লোকসকলৰ সাফল্যৰ ভাগ ল'বলৈ আমাৰ বৰ হাবিয়াস হয় । আমাৰ বহুতেই অসমলৈ যোৱাৰ দিনটোলৈ আশাৰে বাট চাই থাকোঁ । কাৰণ তালৈ গৈ আমি আমাৰ পিতৃ-মাতৃৰ পুত্ৰ-কন্যা হওঁগৈ, ঘৰখনত ভাই-ভনী হওঁগৈ, শহুৰ-শাহুৰ ওচৰত বোৱাৰী হওঁগৈ। তাত আমাৰ এনে ভূমিকাকে আমি অন্তৰত সাঁচি থাকোঁ । ইয়াতে থাকিও আমাৰ কিছুমানে অসমৰ উন্নতিৰ হকে আকৰ্ষণীয় আঁচনি লওঁ বা অসমৰ প্ৰচেষ্টাসমূহৰ মুখপাত্ৰ হৈ পৰোঁ । আচল কথা হ'ল,—অসমৰ কাৰণে কিবা এটা কৰাৰ আকাংক্ষাই আমাৰ অসমৰ প্ৰতি এক আবেগিক প্ৰয়োজনীয়তাকহে প্ৰতিফলিত কৰে। অসমৰ আমাক আৱশ্যক হয়নে নহয় এই বিষয়ে আমাৰ ধাৰণা ধুৱলী-কুঁৱলী, কিন্তু অসমে আমাক বিচাৰে বুলি আমাৰ মনৰ ছুঁয়ামুয়া ধাৰণাটোৰহে আমাৰ বৰ প্ৰয়োজন ।''

''সময় পাৰ হৈ যোৱাৰ লগে-লগে আমি আমাৰ পিতৃ-মাতৃ অঙহী-বঙহী আৰু সমবয়সীয়া লোকসকলৰ মৃত্যুৰ শোক সহি থাকিবলৈ ধৰোঁ আৰু লাহে-লাহে আমি প্ৰবাসী অসমীয়া বুলি পোষণ কৰা ধাৰণাটোও ক্ৰমাৎ অবাস্তৱ আৰু অবাস্তৱ যেন লাগিবলৈ ধৰে। দুই বা তিনি দশকৰ পাছত আমাৰ বহুতেই কামৰ পৰা অৱসৰ পাম যদিও আমি উত্তৰ আমেৰিকাতে থাকিম । আমাৰ কোনোবা-কোনোবা হয়তো অসমলৈ যাবগৈ। তথাপি উত্তৰ আমেৰিকাৰ লগত তেওঁলোকৰ সম্পৰ্ক ছেদ নহয় । কাৰণ আমাৰ সতি-সন্ততিবোৰ ইয়াতে থাকিব । তেওঁলোক আমাৰ লগতে অসমলৈ যাব বুলি আশা কৰিব নোৱাৰি। আমাৰ সতি-সন্ততিবোৰে কিমান ভালকৈ বিহু নাচিব পাৰিছে বা কেনে ধৰণে অসমীয়াত্ব বজাই ৰাখিছে, সেইবোৰ পিছ কথা । তেওঁলোকে পিছে নিজকে আমেৰিকান বা কেনেডিয়ান হিচাপেহে দেখা পায় ।''

''তেনেহ'লে কিয় আমি নিজক প্ৰবাসী বুলি ভাবিঁ থাকোঁ ? উত্তৰ আমেৰিকালৈ অহাটো আছিল আমাৰ প্ৰথম যৌৱনৰ 'স্বপ্নৰ সাৰ্থকতা । কিন্তু প্ৰকৃততে ইয়াত বাস কৰি আমি বিচ্ছিন্ন আৰু ক্ষতিগ্ৰস্ত হৈছোঁ । আমি পমুৱা বা অভিবাসী হোৱাহেঁতেন এই চিন্তা আমাৰ মনলৈ নাহিলহেঁতেন । কাৰণ পমুৱাসকল নিজ ইচ্ছাৰেহে বিদেশলৈ আহে । কেৱল নিৰ্বাসনেহে এনে বেদনাৰ সৃষ্টি কৰে। নিৰ্বাসিত ব্যক্তিহে নিজৰ ইচ্ছাৰ বিৰুদ্ধে দেশৰ পৰা দূৰৈত থাকে ।....... আমি কিবা এটা হেৰুউৱাৰ বেদনাত ভুগিছোঁ । ..... বোধহয়, আমি স্বইচ্ছাৰে অহা পমুৱা নহওঁ, আমি নিৰ্বাসিতহে । আমি ব্যক্তিগত পৰিস্থিতি বাদ দি চিন্তা কৰি চালে দেখিম যে ভৱিষ্যতৰ বুৰঞ্জীবিদে আমাৰ উত্তৰ আমেৰিকা আগমনক এক বিশ্বজোৰা পৰিঘটনাৰ এটা অংশ বুলিহে ক'ব ।''


কিন্তু সম্প্ৰতি যোৱা কেই বছৰমানৰ পৰা উত্তৰ আমেৰিকালৈ যোৱা অসমীয়া ডেকা-গাভৰুৰ সংখ্যা অভাৱনীয়ৰূপে কমিছে । আমেৰিকাবাসী অখিল চৌধুৰীৰ মতে, সেই দেশৰ শিক্ষা সম্পৰ্কে বহুতে খবৰ নাপায় আৰু আমাৰ ডেকা-গাভৰুৰ ইংৰাজী ভাষাজ্ঞানৰ অভাৱ। কিন্তু কাৰণটো অধিক অনুধাবন কৰিলে বোধহয় দেখা যাব যে সম্প্ৰতি অসমত শিক্ষাৰ মান হ্ৰাস হোৱাটোও অন্যতম কাৰণ। তদুপৰি আজিকালি অসমৰ পৰা বিজ্ঞানৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে আগৰ সমান আই.আই টি বা আঞ্চলিক অভিযান্ত্ৰিক মহাবিদ্যালয়ত ভৰ্তি হোৱাৰ যোগ্যতা অৰ্জন কৰা নাই । অসমৰ সম্প্ৰতি সমগ্ৰ শিক্ষাব্যৱস্থাতে কেনছাৰ। মূল কাৰণ সেইটোহে।

## দহ

পুৱাহে সুন্দৰ ঠাইখন চকুত পৰিল । পুই এবিধ চুবুৰিয়েই । নিউজাৰ্ছি ৰাজ্যৰ ব্ৰাঞ্চউইক চহৰৰ ভিতৰতে অৱস্থিত এই চুবুৰিটোৰ নাম ডেইটন কুইনছ ছাৰ্কোল । সুন্দৰ-সুন্দৰ দুবৰিৰ দলিচা আৰু অনুচ্চ গছ-গছনিৰ মাজত শোভা কৰি থকা সাইলাখ একে ধৰণৰ ঘৰৰ শাৰী একোটাৰ আগত ৰাস্তা আৰু মটৰ গাড়ী ৰখা ঠাই । দুবৰিৰ দলিচাবোৰৰ মাজে-মাজে আকৌ ফুলনি । জুলাইত আমেৰিকাত গ্ৰীষ্মকাল । সূৰুযৰ অকৃপণ কিৰণে আৰু যথোচিত উত্তাপে ঘাঁহনি, গছ-গছনি আৰু ফুলনিক এক অপাৰ্থিব সৌন্দৰ্য দান কৰিছে ।

ড. দেব বৰা ইয়াৰে এটা ঘৰৰ মালিক । ঘৰটো তেওঁ এটা বসতি-পাম বা ক'ল'নি প্ৰস্তুত কৰা কম্পেনিৰ পৰা কিনি লৈছে । তাৰ বাবে গোটেইখিনি ধন বেংকৰ পৰা পোৱা যায় । সেই ধন পঁচিছ বছৰমানলৈ মাহেকীয়া কিস্তি হিচাপে পৰিশোধ কৰি থাকিব লাগে । বেংকৰ পৰা ধাৰ পাবৰ বাবে মাথোন চাকৰিটো থাকিলেই হ'ল । চাকৰি গ'লেই কিন্তু বিপদ । এমাহৰ কিস্তিৰ ধন পৰিশোধ কৰিব নোৱাৰিলেই বেংকে ঘৰটো চমজি ল'বহি । এনে একোটা ঘৰ ভাৰাতো দিব পাৰি আৰু ইচ্ছায়তে বিক্ৰি কৰি আন এখন চহৰলৈকো যাব পাৰি। সেইখন চহৰতো সেই একেই ব্যৱস্থা । ঘৰ সজা, বিক্ৰি কৰা আৰু আনৰ কাৰণে ঘৰ বিচাৰি দিয়াটো আমেৰিকা আৰু কানাডাত এটা ডাঙৰ ব্যৱসায়, যাৰ নাম 'ৰিয়েল ইষ্টেট' । এই ব্যৱসায়ত নামি প্ৰচুৰ উপাৰ্জন কৰা অসমীয়া মানুহ দুজনমানো আছে বুলি শুনিছোঁ । এনে এটা ব্যৱসায় থকাৰ কাৰণে মানুহৰ কিমান সুবিধা হৈছে তাৰ এখন দৈনিক বাতৰি কাকত মেলি চালেই প্ৰমাণ পোৱা যায় । প্ৰত্যেক দিনেই ''ৰিয়েল ইষ্টেট'' শিতানৰ প্ৰায় ত্ৰিছ-চল্লিছ পৃষ্ঠাৰ একোখন পৰিপূৰিকা (Suppliment) থাকে । তাত ঘৰ আৰু বসতি সম্পৰ্কে দুটা-এটাহে প্ৰবন্ধ থাকে । বাকীবোৰত ঘৰৰ ছবিসহ বিজ্ঞাপন ।

ড. দেব বৰাৰ বসতি-পামত এটা সাঁতোৰা পুখুৰীও আছে । পিছে এই ঘৰটোৰ মালিক দেব বৰা বুলি এক প্ৰকাৰে ক'ব পাৰি আৰু এক প্ৰকাৰে ক'ব নোৱাৰিও । কাৰণ পঁচিছ বছৰলৈকে তেওঁ মাহে-মাহে বেংকক টকা দি থাকিব লাগে। কিস্তিৰ অংকটোও কম নহয়; এহেজাৰ ডলাৰ (প্ৰায় ২৫ হাজাৰ টকা) গতিকে ঘৰটো বেংকৰ পৰা ভাৰাত লোৱা বুলিহে ক'ব পাৰি। মই হিচাপ কৰি পালোঁ যে বেংকক দুবছৰত পৰিশোধ কৰা ডলাৰেৰে গুৱাহাটীত ইয়াতকৈ ডাঙৰ ঘৰ এটা সাজিব পাৰি। আমাৰ দেশত পাঁচ লাখ টকা (২৫×২৪=৫,০০,০০০) কম টকা নহয় । হাতীয়ে খায় যিমান লাদেও সিমান । আমেৰিকাত চাৰিওফালে খৰচৰ বাট । দেশৰ অৰ্থনৈতিক মূলনীতিয়ে সৃষ্টি কৰা ব্যৱহাৰক-সমাজত (consumer society) চাৰিও ফালে ভোগ্য বস্তুৰ প্ৰলোভন । কোনোটো বস্তুৰে দাম কম বুলি ক'ব নোৱাৰি। এক ডলাৰক পঁচিছ টকা বুলি ভাবিলে আন নালাগে ছিগাৰেটৰ পেকেট এটা কিনিবলৈকো টান লাগিব । বিছটা ছিগাৰেট থকা এটা পেকেটৰ দাম ২.৭৫ ডলাৰ; প্ৰায় সত্তৰ টকা । পিছে ইয়াৰ অসমীয়া মানুহে এক ডলাৰক এটকা বুলিহে ভাবে । ব্ৰজেন বৰদলৈয়ে প্ৰায়ে এনেকৈ কয়, ''হেৰা, টকা কেইটামান দিয়াচোন, এফালে ওলাই যাওঁ ।'' আমেৰিকা-কানাডাৰ ব্যৱহাৰক-সমাজত কাপোৰ ধোৱা মেছিনৰ পৰা কেডিলাক গাড়ীলৈকে সকলো বস্তু কিস্তিত পোৱা যায় । এনে এখন পুঁজিবাদী দেশত উৎপাদকসকল তিষ্ঠি থকাৰ এটা প্ৰধান উপায় হ'ল, মানুহৰ অভাৱ সৃষ্টি কৰা অৰ্থাৎ বিজ্ঞাপন যোগে নহ'লেও-চলিব-পৰা ব্যৱহাৰ্য বস্তু কিছুমানৰ অভাৱৰ সৃষ্টি কৰা । গতিকে সেইখন দেশত নিম্নতম বেতনেই বেচ চলিব পৰা বিধৰ বাবে তাত নিম্ন শ্ৰেণী লোকৰো লাহ-বিলাহৰ জীৱন সহজে চকুত পৰে।



ষ্টেচু অফ লিবাৰ্টিৰে সৈতে নিউয়ৰ্কৰ একাংশ

বাহিৰৰ পৰা দেব বৰাৰ ঘৰটো ডাঙৰ যেন নালাগে। এমহলীয়া 'টাইল' দিয়া ঘৰ এটা যেন লাগে। (পাছতহে গম পালোঁ যে চালখন 'টাইল'ৰ-নহয়, অন্য কিবা নিৰ্মাণ সামগ্ৰীৰহে)। ভিতৰত সোমাইহে গম পোৱা যায় যে কম মাটিকালিৰ ভেটিটোতে সজা ঘৰটোৰ আৰাম দিব পৰা ক্ষমতা তিনি হাজাৰ বৰ্গ ফুট ঠাই দখল কৰা আমাৰ 'বাংলা' ঘৰ এটাৰ সমান । এমহলীয়া যেন লগা ঘৰটোৰ মাটিৰ ওপৰত দুটা মহলা আৰু তলত এটা মহলা । তলৰ মহলাটো বৰ আৰামদায়ক । জহকালি ঠাণ্ডা আৰু জাৰকালি গৰম হৈ থাকে । তাত চেঁচা আৰু গৰম পানী পঠিওৱা আৰু শীততাপ নিয়ন্ত্ৰিত কৰাৰ যন্ত্ৰপাতিবোৰ আছে; লিখাপঢ়া কৰা আৰু শোৱাৰো সুবিধা আছে । পহিলা মহলাটোত দুটা আহল-বহল ড্ৰয়িংৰুম আৰু ৰান্ধনি ঘৰ। দ্বিতীয় মহলাটোত শোৱা, বিশ্ৰাম লোৱা আৰু পঢ়াৰ কোঠা কেইটা আছে । প্ৰত্যেকটো মহলাতে এটা বা দুটা স্নান শৌচাগাৰ বা ''টয়লেট'' আছে । আনবোৰ পশ্চিমীয়া দেশৰ ঘৰবোৰৰ দৰে এই ঘৰটোতো প্ৰতিটো কোঠাতে বেৰলৈকে সংশ্লেষিত পদাৰ্থৰ কাৰ্পেট পৰা আছে ।

পুৱাৰ ৰ'দটো মোৰ কাৰণে বৰ প্ৰখৰ, বেছি উজ্জ্বলো । অসমৰ বাৰ খৰব ৰ'দটোৰ দৰে। কিন্তু ইয়াৰ মানুহে এনে ৰ'দো নোপোৱাই পোৱাদি পাইছে । গাত ৰ'দ লগাই ৰংটো ঈশ্বৰে দিয়া স্বাভাৱিক ৰং এটা কৰিব খুজিছে । মতা-তিৰোতা ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী সকলোৱেই ৰ'দ লৈছে । সকলোৰে মুখত যেন মনোমত বেলিটোৰ ৰেঙনিহে ! এই গ্ৰীষ্ম কালটো হেনো ইয়াত উপভোগৰ সময়; এই আপুৰুগীয়া তিনি মাহ জীৱনক কৃতাৰ্থ কৰাৰ সময় ।

সেইদিনা আছিল ৰবিবাৰ (৭ জুলাই ১৯৯১)। তাৰ মানুহে শনি আৰু ৰবিবাৰৰ গোটেই সময়খিনি নিজকে পাহৰি বেলেগ ধৰণে কটাই দি বাকী পাঁচ দিনৰ পৰিশ্ৰমৰ বাবে দেহমন সজীৱ কৰিবলৈ বিচাৰে। যুৱক-যুৱতী যোৱা পাতি আঁতৰলৈ যায় নিত্য নতুন অভিজ্ঞতাৰ সন্ধানত । বহুতে সময়খিনি দেহচৰ্চাত খৰচ কৰে; বহুতে ভাল লগা কিতাপ কেইখন পঢ়িবলৈ সময় পায় । ইত্যাদি, ইত্যাদি ।

পিছে আমি কৰোঁ কি ? দেব বৰাই মোৰ সময়খিনি লাভজনক কৰাৰ কথা চিন্তা কৰি কয়, ''খুৰা, এতিয়া নিউয়ৰ্কলৈ যাওঁ । সন্ধিয়াৰ আগতে পামহি । বেছি দূৰ নহয় ।''

আমি দুয়োহে যাম । অণুৱে বন্ধৰ দিনত বেলেগ বেলেগ ৰুচিৰ আহাৰ ৰান্ধি ভাল পায় । তেওঁ আমাৰ লগত নাযায় । অৰুণ আৰু বৰুণেও টি.ভিত ভিডিঅ' গেইম চাব ।

পশ্চিমীয়া দেশৰ চহৰসমূহ প্ৰায়ে একে ধৰণৰ। কিন্তু নিউয়ৰ্কৰ কথা সুকীয়া । ই বিশ্বৰ বাণিজ্যিক কেন্দ্ৰ । ৰাষ্ট্ৰসংঘৰ হে'ড কোৱাটাৰ ইয়াতেই । বিশালত্ব, আকাশচুম্বী অট্টালিকাৰ ঘনত্ব, ৰাজপথত কেৱল অগণন যানবাহনৰহে ৰাজত্বই নিউয়ৰ্কক অভিনৱত্ব দান কৰিছে । এইখনেই কেতিয়াও দেখা পাম বুলি নভবা মহানগৰী নিউয়ৰ্ক যাক নদী, অখাত, উপসাগৰ আৰু সাগৰে চৌপাশে ঘেৰি আছে ।

বতৰটো ফৰকাল । এনে এটা বতৰতেই কিজানি নিউয়ৰ্কক আচল ৰূপত বিচাৰি পোৱা যায় । সমতলত মটৰগাড়ীৰ গতিশীল বৰ্ণবৈচিত্ৰ, নীল আকাশৰ তলত স্থপতিৰ অপূৰ্ব নিৰ্দশন আৰু চৌপাশে সুনীল জলৰাশিৰ বিশাল বিস্তৃতি । এইখনেই পোনতে সোমায়েই

বিস্মিত-বিমুগ্ধ হৈ চাই থাকিবলগীয়া মায়ানগৰী নিউয়ৰ্ক। টকিঅ'ৰ হয়তো ইয়াৰ লগত ভালেখিনি মিল আছে । তাকে ইমান দিনে আনৰ মুখে শুনি আছোঁ । কিন্তু নিউয়ৰ্কত সোমালেই ইয়াৰ আন্তৰ্জাতিক চৰিত্ৰই বিশ্বৰ যিকোনো এজন সচেতন নাগৰিকক আকৃষ্ট কৰিব বুলি ধাৰণা ।

নিউয়ৰ্কক চাৰিটা ভাগত পানীয়ে বিভক্ত কৰিছে । পিছে মহানগৰীখনক চাৰিটা দ্বীপৰ সমষ্টি যেন নালাগে । পহিলা দিনাই তিনিটা ভাগত—মানহাট্টান, ব্ৰঞ্চ আৰু ব্ৰুকলিনত—ঘূৰিয়েই মোৰ এনে ভাব হ'ল । কাৰণ প্ৰতিটো ভাগক ভালেমান ঠাইত সুদীৰ্ঘ সেতু আৰু নদী-সাগৰ-অখাতৰ তলেদি যোৱা সুৰংগই সংলগ্ন কৰিছে ।

নিউয়ৰ্কত অলপ সময় ঘূৰিয়েই মানুহৰ উদ্ভাৱনী শক্তি নিৰ্মাণ-কাৰ্য জড়িত প্ৰযুক্তি কৌশল আৰু স্থাপত্য প্ৰতিভাৰ প্ৰমাণ পোৱা যায় ।

সেইদিনা ৰবিবাৰ আছিল বাবে বাটত মানুহ কম, যানবাহনৰ ভিৰো কম । কিন্তু বাটৰ কাষত এইবোৰ ঘৰ নহয় যেন কিছুমান বিৰাট কায়াৰ মহাৰণ্যহে । একেটা দিনতে দিন আৰু ৰাতিৰ নিউয়ৰ্ক দেখি মই ভাবিছিলোঁ ঃ ইয়াত দেখোন মানুহ নেদেখি; কেৱল ঘৰ আৰু মটৰ গাড়ীবোৰহে চকুত পৰে। ৰাষ্ট্ৰসংঘৰ এই বহুমহলীয়া ঘৰটোৰ চতুৰ্থ মহলাৰ পৰা তললৈ চাই মোৰ এনে লাগিছে, যেন এইখন আজব মায়াপুৰীৰ অধিবাসী এই বিচিত্ৰ মটৰ গাড়ীবোৰহে আৰু অট্টালিকাবোৰ যেন ইহঁতৰ থকা ঠাই । ৰাতি আৰু আচৰিত লাগিছে । এইখন যেন দৈত্যৰ ৰাজ্য । আকাশলৈ বেঙা মেলি থকা বিৰাট অট্টালিকাবোৰ যেন একো একোটা দৈত্যহে আৰু পোহৰ হৈ থকা খিৰিকিবোৰ যেন দৈত্যৰ চকু; তলত ঘূৰি ফুৰা মটৰ গাড়ীবোৰ যেন সিহঁতৰ উমলি ফুৰা ল'ৰা-ছোৱালীহে !

আমি পশ্চিম ফালৰ পৰা নিউয়ৰ্ক সোমাওঁতে হাডছন নদীৰ তলেদি থকা এটা চাৰি-পাঁচ মাইলমান দীঘল সুৰংগৰ মাজেদি আহিবলগীয়া হৈছিল । উভতি আহিছিলো নিউয়ৰ্ক অখাতৰ তলেদি থকা সুৰংগইদি । এনেকুৱা দীঘল আৰু যথেষ্ট বহল সুৰংগ সেই ঠাইত কেইবাটাও আছে । বোধকৰোঁ সকলো দিশৰ পৰা নিউয়ৰ্কলৈ আহিবৰ কাৰণেই ।

অসংখ্য বিজুলী বাতিয়ে সুৰংগৰ ভিতৰখন ৰম্যপুৰী কৰি ৰাখিছে । এদিশে সমান্তৰালভাৱে দুখনকৈ গাড়ী যাব পাৰে। সেইদৰে বিপৰীত দিশেও । মহানগৰীত ওলাবলৈ লাগে শূন্যতে ওলমি থকা তীখাৰে নিৰ্মিত ৰাস্তাৰেহে ।

নিউয়ৰ্ক অট্টালিকাৰ অৰণ্য; 'কংক্ৰিট' আৰু 'গ্লাছ'ৰ কাৰুকাৰ্যখচিত অৰণ্য । ইয়াত কোনোটো অট্টালিকাই পঁচিছ-ত্ৰিছ মহলাতকৈ কম নহয় । একোটা অট্টালিকা ইমান ওখ যে চাওঁতে ডিঙিটো ধেনুভিৰীয়া হৈ মূৰৰ পিছ ফালটো পিঠিত লাগিব খোজে । পেন এমেৰিকান বিল্ডিং, ৰাষ্ট্ৰসংঘৰ অট্টালিকাবোৰ আৰু ৰাষ্ট্ৰসংঘৰ ওচৰত থকা দূতাবাস আৰু বাণিজ্যিক কাৰ্যালয় থকা অট্টালিকাবোৰত কিমান মহলা আছে ৰাস্তাত থিয় হৈ সেয়া গণ্তি কৰাটো টান হৈ পৰে।

এইবোৰ নতুন প্ৰযুক্তি খটুৱাই আধুনিক স্থাপত্যৰিদ্যাৰ আৰ্হিৰে নিৰ্মাণ কৰা অট্টালিকা, যাক এনেদৰে নিৰ্মাণ কৰিবলগীয়া হৈছে আধুনিক প্ৰয়োজনীয়তা অনুসৰিহে । এই স্থাপত্যৰ গ'থিক স্থাপত্যৰ লগত মিল নাই । বোম্বাইৰ তাজ হোটেলৰ লগত কাষতে থকা তাজ ইণ্টাৰ কণ্টিনেণ্টেলৰ মিল নথকাৰ দৰেই । এয়া হ'ল, লোহা-কাচ জড়িত স্থাপত্য—যাৰ জন্মদাতা হ'ল এজন ফৰাছী স্থপতি । এইজন লোকেই ধুনীয়া মহানগৰ চণ্ডীগড়ৰ সৃষ্টিকৰ্তা । নাম লা ক্ৰুবইজাৰ। এইবিধ স্থাপত্যৰো নানান বৈচিত্ৰ আছে বুলি নিউয়ৰ্কৰ অট্টালিকাবোৰ দেখিলেই সহজে অনুমান কৰিব পাৰি। প্ৰত্যেকটো অট্টালিকাৰ ব্যৱহাৰিক মূল্যও যথেষ্ট । অধিক বসতিৰ আৰু অধিক সংখ্যক কাৰ্যালয় ধৰাৰ ক্ষমতা থকা অট্টালিকাৰ সুপৰিকল্পিত বিৰাটত্বই নিজস্ব গৰিমাৰে ৰাজোচিত কৰি তুলিছে । এটা অট্টালিকাৰ কাৰুকাৰ্য আনটোৰ লগত নিমিলে । প্ৰতিটো অট্টালিকাৰেই নিজস্ব ব্যক্তিত্ব আছে । এই ব্যক্তিত্ব হয়তো স্থপতি শিল্পীজনৰো ।

ইষ্ট নদীৰ পাৰতে থকা ৰাষ্ট্ৰসংঘৰ সুৰম্য প্ৰাসাদৰাজিয়ে নিউয়ৰ্কৰ ৰূপতে ৰহন চৰাইছে । একাষে এখন ফুলনিও আছে । ৰবিবাৰ কাৰণে দৰ্শকৰ সংখ্যা আন দিনাতকৈ বেছি । বেছি ভাগ দৰ্শকেই ইউৰোপ আৰু দক্ষিণ-পশ্চিম এছিয়াৰ পৰা অহা যেন লাগিল । আমি ৰাষ্ট্ৰসংঘৰ সমুখত আলোক চিত্ৰহে ল'লো । ভিতৰলৈ সোমাৱা নহ'ল । মাত্ৰ অভ্যৰ্থনা-গৃহত এপাক মাৰিবলৈ সময় হ'ল । সেই দিনটোত আমাৰ ৰাষ্ট্ৰসংঘৰ ভিতৰখন চোৱাৰ পৰিকল্পনা নাছিল । গতিকে আমি আন ঠাইলৈ আহিলো । ষ্টক বিনিময় কেন্দ্ৰ আৰু অন্যান্য বাণিজ্যিক কেন্দ্ৰৰ কাৰণে বিখ্যাত ৱালষ্ট্ৰিট আৰু নাট্যাভিনয়ৰ কাৰণে বিখ্যাত ব্ৰডৱে' পোৱাৰ আগতে এঠাইত ৰঙা পোহৰৰ নিৰ্দেশত আমাৰ গাড়ীখন ৰখাবলগীয়া হ'ল । এনে সময়তে কেইটামান আফ্ৰিকীয় আমেৰিকানে (নিগ্ৰো বুলি আজিকালি ক'লে বিপদ) নোসোধা-নোপোচাকৈ আমাৰ অকণো ধূলিমাকতি নথকা গাড়ীখন মচিবলৈ ধৰিলে । প্ৰকাণ্ড ভয়াবহ চেহেৰাৰ মানুহ । পিন্ধিছে জিন'ৰ হাফপেণ্ট আৰু হাতকটা গেঞ্জি । আঁতৰত দুজনীমান ছোৱালীয়ে খিলখিলকৈ হাঁহি আমাৰ ফালে চাই আছে । সিহঁতৰ বেশভূষাত যৌন-আবেদনৰ নিৰ্লজ্জতা ।

দেবই ক'লে, "জেগা ডোখৰ সুবিধাৰ নহয় ।"

মই ক'লো, "মানুহকেইটা একবাৰে যমদূত । 'কীৰ্তন'ত শংকৰদেৱে বৰ্ণোৱাৰ দৰে ঃ কৃষ্ণ বৰ্ণ কায়, দেখি জীউ যায়, হাতত লোহাৰ দাং...... ।

দেবই সিহঁতক দুই ডলাৰ দিলে । নিদিলেও বিপদ । সিহঁতে হেনো ঢকিয়াই গাড়ীৰ খিৰিকি ভাঙি দিব পাৰে। ৰাতি হ'লে হেনো সিহঁতে 'ড্ৰাগ' কিনিবৰ বাবে পোন্ধৰ-বিছ ডলাৰ বিচাৰিব পাৰে। নিদিলে ছুৰী মাৰিব পাৰে, গুলীয়াবও পাৰে। নিউয়ৰ্কত বহুত ধৰণৰ অপৰাধমূলক কাৰ্য দিনে-নিশাই চলি আছে । মানহাট্টানৰ হাৰ্লেম আৰু দক্ষিণ ব্ৰঞ্চত এনেঘটনা আটাইতকৈ বেছি । সেই পাতাল জীৱনৰ কথা পাছত ক'ম বুলি ভাবিছোঁ ।

আমাৰ গাড়ী এতিয়া ৱালষ্ট্ৰিটত । তেতিয়া দালালৰ আৰু কোটি-ডলাৰ-ধন্য ব্যৱসায়ীৰ খদমদম নাছিল । দেওবাৰ কাৰণেই । দেওবাৰবোৰ আমোদ আৰু বিশ্ৰামৰ দিন । এৰা, বেপাৰীকো এই দুটা বস্তু লাগে। দেওবাৰে ৱালষ্ট্ৰিটো উৰুঙা । বাহি বিয়াৰ ৰভাঘৰৰ দৰেই ।

কিন্তু ব্ৰডৱে' সোমায়েই প্ৰাণৰ উচ্ছ্বাস অনুভৱ কৰিলো । তাত কলামোদী আৰু চিত্তবিনোদনান্বেষীৰ ভিৰ। ব্ৰডৱে'ত কেৱল নাটঘৰহে আছে বুলি ভাবিছিলোঁ; কিন্তু তাত ছবিঘৰো আছে আৰু নিশাৰ জীৱন ৰঞ্জিত কৰিব পৰা আন বিধ-বিধ ব্যৱস্থাও আছে । নাটঘৰবোৰ বাহিৰৰ পৰা ছবিঘৰ যেন লাগে। বাহিৰৰ বিজ্ঞাপনবোৰো চলচ্চিত্ৰৰনে নাট্যাভিনয়ৰ তাকো ধৰিব নোৱাৰি। দেবই কওঁতেহে ধৰিব পাৰিলো । তাৰ এটা নাটঘৰত 'কেট' নামৰ নাটকখন বহু সপ্তাহ ধৰি চলি আছিল । এই নাটকখনে হেনো চাঞ্চল্যৰ সৃষ্টি কৰিছিল । মোৰ, তেতিয়াহে ভাবিবলৈ সমল ওলাইছিল । তাৰ একোটা নাটঘৰতে একালত এডৱাৰ্ড এলবিৰ Whc Is Afraid of Virginia Wolf, টেনেছি উইলিয়ামছৰ A Street Car Named Desire আৰু A Cat on a Hot Tin Roof, আৰু শান্তা ৰামা ৰাও পৰিচালিত A Passage to India-ই চাঞ্চল্যৰ সৃষ্টি কৰিছিল । Oh Calcutta নামৰ বিতৰ্কমূলক নাটকখনো নিশ্চয় ব্ৰডৱে'ৰে এক অভূতপূৰ্ণ বাণিজ্যিক উদ্ভাৱনা আছিল ।

কিন্তু মোৰ আকৌ এনেহে লাগিছিল, মই যেন এতিয়া আমেৰিকাৰ মহান নাট্যপৰম্পৰাৰ মুখামুখি হৈছোঁ । মই নিজকে ধন্য মানিছোঁ । ব্ৰডৱে'ৰ নাট্য-প্ৰযোজকসকলে কেৱল লাভৰ বাবেই নাট একোখন প্ৰযোজনা নকৰে। তেওঁলোকে নাট্য আন্দোলনৰ প্ৰতিও প্ৰচুৰ আবেদন আগবঢ়াইছে । মই জানো যে দুই-তিনি হাজাৰবাৰ অভিনীত হোৱা নাটকো ব্ৰডৱে'ৰ কলাকুশলতা আৰু পৰীক্ষা-নিৰীক্ষাৰেই নিদৰ্শন । যেনে Tobacco Road, Life With Father, Barefoot in the Park, Angel Street আৰু Cactus Flower ।

ব্ৰডৱে'ষ্ট্ৰিটটো মোৰ এৰিবলৈ ইচ্ছা নাছিল । নাট্য ভাবনাই মোক নিজকে পাহৰাই ৰাখিছিল । কিন্তু সময় নাই ।

৪৪ পৃষ্ঠাত চাওক



# সত্ৰীয়া নৃত্য আৰু এগৰাকী অষ্ট্ৰেলিয়ান যুৱতী

উৎপল দত্ত



গুৱাহাটীত মাজে-সময়ে দুই-এক বিদেশীক লগ পোৱাটো এটা সময়ত স্বাভাৱিক কথা আছিল । অসম ভ্ৰমণ কৰাৰ বাবে বিদেশী পৰ্য্যটকে যি বিশেষ অনুমতি-পত্ৰ সংগ্ৰহ কৰিবলগীয়া হয়, তাৰ জ্বালাময় প্ৰক্ৰিয়াৰ বাবেই এতিয়া অসমত বিদেশী পৰ্যটকৰ সংখ্যা কমি গৈছে । অসমৰ বাহিৰত কেইবাবাৰো ভালেকেইজন বিদেশী ভ্ৰমণকাৰীক লগ পাইছিলোঁ,—যিসকলক অসমৰ অৰণ্য আৰু বন্যপ্ৰাণীয়ে আকৰ্ষণ কৰি আছিল । যোৱা বছৰ অসমলৈ আহিব খুজি প্ৰবেশৰ অনুমতি নাপাই আন্দামানলৈ যোৱা জাৰ্মান পৰ্যটক এহালক লগ পোৱাৰ অভিজ্ঞতা হৈছিল ।

কিন্তু, দুদিনমানৰ আগতে গুৱাহাটীত যিগৰাকী স্বৰ্ণকেশী অষ্ট্ৰেলিয়ান যুৱতীক লগ পাইছিলোঁ তেওঁক অসমলৈ আকৰ্ষণ কৰি অনা সামগ্ৰীবিধ এশিঙীয়া গঁড় অথবা সেউজ অৰণ্য নাছিল । আছিল, এতিয়াও অৱহেলাৰ বা চৰ্চাৰ অযোগ্য বুলি পৰিগণিত হৈ থকা সত্ৰীয়া নৃত্যহে । এই স্বৰ্ণকেশীৰ নাম শিলা গথৰ্ন (SHELLA GAWTHORNE) ।



পুষ্পা ভূঞা আৰু লেখকৰ সৈতে শিলা গথৰ্ন

ত্ৰিছৰ দেওনা গৰকা, মিষ্টভাষী শিলা অষ্ট্ৰেলিয়াৰ অৰমন্দ নামৰ এখন ঠাইৰ নৃত্যশিল্পী । পোন্ধৰ বছৰ আগৰ এটি সুন্দৰ ৰাতিপুৱা তেওঁ ভাৰতীয় নৃত্যৰ প্ৰতি আগ্ৰহী হৈ পৰিছিল আৰু নৃত্য শিকাৰ বাবে আহি ভাৰত পাইছিলহি । তেওঁ আহি নামিছিল মাদ্ৰাজত আৰু তাতেই লগ পাইছিল পুষ্পা ভূঞাক । পুষ্পা ভূঞাৰ পৰা তেওঁ শিকিছিল ভৰত নাট্যম নৃত্য । আৰু শিকিছিল মণিপুৰী আৰু কথক নৃত্য ।

১৯৮০ চনত অৰমন্দত প্ৰতিষ্ঠা কৰা হয় নৃত্য-শিক্ষাৰ অনুষ্ঠান 'পুষ্পাঞ্জলি ডেন্স স্কুল'। প্ৰথম অৱস্থাত পুষ্পা ভূঞাই নিজে গৈ তাত নৃত্যৰ পাঠদান কৰিছিল । এতিয়া শ্ৰীমতী ভূঞাৰ কন্যাই সেই দায়িত্ব পালন কৰে। স্কুলৰ অন্য দায়িত্ব আৰু পাঠদান পৰিচালনা কৰে শিলা গথৰ্নে । এই স্কুলতে শিক্ষা লাভ কৰা আন অষ্ট্ৰেলিয়ান যুৱতীয়েও এতিয়া নৃত্যৰ প্ৰশিক্ষণ দিয়ে ।

মাদ্ৰাজৰ পৰা অসমলৈ ঘূৰি আহি পুষ্পা ভূঞাই সত্ৰীয়া নৃত্যক নতুন ৰূপত সজোৱাৰ কামত আত্মনিয়োগ কৰিলে । এই কামে শিলাক সত্ৰীয়া নৃত্য শিকিবলৈ আগ্ৰহী কৰি তুলিলে । নৃত্য শিকাৰ বাবেই শিলা আহি গুৱাহাটী পাইছিল আৰু তাতেই তেওঁক লগ পাইছিলো ।

ঃ নৃত্য আপোনাৰ পূৰ্ণ সময়ৰ জীৱিকানে ?

ঃ নহয় ।

ঃ আপোনাৰ পূৰ্ণ সময়ৰ জীৱিকা কি ?

ঃ মই স্কুল এখনত ইংৰাজী শিকাওঁ ।

ঃ অষ্ট্ৰেলিয়াৰ ইংৰাজীত কোন বিধ ইংৰাজীৰ প্ৰভাৱ বেছি, বৃটিছ ইংৰাজী নে আমেৰিকান ইংৰাজী ?

ঃ শিক্ষাৰ দিশৰ পৰা বৃটিছ ইংৰাজী । কিন্তু আমেৰিকান ছবি, কিতাপ আদিৰ সহজলভ্যতাৰ বাবে আমেৰিকান ইংৰাজীয়ে বেছি প্ৰসাৰ লাভ কৰিছে । অৱশ্যে এইটো অকল অষ্ট্ৰেলিয়াৰেই অৱস্থা নহয়, পৃথিৱীৰ বহুদেশৰ সমস্যা ।

ঃ আপুনি সত্ৰীয়া নৃত্যৰ প্ৰতি আগ্ৰহী কেনেকৈ হ'ল ?

ঃ ঠিক সত্ৰীয়া বুলি নহয়, ভাৰতীয় নৃত্যৰ প্ৰতিয়েই মই প্ৰথমে আগ্ৰহী হৈ উঠিছিলোঁ । আৰু অষ্ট্ৰেলিয়াত থাকোঁতেই মই ভৰত নাট্যমৰ বিষয়ে পঢ়িবলৈ পাইছিলোঁ । নৃত্য শিকাৰ বাবে ভাৰতলৈ আহি পুষ্পা ভূঞাক লগ পোৱাৰ পাছতহে সত্ৰীয়া নৃত্যৰ বিষয়ে জনাৰ সুবিধা পাওঁ । আৰু তেখেতৰ সান্নিধ্যৰ বাবেই মই সত্ৰীয়া নৃত্যৰ প্ৰতি আকৃষ্ট হৈ পৰোঁ ।

ঃ সত্ৰীয়া নৃত্যৰ কি কি বিশেষত্বই আপোনাৰ আগ্ৰহ বৃদ্ধি কৰিছিল ?

ঃ সত্ৰীয়া নৃত্যৰ বিষয়ে মই পূৰ্বতে একোৱেই নাজানিছিলোঁ । গতিকে এই নৃত্যৰ শিক্ষাই মোৰ বাবে আবিষ্কাৰৰ আনন্দ আৰু উত্তেজনা কঢ়িয়াই আনিছিল । আন ভাৰতীয় নৃত্যৰ পৰা এইবিধ নৃত্য ভালেখিনি পৃথক । সত্ৰীয়া নৃত্যৰ অভিনয় অংশইও মোক আকৰ্ষণ কৰে।

ঃ এই নৃত্যক লৈ আপোনাৰ ভৱিষ্যৎ পৰিকল্পনা ?

ঃ এতিয়াতো মই ছাত্ৰী । অৱশ্যে মই আজীৱন ছাত্ৰী হৈয়েই থাকিব খোজোঁ । তথাপিতো কিছু শিকাৰ পাছত মই অষ্ট্ৰেলিয়াত এই নৃত্য অইনকো শিকাম বুলি আশা ৰাখিছোঁ ।

ঃ সত্ৰীয়া নৃত্য শিকা ছাত্ৰী অষ্ট্ৰেলিয়াত পাবনে ?

ঃ নিশ্চয় । এতিয়া আমাৰ নৃত্যৰ স্কুলত ষাঠীগৰাকী ছাত্ৰী আছে । তাৰে প্ৰত্যেকেই সত্ৰীয়া নৃত্য শিকাৰ বাবে আগ্ৰহী হ'বই । আমাৰ ছাত্ৰীৰ সংখ্যা প্ৰতি বছৰে বৃদ্ধি পাই গৈ আছে । গতিকে মই আশাবাদী ।

ঃ অলপ আগতে আপুনি আমেৰিকান কালচাৰৰ প্ৰভাৱৰ কথা কৈছিল । এই প্ৰভাৱৰ প্ৰতিক্ৰিয়াও নিশ্চয় থাকিব ?

ঃ আমেৰিকান কালচাৰ মূলতঃ পপ কালচাৰ । পপ কালচাৰৰ বিপৰীতে ধ্ৰুপদী সংস্কৃতিৰ চৰ্চা প্ৰতি দেশতে চলি আহিছে আৰু চলি থাকিবই । পপ কালচাৰৰ প্ৰতি মোহভংগ হোৱাৰ পাছত মানুহে ধ্ৰুপদী কালচাৰৰ সন্ধান কৰিবই ।

ঃ অসমলৈ এয়া আপোনাৰ প্ৰথম আগমননে ?

ঃ হয় ।

ঃ অসমখন কেনে লাগিছে ?

ঃ ভাল । খুব ভাল । অহা বছৰ মই পুনৰ আহিম ।

ঃ ভাৰতীয় চিনেমা চায়নে ?

ঃ চাইছোঁ । নাচ-গান থকা দক্ষিণ ভাৰতীয় ছবি কেইখনমান চাইছিলোঁ । ভাল লাগিছিল । আৰু চাইছিলোঁ গ্ৰেট সত্যজিৎ ৰায়ৰ 'ঘৰে-বাইৰে' আৰু 'সতৰঞ্জ কি খিলাড়ী' । এই দুয়োখন ছবিয়েই মোৰ বাবে 'ইউনিক এক্সপিৰিয়েন্স' আছিল । বিশেষকৈ 'সতৰঞ্জ কি খিলাড়ী'ৰ কথক নৃত্যাংশ ।

ঃ অষ্ট্ৰেলিয়াৰ অৰ্থনীতিত বিদেশী লোকৰ প্ৰভাৱ কেনে ?

ঃ কিছুদিন আগলৈকে অষ্ট্ৰেলিয়াত বিদেশীৰ প্ৰৱেশৰ নিয়ন কানুন বৰ শিথিল আছিল । তেতিয়াই যথেষ্ট সংখ্যক বিদেশীলোকক অষ্ট্ৰেলিয়াই আকৰ্ষণ কৰিছিল । এই বিদেশী লোকসকলৰ অধিকাংশই বাণিজ্যৰ লগত জড়িত । এতিয়া অৱশ্যে বিদেশীৰ বসবাসৰ নিয়ম কিছু কঠিন কৰা হৈছে এই প্ৰভাৱ কমোৱাৰ বাবে । কোনো মানুহেই নিজ দেশত বিদেশীৰ অধিক অংশগ্ৰহণ সহ্য কৰিব নোৱাৰে । দুই জাৰ্মানি এক হোৱাৰ পাছত আজি জাৰ্মানিতো বিদেশী বাসিন্দাৰ বিৰুদ্ধে জনমতৰ সৃষ্টি হৈছে । 'জাৰ্মানি ফৰ জাৰ্মান' শ্ল'গানে জাৰ্মানিৰ বতাহ কঁপাই তুলিছে । এইতো অতি স্বাভাৱিক পৰিণতি ।

প্ৰশ্নোত্তৰ আৰ্হিত সজোৱা এই কথোপকথন নীৰস যেন লাগিলেও আচল কথা-বতৰাৰ সময়ত সেয়া হোৱা নাছিল । আমি বহুসময় কথা পাতিছিলোঁ যদিও কথা-বতৰাবোৰ আছিল খণ্ডিত । শিলাৰ উচ্ছল হাঁহি আৰু মধুৰ কণ্ঠ আছিল আলাপৰ প্ৰাণ ।

শিলাক প্ৰথম দেখাৰ লগে-লগেই এটি প্ৰশ্ন স্বাভাৱিকভাৱে মোৰ জিভাৰ আগলৈ আহিছিল । বিদায় লোৱাৰ সময়ত সেই প্ৰশ্নটো কৰিছিলোঁ—

ঃ আপুনি বিবাহিত ?

ঃ নহয় ।

ঃ এন্‌গেজড্‌ ?

সোণালী চুলিকোচা কঁপি যোৱাকৈ হাঁহি শিলাই উত্তৰ দিছিল— এতিয়ালৈকে নহয় ।

SHEILA GAWTHORNE
26 NEWHAM GROVE
ORMOND, VICTORIA
AUSTRALIA.






ৰাতিলৈ বিহাৰী বনুৱাবোৰে কীৰ্তন গোৱা আৰম্ভ কৰিলে । ওৰে নিশা কীৰ্তনৰ মাতে ন-গজালি গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ এটা সৰহ পৰিৱেশৰ সৃষ্টি কৰিলে । আচৰিত কথা, তেনে এটা অনুষ্ঠানত আগভাগ ল'লে কণ্ঠিৰামে ।

শৰ্মা মহাজনৰ দোকানত, বেবেজিয়া গাঁৱৰ সৰুকণ বড়াৰ ডাকঘৰত সদায় নিজামুদ্দিন আৰু কণ্ঠিৰাম সম্পৰ্কে আলোচনা হ'বলৈ ধৰিলে । সেই বছৰতে পঞ্চায়ত নিৰ্বাচনৰ কথা ওলাল । প্ৰথমে খবৰটো পালে কণ্ঠিৰামে । সি প্ৰথমে খবৰটো পোৱাৰ কাৰণ আছে । পৰজেক্ট অফিছাৰ খাউণ্ড এতিয়া কণ্ঠিৰামৰ সোঁহাত স্বৰূপ। খাউণ্ড চাহাবে কণ্ঠিৰামক বুজালে,—"গাঁওখনৰ এজনক সভাপতি কৰা হ'ব । ধৰা, এতিয়া ন-গজালি গাঁৱৰ পৰা এজন সভাপতি হ'ব । যদি সভাপতি হ'বৰ বাবে গাঁৱৰে দুজন মানুহ ওলায়, তেতিয়া গাঁওখনৰ মানুহবোৰ এঠাইত গোট খাব । তাতে সভাপতি হ'ব খোজা মানুহ দুজনো থাকিব । তেওঁলোক দুঠাইত থিয় হৈ থাকিব । এতিয়া, যাৰ যিজনৰ ফালে থিয় হ'বৰ মন যায় তাতে থিয় হ'ব । ধৰা, তোমাৰ ওচৰত থিয় হ'ল পাঁচজন, কিন্তু দুৰ্যোধনৰ ওচৰত থিয় হ'ল আঠজন । তেতিয়া তুমি হাৰিবা, দুৰ্যোধন জিকিব ।"

খাউণ্ডে কথাটো ক'বলৈহে পালে, কণ্ঠিয়ে লগে-লগে ক'লে,—"বাৰু, দৰকাৰ পৰিলে মই হিতেশ্বৰ মাষ্টৰক আনিম ।"


অংকন ঃ ৰবীন বৰুৱা

# বাহাৰউদ্দিন এখন গাঁৱৰ নাম

লক্ষী দত্ত

তেৰ

"তেনেকৈ নহ'ব ।" খাউণ্ডে ক'লে,—"কাৰণ হিতেশ্বৰ হ'ল বেবেজিয়া গাঁৱৰ । তুমি তোমাৰ নিজৰ গাঁৱৰ মানুহখিনিৰেহে প্ৰমাণ কৰিব লাগিব যে তোমাৰববীয়া মানুহ বেছি আছে ।"

কণ্ঠিৰাম চিন্তাত পৰিল । "বাৰু বাবু, আমাৰ কণপাই, চামৰাহঁত মোৰফালে হ'ব নোৱাৰিবনে ?"

খাউণ্ড চাহাবে কণ্ঠিৰামৰ চিন্তা দেখি হাঁহি-হাঁহি ক'লে, "বাৰু হ'ব । তুমি ইমান চিন্তা কৰিব নালাগে । সকলো সুবিধা কৰি দিব পৰা হ'ব । তোমাৰ ল'ৰা কণপাই এতিয়া ভোট দিব পৰা হোৱা নাই । প্ৰথমে তুমি বুজি লোৱা—আৰু কোনে সভাপতি হ'ব খুজিছে । যদি এজনেও সভাপতি হ'বৰ ইচ্ছা নকৰে তেতিয়াতো তুমি জিকিবাই ।"

কণ্ঠিৰাম কামত লাগিল । সি বজ্ৰং মহাজনৰ দোকানত খবৰ কৰি জানিব পাৰিলে,—নৰকান্ত সভাপতি পদৰ বাবে উঠিব ।

খবৰটো সি লগে-লগে খাউণ্ড চাহাবক দিলেহি । খাউণ্ড চাহাবে কণ্ঠিৰামক আশ্বাস দিলে,—"তুমি চিন্তা নকৰিবা ।"

কণ্ঠিৰাম খাউণ্ড চাহাবৰ ঘৰৰপৰা বাহিৰে বাহিৰে নিজামুদ্দিনৰ ইটাভটাৰ গাতে লাগি থকা চাউনিত সোমাল । নিজামুদ্দিনে তেতিয়া দুজনী বনুৱা গাভৰু ছোৱালীৰ লগত ধেমালি কৰি আছিল । কণ্ঠিৰামক দেখি সি ক'লে,—"আহ কণ্ঠি । কাম নাই কাৰণে এই কেইজনীৰ সৈতে চুপতি মাৰি আছোঁ ।"

কণ্ঠি বহিল । "এটা কথা হ'ল, বৰ ডাঙৰ চিন্তা লাগিছে । নৰকান্তই পঞ্চায়তৰ সভাপতি হ'ব খুজিছে । এতিয়া তাক হৰুৱাব কেনেকৈ পাৰি ?"

"চিন্তাই নকৰিবা । বজ্ৰং মহাজনৰ চুৰিৰ ঘটনাটোত গাঁওখনৰ তিনিটা ডেকাক গ্ৰেপ্তাৰ কৰিছে নহয় । ইপিনে চিপাহীটো তোমাৰ বোলে শালপতি । তুমি আজিয়েই তাক লগ ধৰি কে'ছটো ফুটফাছ কৰি দিয়া । কিন্তু তাৰ আগতে সিহঁতক ক'বা, কে'ছটো নাইকিয়া কৰিম হয়, কিন্তু ভোট দিব লাগিব মোক ।"

কণ্ঠিৰামে পাছদিনা পুলিছ থানা পালেগৈ । দাৰোগা বাবুজনে ৰ'দ লৈ আছিল । কণ্ঠিৰামে তেওঁক চালাম এটা দিলে । আৰু আঁৰ চকুৰে মিতিৰ চিপাহীজন আছে নে নাই চালে । দেখিলে—চাৰিজন চিপাহীয়ে কেৰম খেলিছে । দাৰোগা বাবুক সি আকৌ এটা চালাম দি চিপাহীহঁতৰ ওচৰলৈ গ'ল । খেলখনৰ পৰা দূৰৈত খুব গোপনে মিতিৰ চিপাহীজনৰ সৈতে সি কথা পাতিলে । চিপাহীজনে ক'লে,—"হৈ যাব, চিন্তা নকৰিবা ।"

কণ্ঠিৰামে সেইদিনা গধূলিপৰত দুৰ্যোধনহঁতৰ গাঁৱত টংক, প্ৰভাত, নন্দহঁতক লগ ধৰি কথাবোৰ ক'লে । সিহঁতে তাৰ কথাত হয়ভৰ দিলে ।

কেইদিনমানৰ পাছতে বজ্ৰং মহাজনৰ দোকানৰ চুৰি কে'ছৰ পৰা টংক, প্ৰভাত আৰু নন্দ মুকলি হ'ল ।

ভোটৰ আগদিনা বাহাৰউদ্দিন আৰু আঘোণা আহিছিল । কণ্ঠিৰামে সিহঁত দুটাক ইমানদিনে ভোটত উঠিব খোজা কথাটো কোৱা নাছিল । আজি সি ক'লে,—"আঘোণা, তহঁতে কাইলৈ পুৱাতে উঠি মানুহখিনিক নিবি । দুৰ্যোধনহঁতৰ গাঁৱৰ টংক, প্ৰভাত, নন্দহঁতৰ দেউতাকক লগত লৈ পৰজেক অফিছলৈ আহিবি ।"

আঘোণা আৰু বাহাৰউদ্দিন চুপ হৈ ৰ'ল ।

"কি হ'ল ? একো নক'লি যে !"

বাহাৰউদ্দিনে ক'লে, "এটা কথা কণ্ঠি, তই যে টংকহঁতক চুৰিৰ ঘটনাটোৰপৰা

সকলোৱে আনিলি, সেইটো ভাল কাম হ'ল জানো ?"

কঠিয়ে—"ভাল-বেয়া পাছত হ'ব"—বুলি কোৱাত বাহাৰউদ্দিনে আকৌ ক'লে,—"চোৰক উচটাই দিলে সিহঁতে চলহে পাব !"

"চল পাবলৈ কিটো আছে ? সিহঁতে তোৰ ঘৰত চুৰ কৰিবলৈ নাহে নহয় !" কঠিয়ে টপৰাই উত্তৰ দিলে । বাহাৰউদ্দিন জীৱনত প্ৰথমবাৰৰ বাবে কঠিৰ কথাত আচৰিত হ'ল । কঠি বহুত সলনি হ'ল । সি গাঁওখনকে পাহৰি পেলালে ।

## চৈধ্য

নিজামুদ্দিনৰ ইটা-ভটাৰ চিমনিটোৰ ধোঁৱাবোৰে ন-গজালি গাঁৱৰ আকাশখন মাজে-মাজে আন্ধাৰ কৰি পেলায় । বহু দূৰলৈ ধোঁৱাবোৰ উৰি যায় । কঠিৰামৰ চৰকাৰী সস্তীয়া বস্তুৰ দোকানৰ চেনিৰ বস্তাৰ ওপৰত কেউফালে কোদো-বৰল উৰি ফুৰে। বাহাৰউদ্দিনৰ কাগৰপৰা উৰি অহা সুগন্ধ তাৰ চাৰিওকাষৰ বতাহত বিয়পি থাকে ।

কঠিৰামক এতিয়া আৰু কি লাগে ?

পিৰালিৰ কাষতে থকা কুকুৰাৰ গৰালটোৰ ওচৰত থিয় হৈ বাহাৰউদ্দিনে একমনে কথাবোৰ ভাবে ।

কঠিৰামে জীৱনত এতিয়া সকলো পালে । ধন, সুখ, সমাজৰ অধিকাৰ। অথচ এদিন কঠি আছিল কেৱল গাঁৱৰ সুখ আৰু শান্তিৰ অংশীদাৰ। বাহাৰউদ্দিনৰ জীৱন, সিহঁতৰ পৰিয়াল, সিহঁতৰ পাৰিপাৰ্শ্বিকতা, সকলোতে আছিল গ্ৰাম্য জীৱনৰ এক নিভাঁজ প্ৰাণ। এতিয়া লাহে লাহে সেইবোৰ সলনি হৈ গ'ল । কোনে সলনি কৰিলে ? সি যেন আছিল সুদূৰ বিহাৰৰ পৰা আহি, আঘোণা-কঠিৰামৰ জীৱনৰ সৈতে মিলি যোৱা এটা প্ৰবাহ ? কিন্তু কোনো কাৰণ নোহোৱাকৈ ক'ত জানো সোঁতটো সলনি হৈ গ'ল ! বাহাৰউদ্দিনে অকলশৰে আঘোণা আৰু কঠিৰামৰ মাজত থাকি এটা সংগসুখ লাভ কৰিছিল । সি নিজৰ পত্নীৰ কথাও পাহৰিব পাৰিছিল ।

গৰালটোত মুৰ্গীবোৰে কুৰকুৰ কৰি আছিল । কুঁজা হৈ বাহাৰউদ্দিনে গৰালৰ মুখখন খুলি দিয়াৰ লগে লগে মুৰ্গীবোৰে দৌৰ মাৰি তাক বেৰি ধৰিলে । লুঙীখন কোচাই আঁঠুলৈকে তুলি সি মুৰ্গী জাকটোৰ মাজত ধান ছটিয়াই দিলে । মুৰ্গীবোৰে এতিয়া বাহাৰউদ্দিনলৈ ভয় নকৰে। এদিন ভীমকান্তই আহি হঠাতে বাহাৰউদ্দিনক কৈছিলহি, "বাহাৰ, তই গাঁওখনৰ জাতটোকে সলনি কৰি দিলি !"

বাহাৰউদ্দিনে আচৰিত হৈ সুধিছিল,—"কেনেকৈ ?"

ভীমকান্তই প্ৰায় উত্তেজিত হৈ কৈছিল, "কেনেকৈ বুলি সুধিবলৈ আহিছ ? আমি হিন্দু মানুহে এইবোৰ আপদীয়া জন্তু দেখিবই নালাগে।"

বাহাৰউদ্দিনে নম্ৰ হৈ সুধিছিল—"কেলেই ? আঘোণাহঁত হিন্দু নহয় নেকি ? ইমান দিনে সিহঁতে মোক চিনি নাপালে নেকি ? সিহঁতে মই মুছলমান বুলি নাজানে নেকি ? সিহঁতৰ মাজতে ডাঙৰ হৈছোঁ, মোৰ এই দুখন হাতেৰে কণপাইক ডাঙৰ কৰিছোঁ, আৰু তুমি এতিয়া নতুনকৈ আহি বাহাৰউদ্দিনক মুছলমান বুলিছা !"

অলপ সময় ৰৈ বাহাৰউদ্দিনে আকৌ কৈছিল, "প্ৰথমে মানুহ, তাৰ পাছতহে জাতি । প্ৰথমে বাহাৰউদ্দিন, তাৰ পাছতহে মুছলমান । প্ৰথমে আঘোণা, তাৰ পাছতহে হিন্দু । আজি মুৰ্গীকেইটাৰ পৰা চিনাকি ল'লা বাহাৰউদ্দিন মুছলমান বুলি ! কেলেই, সৌ জাহাজী কলজোপাক মুছলমান বুলি চিনাকি দিব পৰা নাই কিয় ? নিজামুদ্দিনক মুছলমান বুলি চিনাকি দিব পৰা নাই কিয় ? তাৰ ইটা-ভটাৰ ইটা আনি জীৱকান্তই ঘৰ সজা নাইনে ?" ভীমকান্ত সিদিনা মনে-মনে গুচি গৈছিল ।

কথাবোৰ ভাবিলে বাহাৰউদ্দিনৰ মনটো গধুৰ হৈ পৰে। আজানৰ শব্দ যে আকাশেদি উৰি আহি ন-গজালি গাঁৱৰ ওপৰেদি পাৰ হৈ যায়, সেই প্ৰাৰ্থনাৰ বাণীত ভীমকান্তই জাতি বিচাৰিব পাৰিব ? দূৰণিৰ নামঘৰৰ ডবাৰ শব্দ যে বাহাৰউদ্দিনৰ ঘৰৰ ওপৰেদি পাৰ হৈ যায়, সেই শব্দ ভীমকান্তৰ মুখৰ শব্দত বন্ধ হ'ব ?

এদিন ৰাতিপুৱা পঞ্চায়ত নিৰ্বাচন আৰম্ভ হ'ল । ন-গজালি গাঁৱত এটা উৎসৱমুখৰ পৰিবেশ। সন্ধিয়ালৈ কঠিৰাম পঞ্চায়তৰ সভাপতি নিৰ্বাচিত হ'ল । আবেলিতে সভাৰাম, টেকেলা, মিনাৰাম ড্ৰাইভাৰ, গজেন শৰ্মা, পণ্ডিত, দুৰ্যোধন, ভীমকান্ত, হিতেশ্বৰ মাষ্টৰ, টংক, প্ৰভাত, নন্দহঁতে আহি মেল পাতিলে । আঘোণা আৰু বাহাৰউদ্দিন তাত উপস্থিত নাছিল ।

এখন চৰকাৰী সস্তীয়া চাউলৰ দোকান ক্ৰমাৎ পঞ্চায়ত অফিছলৈ সলনি হ'ল । দোকানখনৰ সমুখত প্ৰথমবাৰৰ বাবে এখন ছাইকেল দেখা গ'ল । চিকচিকীয়া, নতুন । ছাইকেলখনৰ বহা ছিটটোৰ চামৰাৰ এটা গোন্ধ আছিল ।

কঠিৰামক সেইদিনা বৰ প্ৰফুল্ল যেন লাগিছিল । সি এতিয়া 'মেম্বৰ'। এজন ভব্য-গব্য লোক । ন-গজালি গাঁৱৰ পৰা নিজামুদ্দিনৰ ইটা-ভটালৈ, ইটা-ভটাৰ পৰা হিতেশ্বৰ মাষ্টৰৰ ঘৰলৈ, কেতিয়াবা পোনে-পোনে শৰ্মা মহাজনৰ দোকানলৈ কঠিৰামে চিকচিকীয়া নতুন ছাইকেলত অহা-যোৱা কৰে। কেতিয়াবা বাটত মানুহে আগচি ধৰি কঠিৰামৰ পৰা চৰকাৰী খবৰ লয় । চৰকাৰে ন-গজালি গাঁৱত টিউবৱেল দিব,—কঠিৰামে গৰ্বৰে মানুহবোৰক নতুন খবৰ দিয়ে ।

দুৰ্যোধনহঁতৰ গাঁৱৰ মানুহে কঠিৰামক হেঁচা দিলে, সেই গাঁৱতো টিউবৱেল হ'ব লাগে। আঘোণাৰ মতে নিজৰ গাঁৱতহে হ'ব লাগে। আৰু নিজামুদ্দিনৰ মতে ? নিজামুদ্দিনৰ স্পষ্ট কথা—যিখন গাঁৱৰ মানুহে একুৰি টকা দিব সেই গাঁৱৰ মানুহে দমকলটো পাব ।

জীৱকান্তই টকা কুৰিটা দিলে আৰু দমকলটো তাৰ ঘৰৰ সমুখতে বহুউৱাৰ সিদ্ধান্ত ল'লে । স্কুলখনৰ ব'ৰ্ড আৰু বেঞ্চৰ বাবে চৰকাৰী টকা আহিছিল । কঠিৰামে কথাটো শুনি নিজামুদ্দিনৰ পৰামৰ্শ ল'লে । নিজামুদ্দিনে খন্তেকতে কঠিৰামক দুশ টকা লাভ কৰাৰ ৰাস্তা দেখুৱাই দিলে । হাৰাধন সোণাৰীৰ ঘৰত বহি থাকোঁতে এদিন কঠিৰামৰ হাতৰ আঙুলিত এটা সোণৰ আঙঠি জিলিকি উঠিল ।

আঘোণা আৰু বাহাৰউদ্দিনৰ ঘৰৰ মাজৰ কঠীয়াতলিত এদিন এদল বনুৱাই আহি মাটি তুলিলে । আঘোণা আৰু বাহাৰউদ্দিন অবাক । কোনে ঘৰ সাজিছে ? উত্তৰটো পাবলৈ সিহঁতৰ বেছি সময় নালাগিল । কাৰণ দ্বিতীয় দিনা কঠিৰাম আৰু নিজামুদ্দিন আহি তাত উপস্থিত হ'লহি । আঘোণাই প্ৰায় খঙেৰেই সুধিলে,—"কঠি, কঠীয়াতলিত যে মাটি তুলিছ, কাৰ হুকুমত ?"

কঠিৰামে ছাইকেলখন বাটতে থিয় কৰি ওভোটাই সুধিলে,—"কাৰ হুকুম ল'ব লাগিব ? তোৰ নে বাহাৰউদ্দিনৰ ?"

আঘোণাই ক'লে,—"আমাৰ হুকুম বাৰু লব নালাগে; কিন্তু গাঁওখনৰ পৰাতো এটা পৰামৰ্শ লব লাগিছিল !"

কঠিয়ে নিজামুদ্দিনৰ মুখলৈ চালে আৰু ক'লে,—"গাঁওখনত এতিয়া মুৰব্বী কোন জাননে আঘোণা ? এতিয়া অমুকাৰ কথা মতে সকলো চলিব ।"

বাহাৰউদ্দিনে ক'ব খুজিছিল—"সেই অমুকা ন-গজালিৰ বাসিন্দা হ'ব পাৰে, কিন্তু মাটিৰ গিৰিহঁত নহয় ।"—কিন্তু নক'লে । কোৱাৰ সাহ তাৰ আছিল, কিন্তু সি তৰ্ক কৰি অপ্ৰিয় হোৱাৰ ইচ্ছা নকৰিলে ।

এনে 'ইচ্ছা নকৰা'ৰ ভাবটোৱেই এদিন আঘোণা আৰু বাহাৰউদ্দিনক ন-গজালি গাঁৱৰ অলাগতিয়াল মানুহ কৰি পেলালে । আৰু কঠিৰামহঁতে দিনে-দিনে টকাৰ লোভত গাঁৱৰ বস্তু এপদ-এপদ কৈ বিক্ৰি কৰি দিলে ।

এদিন কঠিৰামৰ দোকানলৈ এটা নতুন বস্তু আহিল । এটা গেছ লাইট । কঠিৰামে সেইটো ভাৰাত দিয়ে । বাহাৰউদ্দিন আৰু আঘোণাই লাহে-লাহে কঠিৰামৰ পৰা আঁতৰি চলিবলৈ ধৰিলে ।

বছৰ বাগৰি গ'ল । স্কুল ঘৰটোত এখন নাম থকা নতুন দীঘল টিন লগোৱা হ'ল । আঘোণা, বাহাৰউদ্দিন, নিজামুদ্দিন, দৰ্জিৰ দোকান, কঠিৰামৰ ঘৰ, স্কুলঘৰ, পৰজেক্ট অফিছ, বজ্ৰং মহাজনৰ নতুন দোকান, ইটা-ভটা, দুৰ্যোধনৰ গাঁও, ভীমকান্তৰ কুঁহিয়াৰ পেৰা কল, এই সকলোৱে ন-গজালি গাঁওখনক ব্যস্ত কৰি তুলিলে । কণপাই ডাঙৰ হ'ল, মাকণ ডাঙৰ হ'ল, দীননাথৰ গান পুৰণি হৈ পৰিল । বাহাৰউদ্দিনে এদিন ভাবিছিল—গছবোৰৰ দৰে এই গাঁওখনো সেউজ হৈ ৰ'ব । ন-গজালি গাঁও বুলিলে কেৱল চাৰিটা পৰিয়ালক বুজাব । সিহঁতৰ দুখ, অভিমান, অভাৱ সিহঁতে নিজে ভাগ কৰি ল'ব । সিহঁতৰ ঐশ্বৰ্য হ'ব ন-গজালি গাঁৱৰ বাঁহ গছ, ফুল, বাঁহৰঙী চৰাই, বহু দূৰণিলৈ সেউজীয়া ৰঙে ছাটি থকা, কেতিয়াবা সৰিয়হ-তলিৰ হালধীয়া ৰঙে ছাটি থকা মুকলি পথাৰ ফালি অহা সৰু-সৰু বাট, মেটমৰাকৈ ডাঙৰি কঢ়িওৱা গৰুগাড়ীৰ শাৰী, দূৰণিলৈকে উৰা মৰা ডেকা ল'ৰাৰ উকি আৰু কিৰিলি, শীৰ্ণ নদীখনৰ ওপৰেদি উৰা মৰা বগলীবোৰ, তিনিখন গাঁৱৰ মাজেদি বাগৰি যোৱা নৈখনত জুলুকি বোৱাৰ আনন্দ.... । কিন্তু আজি বাহাৰউদ্দিনৰ মনলৈ তেনে অনুভূতি নহা হ'ল । ক'ৰবাত ভুল হৈছে । বাহাৰউদ্দিনৰ ফুটা থকা সৰু বাল্টিটোৰ পৰা পানী ওলোৱাৰ দৰে ন-গজালি গাঁৱৰ ঐশ্বৰ্যবোৰ এটা সৰু বিন্ধাৰে ওলাই গৈছে ।

এদিন কঠিৰামৰ ঘৈণীয়েকে জীপ গাড়ীৰ শব্দ শুনি দৌৰি আহিছিল চাবলৈ । এদিন আঘোণাৰ জীয়েকে মিনাৰামে চলোৱা জীপ গাড়ীৰ শব্দ শুনিলে নিজৰ বুকুৰ শব্দও শুনা পাইছিল । এতিয়া আৰু তেনে চাঞ্চল্য নাই । অফিছৰ জীপগাড়ীয়ে এতিয়া দ্ৰুত গতিত অহা-যোৱা কৰিয়েই থাকে । গাঁৱত পানীকল হ'ল । দুৰ্যোধনহঁতৰ পকী পুল হ'ল । চৰকাৰী বন্ধৰ দিনবোৰৰ কথা গাঁৱৰ মানুহে গম পালে । মৌজাদাৰৰ জীয়েক যুতিকাৰ বিয়াৰ নিমন্ত্ৰণ পালে বাহাৰউদ্দিনে । বিয়া ঘৰত কঠি, আঘোণা আৰু বাহাৰউদ্দিনৰ দূৰত্ব ধৰা পৰিল । কঠিৰামে বিয়া ঘৰত টোপোলা এটা মৌজাদাৰ হাকিমৰ হাতত উপহাৰ দিলে । কিহৰ বা টোপোলা !

নিজামুদ্দিনৰ ইটা-ভটাৰ চিমনিৰপৰা এতিয়া ধোঁৱা নোলায় । কাৰণ এতিয়া ইটা পোৱাৰ কাম শেষ । ভাটি মুলুকৰ বিহাৰী মুনিহ-তিৰোতাবোৰৰ কিছু গ'লগৈ। এতিয়া ইটাবোৰ জাপি থোৱা আছে । নিজামুদ্দিনে এতিয়া কঠিৰামৰ ছাইকেলেৰে বাগিচা আৰু চহৰত ঘূৰি ফুৰে। গধূলি সি কঠিৰামৰ দোকানত বহি আড্ডা দিয়ে ।

ভীমকান্তই সিহঁতৰ ঘৰৰ পৰ্টিক'টোত টিনপাত লগালে । কঠিৰামে কথাটো শুনিলে । শুনি সি ৰ'ব নোৱাৰিলে । শৰ্মা দোকানীৰ চিঠি লৈ সি যোৰহাট পালেগৈ। ছকুৰি টকা দি টিনপাত আনি সি দোকানঘৰত লগালে । এতিয়া ন-গজালি গাঁৱৰ কঠিৰামৰ ঘৰটো ৰ'দত চিকচিকাই থাকে ।

## পোন্ধৰ

"ভাবি পাৰ পাব নোৱাৰি ।"—আঘোণাই ক'লে ।

"কাৰ কথা কৈছ ?" বাহাৰউদ্দিনে সুধিলে ।

"আমাৰ কঠিৰ কথা কৈছোঁ । সৌ সিদিনালৈকে সি আমাৰ বুকুৰ কুটুম আছিল । এতিয়া সি আমাকে পাহৰিলে । সি গাঁওখনকে পাহৰিলে ।" আঘোণাই আক্ষেপেৰে ক'লে ।

তেনেতে কঠি আৰু কণপায়ে প্ৰায় গগন ফালি চিঞৰি-চিঞৰি সেইখিনি পালেহি ।

"কি বুলি ভাবিছ অ' আঘোণা ? দুদিন ভালক বুলি এৰি দিছোঁ । তোৰ গৰুৱে আজিও মোৰ দোকানৰ নিমখৰ বস্তাত মুখ দিছে । সেইবোৰ নিমখ তহঁতি খাব পাৰ। খাউগু চাহাবে খাব বুলি ভাবিছ নেকি ?"

চিঞৰ শুনি আঘোণাৰ ঘৰৰ ভিতৰৰ পৰা বাহাৰউদ্দিন আৰু আঘোণা বাহিৰলৈ ওলাল । আঘোণাই তাৰ বহল পুৰঠ বুকুত নিজৰ এখন হাত দি কঠিলৈ চালে । বাপেক-পুতেকহালে ছাইকেলৰ ফ্ৰে'মৰ মাজত নিমখৰ বস্তাটো লৈ আহিছে । কণপায়ে মতা নাই ।

কঠিয়ে আকৌ ক'লে—"চাবলৈ কিটো আছে, তই এতিয়া নিমখৰ দাম ভৰিব লাগিব ।"

আঘোণা নিৰৱে ৰ'ল । ছাইকেলৰ ফ্ৰে'মৰ পৰা নিমখৰ বস্তাটো নমাই আঘোণাৰ নঙলামুখতে থৈ কঠিয়ে হাত দুখন মোহাৰি মোহাৰি ক'লে,—"গধূলিৰ ভিতৰত টকা পাঁচটা দি আহিবি, নহ'লে তোৰ গৰু বান্ধি থ'ম ।"

আঘোণা খঙত, অপমানত উঠলি উঠিল ।

"কঠি, তোৰ বৰ সাহ বাঢ়িছে । নিমখৰ বস্তাটোৰ বাবে গৰু বান্ধি ৰাখিবলৈ হ'লে তোৰ তলুৱাত নোম গজিব লাগিব ।"

কঠি থমকি ৰ'ল ।

আঘোণাই আকৌ ক'লে,—"তই পাহৰি গৈছ কঠিৰাম, তোৰ টকাৰ গৰম উঠিছে । টকাৰ গৰমত হিত-অহিত পাহৰিছ । আমি দুখীয়া, কিন্তু তোক পাহৰা নাই । মনত ৰাখিবি, গৰুটো ৰাখিলে তোৰ..... ।"

কঠিয়ে খেদা মাৰি আহিল । বাহাৰউদ্দিনে তাক আগচি ধৰিলে । ভিতৰৰ পৰা আঘোণাৰ ঘৈণীয়েকে চিঞৰি উঠিল,—"আপুনি ভিতৰলৈ গুচি আহকচোন । ঘৰতে কিয় কাজিয়া কৰিছে ?"

কঠিয়ে বাহাৰউদ্দিনক ক'লে "আতৰি যা । তোৰ পেট কুপটীয়া বুদ্ধিৰ বলতে আঘোণা ইমান ওপৰ উঠিছে ।"

দৃশ্যটো কণপায়ে লক্ষ্য কৰি আছিল । চিঞৰ-বাখৰ শুনি কঠিৰ দোকানৰ পৰা মানুহবোৰ ওলাই আহিল । মানুহ মানে নিজামুদ্দিন, ভীমকান্ত আৰু চামৰা । সিহঁতে কোনো কথা নকলে । কঠিয়ে ছাইকেলত হাত দি ক'লে,—"চাম তহঁক দুটাক মই । নিমখৰ বস্তা এৰি গৈছোঁ, গধূলি পইচা দি আহিবিগৈ ।"

আঘোণাই নঙলামুখৰ ওচৰলৈ গৈ ক'লে, "গৰুৰ মগজ থকা হ'লে সিয়েই তোৰ নিমখৰ দাম দি গ'লহেঁতেন ।"

কঠিয়ে ক'লে,—"সেইবোৰ কথাৰ ছলাহী নালাগে। ভালে-ভালে টকা দি আহিবি, নহ'লে গধূলি পুলিছ আহিব ।"

বাহাৰউদ্দিন ৰ'ব নোৱাৰিলে—"পুলিছ আহিব ? কি কৰিব পুলিছে ? তই পুলিছ আনিব পাৰিবি, তোৰ ধন হৈছে । কিন্তু গাঁওখনক ভাল কৰিব পাৰিবি ?"

কঠি আৰু কণপাই ছাইকেল ঠেলি-ঠেলি আগবাঢ়িল । নঙলামুখত নিমখৰ বস্তাটো পৰি থাকিল ।

সন্ধিয়া পুলিছ কঠিৰামৰ দোকানলৈ আহিল । আঘোণা আৰু বাহাৰউদ্দিন তাতে আছিল । ভীমকান্ত আৰু দুৰ্যোধন আহিল । চিপাহীজনে ৰঙা টুপীটো কঠিৰামৰ দোকানৰ টকাৰ বাকছটো থকা টেবুলতে থৈ ছিগাৰেট এটা জ্বলালে । আঘোণা, দুৰ্যোধন, ভীমকান্ত আৰু বাহাৰউদ্দিন থিয় হৈ আছিল । চিপাহীজনে এজন-এজনকৈ চাৰিওটাকে চালে ।

"আঘোণা কোনটো ?" চিপাহীজনে প্ৰশ্ন কৰিলে ।

কঠিয়ে ক'লে,—"বুকু ফিন্দাই থকাটো ।"

চিপাহীজনে ক'লে,—"টকা পাঁচটা দিবিনে নিদিয় ?"

আঘোণাই ক'লে—"কিহৰ টকা ? বলদটোৱে কিবা পাঁচ টকাৰ নিমখ খাইছেনে ? সি মুখহে লগাইছিল ।"

"ইমানবোৰ কথাৰ দৰকাৰ নাই । টকা দিলেহে গৰু পাবি ।"

আঘোণাই কঠিৰামক ভালকৈ চালে । কঠিৰাম গৰ্বত ওফন্দি আছিল ।

আঘোণা অলপ সময় মনে-মনে আছিল । কঠিৰামৰ ডাঙৰ-ডাঙৰ কথাত আঘোণা অপমানিত হৈছিল । প্ৰধানকৈ কঠিৰামৰ দোকানত সি তেনেদৰে লঘু হ'ব লাগিব বুলি সি ভাবিব পৰা নাছিল ।

"তোৰ বলদটোৱে নিমখৰ বস্তাত মুখ দিয়াত জৰিমনা ভৰিবলৈ মান্তি আছনে নাই ?" চিপাহীজনে বিচাৰকৰ সুৰত প্ৰশ্ন কৰিলে ।

আঘোণাই ক'লে, "তোৰ মনত আছে নে কঠি, চহৰৰ বৰগোলাৰ পৰা চাৰি বস্তা নিমখ তই মোৰ গৰুগাড়ীতে আনিছিলি ?"

চিপাহীজনে খবৰদাৰী কৰিলে,—"বাদ দে সেইবোৰ কথা । জৰিমনা ভৰিবিনে নভৰ কৈ দে ।"

আঘোণাই লাজ-অপমানত ক্ষুব্ধ হৈ স্বীকাৰ কৰিলে—"ভৰিম ।"

আঘোণাৰ পৰা জৰিমনা লোৱা হ'ল । ন-গজালি গাঁৱত প্ৰথম জৰিমনা ভৰিলে আঘোণাৰ হাতে ।

এদিন আঘোণাৰ বলদহালৰ এটাই ভৰিত দুখ পাওঁতে কঠি আৰু বাহাৰউদ্দিনে ধানখেৰৰ জুই ধৰি বলদটোক ওৰে ৰাতি প্ৰতিপালন কৰিছিল । বাহাৰউদ্দিনৰ ঘৰৰ মুৰ্গীৰ ডাক শুনি সিহঁতে বুজিছিল—ৰাতিপুৱাল । গছ-গছনিয়ে আন্ধাৰ কৰি ৰখা গাঁওখনত তেতিয়াও পোহৰ পৰা নাছিল । কোমল আৰু পাতল বতাহে সিহঁতৰ কথাবোৰত একোটা ঐক্যতানৰ সৃষ্টি কৰিছিল । সেই ৰাতি সিহঁতে বহুত কথা পাতিছিল ।

আগলৈ

OKDISCD

# বাঘৰ চকু আৰু গঁড়ৰ ছাল

গুণীন বৰদলৈ

কমিছনাৰ চাহাবৰ পিয়ন এজনে আনি মানুহজনক মোৰ অফিছ-কোঠাত হাজিৰ কৰালেহি ।

"ছাৰ মিনিষ্টাৰে পঠাইছে এওঁক ।"

ফাইলৰ পৰা মূৰ দাঙি আগন্তুকলৈ চালো । কপালত কেইটামান ডাঠ ৰঙা-ৰঙা ৰেখা, মূৰত জটাৰ নিচিনা দীঘল চুলি । মানুহজনে হাতৰ ত্ৰিশূলডাল সামান্য দাঙি মজিয়াৰ ওপৰত টোকৰ এটা মৰাত জুন-জুন শব্দ হ'ল । ৰঙা একবস্ত্ৰ পৰিহিত সন্ন্যাসী ।

সচিবালয়ত এনে দৰ্শনাৰ্থী একেবাৰে বিৰল । ভৰিৰ পৰা মূৰলৈকে চাই লৈ মই এইবাৰ পুনৰ তেওঁৰ মুখলৈ চালো । সন্ন্যাসীয়ে নিজৰ মনলৈ গুৰু-গম্ভীৰ ভাব এটা আনি জোলোঙাৰ পৰা দৰখাস্ত এখন উলিয়ালে ।

"অতি শীঘ্ৰে বিহিত ব্যৱস্থা লব লাগে"—বুলি মাৰ্জিনত মন্ত্ৰীয়ে লিখি পঠাইছে ।

"আপকো চাব ফোন কিয়া হোগা । মিনিষ্টাৰকো ছিক্ৰেটেৰি চাব ।"

তেওঁ যে পোনে-পোনে মন্ত্ৰীৰ ওচৰৰ পৰা মোৰ কোঠালৈ আহিছে আৰু মন্ত্ৰীৰ ষ্টেন'গ্ৰাফাৰে যে মোলৈ এই বিষয়ে ফোন কৰিছে এই কথা সোঁৱৰাই দি বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰাবলৈ চেষ্টা কৰা যেন পালো । পিয়নক ওলাই যাবলৈ ইংগিত দি মই দৰখাস্তখন পঢ়াত লাগিলো । কিন্তু সন্ন্যাসীৰ আকৌ সচিবালয়ত কি প্ৰয়োজন থাকিব পাৰে? সংসাৰৰ মায়া ত্যাগ কৰিব পাৰিলেও চৰকাৰী অফিছৰ মায়া ত্যাগ কৰা টান নে কি ? চকীত বা বহেনে নবহে । তথাপি বহিবলৈ কৈ মই পুনৰ দৰখাস্ত পঢ়াত লাগিলো । ইংৰাজীতে লিখা দৰখাস্ত।

দীঘল দৰখাস্তখন পঢ়ি মোৰ হাঁহি উঠিব খুজিছিল । সহকৰ্মী এজন ওচৰত থাকিলে হয়তো হাঁহিয়েই দিলোহেঁতেন । সন্ন্যাসীয়ে মোৰ মুখমণ্ডলত হাঁহি বিৰিঙা দেখি উৎসাহ পাই আৰম্ভ কৰিলে, "ঠিক হ্যাঁয় না চাব ? আজ শামকো হো জায়েগা ক্যা ? মেই কালহি লোটনা হ্যাঁয় ।"

কথাটো যেন এনেকুৱা,—তেওঁ মালৰ চালান লৈ আহিছে । মই চহী কৰি দিলেই গুদামবাবুৱে মাল উলিয়াই দিব । তেওঁ কাইলৈ মাল লৈ ঘৰলৈ যাবগৈ। নিচেই সহজ কথা ।

মই বোলোঁ তোমাৰ কামটো নহ'ব হ'বলা । সাধকৰ চকু কপাললৈ উঠিল । নহ'বৰ কি কাৰণ থাকিব পাৰে। তেওঁৰ মতে স্বয়ং মন্ত্ৰীয়ে হ'ব বুলি কৈছে । কমিছনাৰেও কৈছে । মন্ত্ৰীৰ খোদ পি.এ. চাহাবে ভাবে-ভঙ্গিৰে পিয়ন এজন দি তেওঁক পঠাই দিছে । তথাপিও নহ'বনে ?

মই বোলোঁ—আমাৰ নিয়ম-কানুনত এনে দানৰ ব্যৱস্থা নাই । তাতে হ'ল জীৱ-দান ।

তেওঁৰ কথা হ'ল মোৰ নিচিনা সৰু বিষয়াৰ যদি তেনে ক্ষমতা নাই, মন্ত্ৰী বা কমিছনাৰলৈ ফাইলটো পঠাই দিলেই হ'ল । খোদ মন্ত্ৰী বা কমিছনাৰেই আপত্তি কৰা নাই, তুমি নিদিবলৈ কোন ? তেওঁক কিন্তু অৰ্ডাৰটো আজিৰ ভিতৰতে লাগিবই । খাৰংখাচ কথা । তাত আবেদনকাৰীৰ সুৰ নাই ।

ময়ো নিয়মমাফিক জনাই দিব লগা হ'ল—তেওঁৰ আবেদনৰ উত্তৰ দৰখাস্তত থকা ঠিকনাত যথা সময়ত পত্ৰযোগে জনাই দিয়া হ'ব । তেওঁ ৰাজী নহ'ল; কাইলৈ আকৌ আহিব বুলি কৈ গুচি গ'ল ।

মোৰ মনত কিন্তু দৰখাস্তখনে এক অসাধাৰণ প্ৰতিক্ৰিয়া কৰিলে । কাৰোবাক কৈ বা আলোচনা কৰি বৰ হাঁহিবৰ মন গ'ল । দৰখাস্তকাৰী সন্ন্যাসীজন জধা মূৰ্খ নে শিয়াল টেঙৰ ব্যক্তি ? ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে বোলে দৈনিক পাঁচ হাজাৰমান দৰখাস্ত পায় । আনকি আমাৰ ৰাজ্যৰ মুখ্যমন্ত্ৰীয়েও চাৰি-পাঁচশমান দৰখাস্ত পায় । তাৰ ভিতৰত দুখীয়া বামুণৰ ল'ৰাৰ লগুণ দিয়নি বা বাৰী তিৰোতাৰ ছোৱালীৰ তোলনি বিয়া পাতিবলৈ চৰকাৰী দান বিচৰা দৰখাস্তও থাকে । সেইবোৰ দৰখাস্ত নিচক অজ্ঞতা আৰু দাৰিদ্ৰ্য প্ৰসূতৰ পৰা উদ্ভূত হোৱা বস্তু। কিন্তু এইখন সকলোৰে ব্যতিক্ৰম, এক অনন্যসাধাৰণ আবেদন ।

অলপ পাছতে সহকৰ্মী জগত দেববয়ে ফোনত জনালে বোলে এইজন এজন ডাঙৰ কালী সাধক । তেখেতে যে খোদ মোৰ কোঠালৈ আহি দেখা দিলে, সেইটো বোলে মোৰে পৰম ভাগ্য !

পাছদিনা আকৌ কালীসাধক মোৰ কোঠাত উপস্থিত হ'ল । চকু মুখত বেপৰোৱা ভাব । মই স্পষ্টভাৱে কৈ দিলো যে তেওঁৰ আবেদন কোনোমতে মঞ্জুৰ কৰা সম্ভৱ নহ'ব । সময়ত লিখিত উত্তৰ দিয়া হ'ব ।

সাধক অসন্তুষ্ট হ'ল । হ'বৰ কথাই ।

"তব মেই মিনিষ্টাৰ চাবকো কি বতাউংগা ?"

তেওঁৰ কথাৰ ইংগিত তেনেই স্পষ্ট । মই তেওঁৰ চকুলৈ একেথৰে চালো । তেৰোঁ নিষ্পলক দৃষ্টিৰে মোলৈ চাই ৰ'ল । দুটা ৰঙা-ৰঙা চকু । তেওঁৰ দৃষ্টিত মোৰ মনৰ অৱস্থা অধ্যয়ন কৰাৰ প্ৰচেষ্টা দেখা পালো । বাঘৰ চকুলৈ একেথৰে চোৱাৰ অভিজ্ঞতা মোৰ নাই । হয়তো নোৱাৰিম্ চাব । কিন্তু নিজৰ অফিছ-কোঠাত প্ৰত্যক্ষভাৱে প্ৰকাশ কৰা ভীতি-প্ৰদৰ্শনক সম্পূৰ্ণ উপেক্ষা কৰাৰ শক্তি মই আয়ত্ত কৰি ললো ।

বপুৰাই বোধহয় বুজিলে দেববয় শ্ৰেণীৰ মানুহবোৰৰ ওচৰত তেওঁ যেনেকুৱা ভাব-ভক্তিৰ অভ্যৰ্থনা পাইছিল, মোৰ তাত সেইবোৰ পোৱাৰ আশা নাই । কালী সাধক হিচাপে কোনো প্ৰভাৱ পেলাব নোৱাৰি তেওঁ মোৰ চাকৰিৰ পৰ্যায় আৰু ক্ষমতাখিনিকো অৱজ্ঞা কৰিবলৈ চেষ্টা কৰিলে । তাতো তেওঁ সফল নহ'ল । গতিকে তেওঁ বহি-বহি আৰু কি কৌশল প্ৰয়োগ কৰিব পাৰি তাকেই বোধকৰোঁ চিন্তা কৰিবলৈ ধৰিলে । ওলাই যাবলৈ কোৱাটো অশোভনীয় হ'ব বুলি ভাবি, মই মোৰ নিজৰ কামত মনোনিবেশ কৰিলো ।

"আপ মুঝে গলত চমঝা ।"

এইবাৰ সাধকৰ গলাৰ স্বৰ নৰম । মানে মোৰহে বুজাত ভুল হৈছে ? তেওঁ আচলতে ঠিকেই কৈছে বা তেওঁৰ উদ্দেশ্য সৎ ?

ভাবিলো মানুহটোক অলপ আমোল কি আমোদেই কৰা যাওক ।

সাধুকৰ আবেদন আছিল,—যজ্ঞ কৰিবৰ কাৰণে চৰকাৰে তেওঁক চেকীয়াপতীয়া বাঘ পোৱালি এটা দিব লাগে । বাঘ পোৱালি এটাৰ কিমান দাম হ'ব বুলি তেওঁ ভাবে বুলি সোধাত তেওঁ টপকৈ কৈ দিলে যে চৰকাৰে এনেয়ে দিব; তেওঁ পইচা দি নিব কিয় ?

"কিন্তু বাঘ ধৰিবলৈতো মানস অভয়াৰণ্যলৈ যাব লাগিব । তাত কোনোবা বাঘিনীৰ বুকুৰ পৰা পোৱালি এটা ফান্দ পাতি ধৰিব লাগিব । তেহে আপুনি বাঘ পাব । এইখিনি কাম আপুনি নিজেই কৰিব নে চৰকাৰে কৰি দিব লাগিব ?"

তেওঁ বোলে,—কি দৰকাৰ ইমানবোৰ কৰিবলৈ । চিৰিয়াখানাত তেওঁ বাঘ পোৱালি চাই আহিছে ।

"পূজা-পাতলত ম'হ, ছাগলী, হাঁহ-পাৰ-কোমোৰা আদিৰ বলি-বিধান আছে বুলি আমি জানোহঁক । পিছে বাঘৰ পোৱালিও যে যাগ-যজ্ঞ কৰিবলৈ লাগে এই প্ৰথম শুনিলো ।"

উপহাসটোত বাবাজীৰ খং উঠিল । তেওঁ এইবাৰ দৃঢ়ভাৱে জনাই দিলে যে তেওঁ "মামুলী আদমী" নহয় । ডেৰাদুনত তেওঁৰ নিজৰ আশ্ৰম আছে । উত্তৰ প্ৰদেশ, বিহাৰ আৰু পশ্চিমবংগত তেওঁক চিনি নোপোৱা মানুহ নাই ।

"হম টাইগাৰ বাবা হ্যায় ।"

একেবাৰে জীণ নোযোৱা শব্দকেইটা শুনি তেওঁক দুবাৰ দোহাৰিবলৈ কোৱা হ'ল ।

তেওঁ দোহাৰিলে, তথাপি নিজৰ কাণকে বিশ্বাস কৰিবলৈ টান পালো । সাধকে এইবাৰ জোলোঙাৰ পৰা ছপা কৰা চিঠি এখন উলিয়ালে । চিঠিৰ ওপৰত স্বয়ং বাবাৰ ফটো । এখন বাঘ ছালত বহি আছে । বাংলা ভাষাত ৰঙা চিয়াঁহীৰে

৪৯ পৃষ্ঠাত চাওক





# সেই তিনিদিন

হিৰণ্য কাশ্যপ

বহুত দিনৰ পৰা মোৰ মনত এটা ভাব হৈছিল,—মই দুদিনমান অকলে,—একেবাৰে অকলে থাকিবলৈ ভাল পাম চাগৈ । বহুত দিনৰ পৰা কিবা এটা লিখিম-লিখিম বুলি ভাবি থাকোঁতেই গৈছে,— লিখা হোৱাগৈ নাই । দিনটোৰ ব্যস্ততাৰ পাছত গধূলি লিখিম বুলি ভাবিলেও কিবা এটা নহয় কিবা এটা কাৰণত সেইটো হৈ নুঠে । 'পুটকা' আছে, অৰুণিমা আছে,—সিহঁতকোতো অলপ সময় দিবই লাগিব । তাৰ মাজতো লিখাৰ চেষ্টা নকৰা নহয় । কিন্তু যেতিয়াই মই বিছনাত পেট পেলাই পৰি মোৰ সাহিত্যকৰ্মৰ বহীখন মেলি লওঁ, তেতিয়াই ক'ৰবাৰ পৰা পুটকা দৌৰি আহি মোৰ পিঠিৰ ওপৰত ঘোঁৰা উঠি জঁপিয়াবলৈ আৰম্ভ কৰে আৰু অলপ পাছতে পাগঘৰৰ কাম সামৰি শোৱা কোঠা পায়হি অৰুণিমা আৰু বিৰাট ভাগৰত তেওঁ মোৰ গাৰ ওপৰতে মূৰটো পেলাই দিয়ে ।

"ৰ'বাচোন—ডিষ্টাৰ্ব নকৰিবা" বুলি ক'লে কয়— "যাঃ, মস্ত ব'ৰ হ'ল এইটো !" গতিকে লিখা সামৰি থওঁ ।

কিন্তু এনেকৈ নহ'ব । কিবা এটা লিখিবই লাগে মই । তেতিয়াই ভাবটো আহিছিল মনলৈ,—দুদিনমান অকলে, একেবাৰে অকলে থাকিবলৈ পোৱা হ'লে !


অৰুণিমাৰ কেইমাহমান আগৰ পৰা এটা বেমাৰে লগ লৈছে । তেতিয়াৰ পৰাই হোমিওপেথিক ট্ৰিটমেণ্ট লৈ আছে; কিন্তু কোনো কামত অহা নাই । গতিকে ঘৰলৈকে দুদিনমানৰ কাৰণে গৈ মেডিকেল কলেজৰ কোনোবা ভাল ছাৰ্জন এজনক দেখুৱাই লোৱাটোৱেই ভাল হ'ব । আৰু পোৱালিটোৱেও দুদিনমানৰ পৰা বৰকৈ 'আইতা-ককা' কৰি আছে, তাৰ ফুৰি অহাটোও হ'ব । মোৰ এই চিন্তাখিনি অৰুণিমাক যেতিয়া ক'লো, তাই মানি ল'লে,—"ঠিক আছে— এসপ্তাহৰ কাৰণে যাওঁ— তাৰ পাছত কিন্তু তুমি গৈ লৈ আহিবা ।"

হ'ব । এসপ্তাহ সময় যথেষ্ট । আমি এই বিষয়ে কথা পতাৰ দুদিনৰ পাছতে ৰাতিপুৱাৰ প্ৰথম বাছখনতে সিহঁতক তুলি দিলো । যাবৰ সময়ত অৰুণিমাই ক'লে,—"তুমি কিন্তু ঠিক এসপ্তাহৰ পাছতে আহিবা দেই ।"

বাছখনে আস্থান এৰি যোৱাৰ পাছতে মোৰ বৰ মুকলি-মুকলি লাগিল । এতিয়া ঘৰলৈ ঘূৰি যামনে বাৰু-পোনে-পোনে ইউনিভাৰ্ছিটিলৈকে যামগৈ? মোৰ ক্লাছ আঠ বজাত আছে । এতিয়াও দুঘণ্টা সময় আছে । এখন অসমীয়া আৰু এখন ইংৰাজী নিউজপেপাৰ কিনি মই ধীৰ গতিৰে ঘৰলৈ উভতিলো । দহ মিনিটৰ বাট । ঘৰৰ তলা খুলি অচিনাকি কোনোবা ঘৰ এটাতহে যেন সোমাইছোঁ তেনে লাগিল । হাতত অনা কাগজ কেইখনৰ হে'ডলাইনকেইটাত এনেয়ে এবাৰ চকু ফুৰাই থৈ দিলো । একো নাই পঢ়িবলৈ । বৰ নিমাওমাও যেন লগাত টি.ভি.টোকে অন কৰি দিলো । ভলিউমটো প্ৰয়োজনতকৈ বহুত বেছিকৈ দি । মোৰ ক্লাছ আঠবজাত যদিও সাত বাজি পোন্ধৰ মাৰ্নতে ঘৰৰ পৰা ওলাই যাব লাগে । মটৰ ছাইকেলখন কিছুদিনৰ পৰা বেয়া হৈ পৰি আছে,—গতিকে পাঁচ কিল'মিটাৰ বাট যাবলৈ ছিটি বাছৰ বাহিৰে গত্যন্তৰ নাই । ৰিক্সা আছে, পিছে ছটকা ভৰি ৰিক্সাত যাবলৈ মন নাযায় ।

মটৰ ছাইকেলখন ভাল হৈ থাকোঁতে হাতত দহমিনিট সময় থাকোঁতে গ'লেও হৈছিল,—এতিয়া চাৰে সাতবজাৰ ছিটিবাছখন ধৰিবলৈ সাতবাজি পোন্ধৰতে ওলাওঁ; কাৰণ সেইখন বাছ কেতিয়াবা দেৰিকৈও আহিব পাৰে আৰু কেতিয়াবা একেবাৰে নাহিবও পাৰে ।

ঘড়িটোলৈ চাই দেখিলো ওলাবৰ হৈছে আৰু । চাহ খাব লাগিছিল নহয়—কি কৰোঁ ? বাদ দিয়া এতিয়া আৰু চাহ-তাহ কৰিবলৈ নাই । আগদিনা আনি থোৱা ব্ৰে'ডটো লৈ ঠাণ্ডা পানী এগিলাছেৰে কোনোৰকমে ডিঙিয়েদি সৰকালো । বে'ডৰুমৰ খিৰিকি কেইখন বন্ধ কৰি দুৱাৰত তলা মাৰি ওলাই আহিলো । গে'টৰ বাহিৰ ওলায়েই অভ্যাসবশতঃ জেপলৈ হাতখন গ'ল । আনদিনা হাতত



অংকন ঃ নবীন বৰুৱা

উঠি অহা সৰু টাৱেলখন উঠি নাহিল । ধেৎ তেৰি ! সেই টাৱেলখন নহ'লেই মোৰ নচলে । অকণমান গৰমতে মই বৰ বেছিকৈ ঘামো । মোৰ জেপত টাৱেল এখন দিয়াৰ দায়িত্ব অৰুণিমাৰ। গতিকে মই বেলেগে কোনোদিনে তাৰ কথা চিন্তা কৰা নাই । আজি তাই নথকাৰ কাৰণেই এইটো হ'বলৈ পালে । উপায় নাই । আকৌ ঘৰৰ তলা খুলিলো ।

আজি যেনিবা ছিটিবাছখন সময়মতেই আহিল । কোনো ঠিক নাথাকে । আঠ বজাত ক্লাছ থাকিলে মই প্ৰায়ে আঠ পোন্ধৰ মানতহে পাওঁগৈ। আৰু মোৰ পোন্ধৰ মিনিট দেৰি মানে ক্লাছত ষ্টুডেণ্ট এজনো নাপাওঁগৈ,—"ছাৰ নাহে—ন ক্লাছ ।" খং উঠিলেনো কি হ'ব ! আমি নিজেই আগতে প্ৰফেছাৰ অহা পাঁচমিনিট দেৰি হ'লেই চিঞৰ-বাখৰ কৰি হোষ্টেললৈ ঘূৰি যাওঁ । আৰু সেইটো কামত আগ-ভাগ লওঁ ময়েই । এতিয়া মই প্ৰফেছাৰ হ'লো; জেনুইন কিবা কাৰণত মোৰ ক্লাছলৈ অহা অলপ পলম হৈছে;—সেইটো কথা মোৰ ছাত্ৰখিনিয়ে নুবুজে মই বেয়া পালে কি লাভ হ'ব ? আমি নিজে চলাই যোৱা ট্ৰে'ণ্ড ।

আজি মই ক্লাছ ল'বলৈ প্ৰিপেয়াৰড হৈও অহা নাই । "ব্ৰাউন স্পট্ৰ ডিজিজ অব ৰাইছ"—মনত আছে যদিও অকল মনত থকা কথাৰে এঘণ্টাৰ ক্লাছ এটা লবলৈ অসুবিধা । ভালদৰে পঢ়ি আহিব লাগে। হ'ব—কিবা কৰি চলাই দিম ।

ছিটি বাছৰ যিটো ষ্টপেজত মই নামিব লাগে তাৰ পৰা ইউনিভাৰ্ছিটিলৈ এক কিল'মিটাৰমান যাব লাগে। এনেয়ে সেইখিনি বাট মই খোজকাঢ়িয়েই যাওঁ;—আজি কিনো মন গ'ল জানো, ৰৈ থকা ৰিক্সা এখনৰ ওপৰত ঠেঙৰ ওপৰত ঠেং তুলি বিড়ি হুপি থকা ৰিক্সাৱালাটোক ক'লো,—'ব'ল ।' তাৰ 'কাঁহা যায়েগা'ৰ সুৰটোৱে টিঙিছকৈ খংটো তুলি দিলে—"ধেৎ । ব'ল । ৰিক্সাৰ পৰা নাম । কাঁহা যায়েগা ! ইস ! নাম ৰিক্সাৰ পৰা । তাৰ পাছত য়েনিবা তাৰ ব্যৱহাৰ ভাল হ'ল । আৰু কথা নাবাঢ়িল । মই এইটো কাৰণতে ৰিক্সাত নুঠোঁ । ইহঁতৰ কথা পতাৰ ধৰণে মেজাজ একেবাৰে গৰম কৰি দিয়ে ।

ক্লাছত সোমোৱাৰ পাছতে এজনে আৰম্ভ কৰিলে,—"ছাৰ, মিলিটেৰি আকৌ নমালে নহয় ।" মই 'অঁ' বুলি কৈ তাৰ ওপৰতে দহ মিনিটীয়া আলোচনা এটা কৰিলো । তাৰ পাছত অসমত এগ্ৰিকালচাৰৰ উন্নতি কিয় হোৱা নাই আৰু অদূৰ ভৱিষ্যতে কিবা হোৱাৰো কিয় কোনো আশা নাই তাৰ ওপৰতে এটা চুটি লেকচাৰ দিলো ।—"....তোমালোকে কোনোবা এগ্ৰিকালচাৰ অফিছলৈ যাবাচোন । ৰিভলভিং চেয়াৰত বহি থকা অফিছাৰ কেইজনক চাবাচোন,—কি ভেম ! অফিছত ফাইলৰ দ'ম ঠিকেই দেখিবা,—কিন্তু ক'তো তুমি ইনছেক্ট কালেক্টিং নে'ট এখন নেদেখা, বিচাৰিলেও নোপোৱা । ডিজিজ স্পেছিমেন এটা নোপোৱা । হঠাতে প্ৰয়োজন হ'ব পৰা ৰেফাৰেন্স বুক এখন নোপোৱা । আৰু কেনেবাকৈ তুমি যদি জেখেতসকলক এই বিষয়ে কিবা ক'লা, ৰক্ষা নাই, মুখ ওফন্দি আহিব—'অঁ, আমি দিনে ৰাতিয়ে খাটি মৰিম, মিছাকৈ ওপৰতে বদনাম দিব !' দিনে-ৰাতিয়ে ! দিনততো খাটেই, ৰাতিও খাটে বুজিছা ? তাৰ পাছত মই ষ্টুডেণ্টখিনিক কৈ দিলো যে আচলতে ক্লাছ ল'বলৈ মই আজি প্ৰিপেয়াৰড হৈ অহা নাই;—সেইকাৰণে বাহিৰা কথা কৈছোঁ । ক্লাছটো তেনেকৈয়েই গ'ল । তাৰ পাছত আজি আৰু মোৰ ক্লাছ নাই; কিন্তু তথাপি দিনটো ডিপাৰ্টমেণ্টত থকাটো নিয়ম;—গতিকে নিজৰ ৰুমৰ চকীত বহি 'প্লেণ্ট ডিজিজ' নামৰ কিতাপখন উলিয়াই ললো, কালিলৈৰ ক্লাছৰ প্ৰিপেয়াৰেশ্যনৰ বাবে ।

দুপৰীয়া হঠাৎ যেতিয়া ভোক লাগিল, তেতিয়াহে ভাতৰ চিন্তাটো মনলৈ আহিল । আজিতো ভাত খাবলৈ ঘৰলৈ যোৱাৰ অৰ্থ নাই;—গতিকে কেণ্টিনলৈকে ওলালো । কেণ্টিনৰ ভাতখিনি বেয়া নহয় । বহুত এমপ্লয়িয়ে দুপৰীয়াৰ সাজ তাত খায় । মই ঘৰত সাধাৰণতে যিমান ভাত খাওঁ, হোটেলত কেতিয়াবা খাবলগীয়া হ'লে তাতকৈ বহুত বেছি খাব পাৰোঁ । আজিও খোৱাটো অলপ বেছিয়েই হ'ল ।

আবেলি চাৰে তিনিবজাত ডিপাৰ্টমেণ্টৰ পৰা ওলাই আহিলো । এতিয়াই ঘৰলৈ গৈ কিটো কৰিম ? আজি ইণ্টাৰ ক্লাছ ফুটবলৰ ফাইনেলখন আছে, তাকে চাওঁগৈ বুলি ফুটবল গ্ৰাউণ্ডৰ ফালে গ'লো । ল'ৰা-ছোৱালীয়ে ফিল্ডখন ঘেৰি পেলাইছে । চিঞৰ-বাখৰ। মই ইচ্ছা কৰা হ'লে প্ৰফেছাৰৰ কাৰণে সজাই দিয়া টে'ণ্টৰ তলতে চকীত বহি খেল চাব পাৰিলোহেঁতেন; পিছে মোৰ প্ৰিয় ছাত্ৰ দীপকক গ'লপ'ষ্টৰ ওচৰত থিয় হৈ থকা দেখি তাৰ ওচৰলৈ গৈ তাৰ কান্ধত হাত থৈ খেল চালো । হাফটাইম হোৱাৰ পাছত, শেষলৈকে খেল চোৱাৰ ইচ্ছা থকা সত্ত্বেও ঘূৰি যাবলৈ ছিটিবাছ নাপাম বুলিয়েই ফিল্ড এৰিলো । দীপকে হাঁহি-হাঁহি ক'লে,—"ছাৰ, আজি আপুনি বাইদেউৰ লগত কাজিয়া কৰি আহিছে নহয় ? নহ'লে কাম শেষ হ'লেই ঘৰলৈ দৌৰ মৰা মানুহজনহে....."

"নহয়, নহয়—আজি তেওঁ ঘৰলৈ গ'ল বুজিছা । কাজিয়া-চাজিয়া নহয় ।"—ময়ো হাঁহি-হাঁহি ক'লো ।

"অঁ, মই ভাবিছোঁ—কিবা এটা নিশ্চয় হৈছে । ছাৰ ভাত-পানী—?"

"কিয় ? মই নিজে ৰান্ধিব নোৱাৰোঁ বুলি ভাবিছা নেকি ?"

"সন্দেহ আছে ছাৰ—"

"এদিন বাৰু খুৱাই দিম, তেতিয়া গম পাবা ।"

সি হাঁহিলে । মোৰ লগতে অকণমান দূৰ আগুৱাই আহি সি ক'লে, "তেতিয়াহ'লে আপুনি যাওকগৈ ছাৰ ।"

ইউনিভাৰ্ছিটি কেম্পাছৰ বাহিৰ ওলাই, তেনেকৈ খোৱাৰ অভ্যাস নাই যদিও, কিবা এটা মন যোৱাত ওচৰতে পোৱা গুমটিটোতে ফিল্টাৰ উইলছ এটা জ্বলাই ললো । দোকানীয়ে ঘূৰাই দিয়া দহ পইচাটো লৈ সুধিলো,—"নৱৈ পইছা নেকি ?" নতুনকৈ ছিগাৰেট খাবলৈ শিকোঁতে চাৰি অনা দি তিনিটাই এটা ফিল্টাৰ উইলছ ভাগ কৰি খোৱাৰ কথাটো এনেয়ে মনত পৰি গ'ল ।

ঘৰৰ ওচৰত ছিটিবাছৰ পৰা নামি ওচৰৰে দোকানখনৰ পৰা ব্ৰে'ড এটা লৈ ঘৰৰ তলা খুলিলো । দিনটো খিৰিকি-দুৱাৰ বন্ধ হৈ থকাৰ কাৰণেই হ'বলা, গোন্ধ এটা আহি নাকত লাগিলহি । চাহ একাপ কৰি বিস্কুট দুটাৰে খাই বিছনাত দীঘল দিলো । লিখা কামটো আজি আৰম্ভ কৰিব লাগিব । এতিয়া মোক ডিছটাৰ্ব কৰোঁতা নাই । গতিকে ইমানদিনে হৈ নুঠা কামটো হ'বগৈ। গধূলি এপাক খোজকাঢ়ি আহি, ভালদৰে গাটো ধুই, বিছনাত লাং খাই লিখিবলৈ আৰম্ভ কৰি দিম;—শেষ নোহোৱালৈকে নেৰোঁ । অ'—ৰাতিৰ খানাটো ? হৈ যাব । ফুৰিবলৈ যাওঁতে কণী লৈ আহিম, ৰহৰ দাইল আছে, ৰাতিপুৱা জলপান হিচাপে খাবৰ কাৰণে আনি থোৱা জহাচাউল আছে । খিচিৰি বনাই দিম,—প্লাছ আলু আৰু বিলাহী সিজাই তাৰ পিটিকা,—হৈ যাব । বঢ়িয়া হ'ব ।

ৰ'দ মাৰ যোৱাৰ পাছত ঘৰৰ পৰা ওলালো । মেইন বজাৰলৈকে যাওঁগৈ। ফুৰাও হ'ব, মানুহ চোৱাও হ'ব আৰু বজাৰো হ'ব । ওচৰৰে তিনি আলিটো পাওঁতে দেখিলো—দুটা মস্ত ডেকা ল'ৰাই কাণত ধৰি উঠা-বহা কৰি আছে, ওচৰত তিনিটা ছি.আৰ.পি. । সিহঁতে ছাইকেলত ডাবল হৈ অহা 'দুষ্ট' কেইটাক শাস্তি দিছে । পিন্ধি থকা স্প'টিংটোৰ পকেটলৈ হাতখন গ'ল । নাই, আইডেন্টিটি কাৰ্ডখন অথনি পিন্ধা ছাৰ্টটোৰ জেপতে থাকি আহিল । হ'ব—একো নাই । কাৰো মুখলৈ নোচোৱাকৈ সিহঁতৰ আগেদিয়েই পাৰ হৈ আহিলোঁ ।

বিপৰীত ফালৰ পৰা কোলাত অকণমানি ছোৱালী এজনী লৈ সেই ছোৱালীজনীক আহি থকা দেখিলো । সদায়ে দেখোঁ । কাৰোবাৰ ঘৰৰ কাম কৰা ছোৱালী । মালিকৰ জীয়েকক আবেলি এপাক ফুৰাই অনাটো তাইৰ এটা ডিউটি—সেইটো অনুমান কৰিবলৈ সহজ । ছোৱালীজনীৰ স্বাস্থ্যপাতি বেচ চকুত লগা । আৰু তাইৰ এটা বৰ দুষ্ট চাৱনি আছে । বৰ সহজলভ্য হ'ব নেকি বাৰু ? অৰুণিমাক কথাটো কওঁতে তাই কৈছিল, "হ'ব, তুমি সেইটো বিষয়ত ৰিছাৰ্চ কৰিব নালাগে। মতা মানুহবিলাকক বিশ্বাস কৰিব নোৱাৰি দেই !" ছোৱালীজনীৰ ওচৰ পাওঁতে মই প্ৰয়োজনতকৈ বেছি গহীন হৈ দিলো; কিন্তু তাই হঠাৎ মোক মাতি দিলে,—"আহিলে ?" মই অলপ থতমত খালো । নাৰ্ভাছ হ'লো নেকি বাৰু ? মুখেৰে 'অঁ' এটা ওলাই আহিল আৰু খোজটো হঠাৎ খৰ হৈ গ'ল ।

বজাৰত মোৰ নিৰ্দিষ্ট দোকানখনত জৰ্দা পাণ এখন মুখত ভৰাই, তাতে ৰৈ,



ব্যস্ততাৰে অহা-যোৱা কৰি থকা মানুহবিলাকৰ ওপৰত চকু দিলো । কিছুমানৰ ওপৰত চকু নপৰিল, কিছুমানৰ ওপৰত এনেই চকু পৰিল আৰু কিছুমানৰ ওপৰত চকু খন্তেকলৈ থিৰ হ'ল । নয়ন-সাৰ্থক কৰি, কণী চাৰিটা আৰু ধূপৰ পেকেট এটা লৈ মই ভালপোৱা অলপ দীঘলীয়া অথচ নিৰ্জন, আন্ধাৰ ৰাস্তাটোৰে ঘৰ অভিমুখে খোজ ল'লো । এই ৰাস্তাটোত প্ৰায়ে গধূলি মই ভাবত বিভোৰ হৈ খোজ কাঢ়োঁ; নিজৰ লগতে কথা পাতোঁ; কেতিয়াবা হাতেৰে সৰু-সুৰা অংগী-ভংগী কৰোঁ । অৰুণিমাক কথাটো ক'লে কয়, "হেৰা, তুমি ৰাস্তাত সেইবোৰ নকৰিবা দেই ! মানুহে দেখিলে পগলা বুলি ক'ব ।" মই উত্তৰ দিওঁ,—"হেৰা, পৃথিৱীৰ বহুত গুণী-জ্ঞানী ব্যক্তিক মানুহে পগলা বুলি কয় । সেইবুলি তেওঁলোক পগলা হ'ব নেকি ?"

আন্ধাৰ ৰাস্তাটোত খোজ দিয়াৰ পাছতে লিখাৰ চিন্তাটো আহি গ'ল । সেই কথাটোকে ভাবি-ভাবি আহি থাকোঁতেই সেই তিনি-আলিটো পালোহি আৰু তাতে ছি.আৰ.পি. এটাই মাত দিলে,—"ভাই চাহাব, আপকা থেইলা দিখাইয়ে জৰা—।" 'থেইলা' মানে মোৰ হাতত থকা পলিথিনৰ কেৰিবেগটো । ভিতৰত চাৰিটা কণী আৰু ধূপৰ পেকেট এটা । অলপ হাঁহি ক'লো,—"ইচমে ক্যা হোগা—বাজাৰ কা চামান হে ভাই ।" সিহঁতৰ আগত মেলি ধৰা মোনাটোৰ ভিতৰলৈ জুপি চাই এটাই হাঁহি ক'লে,—"ক্যা কৰেংগে ভাই চাহাব ! ডিউটি হ্যেয়, মজবুৰী হ্যেয় ।"

ঘৰ সোমাই দুগিলাছ পানী ঘট ঘটকৈ পি, সুদা টাৱেলখন পিন্ধি, ফুলস্পিডত টেবুল ফেনখন চলাই দি, তাৰ যিমান ওচৰ চাপিব পাৰি সিমান ওচৰ চাপি বতাহ খাবলৈ ধৰিলো । ছেপ্টেম্বৰৰ শেষতো ইমান গৰম !

আগতে গাটো ধুই লওঁ নে ভাতৰ কামখিনি কৰোঁ ? নাই,—গাই ধুই আকৌ ভাতত লাগিবলৈ ভাল নালাগিব । পাগঘৰলৈ গৈ প্ৰেছাৰ কুকাৰত চাউল-দাইল, দুটা আলু, দুটা বিলাহী আৰু কণী এটা দি গেছৰ ওপৰত তুলি দিলো আৰু হুইছেলৰ অপেক্ষাত ওচৰতে থিয় হৈ ৰ'লো । অলপ সময়ৰ পাছতে এটা হুইছেল বাজিল । এটাতে হ'বগৈনে ? নাই আৰু এটা বাজক । সেইটোও বাজিল । গেছটো বন্ধ কৰি দিলো । অৰুণিমাই কৈ গৈছিল, প্ৰেছাৰ কুকাৰটো খাবৰ সময়ত খুলিলেও হ'ব । তেতিয়াহ'লে ভাতৰ কাম ইমানেই ? আলু-বিলাহীৰ পিটিকাটো খোৱাৰ আগতে বনাই ল'ম । ন' প্ৰব্লেম । নাও গ' এণ্ড এনজয় এ গুড বাথ—মাই ডিয়েৰ বয় । ছাৱাৰৰ তলত গাটো শাঁত পৰি যোৱাৰ পাছত কাপোৰ থোৱা ৰছীডাললৈ চাই দেখিলো—আজি দেখোন তাত মোৰ গেঞ্জি, আণ্ডাৰৱেৰ একোৱেই নাই । ক'ৰ পৰা থাকিব ? অৰুণিমাতো নাই ! এইজনী নাথাকিলেও বৰ দিগদাৰি হে !

মই পিন্ধিলেই পুটকাই 'দেতাৰ পেণ্ট খহি দেতাৰ পেণ্ট খহি—' বুলি চিঞৰি জঁপিয়াবলৈ আৰম্ভ কৰা ঢিলা হাফপেণ্টটোকে পিন্ধি লৈ কাগজ-পে'ন লৈ বিছনাত পেট পেলাই পৰি ল'লো । লিখিম বুলি ভবা গল্পটোৰ প্লটটো বহুত দিনৰ পৰা মোৰ মনত ঘূৰি ফুৰিছে । গল্পটোৰ নামটো পৰ্যন্ত ঠিক কৰি থৈছোঁ—"তীখৰগুটি' । তথাপি আৰম্ভণিতে মোৰ অলপ খোকোজা লাগিছে । কি ধৰণে আৰম্ভ কৰিলে ভাল হ'ব বাৰু ? ধেৎ তেৰি—শেষেই । এই লাইটডালো গ'ল দুঘণ্টাৰ কাৰণে। মম বা আছেনে নাই ! টৰ্চ লাইটৰ পোহৰত মম বিচাৰি মূৰটো অলপ গৰমেই হৈ গ'ল । ষ্টেণ্ডালত লাগি থকা দুই ইঞ্চিমান মমডালৰ বাহিৰে বেলেগতো বিচাৰি পোৱা নাই ! নাই নেকি ? সৌ সিদিনাখনহে নটকা দি এপেকেট মম আনিছিলো ! শেষেই হ'ল নে ? মমৰ কাৰণেও বেলেগে বাজেট এখন বনাব লাগিব দেখিছোঁ এতিয়া । তাৰ মানে আজি লিখা নহ'ল আৰু। নাই; নিলিখিলে নহ'ব । চাৰে সাতবজাত লাইট গৈছে যেতিয়া চাৰে নবজাত আহিব । তাৰ পাছত ভাত-পানী খাই লিখিবলৈ ল'ম । নবজাত পাগঘৰলৈ যাম—পিটিকাটো বনাম—চাৰে নজাত খাম, তাৰ পাছত আৰু কোনো কথা নাই । পোৱালিটোৱে এতিয়া চাগৈ ককাকৰ কোঁচত বহি সাধু শুনিছে—'ওকণি সখি মৰি গ'ল, বগে নিৰামিষ খায়—লুইত ফেণায় মহ মেনায়.....।' ইয়াত থকা হ'লে সি এতিয়া মোৰ পিঠিত উঠি জঁপিয়াই থাকিলহেঁতেন । থকা হ'লেই ভাল আছিল ।

ন বজাত প্ৰেছাৰ কুকাৰ খুলি যিটো সুন্দৰ গোন্ধ পালো, চাৰে নলৈকে ৰোৱাৰ ধৈৰ্য নহ'ল । পিটিকাও কৰা নহ'ল । পৰম তৃপ্তিৰে খিচিৰিখিনি খাই ভাবিলো,—"মই ৰান্ধিব পাৰোঁ দেখোন হে !" পিছে তাৰ পাছৰ কামখিনিহে বৰ আমনিদায়ক । এই বাচন ধোৱা কামটো । উপায়তো নাই ! সেইটো কামো কৰি, অৰুণিমাৰ মৰমৰ গেছষ্ট'ভটো মচি-কাচি, পাগঘৰটো এবাৰ সাৰিলো । বচ,—আজিলৈ পাগঘৰৰ কাম শেষ । লাইটটো নুমুৱাই দুৱাৰত তলা মাৰিলো । বে'ডৰুমলৈ আহি হঠাৎ চিন্তা এটা সোমাল—গেছটো ভালকৈ বন্ধ কৰিলোতো ? কৰিলো,—নিশ্চয় কৰিলো । তথাপি সন্দেহ এটা হৈছে যেতিয়া এবাৰ চাই অহাই ভাল । বিৰক্ত হ'লেও আকৌ পাগঘৰৰ তলা খুলি নিশ্চিন্ত হৈ ল'লো । ইত্যিমধ্যে লাইটো আহিল । পিছে ভাবিছিলো যদিও এতিয়া লিখাৰ মুড নাই আৰু। আজি দিনটো যথেষ্ট ঘূৰামেলাও কৰা হ'ল, টোপনিৰ ভাব এটাও আহিছে । আজি শুয়েই থাকোঁ সোনকালে । শুই থাকিবলৈও আকৌ আঁঠুৱাখন তৰিব লাগিল নহয় ! মহা মস্কিল । এই কামটো মই বৰ টান পাওঁ । টানি আজুৰি যিখন আঁঠুৱা তৰিলো, বিছনাখনৰ পৰা তাৰ উচ্চতা তিনিফুটৰ বেছি নহ'ল । হ'ব । সোমাই শুই থাকিবহে লাগে আৰু !

ৰাতিপুৱা খকমকাই উঠি পোনে পোনে ৱালক্লকটোলৈ চকু দি দেখিলো—সৰ্বনাশ আঠ পোন্ধৰ ! আৰে, কি হৈ গ'ল ! মোৰতো আজি আঠ বজাত ক্লাছ আছিল ভাই ! ধেৎ তেৰি ! কি কৰোঁ বাৰু ? নাই, এতিয়াতো লৰালৰিকৈ ওলাই গৈও একো লাভ নাই ! ধেৎ—বৰ লাজৰ কথা হ'ল দেই । শুই থাকি ক্লাছ মিছ কৰিছোঁ,—এইটোতো কোনোদিনে হোৱা নাছিল ! হ'ল, যি হ'ল হ'ল আৰু, উপায় নাই । এতিয়া মোৰ বে'ড টি কাপ ? কোনে আনিব ? বৰ অশান্তি দেই ।

পাগঘৰলৈ গৈ চাহৰ পানী তুলিলো । যিমান সোনকালে পাৰি নিত্যকৰ্মখিনি কৰি ইউনিভাৰ্ছিটিলৈ বুলি ওলালো । মোৰ নেক্সট ক্লাছটো দহ বজাত আছে । সেইটো মিছ কৰিব নোৱাৰি।

দিনটো ব্যস্ততাৰে পাৰ হৈ গ'ল । হে'ড ছাৰে মাজতে এবাৰ মাতি নি ৰাতিপুৱা ক্লাছটো নোলোৱাৰ কাৰণ সুধিলে । সঁচা কথাখিনিকে কৈ দিলো । আবেলি ঘৰলৈ ঘূৰি আহোঁতে হঠাৎ তাঁতীলৈ মনত পৰিল । সি কেইবাদিনো মাতি আছে যদিও আজিলৈকে তাৰ ঘৰলৈ যোৱা হোৱা নাই । মই অহা-যোৱা কৰা ৰাস্তাটোতে সৰু ভাৰাঘৰ এটাত সি থাকে । সি মোতকৈ দুবছৰৰ জুনিয়ৰ আছিল । একেটা হোষ্টেলতে আছিলো । এতিয়া সি যোৰহাটতে চাকৰি কৰে। বিয়া-বাৰু এতিয়ালৈকে পতা নাই । তাৰ ঘৰৰ দুৱাৰখন ঠেলি দিওঁতেই মেল খালে । মই মাত নিদিয়াকৈয়েই তাৰ ৰুমলৈ সোমাই গৈ অলপ অপ্ৰস্তুত হ'লো । তিনিজন মানুহ—মাজত বেগপাইপাৰ হুইস্কিৰ ইতিমধ্যে আধা খালী হোৱা বটল এটা আৰু মিক্সাৰৰ প্লেট এখন লৈ বহি আছে । তাঁতীয়ে মোক দেখিয়েই চিঞৰি দিলে,—"আৰে, হিৰণ্যদা—হোৱাট এ গ্ৰেণ্ড ছাৰপ্ৰাইজ । আহক, আহক ।" বাকী দুজনলৈ মন কৰি দেখিলো,—আৰে—সেইটো দেখোন বুলু বৰুৱা আৰু এইটো সুশীল—গোটেইকেইটা মোৰ আগৰ হোষ্টেল লাইফৰ পাৰ্টনাৰ। মনটো হঠাৎ বৰ ভাল লাগি গ'ল । বিছনাখনত গৈ বহিছোঁ কি নাই, তাঁতীয়ে গিলাছ এটা আনি মোৰ আগত থৈ ডাঙৰ পেগ এটা বাকিলেই । মই লগে-লগে বাধা দিলো—"নাই, নাই, তাঁতী, আজিকালি মোৰ সম্বন্ধ নাই ।"

"দেখ ৰে ভাই, ইমান দিনৰ মূৰত আমাৰ গুৰু আহিছে আৰু গুৰুৱে কয় কি বোলে মই তহঁতক যিটো বিদ্যা শিকালো, মই নিজে সেই বিদ্যা পাহৰি গ'লো ! বাদ দিয়ক, বাদ দিয়ক, হিৰণ্যদা, মাৰি দিয়ক—নাথিং—একো নহয় ।"

বাকী দুটায়ো সমানে জোৰ দিলে । ময়ো ভাবিলো মাৰি দিওঁ পেগ এটা । মইতো আৰু নাখাওঁ বুলি প্ৰতিজ্ঞা কৰি থোৱা নাই !

চাৰে সাত কেতিয়া বাজিল গমেই নাপালো । চাৰে সাত বজাত প্ৰথমে সুশীল উঠিল, সি সংসাৰী মানুহ,—সি তাতকৈ

দেৰি কৰিব নোৱাৰে। সি উঠি তাঁতীৰ পাগঘৰত সোমাই মুখত চাহপাত অলপ লৈ চোবাবলৈ ধৰিলে । মানুহজনীয়ে মদৰ গোন্ধ পালে সৰ্বনাশ। চাহপাত চোবাই খালে বোলে মদৰ গোন্ধ মৰে। বুলু বৰুৱাই এতিয়াও বৰলা ভাত খায়েই আছে যদিও তাৰ ঘৰ বহুত দূৰৈত;—স্কুটাৰেৰে আধা ঘণ্টা লাগে। গতিকে সিও যাবলৈ ওলাল । সিহঁত দুয়োটাৰে স্কুটাৰ আছে আৰু দুয়োটা মোৰ ঘৰৰ ফালেদিয়েই যাব । পিছে এখন স্কুটাৰত দুজন উঠাটো সদ্যহতে নিষেধ কৰি থোৱা হৈছে; গতিকে মই ঘৰলৈ খোজকাঢ়িয়েই যাব লাগিব । সেইটো লৈ অৱশ্যে মই চিন্তা নকৰোঁ; কাৰণ আঢ়ৈ কিল'মিটাৰ খোজকঢ়াটো মোৰ কাৰণে একো বিশেষ ডাঙৰ কথা নহয় ।

আজিকালি চাৰে সাতবজাৰ ৰাস্তাটো দেখোন মাজনিশাৰ ৰাস্তা যেন লাগে! খোজকাঢ়ি যোৱা মানুহ নাথাকেই, গাড়ী-মটৰো নাথাকে । মাজে-মাজে যি কেইখন গাড়ী যায়, সেইকেইখন পুলিছ-মিলিটেৰিৰ গাড়ী হয় । সেয়েহে মোৰ খোজকেইটাও খৰ হ'ল ।

ঘৰত সোমাই মোৰ একো কৰিবলৈ মন নগ'ল । বিছনাত দীঘল দি পৰি দিলো । আজি ভাত-পানী নাৰান্ধো আৰু। এলাহ লাগিছে । ব্ৰে'ড এটা আছিল নহয়, তাকে পানী এগিলাছেৰে সৈতে খাই শুই থাকিম । লিখাটো ? সেইটোও নহ'ব আৰু আজি । একেবাৰে মুড নাই ।

হঠাতে কলিং বে'লটো বাজি উঠাত বিৰক্ত হ'লো । কোন আহিল আকৌ এই সময়ত ! দুৱাৰখন খুলি দেখিলো ঘৰটোৰ ইটো পাৰ্টত থকা বৰুৱাদা ।

"কি কৰিছে ? হেৰি,—আপুনি আজি ভাত-পানী ৰান্ধিব নালাগে বুজিছে । তেওঁ কিবা কিবি পঠিয়াই দিম বুলিছে ।"

"নহয়, মই পাৰিম ৰান্ধিব । সেইটো লৈ চিন্তা নকৰিব ।" হাঁহি-হাঁহি ক'লো ।

"হ'ব বাৰু। পাৰিলেও আজি নালাগে। অলপ দেৰি হ'ব পিছে । আপুনিতো দেৰিলৈকে থাকেই ।"

বৰুৱাদা গ'ল । প্ৰস্তাৱটো বেয়া নাপালো । সুখী হ'লো । হওক, এটা চিন্তা আঁতৰিল । বৰলা হৈ থকা অৱস্থাত বেলেগ কথা । কিন্তু বিয়া-বাৰু পাতি তাৰ পাছত অকলে থাকিবলগীয়া হ'লে এই ভাত ৰান্ধি খোৱা কামটো কিমান জঞ্জালৰ কাম, সেইটো বৰুৱাদাই বুজে । তেওঁৰ অভিজ্ঞতা আছে ।

চাৰে নমান বজাত ট্ৰে' এখনত কেইবাবিধো ব্যঞ্জন আনি বৰুৱাদাই মোক দি গ'ল । ভোক লাগিছিল । মাংসৰ গোন্ধে ভোকটো আৰু বঢ়াই দিলে । গতিকে পোনে-পোনে ভাত খাবলৈ বহিলো । ভাত দিয়া বৌলটো খুলিহে চিন্তাত পৰিলো । মই সচৰাচৰ খোৱা ভাতৰ পৰিমাণতকৈ তিনিগুণ বেছি আছে তাত । কি কৰিম ? আধা খাই ঘূৰাই দিবলৈতো ভাল নালাগিব ! মনে মনে ইয়াতে বাকী থকাখিনি পেলাই দিম নেকি ? নাই, ভাত পেলোৱাৰ পক্ষপাতী মই কেতিয়াও নহওঁ । উপায় নোহোৱাত কোনোৰকম গোটেইখিনি খাই শেষ কৰি বাচনকেইটা ধুই বৰুৱাদাক ঘূৰাই দিলো ।

পাছদিনা ৰাতিপুৱা ছয় বজাতে উঠিম বুলি ঘড়িত এলাৰ্ম দি থ'লো । ইহঁত যোৱাৰ পাছৰে পৰা ঘৰটো এবাৰো সৰা হোৱা নাই । বৰ লেতেৰা হৈ আছে । কাইলৈ সোনকালে উঠি সেইটো কাম কৰিব লাগিব ।

ৰাতিপুৱা চকুকেইটা কোনো ৰকমে মেলি পাগঘৰলৈ গৈ দেখিলো,—চাৰিওফালে লানি নিছিগা পৰুৱাৰ ৰাজত্ব চলিছে । সেইদিনা আনি থোৱা ব্ৰে'ডটোত লাখ-লাখ পৰুৱা । নহয় অকল ব্ৰে'ডতেই নহয়, ঘিউৰ পেকেট, বিস্কুটৰ টেমা, চেনিৰ টেমা চবতে । সেইখিনি চাবলৈ গৈ মোৰ হাতে-ভৰিয়ে গোটেইখন পৰুৱা হ'ল । ক'বলৈহে পৰুৱাৰ কামোৰ, বৰ কিটিক-কিটিককৈ কামোৰে। পৰুৱা নিধন যজ্ঞত লাগি থাকোঁতে মোৰ আন কাম একো নহ'লগৈ।

গধূলি খোজকাঢ়ি এপাক ঘূৰি আহিলো—আজি লিখাৰ মুড আহিছে, যোৱা দুদিনতো একো নহ'লেই, আজি লিখিম । সোনকালে ঘৰ সোমালো । লাইট নাই যদিও কোনো কথা নাই,—মম জ্বলাই লিখিম ।

আৰম্ভ কৰিবলৈ লোৱাৰ সময়তে বৰুৱাদাৰ ঘৰৰ কাম কৰা ল'ৰাটোৱে আহি ক'লে,—"দাদা, বাইদেৱে তৰকাৰী-চৰকাৰী দিম বুলি কৈছে, আপুনি অকল ভাতটো বনালেই হ'ব বুলি কৈছে ।" মোৰ হঠাৎ আগৰ দিনাৰ ভাতৰ পৰিমাণটোলৈ মনত পৰি গ'ল । ৰাক্ষস বুলি ভাবিলে চাগে দেই । ধেৎ বৰ লাজৰে কথা হ'ল । প্ৰেছাৰ-কুকাৰত চাউলকেইটা দি পোন্ধৰ মিনিটৰ ভিতৰতে সেইটো লেঠা মাৰি, ডাইনিং টেবুলৰ ওপৰত দুডাল মম জ্বলাই আৰম্ভণিৰ বাক্যটো লিখোঁতেই তলত মালিকৰ ঘৰৰ ফোনটো বাজি উঠিল । এইটো সময়ত সাধাৰণতে ফোন নাহে । যিকেইটা আহিছে, তাৰ ভিতৰত আধা ভাগ মোলৈ ঘৰৰ পৰা অহা ফোন । তলত আজি কোনো নাই, মালিক-মালিকনী, দুয়ো ফুৰিবলৈ ওলাই গৈছে । ফোনটো বাজিয়েই আছে । মোৰ মনটোত কিবা ভয়-ভয় ভাব এটা সোমাল । এবাৰ ৰিং শেষ হোৱাৰ পাছতে ফোনটো আকৌ বাজিবলৈ ধৰিলে । বৰ আৰ্জেণ্ট কল হ'ব । ডিব্ৰুগড়ৰ নেকি ? বহু সময় ধৰি ফোনটো অবিৰাম বাজিল । এইটো ধৰণত ঘৰৰ পৰা কিয় ফোন কৰিব ? নহয় ঘৰৰ ফোন নিশ্চয় নহয় । দেউতাৰ কিবা ? নে অৰুণিমা ? নে মোৰ পুটকা ? মোক মুঠতে ফোনটোৱে একেবাৰে পগলাৰ দৰে কৰিলে । যিমান ধৰণৰ বেয়া চিন্তা মনত সোমাব পাৰে, চব সোমাল । ফোনটো শেষত যেতিয়া বন্ধ হ'ল, তেতিয়া মই খিৰিকি খুলি তললৈ চাই-চাই বহি থাকিলো ।—মালিকহঁত বা কেতিয়া আহে ! কলৈ বা গৈছে ! আঠ বজাত যেনিবা মালিকৰ পৰিয়াল আহিল । এতিয়া ফোনৰ অপেক্ষাত ৰ'লো । ইমান জৰুৰী ফোন যেতিয়া নিশ্চয় আকৌ আহিব । ইতিমধ্যে খুলি থোৱা পেণ্ট-ছাৰ্টযোৰ আকৌ পিন্ধি লৈ মই ৰেডি হৈ থাকিলো । ফোন আহিব, তলৰ পৰা মোক মাতিব, গতিকে যাব লাগিব । এইবাৰ কিন্তু ফোন নাহে হে নাহে । শেষত ন বাজি বিছ মিনিটত ফোনে ৰিং কৰিলে, আৰু মই চৰম উৎকণ্ঠাৰে বাট চালো । মালিকে ফোন দাঙি যেতিয়া নিজে কথা পাতিবলৈ ধৰিলে তেতিয়া মোৰ মূৰৰ ওপৰৰ পৰা সমস্ত পৃথিৱীৰ ভাৰ আঁতৰি যোৱাৰ দৰে লাগিল । পেটৰ ভোকটোৰ উমানো তেতিয়াই পালো ।

ইতিমধ্যে বৰুৱাদাৰ ঘৰৰ পৰা পঠোৱা কেইবাবিধো আঞ্জাই মোৰ ডাইনিং টেবুলৰ শোভা বঢ়াইছে । প্ৰেছাৰ কুকাৰটো খুলি দেখিলো চাউল কম আৰু পানী বহুত বেছি হ'ল । সেইখিনি এতিয়া পি খোৱাৰ বাহিৰে আন উপায় নাই । ষ্টিলৰ চৰিয়া এটাত সেইখিনি বাকি লৈ তাৰ পৰাই এঢোক 'ভাত', তাৰ লগত এঢোক দাইল, তাৰ পাছত এঢোক মাছৰ আঞ্জা এনেকৈ সকলোখিনি পি শেষ কৰিলো । আৰু তেতিয়াই চিন্তা কৰিলো—নাই, হৈ গ'ল,—অকলে থাকি, পৰিবেশ সৃষ্টি কৰি লিখাটো মোৰ নহ'ব । সিহঁত লগত থাকক—মোৰ পিঠিত উঠি পোৱালিটোৱে জঁপিয়াই থাকক, অৰুণিমাই হাতত কটাৰী, আলু, পিয়াঁজ লৈ পাগঘৰৰ পৰা পাঁচমিনিটৰ কাৰণে ওলাই আহি মোৰ গাৰ ওপৰতে পৰি দিয়ক,—তাৰ মাজতেই মই লিখিব পাৰিম ।

কাইলৈ মোৰ ক্লাছো নাই । ৰাতিপুৱা ছয় বজাৰ বাছত গৈ ন বজাত ঘৰ পাম, তাৰ পৰা আবেলি তিনি পঞ্চল্লিছৰ ছুপাৰখনত সিহঁতক লৈ ঘূৰি আহিম । হ'ব,—সেইটোৱেই ভাল হ'ব । পিছে ঘৰটো ইমান লেতেৰা হৈ থাকিলে অৰুণিমাই আহিয়েই বকিবলৈ আৰম্ভ নকৰিবনে ?

ভাতৰ বাচন-বৰ্তনখিনি ধুই প্ৰথমে মই পাগঘৰটো চাফা কৰিবলৈ ল'লো । ক'তো অকণো খুঁত নথকাকৈ । তাৰপাছত হাতত ঝাৰু আৰু ফাৰ্নিচাৰৰ ধূলি মচা পুৰণা গেঞ্জিটো লৈ প্ৰথমে বে'ডৰুম, তাৰপাছত ড্ৰয়িংৰুম যিমান পাৰি সিমান চাফা কৰিলো । মোৰ কিতাপৰ ৰেকখন, নিউজপেপাৰ থোৱা টেবুলখন, মেগেজিনৰ ষ্টেণ্ডটো, এটা চুকত দ'ম কৰি থোৱা মোৰ গেঞ্জিকেইটা, অ'ত-ত'ত সিঁচৰতি হৈ থকা কেছেট, ড্ৰয়িংৰুমৰ মকৰাজাল, ড্ৰেছিং টেবুলৰ ওপৰত থকা অৰুণিমাৰ মেকআপৰ ট্ৰে'খন—একো বাদ নিদিলো । এতিয়া অন্ততঃ অৰুণিমাই নাকটো অকণমান কোঁচাই 'ঠিকেই আছে' বুলি ক'ব । একেবাৰে সন্তুষ্টতো তাই কেতিয়াও নহয়েই ।

শেষবাৰৰ কাৰণে ঘৰটো এবাৰ সাৰি লৈ, চাৰিডাল ধূপ একেলগে জ্বলাই, দুৱাৰৰ বাতামত খুচি দি, ঘড়িত পাঁচ বজাৰ এলাৰ্ম দি মই যেতিয়া শুবলৈ বুলি বিছনাত পৰিলো—তেতিয়া এক বাজিবলৈ দহ মিনিট আছিল ।



## ২ পৃষ্ঠাৰ পিছৰ পৰা


ইউৰোপৰ চিঠি/ড. নিৰোদ কুমাৰ বৰুৱা
ডক্টৰ মাৰ্ক্সৰ পৰা 'দি গ্ৰুনেন'লৈ ঃ মৃত্যু শত-বাৰ্ষিকীৰ সোঁৱৰণত ১২(২০)
মাৰ্টিন লুথাৰলৈ কমিউনিষ্টৰ ন দৃষ্টি— আৰু আমাৰ শংকৰদেৱ ২৪(২০)
'স্যুৰিয়েলিজিম তো ময়েই'ঃ এজন সাৰ্বজনীন স্পেনীয়ৰ কলাৰ প্ৰসংগত ১৬(২৭)
ইংলণ্ডৰ সংবাদ মাধ্যমত অসম আন্দোলনৰ প্ৰতিফলন/কৃষ্ণগোপাল ভট্টাচাৰ্য্য ১১(২০)

**উ**

উজনি অসমৰ প্ৰথম ছোৱালী কলেজ/বদন বৰুৱা ৪(৩১)

**এ**

এই নিৰ্বাচনৰ জটিল সত্য/ভবেন বৰুৱা ৯(১৫), ১০(২২)
এছিয়াড ৰাজনীতি ঃ চীন-ভাৰত সম্পৰ্ক/সঞ্জীৱ শইকীয়া ৪(১০)
এছিয়াড সম্পৰ্কে দিল্লীবাসীৰ মতামত ৩(১৬)
এটা ৰাজনৈতিক সাহস লাগে/নগেন শৰ্মা ৪(২০)
এটেনব'ৰ' আৰু গান্ধীজী/মনোজ বৰুৱা ২(২০)

**ও**

ওদালগুৰিত বড়ো সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ অধিবেশন ১৩(৯)

**ক**

কবিতা
অনিৰ্বান শৰ্মাৰ 'তোমাৰ কবিতা' ২০(৪২)
অমূল্য কুমাৰ দাসৰ 'অনুভৱ কৰা' ১৬(৪৩)
অৰুন্ধতী দেৱীৰ 'প্ৰলয়ৰ বলয় পাৰ হৈ'— ৩(৪০)
অৱনী চক্ৰৱৰ্তীৰ 'ফেপেৰি পাত নে আগচি ধৰ —' ৬(৪১)
অহিদু জামানৰ 'হঠাৎ কেতিয়াবা সকলো পাহৰি যাওঁ' ১১(৪২)
উত্তম কুমাৰ বৰুৱাৰ 'ফেনে-ফোটোকাৰে ভৰা নদীখন' ৩(৩৯)
কপিল ঠাকুৰৰ 'হাত' ১০(৪২)
কবীন ফুকনৰ 'আই বসুমতী তোমাক সুধিছোঁ' ২২(৩৭)
কেশৱ চন্দ্ৰ ভাগৱতীৰ 'কবিতা' ১৬(৪৩)
কেশৱ মহন্তৰ 'এনেকৈয়ে আনে নে' ২২(৩৭)
কৈলাস দাসৰ 'এটি কবিতা' ১৬(৪৩), 'প্ৰেমৰ স্তৱক' ১৭(৩৫)
গুৰমাইল সিঙৰ 'পৰাজয়' ২৪(৩৩)
চন্দ্ৰ মোহন দাসৰ 'এটা নক্সা' ২২(৩৭)
চৈয়দ আব্দুল হালিমৰ 'ঈচিছৰ স'তে এখন্তেক' ১(৪০)
জয়জ্যোতি গোস্বামীৰ 'দুটা কবিতা' ৩(৩৯)
জয়ন্ত কুমাৰ দাসৰ 'ঠিকনা', 'এটি কবিতা' ১(৪০)
জয়ন্ত কুমাৰ মাস্তাৰ 'সত্যজাত' ৩(৪০)
জুন টাকামিৰ (জাপান) 'ৰঙা ফল আৰু এজন ৰোগী' (অনু ঃ ভূপেন দাস) ১৯(৪২)
জ্ঞান পূজাৰীৰ 'কবিতা' ২৪(৩৪)
ডিম্বেশ্বৰ দাসৰ 'চিত্ৰৰ' ৪(৪০)
ধীৰেন্দ্ৰ কুমাৰ মিলিৰ 'আমাৰ বৰ্তমান' ২৪(৩৩)
নৰেন মজুমদাৰৰ 'তোমাৰ স'তে' ১৪(৪৪)
নৱজিৎ কুমাৰ পাটোৱাৰীৰ 'মাহমৰীয়া ছোৱালীজনী' ১১(৪২)
নিত্যা দত্তৰ 'আশ্ৰয়' ২১(৪২)
(ড.) নিৰ্মলপ্ৰভা বৰদলৈৰ 'কবিতা' ২(৩৮)
নীলমণি ফুকনৰ 'তেজৰ সোণৰ মানুহ সপোনৰ সূৰ্য্যৰ মানুহ' ৯(৪২)
পৰমেশ শীলৰ 'শৰতৰ কবিতা' ৮(৪৪), 'সকলো মানুহ সাৰে আছে' ১৪(৪৪)
পৰাগ চলিহাৰ 'নিৰাই কহাৰী' ১৭(৩৩)
পৰিমল বকুল বৰুৱাৰ 'অভেদ্য প্ৰাচীৰ ভেদি' ২৩(৪০)
পল্লৱ ৰঞ্জন দাসৰ 'কাৰোবাৰ খোজত শব্দ' ১৯(৪২)
পুতুল চন্দ্ৰ শৰ্মাৰ 'সংকেত' ১৯(৪২)
প্ৰকাশ ৰাজকুমাৰৰ 'এৰাবাৰীত ভূত ওলায় !!' ১৪(৪৪)
প্ৰণৱ বৰাৰ 'আশংকা' ১০(৪২)
প্ৰফুল্ল কুমাৰ গায়নৰ 'মৰ্মান্তিক' ২৪(৩৪)
প্ৰয়াগ শইকীয়াৰ 'ৰোগশয্যাত কবিতা' ১১(৪২), 'দুখৰ দিনত' ২৩(৪০)
প্ৰেম নাৰায়ণ নাথৰ 'যেতিয়া শীত আছিল' ১৭(৩৫)
বাণী শৰ্মাৰ 'পাৰ্কত আধাঘণ্টা' ১৭(৩৫)
বাদল চৌধুৰীৰ 'নখন্দা পাৰত কৌৰাগ' ৩(৩৯)
বিদ্যুৎ বিকাশ ভূঞাৰ 'মানুহ কোন' ১৯(৪২)
বীৰেণ গগৈৰ 'কি সুন্দৰ পথ' ২১(৪২)
ভগিনী ৰায় চৌধুৰীৰ 'দেশৰ গৰাকী কোন ?' ২১(৪২)
ভাছিলিচ ভিটাছাক্সিচৰ 'খিৰিকি' (অনুঃ অমূল্য শইকীয়া) ২০(৪২)
মহেশ্বৰ নেওগৰ 'আবেলি ঘৰ বুলি' ২৪(৩৩)
মুনীন হাজৰিকাৰ 'বৰষা' ১৭(৩৬)
মেঘালী ফুকনৰ 'পলাশফুলৰ ঠানি ভাঙি' ১৭(৩৫), 'ফেইজালিৰ চিত্ৰৰ' ২৩(৪০)
যজ্ঞেশ্বৰ শৰ্মাৰ 'মেজিৰ একুৰা জুই' ১২(৩৬); 'পুৰিলে, ভাল কৰিলে' ২২(৩৬)
ৰফিকুল হোচেইনৰ 'অন্য এক গুৱেৰনিকা' ১৮(৪৩)
ৰবীন্দ্ৰ নাথ চেটিয়াৰ 'উপলব্ধি' ১৬(৪৩)
ৰবীন্দ্ৰ বৰাৰ 'আসন্ন' ২১(৪২)
ৰাম গোস্বামীৰ 'ছ' খি' ১৩(৪৮), 'বাৰ্তা' ২২(৩৬)
ৰীমা মজিন্দাৰ বৰুৱাৰ 'বিস্ময়' ১৮(৪৩), 'এটি কবিতা' ২৩(৪০)
ৰুণুবানী শৰ্মা ফুকনৰ 'চিকমিকাই উঠে —' ১৩(৪৮)
ৰোহিনী কুমাৰ পাঠকৰ 'আপুনি থাকক সুখে' ৩(৪০), 'কবিতা' ৪(৪০)
লক্ষী দাসৰ 'দৈনন্দিন' ১৬(৪২)
লীলাৱতী শইকীয়াৰ(বৰা) 'স্খলন' ১১(৪২),
লেংষ্টন হিউজৰ 'নিগ্ৰো' (অনুঃ দিলীপ তালুকদাৰ) ১৫(৩৯)
শংকৰ শইকীয়াৰ 'সংকেত ধ্বনি' ১২(৩৬)
শৰৎ বৰকটকীৰ 'জুয়ে পোৱা কলিজা লই' ২৩(৪১)
শান্তনু বৰগোহাঞিৰ 'প্ৰতিধ্বনি মাথোঁ সিপাৰতেই —' ২৪(৩৪)
খ্নিন-খোক-খোঙৰ (কোৰিয়া) 'যদি তুমি মাতা' (অনুঃ ইন্দ্ৰ প্ৰসাদ শইকীয়া) ৫(৪২)
শুদ্ৰক কাশ্যপৰ 'নাচ' ২২(৩৬)
সঞ্জীৱ চলিহাৰ 'এটি কবিতা' ১৭(৩৬)
সিদ্ধাৰ্থ শংকৰ শৰ্মাৰ 'এটা কবিতা' ১৮(৪৩)
সুৰেণ শৰ্মাৰ 'অপেক্ষাৰ হিৰন্ময়ী স্বৰ' ৮(৪৪)
হৰিকান্ত গগৈৰ 'মমতা' ১৮(৪৩)
হৰেকৃষ্ণ ডেকাৰ 'পোলাকাটা ঃ ৫ জানুৱাৰী ১৯৮০' ১৫(৩৯)
'এটা বিৰল মুহূৰ্ত' ২২(৩৬)
হৰেন্দ্ৰ কুমাৰ ভূঞাৰ 'ৰিলিফবাবু, আপুনি কেতিয়া আহিব' ১০(৪২)
হীৰেন ভট্টাচাৰ্য্যৰ 'নীলা কামিজ' ১২(৩৬)
হোমেশ্বৰ কাকতিৰ 'বুৰঞ্জী' ২৩(৪১)
হোৱাং-খক-উৰ (কোৰিয়া) 'এজনী গাভৰুৰ হৃদয়' (অনুঃ ইন্দ্ৰ প্ৰসাদ শইকীয়া) ৮(৪৪)
কৰ্মাই যাৰ মুখত হাঁহি বিৰিওয়ঃ বড়ো মহিলা সমাজৰ বৈশিষ্ট্য/গণেশ দাস ৮(২১)

কলা সংস্কৃতি
অন্তৰ্হিত প্ৰতিশ্ৰুতি/নীলমণি ফুকন ১২(৪৬)
আধুনিক পুতলা নাচৰ শিল্পী ছবিন ৰাজখোৱা/বলীন বৰগোহাঞি ১৫(৪৫)
উৰণীয়া সিংহ, ইয়াৰ তাৎপৰ্য্য আৰু ক্ৰমবিকাশ/পুষ্প গগে ২৪(৩৫)
এখন বৈশিষ্ট্যপূৰ্ণ প্ৰদৰ্শনী/সমুদ্ৰ গুপ্ত কাশ্যপ ১৪(৪৫)
এটা মধুৰ সন্ধিয়া/মিত্ৰা ফুকন ৩(৪৬)
ঐতিহ্যৰ ঐশ্চৰ্য্য/নীলমণি ফুকন ১৭(৪০)
কলাভূমিৰ নৃত্য পৰিবেশন/কল্পনা বেজবৰুৱা ১(৪৫)
কলিকতাত অসমীয়া শিল্প-সাহিত্য অনুষ্ঠান/যতীন বৰা ৬(৪৬)
কেলিফৰ্নিয়ালৈ ননী বৰপূজাৰী/সমুদ্ৰ গুপ্ত কাশ্যপ ১০(৪৭)
গুৱাহাটীত আমজাদ আলি খান/ড. নিৰ্মলপ্ৰভা বৰদলৈ ১৭(৪২)
গোৱালপৰীয়া ভাওনা—কুশান/আলোক শৰ্মা ২০(৪৭)
'নটৰাজ'ৰ পৰা 'আৱাহন'লৈ—ভ্ৰাম্যমানৰ দুই মেৰু/মুনীন বৰকটকী ২(৪৩)
নৱম আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ ৪(৪৬)
নানকৰ ৰাজ্যত ৰামবিজয় ভাওনা/কিশোৰী মোহন পাঠক ৩(৪৫)
ভঠেলি উৎসৱ সম্পৰ্কে/যতীন্দ্ৰ নাথ তালুকদাৰ ২০(৪৭)
ভাৰতত ডাণ্টেৰ ডিভাইন কমেডিয়াৰ পাণ্ডুলিপি/ইমৰান হুছেইন ৫(৪৭)
ভাৰতীয় চলচ্চিত্ৰ সমাজৰ আশাতীত উৎপলেন্দু চক্ৰৱৰ্তী/সত্যপ্ৰিয় পাঠক ১৪(৪৫)
মাৰ জাতিৰ উৎসৱ/ধৰ্মেশ্বৰ দুৱৰা ৮(৪৫)
ৰাংখল জাতিৰ উৎসৱ/ধৰ্মেশ্বৰ দুৱৰা ১৮(৩৬)
শিল্পীৰ তুলিকাত ক্যুৰবি আংলণ্ডৰ প্ৰকৃতি আৰু মানুহ/হৃদয়ানন্দ শৰ্মা ৯(৪৭)
সত্ৰীয়া কলাৰ দৃষ্টি-পথ/ড. মহেশ্বৰ নেওগ ২২(৪২)
কলিকাতাৰ আকাশত পাঁচটি শান্তিৰ পাৰ/সোণচাকি আৱাহৰা ১(৩৪)
কাকচাঙৰ নৰখাদক মখনা/লীলানাথ ২০(৩৪)
কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে কি ঘটিছিল/জ্ঞান শংকৰ ধাধলাৰী ৯(১৮)
কাৰাকোৰম হাইৱে আৰু খুঞ্জেৰাব গিৰিপথ ঃ সামৰিক ভাবুকি/গিৰিশ চন্দ্ৰ শৰ্মা ১ (২০)
কাৰেণ্ডত নতুন দেও ?/ৰঞ্জন চেটিয়া, প্ৰণৱজ্যোতি খাউণ্ড, প্ৰসন্ন হাজৰিকা, প্ৰশান্ত কুমাৰ শৰ্মা, প্ৰমোদ কোঁৱৰ ২০(১৪)
কি হ'ব ? নিৰ্বাচন আৰু তাৰ পাছত ?/ধীৰেন বেজবৰুৱা ৫(১১)

কুলদীপ নায়াৰৰ বিশেষ প্ৰবন্ধ
অকল ফ্ৰন্ট, মিত্ৰতা প্ৰভৃতি গঠন কৰিলেই নহ'ব ২১(৮)
অসম আৰু পাঞ্জাব ঃ দিল্লীয়ে পানী ঘোলা কৰাৰ পাছত — ১(১১)
অসমলৈ গৈছিলোঁ ১১(২০)
অসমীয়াৰ হাতত ৰাজনৈতিক ক্ষমতা ঃ একমাত্ৰ সমাধান ৯(১৩)
আইনৰ বিচাৰ বনাম নৈতিকতাৰ বিচাৰ ৫(৯)
আজি নেহৰুলৈ মনত পৰে ১৪(২০)
ইন্দিৰাৰ কংগ্ৰেছ এতিয়া ৰাজীৱৰ কংগ্ৰেছ ২৩(১০)
কৈফিয়ৎ দিব কোনে ? ৪(১৩)
তথাকথিত উদাৰপন্থীৰ জঘন্য ভূমিকা ২০(১২)
নোকোৱাৰ কৌশল ! ১২(১১)
পানী আৰু শান্তি ২(১২)
'বাঘ ! বাঘ !'— বাঘ নহয় প্ৰধানমন্ত্ৰীৰ ৰাজনীতিহে ২২(১১)
বিৰোধী দলবোৰে এটা দল কৰিব নে ফ্ৰণ্ট কৰিব ? ১৯(১১)
বিৰোধী পক্ষত নিজৰ ভিতৰতে যুঁজ-বাগৰ ২৪(১১)
ভাৰত আজি বিদেশী চোৰাংচোৱাৰ ৰম্যভূমি ১৭(১৬)
ভাৰতে চীনৰ লগত এটা মীমাংসা কৰাৰ এইটোৱেই সময় ১৮(১৪)
ৰাজদ্ৰোহ আৰু ভেটী খোৱা একে কথা নহয় ৫(১০)
ৰামা ৰাওৰ আমোল ঃ অদ্ভুত বহু বছৰৰ মূৰত প্ৰথম সঠিক অনুপাতত ছিমেণ্ট-বালি ১০(১০)
শ্ৰীমতী ইন্দিৰা গান্ধীৰ পাছত কি ? ৬(২০)
শ্ৰীমতী গান্ধীৰ দলত ফাঁট মেলিছে ৩(১২)
সংকট জীয়াই ৰাখি ক্ষমতাত থকাৰ ফন্দী ১৩(১০)
সিনহাক সৈন্য বাহিনীৰ মুখ্য অধিনায়ক নকৰাৰ পটভূমি ১৬(৯)
সেই এলাহাবাদ ৰায়ৰ পাছৰ অধ্যায় ঃ ন্যায়পালিকা কোন পথে ? ১৫(১১)

ক্ৰীড়াংগন
অবিস্মৰণীয় জেটোপেক আহিছিল/পুলক লাহিড়ী ২৩(৪৬)
অষ্টম ৰাষ্ট্ৰীয় জুনিয়ৰ বেডমিন্টন প্ৰতিযোগিতা/পুলক লাহিড়ী ২৪(৪৪)
আন্তঃৰাজ্য টেবুল টেনিছ প্ৰতিযোগিতা ঃ অসমৰ চমকপ্ৰদ খেল/পুলক লাহিড়ী ৮(৪৮)
উইম্বলডন টেনিছ ফাইনেলত জন মেকেনৰোৰ সহজ জয়/পুলক লাহিড়ী ১৬(৪৮)
এ টি পি এ শ্বিল্ড/বদন বৰুৱা ১৯(৪৪)
এতিয়ালৈকে এছিয়াডৰ শীৰ্ষস্থানত ১ (৪৭)
ক্ৰিকেট ঃ খেল নে ধেমালি ?/সতীশ ভট্টাচাৰ্য্য ৩(৪৮), সঞ্জীৱ হাজৰিকা, গৌতম বৰুৱা, ৰাতুল ভূঞা, নবনীল বৰুৱা, মিহিৰ গোস্বামী, সজ্জল শৰ্মা, দীপক দাস, দীপাংকৰ গগৈ, অনুপ কুমাৰ দাস, নগেন তালুকদাৰ ১১(৪৭)
ক্ৰীড়া মন্ত্ৰী দপ্তৰ আৰু ক্ৰীড়া/অমৃতজ্যোতি মহন্ত ২০(৪৮)
ছানিয়ে ছাৰ ডনৰ ৰেকৰ্ড স্পৰ্শ কৰিলে/পুলক লাহিড়ী ২৪(৪১)
জাহিৰ আব্বাছৰ নেতৃত্বত পাকিস্থান ক্ৰিকেট দলৰ ভাৰত ভ্ৰমণ/পুলক লাহিড়ী ২১(৪৭)
পৃথ্বীপালৰ সোঁৱৰণত/পুলক লাহিড়ী ১৪(৪৮)
বৰ্তমানৰ ফুটবল-ক্ৰীড়া প্ৰশিক্ষণত অন্ধ পাশ্চাত্যানুকৰণ/এজন ক্ৰীড়ামোদী ১২(৪৮)
বৰদলৈ ট্ৰফি ১৯ ৮৩ ২১(৪৯), ২৩(৪৭)


(আগলৈ)

ঘৰলৈ খোজকাঢ়ি আহি থাকোঁতে লুছিয়ে আবেগৰ তাড়নাত ছুছিক কৰা নিমন্ত্ৰণটোৰ বাবে মনে-মনে অনুতাপ কৰিবলৈ ধৰিলে । তেওঁ আশা কৰিলে পাছদিনা ৰাতিপুৱা যেতিয়া তেওঁ "চেৰাগ্‌লিও ৰুম"ত ছুছিক লগ পাব, তেতিয়া ছুছিয়ে যেন আগতেই অইন কৰবালৈ যাব লগা আছে বাবে তেওঁৰ নিমন্ত্ৰণ ৰক্ষা কৰিব নোৱৰাৰ কথাই কয় ! ইমান বছৰে তেওঁলোকে ইজনে সিজনক জানিছিল যদিও সামাজিকভাৱে কোনো কাৰো ঘৰলৈ যোৱা নাছিল । ছুছিয়ে তেওঁক মিছেছ স্মলি বাদে আন একো বুলি সম্বোধন নকৰিছিল । টাস্কাৰকো মি. স্মলি বুলিয়েই মাতিছিল । তেওঁলোক দুয়ো তাইক ছুছি বুলি নামকাঢ়ি মাতিছিল যদিও তাৰ সুযোগ ল'বলৈ ছুছিয়ে কোনো দিনেই চেষ্টা কৰা নাছিল । এতিয়া প্ৰকৃততেই ছুছিহে পানকোটত তেওঁলোকৰ আটাইতকৈ পৰিচিত ব্যক্তি বুলিব পাৰি। আৰু যোৱা বছৰলৈকে ছুছি আছিল "দি লজ"ৰ এগৰাকী নিয়মীয়া বৃত্তিধাৰী দৰ্শনাৰ্থী । নিজৰ অকণমানি বঙলাটোৰ লগত ছুছিৰ যি অন্তৰংগতা আছিল, সেই অন্তৰংগতা এই "দি লজ" নামৰ ঘৰটোৰ লগতো আছিল ।

ছুছিক নিমন্ত্ৰণ কৰা বাবে নিজে অনুতপ্ত হোৱা কথাটোত লুছি লজ্জিত হ'ল । কিন্তু এই মিহলি তেজৰ মানুহবিলাকৰপৰা সামাজিকভাৱে এৰাই চলাৰ শিক্ষাটো ভাৰতবৰ্ষত লুছিয়ে আগতীয়াকৈ পোৱা শিক্ষাবিলাকৰে এটা আছিল । তেওঁলোকক কেনেকৈ চিনিব পৰা যাব সেই বুদ্ধিটো অতি সোনকালে তেওঁক সগোত্ৰীয়সকলে শিকাই দিছিল । বগাৰঙৰ ওপৰত সামান্য আলকাতৰাৰ ৰঙৰ আভাস চকুত পৰিলেই বুজিব লাগিব তেওঁ জন্মৰ কালৰ পৰা পাক্কা মানুহ নহয় । তেওঁক কোৱা হৈছিল যে ইউৰেছিয়ান বিলাক (সেই সময়ত এংলো ইণ্ডিয়ান বুলি কোৱা হৈছিল) বৃটিছৰ বৰ অনুগত আছিল । তেওঁলোকৰ অবিহনে ভাৰতবৰ্ষত কোনো বিশ্বাসী মধ্যবিত্ত শ্ৰেণীৰ কেৰাণী আৰু তলতীয়া কৰ্মচাৰী পোৱা নগৈছিল । ৰেলবিভাগটো বিশেষকৈ তেওঁলোকৰ ওপৰতে নিৰ্ভৰশীল আছিল । "নিজৰ ঘৰখন"ৰ প্ৰতি থকা আবেগিক সম্পৰ্কৰ দ্বাৰাই (অৱশ্যে বেছিভাগেই সেই "নিজৰ ঘৰখন" দেখাই নাছিল আৰু দেখাৰ কোনো সম্ভাৱনাও নাছিল) তেওঁলোকে ভাৰতীয়সকলৰ ঘোচদিয়া আৰু দুৰ্নীতি কৰাৰ লগতে অলসতা নামৰ আদিম প্ৰবৃত্তিৰ বিৰুদ্ধে এক গভীৰ প্ৰতিৰোধ ব্যৱস্থা গঢ়ি তুলি ভাৰত সাম্ৰাজ্যখনক আগবঢ়াই নিয়া কামটো বেছি কষ্টকৰ কৰিহে তুলিছিল । যি কি

# প্ৰবাস-বৈভৱ

( ২৮ )

মূল উপন্যাস ঃ STAYING ON

## লেখক ঃ পল স্কট

ভাবানুবাদ ঃ বাসন্তী বৰুৱা

### তেৰ

নহওক, ফলপ্ৰসূ আৰু নিৰ্ভৰযোগ্য আছিল যদিও তেওঁলোক বহিবলৈ দিলে শুবলৈ বিচৰা ধৰণৰ মানুহ আছিল । এইটো অৱশ্যে তেওঁলোকৰ ব্যক্তিগত দোষ নাছিল । তেওঁলোকৰ জন্ম হোৱাটোৱেই কোনেও বিচৰা নাছিল । তেওঁলোকেইতো দেশীয় জাতিবিলাকৰ লগত বৃটিছৰ শাৰীৰিক সম্পৰ্কৰ প্ৰতিনিধিত্ব কৰিছিল (যি সম্পৰ্কক অবিৰতভাৱে নিৰুৎসাহ কৰা হৈছিল ।)

তেওঁলোকৰ বেছি ভাগেই আছিল ভাৰতীয় নাৰী বা অন্য মিহলি তেজৰ নাৰী আৰু বৃটিছৰ অতিৰিক্ত সৈনিকৰ অবৈধ সংস্পৰ্শত জন্ম হোৱা সতি-সন্ততি । এই সৈনিকসকলক সম্পূৰ্ণভাৱে ব্যস্ত ৰাখিব নোৱৰাৰ ফলতে (সেইটো সম্ভৱো নাছিল) তেওঁলোকে নিজকে এইদৰে ব্যস্ত ৰখাৰ অভ্যাসটো গঢ়ি তুলিছিল । আৰু সেই সময়ত বছৰ-বছৰ ধৰি ভাৰততে থাকি নিজৰ ৰজা আৰু দেশৰ হৈ খাটি থকা এজন মানুহৰপৰা তুমি আৰু একো বেছি আশা কৰিবও নোৱাৰা । পৃথিৱীৰ নিয়মেই এইটো । দুৰ্ভাগ্যবশতঃ তেওঁলোকৰ মাজত বেছিভাগ সংস্পৰ্শই আইন সংগত নাছিল । কেতিয়াবা দুজনী বিয়া কৰোৱাৰ উদাহৰণো দেখিবলৈ পোৱা গৈছিল ।

মূল যিয়েই নহওক, অসবৰ্ণ বিবাহৰ ফলত ইউৰেছিয়ানৰ জনসংখ্যা ভাৰতবৰ্ষত ক্ৰমান্বয়ে বাঢ়ি যাবলৈ ধৰিছিল । তেওঁলোকৰ জীৱনবিলাক,—লুছিয়ে ভবা মতে,—বৰ দুখ লগা আছিল । তেওঁলোকৰ স্বয়ং সম্পূৰ্ণ জীৱনবিলাক কেতিয়াবা বৰ নকল জীৱন যেন লাগিছিল । ইংৰাজ সৈনিকে তেওঁৰ ইউৰেছিয়ান প্ৰেমিকাজনীক বিয়া কৰাই ইংলেণ্ডলৈ লৈ গৈছিল, কোনোবা ইংৰাজ সৈনিকে ভাৰতীয় ছোৱালীৰ প্ৰেমত পৰি বিয়া কৰাই ভাৰতবৰ্ষৰো প্ৰেমত পৰি সেই দেশতে চাকৰি কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিল, বা অৱসৰ গ্ৰহণ কৰি এইখন দেশতে পত্নীৰে সৈতে ৰৈ গৈছিল,—এনেকুৱা কথাবোৰে লুছিৰ অন্তৰ গভীৰভাৱে স্পৰ্শ কৰিছিল ।

ছুছিৰ দেউতাকো এনেকুৱা এজন মানুহেই আছিল । লুছিয়ে মনত পেলালে বহুত দিনৰ আগতে বিধবা মিছেছ উইলিয়ামছে কোৱা কথাষাৰ ঃ "লে'নে ইয়াতে থাকি যাবলৈ ভাল পালে ।" মিছেছ উইলিয়ামছ দেখাত একেবাৰে শেঁতা আছিল যদিও তেৱোঁ এহাল ইউৰেছিয়ান পিতৃ-মাতৃৰে জীয়াৰী আছিল । তেওঁ কিন্তু নিজকে তেনেদৰে চলাই নিবলৈ কেতিয়াও চেষ্টা নকৰিছিল । জীয়েক লুছিলিয়েতো কেৱল চেষ্টা কৰিয়েই নেৰিলে; তাই কলিকাতাত গায়িকা হিচাপে জীৱন নিৰ্বাহ কৰাৰ সময়তে এজন ইংৰাজ সৈনিকক বিয়া কৰাই দেশলৈকে গুচি গ'লগৈ। তাৰ পাছত সিহঁত হালৰ কি হ'ল ভগৱানেহে জানে । ছুছিয়েও সেই বিষয়ে কোনো দিনেই একো কোৱা নাছিল । বোধহয় তাই একো নাজানিছিলেই । সম্ভৱ বহুত দিনৰ মূৰে-মূৰে পোৱা বায়েকৰ চিঠিৰপৰা তাই কিবা এটা ধাৰণা কৰি লৈছিল । সম্ভৱ এই বিবাহৰ ফলত জন্মপোৱা সিহঁতৰ শিশুটিয়ে আচল "অসত্য"টো উদঙাই দেখুৱাইছিল । সঁচাকৈ এই "জিন" নামৰ বস্তুটোৱে মানুহৰ জীৱনত অতি নিষ্ঠুৰ কৌশল খটুৱাব পাৰে। ছুছিৰ জীৱনতে ই এনে নিষ্ঠুৰ কৌশল খটুউৱা দেখিবলৈ পোৱা গৈছিল । অন্য কিছুমান ইউৰেছিয়ান ছোৱালী যিদৰে চিত্তাকৰ্ষণীয়ভাৱে সুন্দৰী, ছুছি তেনে সুন্দৰীও নাছিল, কিন্তু তাইৰ গাৰ ৰংটো হ'লে ঠিক ভুলাভাইৰ দৰেই মুগাবৰণীয়া আছিল ।



অংকন ঃ নবীন বৰুৱা

এই চুলি কটা আৰু চুলি সজোৱা বৃত্তিটো ছুছিয়ে মাকৰপৰাই শিকা বুলি ক'ব পাৰি। লুছিয়ে প্ৰথম যেতিয়া ছুছিক লগ পাইছিল, তেতিয়া তাই তেনেই অকণমাণি ছোৱালী আছিল । তাই প্ৰায়ে তাইৰ ক্ষীণ ভৰিকেইটাত আঁঠুলৈকে পৰা বগা মোজা পিন্ধিছিল আৰু তাৰ লগত মিলাই স্কাৰ্টৰ লগত বগা ব্লাউজ পিন্ধিছিল । ক'লা চুলিখিনি বেণীগুঁঠি বগা ৰিবনেৰে বান্ধি থৈছিল । (হয়তো বগা ৰংটো তাইৰ কফিৰঙৰ ৰংটোক উজ্জ্বল কৰি তুলিবলৈকে ব্যৱহাৰ কৰা হৈছিল । তাইৰ এই কফি ৰংটো লুকুৱাই ৰাখিবলৈ মাকে সকলো কষ্ট স্বীকাৰ কৰি ল'বলৈ সাজু আছিল ।) যুদ্ধৰ সময়ত টাস্কাৰ আৰু লুছিক যেতিয়া স্পিথ হোটেলতে থাকিবলৈ ঠিক কৰি দিছিল, সেই সময়ত ছুছি মাকৰ সৈতে প্ৰায়ে স্মিথলৈ আহিছিল । তাই আহি মাকক সহায় কৰি দিছিল । এনেকৈয়ে মাকৰ কাম চাই-চাই তাই কেশসজ্জাৰ সকলো কৌশল নিজৰ আয়ত্তলৈ আনিবলৈ সক্ষম হৈ পৰিছিল ।

সেই সময়ত গ্ৰাহকসকলে ইচ্ছানুসৰি তেওঁৰ তালৈকে গৈছিল নহ'লে বা তেওঁক ঘৰলৈকে মাতি নিছিল । মিছেছ উইলিয়ামছৰ বঙলাটোৰ এটা কোঠাত কেইবাগৰাকীও মেম্‌চাহাবৰ চুলিৰ কাম একেবাৰতে কৰিব পৰাকৈ সকলো যোগাৰ-যন্ত্ৰ ঠিক কৰি ৰখা হৈছিল । তেওঁক ঘৰলৈ মাতি আনি কাম কৰাই লোৱাটো বেছি সুবিধাৰ আছিল । অৱশ্যে কোনো পাৰ্টি আদি হ'লে সেই সময়ত তেওঁৰ ছেলুনলৈ যোৱাটো সকলোৰে বাবে এৰাব নোৱৰা কামেই আছিল । তেওঁ সেইসময়ত অতি ব্যস্ত হৈ থাকিব লগীয়া হৈছিল । মানুহজনীয়ে যে কেনেকৈ কামবোৰ কৰিছিল ! তেওঁ টকা দি বন্দবস্ত কৰিলোৱা সেই ইউৰেছিয়ান ছোৱালী দুজনীক কেনে সুন্দৰভাৱে প্ৰশিক্ষণ দি লৈছিল ! ক্ষীণাংগী অকণমানি ছুছিজনীকো কম সুন্দৰকৈ কামবোৰ শিকাই লৈছিলনে !

মানুহে কোৱা মতে যুদ্ধৰ শেষৰ ফালে মিছেছ উইলিয়মছৰ উপাৰ্জন দিনে-দিনে পৰি আহিবলৈ ধৰিছিল । ১৯৪৭ আৰু ১৯৪৮ চনৰ মাজৰ সময়খিনিতে বেছিভাগ ইংৰাজ মহিলা দেশলৈ ঘূৰি গৈছিল আৰু পানকোট তেতিয়া ভাৰতীয় পত্নীসকলেৰে ভৰি পৰিছিল । তেওঁলোকে নিজে নিজৰ চুলি ধুই সজাই-পৰাই লৈছিল । তেওঁলোকে কেতিয়াও চুলি নাকাটিছিল । তেওঁলোকৰ কিছুমানক এতিয়াও পৰ্দাৰ ভিতৰতে থকা দেখিবলৈ পোৱা যায় । তেওঁলোক লাজকুৰীয়া আৰু ঘৰতে সোমাই থকা প্ৰকৃতিৰ আছিল ।

যুদ্ধ শেষ হোৱাৰ পাছত পানকোট ত্যাগ কৰি টাস্কাৰ আৰু লুছিয়ে বম্বেত নতুন জীৱন যাপন কৰাৰ সময়তো মিছেছ উইলিয়ামছ জীৱিত আছিল । তেওঁলোক ১৯৬১ চনত পানকোটলৈ পুনৰ ঘূৰি অহাৰ কেইবছৰমানৰ আগতেহে তেওঁ মৃত্যু বৰণ কৰিছিল । মাকৰ ব্যৱসায়টো ছুছিয়েই চলাই ৰাখিছিল । আধুনিক ভাৰতীয় মহিলাসকল আৰু তেওঁলোকৰ জীয়াৰীসকলৰ মাজত ফেশ্যনৰ যি ঢৌ উঠিবলৈ ধৰিলে, সেই ঢৌৰপৰা ছুছি যথেষ্ট লাভবান হ'ব পাৰিছিল । তাই বজাৰত "ছুছিজ" বুলি এখন আধুনিক ধৰণৰ ছেলুন খুলিলে । ভাৰতীয় মহিলাই ভালপোৱা সকলো ধৰণৰ কেশসজ্জাই তাই কৰিছিল । বয়সীয়াল কেইগৰাকীমানে ইচ্ছা কৰিলে যাতে তাইৰ বঙলাতে তেওঁলোকৰ কাম কৰাই ল'ব পাৰে, সেই সুবিধাখিনিও ছুছিয়ে ৰাখিছিল । পিছে বজাৰৰ ছেলুনখনলৈ লুছিয়ে ভয়হে কৰিছিল । তাত লুছিৰ নিজকে খাপ নোখোৱা যেন লাগিছিল । মুক্ত ছেলুনখনত আধুনিকাসকলে মুকলিমূৰীয়াকৈ পতা কথা-বতৰাবিলাকত লুছিয়ে কেতিয়াও সহযোগ কৰিবপৰা নাছিল । তেওঁ ডুছেলডৰ্ফ, বেছল, ৰোমা, কাইৰো, মস্কো, পেৰিছ, এইবিলাকৰ বিষয়ে একোৱেই নাজানিছিল । তেওঁ কোনো এটা এয়াৰপ'ৰ্টৰে কোনো এখন বিশেষ কৰমুক্ত দোকানৰ কথা উল্লেখ কৰিব নোৱাৰিছিল । তেওঁ আনকি "ফৰ্টনামছ"ৰ কথাও আলোচনা কৰিব নাজানিছিল । দহ বছৰমানৰ আগতে এবাৰ তাৰপৰা টাস্কাৰৰ বাবে কিছুমান "ষ্টিলটন" আনিবলৈ যোৱা কথাটো মনত পৰাৰ বাদে তেওঁ সেইবিষয়ে একোৱেই নাজানিছিল । ব্লাম্প্লিংটনলৈকো তেওঁ কোনো দিনেই যোৱা নাছিল । ফিফ্‌থ এভিনিউত থকা "ছেক্‌ছ" তেওঁৰ বাবে কেৱল এটা নামহে আছিল ।

"মিছেছ স্মলি, আপুনি দেখোন মোৰ বঙলালৈকে আহিব পাৰে।" দ্বিতীয়বাৰৰ বাবে লুছি তাইৰ ছেলুনলৈ যাওঁতে ছুছিয়ে এদিন কৈছিল । "নহ'লে আপুনি যদি ভাল পায় মই আপোনাৰ তালৈকে যাম । এনেকুৱা সমূহীয়াকৈ কামবিলাক কৰাটো ময়ো ভাল নাপাওঁ । কিন্তু আজি-কালিৰ এই মহিলাবিলাক ! এওঁলোকে এবাৰমান বিদেশ ঘূৰি আহিলেই একেবাৰে বিলাতী হৈ পৰে। ছেলুনত বহি কথা পতা, কফি খোৱা, আলোচনী পঢ়া ! উঃ ! একেবাৰে বিলাতী কায়দা !"

সেইদেখি ছুছিয়ে আজিকালি মাহটোত এবাৰ, হাতত লৈ ফুৰিবপৰা যন্ত্ৰপাতিসহ "দি লজ"ত উপস্থিত হৈছিলহি । এই সময়খিনি লুছিয়ে বেছ উপভোগ কৰিছিল । ছুছি বৰ ছিনেমা প্ৰেমিক আছিল । ছিনেমাৰ পুৰণা গানবিলাক তাই বৰ ভাল পাইছিল । ১৯৫০ চনৰ লণ্ডনৰ বিষয়ে শুনিবলৈ তাই বৰ ইচ্ছা কৰিছিল । কেতিয়াবা তাই দুখ কৰিছিল—বায়েক লুছিলিৰ পৰা দেশৰ কথা যদি কিবা শুনিবলৈ পালেহেঁতেন ! বেুকশ্বহঁত পানকোটলৈ অহাৰ পাছত কেতিয়াবা ফিবিয়ে তেওঁলোকৰ লগত যোগ দিছিলহি । কিন্তু ফিবিয়ে ছুছিক কোনোদিনেই মৰমেৰে ব্যৱহাৰ কৰা নাছিল । তেওঁ ছুছিৰ প্ৰতি বৰ কৰ্কশ আছিল আৰু নিজকে তাইৰপৰা আঁতৰাই ৰাখিছিল । মনতে দুখ পোৱাৰ কোনো চিনেই অৱশ্যে ছুছিয়ে প্ৰকাশ কৰা নাছিল । তাই মাত্ৰ কাম কৰি গৈছিল । ইজনীৰ শেষহ'লে তাই সিজনীৰ কামলৈ আঁতৰি গৈছিল । ফিবিহঁত দেশলৈ ঘূৰি যোৱাৰ পাছত লুছিৰ কথাপাতিবলৈ লগ কেৱল ছুছিহে থাকিল । ছুছিৰ লগত কথা পতাটো লুছিৰবাবে ফিবিৰ লগত কথা পতাতকৈ আমোদজনক আছিল । ফিবিয়ে চাহ বাগিচাৰ বাদে আন একোৰে কথা নাজানিছিল ।

বেুকশ্বহঁত দেশলৈ ঘূৰি যোৱাৰ এমাহমানৰ পাছতে এদিন ছুছিয়ে লুছিৰ পিছফালে থিয় হৈ লুছিয়ে চাই থকা আয়নাখনত চকুদি সুধিলে, "মিছেছ স্মলি, আপুনি চুলিত সদায় এই ৰংটোকে লগাই ৰখাৰ কথা ভাবিছে নেকি ?"

লুছিয়ে নিজৰ প্ৰতিবিম্বটোলৈ লক্ষ্য কৰি, মন কৰিলে,—তেওঁক দেখোন এই মুগাৰঙৰ চুলিখিনিয়ে গাভৰু দেখাওক চাৰি বেছি বুঢ়ীহে দেখাইছে ।

"ছুছি, তুমিনো কি কৰিবলৈ কোৱা ?"

"আপোনাৰ এই চুলিখিনি ইমান সুন্দৰ মিছেছ স্মলি । ৰেচমৰ দৰে ইমান মিহি আৰু কোমল । আঁচুৰি ঠিক কৰি দিবলৈ কোনো কষ্টই নহ'ব । কিন্তু এই ৰংটোৱে চুলিখিনি ঠৰঙা কৰিবলৈ লৈছে । আৰু আপোনাৰ গাৰ ৰংটোও কেনে সুন্দৰ বগা ! ঠিক যেন পাৰ্ছিনেল । ইয়াৰ লগত ৰঙৰ কোনো দৰকাৰেই নাই ।"

"কিন্তু ধোঁৱা বৰণীয়া চুলি দেখাত ইমান গোমোঠা !"

"আপোনাৰ চুলি ধোঁৱা বৰণীয়া কেতিয়াও নহয়; বগাহে । ৰং সলনিৰ সময়খিনিৰ বাবে চিন্তা কৰিব নালাগে । মই বিচ দি ৰংখিনি উঠাই পেলাম । বগা হৈ পৰিলেই ঠিক দেখা যাব । চুলিখিনি অকণমান ছুটি কৰি কাটি, অলপ ঢৌ খেলোৱাই, তাৰ ওপৰত অলপ নীলাৰ আভাস দি দিম ।"

"নীলা ?"

"হয় । এই ৰঙে আপোনাৰ চকুৰ বেঙুনীয়া আভাসক উজ্জ্বল কৰি তুলিব । মোৰ হাতত ভাল নীলা ৰং আছে । এগৰাকী আমেৰিকান মহিলাই লণ্ডনৰপৰা লৈ আনিছিল । তেওঁ দুটা টেমা মোক এনেয়ে দি থৈ গ'ল । কিমানযে ধনী এই আমেৰিকানবিলাক !"

সেই তেতিয়াৰপৰাই তেওঁৰ চুলিত নীলা ৰং লগোৱাৰ আৰম্ভ হৈছিল । প্ৰথমৰ কামখিনি কৰিবলৈ ছুছিয়ে আয়নাখন সন্মুখৰপৰা আঁতৰাই থৈছিল । কামখিনি শেষ কৰি পুনৰ তাই আয়নাখন লগাই দিছিল । লুছিয়ে নিজকে আয়নাখনত চালে । তেওঁ মনে-মনে ভাবিলে সঁচাকৈ ছোৱালীজনীৰ কাম অতুলনীয় ! আনকি পাছত টাস্কাৰেও কৈছিল,—"হে ভগৱান, ছুছিয়ে তোমাক কি কৰি দিলে !" কিন্তু টাস্কাৰক বেছ সন্তুষ্ট দেখা গৈছিল । ছুছিয়ে টাস্কাৰক কৈছিল, "মি. স্মলি, মাত্ৰ ইংৰাজ মহিলাইহে সৌন্দৰ্যক এইদৰে জয় কৰিব পাৰে। মাত্ৰ ইংৰাজ মহিলাই,—যাৰ শৰীৰ আলফুলীয়া, ছাল সুন্দৰ আৰু দেহৰ গঠন মধ্যমীয়া ।"

ইয়াৰ পাছতে ছুছিৰ ব্যৱসায়ত কিছু খেলি-মেলিৰ সৃষ্টি হৈছিল । তথাপি তাই

আপোচহীনভাৱে তাৰ সন্মুখীন হ'বলৈ যত্ন কৰিব লগীয়া হৈছিল ।

লুছিয়ে ধৰি লৈছিল যে ছুছিয়ে যিটো ঘৰত বাস কৰিছিল, সেইটো তাইৰে আছিল; কিয়নো—তাইৰ বাপেক-মাকো আগতে, সেইটো ঘৰতে আছিল । আচলতে ছুছিয়ে সেইটোঘৰ ভাৰাতহে লৈছিল । তাইৰ ঘৰটোৰ আগৰ মালিকজনৰ মৃত্যুৰ পাছত নতুন মালিকে এটা চৰ্ততহে তাইক পুনৰ থাকিবলৈ অনুমতি দিছিল । চৰ্তটো হ'ল,—সেই ঘৰটোত তাই কোনো ব্যৱসায় কৰিব নোৱাৰিব । নতুন মালিকজনে ইতিমধ্যে তাইৰ চৌহদটো দখল কৰি ললেহি । তাতে তাইৰ ছেলুনখনো আছিল । তাৰ দুবছৰৰ পাছত নতুন মালিকজনে নতুন ছিৰাজ হোটেলৰ "চেৰাগলিঅ'" ৰুমটো চলাবলৈ অনুমতি লাভ কৰিছিল । তেওঁ ছুছিলৈ নটিছ জাৰি কৰিছিল,—তাই যেন ছেলুনখন এৰি দিয়ে; কাৰণ তেওঁ তাত ভ্ৰমণকাৰীৰ বিলাসীবস্তুৰ দোকান এখন খোলাৰ পৰিকল্পনা কৰিছে (জয়পুৰৰ আধা মূল্যবান পাথৰ, নোম, পাটকাপোৰ, স্থানীয় লোকশিল্প ইত্যাদিৰ)। অৱশ্যে সান্ত্বনা হিচাপে (বোধহয় ছুছিৰ ব্যৱসায়িক পটুতা আৰু নামটোক কামত খটুৱাই লৰালৰিকৈ টকা গোটোৱাটোৱেই তেওঁৰ উদ্দেশ্য ।) ছুছিৰ লগত তেওঁ এটা ব্যৱসায়িক বন্দবস্ত কৰিছিল,—তাই বঙলাত এজন বা দুজন পেয়িং গেষ্ট ৰাখিব পাৰিব (সেই কাম তাই ইতিমধ্যে ইণ্ডিয়ান টুৰিষ্ট অফিছৰ লগত বন্দবস্ত কৰি আৰম্ভ কৰিছিলেই), আৰু ইচ্ছা কৰিলে তাই তাইৰ চুলি কটা কামটো ছিৰাজৰ "চেৰাগলিঅ'" ৰুমত চলাই যাব পাৰিব । অৱশ্যে প্ৰধান কেশবিন্যাসকাৰী হিচাপে নহয়; সহকাৰী হিচাপেহে । তাৰ প্ৰধান কেশবিন্যাসকাৰীজনৰ নাম আছিল শশী । দেখাত অতি ধুনীয়াই বুলিব পাৰি । (লুছিৰ মতে—যদি তুমি তেনেকুৱা ধুনীয়া চেহেৰা ভাল পোৱা ।) শশীয়ে লণ্ডনৰ "মে'ফেয়াৰ"'ত ট্ৰেইনিং লৈ অহা বুলি জাহিৰ কৰি ফুৰিছিল । তেওঁ সদায় ক'লা ছুট পিন্ধিছিল; ভৰিত ওখ গোৰোৱাৰ বুট জোতা পিন্ধিছিল আৰু সন্মুখৰফালে কোঁচ দিয়া বুকুখোলা চোলা এটা পিন্ধিছিল । বুকুখন তেওঁ কঁকাললৈকে খুলি ৰাখিছিল,—যাতে বুকুৰ ক'লা নোমখিনি ওলাই থাকে । সেই ক'লা নোমখিনিৰ মাজতে চেইনত ওলমি আছিল পুৰণি দিনীয়া এটা লকেট ।

চেৰাগলিঅ'ত শশীৰ আবেগিক শাসনৰ তলত কাম কৰি ছুছিয়ে মনত কিমান সন্তাপ পাইছিল সেইটো লুছিয়ে নাজানিছিল আৰু জানিবলৈ বিচৰাও নাছিল । লুছি সুখী হৈছিল এইবাবে যে তেওঁ ছুছিৰ লগত এটা কমদামৰ বন্দবস্তী কৰি ল'ব পাৰিছিল । বন্দবস্তীটো হ'ল,—লুছি যদি চেৰাগলিঅ' ৰুমলৈ চাৰে আঠবজাৰ আগতে আহিব পাৰে, তেতিয়াহ'লে তেওঁৰ কামখিনি ছুছিয়ে চেৰাগলিঅ'তে কৰি দিব পাৰিব । সেইমতে ছুছিয়ে চাৰে নবজাৰ আগতেই লুছিৰ চুলি ছুটি কৰি কাটি, শ্বেম্পু কৰি, ৰং লগাই ধুই শুকুৱাই উঠিব পাৰিছিল । চাৰে ন হ'ল চেৰাগলিঅ' খোলাৰ অফিছিয়েল সময় । ইয়াৰ কেইমিনিটমানৰ আগতে প্ৰথমজন স্মাৰ্ট ডেকা সহকাৰীয়ে আহি শশীৰ বাবে সকলো যোগাৰ কৰি থয়হি । ঠিক দহবজাত শশীয়ে গ্ৰাহকৰ কাম আৰম্ভ কৰিছিল । ছিৰাজ হোটেলত ৰাতি কটোৱা "এয়াৰ ইণ্ডিয়া" আৰু "ইণ্ডিয়ান এয়াৰৱেজ"ৰ এয়াৰ হ'ষ্টেছ কেইগৰাকীৰ কামেৰেই দিনটো আৰম্ভ হৈছিল । তেওঁলোকে নিজকে সজাই লৈছিল আবেলিলৈ ৰাচিপুৰ আৰু কলিকাতা বা দিল্লীৰ ফ্লাইটত উৰা মাৰিবলৈ ।

ঠিকেই ছুছি তেওঁৰ সঁচাই ভাল বন্ধু । তাইক ফাদাৰ ছেবেষ্টিয়ানৰ লগত "দি লজ"লৈ নিমন্ত্ৰণ কৰি তেওঁ অনুতপ্ত হোৱাটো উচিত হোৱা নাই ।

[আগলৈ]

৩০ পৃষ্ঠাৰ পিছৰ পৰা

আমেৰিকাত আৰু ওঠৰ দিন থাকিম যদিও ইয়ালৈ আহি এখন নাটকৰ অভিনয় চোৱাটো সম্ভৱ নহ'ব বুলি হতাশ মনেৰে ভাবিছিলোঁ ।

দেবই গাড়ীখন হাডছন নদীৰ পাৰৰ এঠাইত ৰখালে । বৰ মনোৰম ঠাই । ইয়াত বহুত পৰ্যটক । ঠাইখন হাডছন নদীয়ে সযতনে আগুৰি ৰাখিছে । পাৰত সুবিস্তৃত উদ্যান । তাৰে বেঞ্চি এখনত মই দেবৰ সৈতে বহিলো । নদীখন আমাৰ নিচেই ওচৰতে । দেবই ক'লে, "এইখন নদীৰ বিষয়েই মই গৱেষণা কৰিছিলো । ইয়াৰ গতি-প্ৰকৃতিৰ বিষয়ে, ইয়াৰ গেদনিক্ষেপৰ (Sedimentation) বিষয়ে আৰু প্ৰদূষণৰ বিষয়েও । সেয়া বাৰু পাছ কথা । সৌফালে চাওকচোন । কি প্ৰকাণ্ড ঘৰ !"

চালো । দুটা দৈত্যকায় অট্টালিকা । এনে এটা দৈত্যৰ পেটত হেনো পঞ্চাছ হাজাৰতকৈ বেছি মানুহ ধৰে । তাত বহুত কাৰ্যালয় আছে । তাৰে একোটা কাৰ্যালয়ত আগতে দেব আৰু বিমল ৰাজবংশীয়ে কাম কৰিছিল ।

দেবই ক'লে, "এয়েই ৱৰ্ল্ড ট্ৰেড ছেণ্টাৰ (বিশ্ব বাণিজ্যিক কেন্দ্ৰ)। নিউয়ৰ্কৰ সৰ্বোচ্চ প্ৰাসাদ । আন এদিন আহিম । ৰাজবংশীয়েও আপোনাক এদিন পুংখানুপুংখকৈ দেখুৱাব বুলি কৈছে । এশ এঘাৰ মহলীয়া এটা বিল্ডিং চাওঁতেই দিনটো লাগিব । খুৰা, এতিয়া আমি যাওঁ বলক । আলহী আছে । দেবব্ৰত শৰ্মা আৰু শ্ৰীমতী শৰ্মা, ঈশ্বৰ চক্ৰবৰ্তী আৰু শ্ৰীমতী অণিমা । তেওঁলোকে ৰাতিৰ সাজ ভাত খাব ।"

আমি ৱৰ্ল্ড ট্ৰেড ছেণ্টাৰতকৈ বিছ-ত্ৰিছ কম মহলা থকা কিছুমান প্ৰাসাদৰ মাজৰ ৰাস্তাইদি ব্ৰাঞ্চউইকৰ ফালে আহি থাকিলো ।

[আগলৈ]



সকলো মানুহৰে কিবা নহয় কিবা এটা গুণ আছেই ; কিবা নহয় কিবা এটা দোষ আছেই । যাৰ গুণ বেছি, তেওঁলোকৰ দোষখিনি তল পৰি যায়, আৰু তেওঁলোকক আমি গুণী মানুহ বুলি শ্ৰদ্ধা কৰোঁ ; আদৰ কৰোঁ । কিন্তু যাৰ দোষ বেছি বুলি আমি ভাবোঁ, তেওঁলোকৰ গুণখিনিক একেবাৰে তল পৰিবলৈ এৰি দিব নালাগে । কেৱল দোষখিনিকে সাবটি লৈ জীৱনটো কটাই দিম বুলি কোনেও ঠিক কৰি নলয় ; কোনেও তেনেকৈ প্ৰতিজ্ঞা নকৰে ; কিন্তু সেই দোষবিলাকৰপৰা এবিধ উপকৰা আনন্দ পাই থাকে কাৰণে তেওঁলোকে দোষবোৰকে লাই দি ভুল কৰি থাকে ।

পিছে সেই ভুল আঁতৰাব নোৱৰা ভুল নহয় । অতি দুষ্ট, অসুৰ বুলি জনাজাত বিপুল নামৰ ল'ৰাটো সদায় দুষ্ট, অসুৰ হৈয়েই থাকিব নে ? নাথাকে ।

সহজ-সৰল, শুদ্ধ ভাষাত, ধাইকৈ কিশোৰ-কিশোৰীৰ বাবে উপন্যাসৰ আকাৰত বিপুলৰ কাহিনী লিখিছে অসমৰ শীৰ্ষস্থানীয় সাহিত্যিক ড° ভবেন্দ্ৰ নাথ শইকীয়াই । উপন্যাসখনৰ নাম ঃ

মৰমৰ দেউতা

*কিতাপখন কেইবাখনো ছবিৰে সৈতে আটকধুনীয়াকৈ ছপাই বন্ধাই উলিওৱা হৈছে । বেচ পোন্ধৰ টকা ।*

মৰমৰ দেউতাৰ এটি দ্ৰুত-পাঠ্য সংস্কৰণ উলিওৱা হৈছে । কিতাপখন অসমৰ মাধ্যমিক শিক্ষা পৰিষদৰদ্বাৰা, ১৯৯২ চনৰ শিক্ষা-বছৰৰপৰা নৱম আৰু দশম মানৰ দ্ৰুত-পাঠৰ পুথি হিচাপে অনুমোদিত । বিচাৰকমণ্ডলীৰ বাছনিত এইখনেই সৰ্বশ্ৰেষ্ঠ বুলি স্বীকৃতি পাইছে ।

সঁফুৰা সাহিত্য সদন

পাণবজাৰ গুৱাহাটী ৭৮১ ০০১



## স্বগতোক্তি

### অনুভৱ তুলসী

শুনিছোঁ শেষ আশ্ৰয় দিয়ে হেনো শুভ্ৰতাই সুদূৰ প্ৰাচ্যত তুষাৰ যেতিয়া শান্ত
স্থবিৰতাৰ উমান লবলৈ মই এতিয়া ঠেঁটুৰৈ লগা জাৰৰ সৈতে নিবিড় হৈছোঁ
মুনি-চুনিয়ে মোক দিছে নম্ৰতাৰ পাঠ বাঁহৰ আগৰ দৰে নামি আহিছোঁ
মনৰ স্ৰেণ্যৰ কয়লাৰ সুপ্ত শিখা এতিয়া যেন চিৰকাললৈ নিৰ্বাপিত
তেজৰ গ্ৰহণৰ বাবে জটিলতম সমীকৰণৰ সমাধানো এতিয়া খুবেই সহজ
হাড়ৰ খোৰোঙৰ পৰা ধনেশ ঠোঁটীয়া চৰাই অলপ পাছতে যেন উৰি যাব
ধুমুহা বিধ্বস্ত এই শৰীৰ হৈ উঠিব সাধুকথাৰ কংকালসাৰ সৰবজান

নাৰ্চৰ হাতত তুলাৰ শুভ্ৰতা থাৰ্মমিটাৰ নাড়ী নক্ষত্ৰৰ টোকাবহী
নৈৰ চাপৰিৰ কহুৱা ফুলৰ পৰিধানেৰে সুঠাম সোঁতাল ডাক্তৰ
মই এতিয়া কাকোৱেই আমনি নিদিওঁ শান্ত ল'ৰাৰ দৰে শুই থাকোঁ
সাৰ পালেই সহজ পথ্যৰ এচামুচ মুখত দিওঁ অথবা দৰবৰ অনুপান
আশু আৰোগ্য কামনাৰ্থে ইষ্ট কুটুম্বৰ সোঁত বয় শুভাকাংক্ষী আহে
ভগা সপোনৰ পাত্ৰত সতেজ ফুলৰ গোন্ধ গুজি দি কোনোবা যায়গৈ
সুমথিৰা বখলিয়াই কোনোৱে দুই এক আপেলৰ অন্তৰংগতা যাচে

মোৰ মঙহৰ মাৰ্বল কৰি এতিয়া যাৰে মন যায় খেলিব পাৰা
টোপ লগাব পাৰা ঈশ্বৰ তোমাৰ বৰশীত বেং অথবা বৰলৰ সলনি
বিনিময়ত ফোপোলা বেজীৰ ফুটাৰে তুষাৰ শুভ্ৰ টোপনি মোক দিবা

যোৱা শৰতত আমি আছিলোঁ সংঘবদ্ধ গোমতীৰ পানী যুৱলিৰ মাছৰ লেখীয়া
শেলুৱৈ বন্ধ যোৱা শিলনি পাৰ হৈ অৰ্জুনা উপকূলত মই অকলে উচুপোঁ
দোকমোকালিতে মৃত্যু আহি শংখ বুলি মোক বুটলি নিবহি আলফুলে
মোৰ নামৰ নিনাদেৰে মালা গাঁঠি আঁৰি দিব সাগৰ তলিৰ কাৰেঙৰ দুৱাৰে-দুৱাৰে
বত্ৰিছ বছৰীয়া বগলী এটাৰ দৰে মই মৰি পৰি থাকিম শুভ্ৰ বিছনাত

ফ্লাস্কৰ উতলা পানী ক্ৰমশঃ কুহুমীয়া হৈ এটা সময়ত চেঁচা হ'ব
ট্ৰলি যেন টেবুলত বিস্কুট আধাখোৱা ইলেকট্ৰল শিতানত আওজি সুদীৰ্ঘ পেছক্ৰিপশ্যন
কেইডালিমান চুলিৰ সতে গাৰুত বহু পৰলৈকে বহি থাকিব মোৰ মূৰৰ সাঁচ
তেত্ৰিছ পৃষ্ঠাত কুচি মুচি হৈ পৰি থাকিব ছিলভিয়া প্লাথৰ কবিতা

খিৰিকিৰ আধা পৰ্দাৰ সিপাৰে ক্ৰমশঃ সকলো উকা হৈ আহিছে
কিমান দিনৰে পৰা তোমাক কুতুৰি আছিলোঁ নিঃসীম এই শূন্যতাৰ বাবে
নীলাভ ধমনীৰ বোন্দা কেঁচু বাট শিলেৰে ভেটিবলৈ কত খাটিছিলোঁ
বৰফৰ বতৰা লৈ আজিহে আহিছে শুকুৰবৰীয়া সেই বাইছ নৱেম্বৰ
শুঙাল শুভ্ৰতাই বিদীৰ্ণ কৰিছে মোক কুঞ্জলতাৰ তুলাচনীত উঠিছে তেজ
অশ্বক্লান্ত অভিমুখী জাহাজৰ চাইৰেন মোৰ কাণত ৰিণি ৰিণি
শৰাইঘাটৰ ইতিহাস ৰেলৰ উঁকিত উচ্ছসিত কামাখ্যা এতিয়া ধূসৰ
দৌল গোবিন্দৰ ডবা-কাঁহ দেৱাল ঘড়িৰ সংকেত ধ্বনিৰ লগত লীন

আঘাতৰ উচ্চ আসনত বাহ মই এতিয়া বিৰক্তিকৰ দীঘল বক্তৃতা দিম
তন্ময়তাৰ তুংগলৈ উঠি তোমালোকে শ্ৰোতা-দৰ্শকৰ শাৰী কৰা পূৰণ
জ্বলন্ত চুপ্পী বোকোচাত লৈ উৰি থকা যিসকল জোনাকী

দুটি নয়নৰ নক্ষত্ৰ ঘুকটি ওখোৰা মোখোৰা মোৰ মুখমণ্ডলত
যমৰ কিংকৰে ইতিমধ্যেই আৰম্ভ কৰিছে জুমখেতি

স্তব্ধ হোৱা আন্ধাৰ মুজুৰা পৰা পাতৰ মাজত মূৰ দাঙি উঠক কাঁইট
স্তম্ভশীৰ্ষৰ নিচানত জিলিকক কল্লোলিত জোনাকৰ ৰূপশিখা
কিয়নো অলপ পাছতে নৰিয়াপাটী নাৱৰ আঠুৱাৰ পালৰ ওচৰত আত্মসমৰ্পণ

চন্দ্ৰমল্লিকা ফুলৰ উদগ্ৰ শুভ্ৰতা নৈসৰ্গিক এই দৃশ্যৰ নিৰৱ দৰ্শক যদিও
পাহি চুপহিৰ পৈশাচিক এই অট্টহাস্য অবিলম্বে বন্ধ কৰা
হাতত কেৰেয়া লগাই সমীৰণৰ পোতাশাললৈ লৈ যোৱা পৰাগৰেণু

হৃদয় উন্মোচনৰ উছৰ মুখৰ মুহূৰ্তত থাইচু পাৰৰ ঠুনুকা তনিমাক গাবলৈ দিয়া
মিৰি চাঙৰ আপং উজ্জ্বল পোহৰত সমবেত জীয়াতুৰ শেষ গান

## চিৰন্তন

### শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

দেৱতাই দেৱতাই,
দেৱতাই অসুৰে,
অসুৰে মানুহে,
মানুহে মানুহে,
অসুৰে অসুৰে, কটা-কটি মৰা-মৰি ।
কবিৰ গীত ইয়াৰ মাজত
সোমাব খুজিছে ।
সোমাব পাৰিব জানো ?

(২)

## অবিৰোধী

মই ফকীৰ নহওঁ,
ধন-সম্পদক নিন্দা নকৰোঁ ।
সেইবুলি
পাৰ্থিব সম্পদক সৰ্বস্ব বুলিও নাভাবোঁ ।
লোকৰ জেপত হাত সুমাই
আনিব নোখোজোঁ ।
লোকক বঞ্চনা-প্ৰবঞ্চনা কৰি
মই ধনী নহওঁ ।
ধনক মই নিন্দা নকৰোঁ,
নিকা ৰূপকেইটকা মোক লাগে ।
চেকা থকা একো নিবিচাৰোঁ ।

## বনভূমিত

### চৈয়দ আব্দুল হালিম


[নৈ-বিলত জাল-জুলুকি বাওঁতে
মোৰ পদুম পুখুৰী এটালৈ
মনত পৰে ।
ধান বানোতে তোমাৰ বাৰু
কবিতাৰ ঢেঁকীটোলৈ
মনত পৰেনে ?]

দেওদি ব'লা বনভূমিলৈ, হৰিণ,
জঁপিয়াই কঁপা বিৰিণা,
চেকুৰ হুতাহ মেলি মাখিয়তী,
তেতেলী তলৰ লাজুকী লতাৰ
বেলি ।

চঁপা কদমণি, সোণাৰুৰ,
নাহৰৰ, আগলিৰ নীলা ফতহুৰ
বিত,
তাৰে মোক কিনা,
কৃষ্ণষাড় মৃগ এটি দৌৰে,
নিশাৰ বাছত,
আকুল ট্ৰেফিক, তৃণা ।

OKDISC







# ১৯৯১ চনৰ অসম, ভাৰত আৰু বিশ্বৰ ক্ৰীড়া জগতখন

১৯৯১ চনৰ ক্ৰীড়া জগতখন বৈচিত্ৰ্যপূৰ্ণ । সাধাৰণতে ক্ৰীড়া জগতৰ বছৰবোৰৰ বিশেষ পাৰ্থক্য নাথাকে; কাৰণ খেলবোৰৰ তালিকাখন প্ৰায় একেই থাকে । কেৱল চাৰি বছৰৰ মূৰে-মূৰে আহি পৰে বিশ্বকাপ ফুটবল, অলিম্পিক, এছিয়ান গেমছ ইত্যাদি বিশেষ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাবোৰ। এই ক্ষেত্ৰত মূল পাৰ্থক্যটো হ'ল—পুৰণিসকলে নতুনৰ কাৰণে স্থান ত্যাগ কৰে, নতুন-নতুন অভিলেখ সৃষ্টি হয়, কোনো-কোনো ক্ষেত্ৰত দেখা যায় অভূতপূৰ্ব সফলতা আৰু কিছু-কিছু ক্ষেত্ৰত বিষাদৰ ছায়া । এনে এক পটভূমিৰপৰা চালে এই কথা হয়তো বেছিভাগ পাঠকেই স্বীকাৰ কৰিব যে ১৯৯১ চনৰ ক্ৰীড়াজগতখন আৰু ইয়াৰ লগত জড়িত ঘটনাৱলী বহুদিনলৈকে মানসপটত ভাহি থাকিব ।

প্ৰথমতে আমাৰ অসমৰ খেল জগতখনলৈকে চকু ফুৰাওঁ । ১৯৯১ চনটো অসমৰ ক্ৰীড়াজগতৰ বাবে এক 'break through' বছৰ বুলি ক'লেও বঢ়াই কোৱা নহ'ব । ৰাজ্যখনৰ ক্ৰীড়াজগতখন বহু ধৰণৰ খেল-ধেমালিয়ে আগুৰি ৰাখিছে । তাৰ লগতে কিছুমান নতুন-নতুন খেলো যোগ হৈছে । একেবাৰতে আটাইবোৰ খেলৰ বিষয়ে লিখাটো সম্ভৱ নহয় । সেইবাবে এইবাৰ জনপ্ৰিয়

মাৰাডোনা



খেলবোৰকে চালিজাৰি চাওঁ । বছৰটোত অসমৰ ক্ৰীড়াজগতত কিছু নতুন-নতুন অভিলেখ স্থাপিত হ'ল । অৰুণজ্যোতি বৰুৱাই বিশ্ব টেবল টেনিছ জগতখনৰ ক্ৰম-পৰ্যায়ৰ খেলুৱৈসকলৰ তালিকাত স্থান পালে; প্ৰমীলা ভৰালী, মিঠু বৰুৱাই ছাফ গেমছত সোণৰ পদক পালে । ছাফ গেমছ সৰু-সুৰাকৈ হ'লেও আন্তৰ্জাতিক খেল । এই ক্ষেত্ৰত ভোগেশ্বৰ বৰুৱাৰ পাছতে তেওঁলোকে অসমৰ বাবে এনে সন্মান কঢ়িয়াই আনিলে । (অৱশ্যে ভোগেশ্বৰ বৰুৱাই এছিয়ান গেমছত সোণৰ পদক পাইছিল । সেই প্ৰতিযোগিতাৰ মানৰ লগত ছাফ গেমছৰ তুলনা হ'ব নোৱাৰে)। দীপংকৰ ভট্টাচাৰ্যই বেডমিণ্টনৰ প্ৰথম 'প্ৰাইজমানি' প্ৰতিযোগিতা জিকাৰ উপৰিও ভাৰতৰ বেডমিণ্টন জগতত ওপৰ শ্ৰেণী পাইছেগৈ আৰু এইবাৰ বাৰ্ছেলোনা অলিম্পিকত প্ৰদৰ্শনী খেল হিচাপে ঠাই পোৱা বেডমিণ্টনত ভাৰতৰ হৈ ভাগ লবলৈ বাছনিত উঠিছে । (অৱশ্যে এই বাছনি অসমৰ ভূতপূৰ্ব অলিম্পিয়ান ড. টি. আওৰ অলিম্পিক প্ৰতিযোগিতাত ভাগ লোৱাৰ গৌৰৱৰ লগত একে নহয় ।) ৰাজেশ বৰা, জাহিৰ আলম আৰু লগতে অসমৰ হৈ খেলা লালচান্দ ৰাজপুত আৰু সুহাস কুলকাৰ্নিয়ে ভাৰতীয় ক্ৰিকেট জগতত কেৱল লিগ খেলসমূহত এটা দলৰে চাৰিজন খেলুৱৈয়ে দ্বিশতাধিক ৰান কৰাৰ অভিলেখ স্থাপন কৰিবলৈ সমৰ্থ হৈছে । গৌতম দত্তই সম্ভাৱনাপূৰ্ণ বলিং প্ৰদৰ্শন কৰিছে । জুনুমণি শইকীয়াই ভাৰতৰ প্ৰতিনিধি হিচাপে ৰিলে দৌৰত ৰূপৰ পদক পোৱাৰ কৃতিত্ব লাভ কৰিছে কলম্বোত হৈ যোৱা ছাফ গেমছত । এয়া অসমৰ বাবে বৰ সুখৰ খবৰ। তেওঁলোকৰ লগতে খোজ মিলাই আৰু বহু সংখ্যক যশস্বী খেলুৱৈয়ে ভাৰতীয় ক্ৰীড়াজগতৰ পটভূমিত পাৰ্গতালি দেখুৱাবলৈ সমৰ্থ হওক, এয়ে আমাৰ আশা । অৱশ্যে তেওঁলোকে মনত ৰখা উচিত যে অকল পদক বা ছাৰ্টিফিকেট লাভকে লক্ষ্য কৰি ললে তেওঁলোকে ভুল কৰা হ'ব । দেশৰ তথা সমগ্ৰ পৃথিৱীৰ খেলবোৰৰ মানৰ পৰ্যায়ত পৰাকৈ নিজৰ প্ৰতিভা বিকাশৰ কথা তেওঁলোকে মনৰ নিভৃত কোণত সদায়েই ৰাখিব লাগিব । তেতিয়াহে তেওঁলোকে আশানুৰূপ ফল লভিবলৈ আগুৱাই যাব পাৰিব ।

আমাৰ দেশৰ ক্ৰীড়াজগতখনলৈ চকু ফুৰালে এটা দিশ বৰকৈ চকুত পৰে। সেইটো হ'ল—দলীয় ভিত্তিৰ খেলবোৰৰ মান তেনেই নিম্ন পৰ্যায় পাইছেগৈ। ফুটবলৰতো কথাই নাই । ছাফ গেমছ, প্ৰি-অলিম্পিক ফুটবল প্ৰতিযোগিতা, এছিয়া কাপ প্ৰতিযোগিতা কেইখনত ভাৰতৰ খেল আছিল তেনেই নিম্ন মানৰ। এসময়ত বিশ্ব বিজয়ী হকি দলটোৱে কথমপিহে ১৯৯২ চনৰ বাৰ্ছেলোনা অলিম্পিক খেলত খেলিবলৈ যোগ্যতা অৰ্জন কৰিছে । ভলিবল, বাস্কেট বল, টেবল টেনিছ, টেনিছ আদি খেলবোৰতো নতুন তাৰকাৰ অভাৱ। ক্ৰিকেট খেলত ভাৰতে বছৰৰ আৰম্ভণিতে পাকিস্তানৰ অনুপস্থিতিত এছিয়া কাপ জিকিবলৈ সক্ষম হৈছিল যদিও ছাৰজাত প্ৰথমে ভাল খেল প্ৰদৰ্শন কৰা সত্ত্বেও শেষত বিভিন্ন কাৰণত দলটোৰ বাবে ফলাফল আশানুৰূপ নহ'ল । অষ্ট্ৰেলিয়া ভ্ৰমণ কৰি থকা দলটোৰ বছৰৰ শেষলৈকে অনুষ্ঠিত খেলবোৰত অৱস্থা তেনেই নিশকতীয়া । দলবোৰৰ এনে অৱস্থা আৰু তাৰ লগতে খেলুৱৈসকলৰ খেলুৱৈসুলভ মনোভাবৰ অভাৱে মনলৈ বেজাৰৰ ভাবহে আনে ।

মেজিক জনছন




নিউজিলেণ্ডৰ পৰা অলিম্পিকৰ বাছনি প্ৰতিযোগিতাত কথমপি মান ৰক্ষা কৰি স্বদেশলৈ উভতি আহোঁতে ছিংগাপুৰত ভাৰতৰ হকি দলটোৰ কেইজনমান খেলুৱৈয়ে এয়াৰ ইণ্ডিয়াৰ কৰ্মচাৰীৰ প্ৰতি অশোভনীয় ব্যৱহাৰে হকি ফেডাৰেশ্যনৰ কৰ্মকতাসকলক যে বাৰুকৈয়ে শলঠেকত পেলাইছিল সেইকথা পাঠকসকলকৰ অবিদিত নহয় । কেৱল স্বকীয় প্ৰচেষ্টা আৰু স্বকীয় খেলত পাৰ্গতালি দেখুৱাই কেইজনমান কীৰ্তিমান খেলুৱৈয়ে বিশ্বৰ ক্ৰীড়াজগতত ভাৰতৰ ক্ৰীড়াজগতখনৰ স্থান কিছু সন্মানজনক কৰি ৰাখিবলৈ সমৰ্থ হৈছে । কপিলদেৱেএদিনীয়া খেলত সৰহসংখ্যক উইকেট লাভ কৰিছে । তাৰ উপৰি এদিনীয়া আৰু টেষ্ট মেচ লগ লগালে তেওঁ লাভ কৰা উইকেটৰ সংখ্যা ৰিছাৰ্ড হেডলিৰ সংখ্যাতকৈ অধিক হোৱাৰ বাবে এতিয়া বিশ্বত তেওঁৰ স্থান শীৰ্ষত । অতি প্ৰতিভাবান ওঠৰ বছৰীয়া শচীন তেণ্ডুলকাৰৰ খেলাই ক্ৰিকেটজগতত আলোড়নৰ সৃষ্টি কৰিছে । দিব্যেন্দু বৰুৱাই দবা খেলত ভাৰতৰ দ্বিতীয়জন গ্ৰেণ্ড মাষ্টাৰ হোৱাৰ কৃতিত্ব লাভ কৰিছে । গীত


শেতীয়ে পেছাদাৰী খেলুৱৈ হোৱাৰ চাৰিবছৰৰ পাছত পেছাদাৰী বিলিয়াৰ্ড খেলৰ এখন প্ৰতিযোগিতা জিকিবলৈ সক্ষম হৈছে । কিন্তু সকলোতকৈ আনন্দ দিছে বৰ্তমান দবা খেলৰ শীৰ্ষস্থানত থকা বিশ্বনাথন আনন্দে । তেওঁ অকল প্ৰথম ভাৰতীয়েই নহয়; প্ৰথম এছিয়ানো যি এলেক্সিৰ প্ৰিডক কোৱাৰ্টাৰ ফাইনেলত হৰুৱাই চূড়ান্ত পৰ্যায়ত খেলিবলৈ যোগ্যতা অৰ্জন কৰে আৰু ফাইনেলৰ ৰাউণ্ড ৰবিন খেলবোৰত উচ্চমানৰ খেল প্ৰদৰ্শন কৰি তৃতীয় স্থান লাভ কৰে। তেওঁ সমূহ দৰ্শক আৰু বিজ্ঞজনৰ ভূয়সী প্ৰশংসা অৰ্জন কৰে। ভাৰতৰ ১৯৯১ চনৰ ক্ৰীড়া জগতৰ তেওঁ শ্ৰেষ্ঠ ক্ৰীড়াবিদ । দেশবাসীৰ এয়ে আশা,—অদূৰ ভৱিষ্যতে তেওঁ যেন দবাখেলৰ একেবাৰে শীৰ্ষস্থান অধিকাৰ কৰি দেশবাসীৰ মনত আনন্দ দিয়াৰ লগতে দেশৰ গৌৰৱৰ প্ৰতীক হৈ পৰে। লিয়েণ্ডাৰ পেইজৰ কথা একেবাৰে শেষত লিখিছোঁ,—কাৰণ এওঁৰ খেলৰ মান এতিয়াও ছিনিয়ৰ পৰ্যায়লৈ উঠা নাই । যি খেলত মনিকা ছেলেছ, জেনিফাৰ কেপ্ৰিয়াটি, আৰাণ্টা ছানছেজহঁতে ষ্টেফি গ্ৰাফ, গেব্ৰিয়ালা ছাবাটিনিহঁতক 'কুৰুকিতে বন্দী' কৰি পেলাইছে, য'ত মাইকেল চেং, পিট ছামপ্ৰাছ, ইভানছেভিছহঁতে একেবাৰে শীৰ্ষস্থান পাইছেগৈ তেনে অৱস্থাত পেইজ উইম্বলডন আৰু যুক্তৰাষ্ট্ৰ জুনিয়ৰ চেম্পিয়ন হওঁতেই তেওঁক ভাৰতৰ গৌৰৱ বুলি অভিহিত কৰাটো দুখৰ বিষয় আৰু ই খেলুৱৈজন আৰু দেশখনৰ কাৰণেই অসন্মানজনক কথা ।

এইবাৰ বিশ্বৰ ক্ৰীড়াজগতলৈ ভুমুকি মাৰোঁ । কেউফালেই দেখিবলৈ পোৱা যায় মনত চমক লগোৱা খেলৰ প্ৰদৰ্শন । এথলেটিকছেই বোলক বা ফুটবল, টেনিছ, বেডমিণ্টনেই বোলক,—সকলো দিশতেই খেলবোৰৰ মানৰ ইমান উন্নতি হ'বলৈ ধৰিছে যে মানুহৰ সক্ষমতাৰ সীমা ক'ত সেই বিষয়ে প্ৰশ্নৰ উদ্ৰেক হয় । অৱশ্যে

টাইছন



সেইবোৰৰ মাজতে বিফলতা আৰু দুখ ভৰা কাহিনীও আছে । যেনে সৰ্বকালৰ শ্ৰেষ্ঠ খেলুৱৈসকলৰ মাজত স্থান পোৱা মাৰাডোনাৰ দুখ আৰু বেজাৰেৰে ভৰা পৰিবেশত অৱসৰ গ্ৰহণ, বা সৰ্বকালৰ শ্ৰেষ্ঠ বাস্কেট বল খেলুৱৈ মেজিক জনছনৰ এইডছ ৰোগত আক্ৰান্ত হৈ হঠাতে লবলগীয়া বিদায়ৰ বেদনা । লগতে মনলৈ আহে টেনিছ জগতৰ কিম্বদন্তী খেলুৱৈ মাৰ্টিনা নাভ্ৰাটিলোভাৰ হৰ্ষ-বিষাদৰ কাহিনী । ১৫৭খন প্ৰতিযোগিতা জিকাৰ লগতে তেওঁৰ প্ৰেমিক জুডি নেলছনে তেওঁৰ ওপৰত কৰা মোকৰ্দমা বা ভূতপূৰ্ব চেম্পিয়ন টাইছনৰ বিৰুদ্ধে নাৰী সংক্ৰান্ত মোকৰ্দমা ! এটা কথা মনত ৰখা উচিত যে খেলুৱৈ যিমানেই ওপৰ শ্ৰেণীৰ হওক বা নহওক শালীনতাৰ সামাজিক নিয়ম-কানুনৰ সীমাৰেখা চেৰাই যোৱাৰ অধিকাৰ কাৰো নাই । অৱশ্যে বিষাদ



মাইক পাৱেল

নহ'লে হৰ্ষও অৰ্থহীন হৈ পৰে।

এতিয়া সফলতাৰ দিশলৈ চাওঁ । এই ক্ষেত্ৰত এটা উল্লেখযোগ্য কথা হ'ল—২১ বছৰৰ পাছত দক্ষিণ আফ্ৰিকাৰ আকৌ পৃথিৱীৰ ক্ৰীড়ামঞ্চলৈ প্ৰত্যাবৰ্তন । বৰ্ণবিদ্বেষৰ ৰাজনীতিৰ কাৰণে কৃষ্ণবৰ্ণৰ লোকসকল সম-অধিকাৰৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈছিল । সেইকাৰণে দক্ষিণ আফ্ৰিকা ১৯৬৯ চনৰ পৰা ক্ৰীড়া আৰু অন্যান্য ক্ষেত্ৰত বাদ পৰি আছিল । ড. নেলছন মাণ্ডেলা আৰু প্ৰেছিডেণ্ট এফ. ডবিউ ক্লাৰ্কৰ মধ্যস্থতাত সেই বৰ্ণভেদৰ ৰাজনীতিৰ অৱসান ঘটিল আৰু দক্ষিণ আফ্ৰিকা আকৌ বিশ্বৰ ক্ৰীড়া মঞ্চলৈ উভতি আহিল । আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াৰ ক্ষেত্ৰত ই এক লেখত লবলগীয়া ঘটনা । ইয়াৰ লগতে উল্লেখ কৰিব পাৰি প্ৰবল পৰাক্ৰমী মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বিপক্ষে ফ্ৰান্সৰ ডেভিছ কাপ জিকাৰ চমকপ্ৰদ ঘটনা । প্ৰেৰণা আৰু দলীয় সংহতিৰ ই চূড়ান্ত নিদৰ্শন । স্বকীয় ক্ষেত্ৰত মনিকা ছেলেছৰ মহিলা টেনিছ জগতত একাধিপত্য, মাইকেল ষ্টিখে থিতাতে পোৱা super stardom, আৰ্ডি উইৰানাড়া আৰু ছুই সুশান্তিৰ বেডমিণ্টন জগতত আধিপত্য বিস্তাৰ আদিও উল্লেখযোগ্য ঘটনা । ছাগেই বুবকাৰতো কথাই নাই । পলভল্ট যেন তেওঁৰ নিজস্ব খেল; অন্য কাকো যেন তেওঁ ওচৰলৈ আহিবলৈকে নিদিয়ে ! ইটোৰ পাছত সিটোকৈ তেওঁ বিশ্বৰেকৰ্ড ছাব্বিছবাৰৰ ভাঙিছে । প্ৰথমবাৰৰ বাহিৰে বাকী আটাই কেইবাৰেই তেওঁ নিজৰ ৰেকৰ্ডক ভাঙিছে । আশাশুধীয়া প্ৰচেষ্টাৰ যোগেদি তেওঁ বিছফুটৰ দেওনাও পাৰ হৈ গৈছে । কিন্তু তেওঁৰ এই অদ্ভুতপূৰ্ব প্ৰচেষ্টাই আৰু লেখত লবলগীয়া ৰূপ ধাৰণ কৰিলেহেঁতেন যদিহে আন এজনে তেওঁৰ লগত কমকৈ হ'লেও কিছু ফেৰ মাৰিব পাৰিলেহেঁতেন । তথাপি বুবকাই এথলেটিকছ জগতলৈ দিয়া অৱদান সোণালী আখৰেৰে লিখা থাকিব ।

বছৰটোৰ আৰম্ভণিতে টকিঅ'ত হোৱা বিশ্ব ট্ৰেক এণ্ড ফিল্ড প্ৰতিযোগিতালৈকে কাৰ্ল লুইছক তেওঁৰ ছেণ্ট মনিকা দলৰ সতীৰ্থ লুই বুৰেলে এশ মিটাৰ দৌৰত দমাই ৰাখিছিল । তেতিয়া বহুতে বেন জনছনৰ লগতে লুইছো বুৰেলৰ অংশবিশেষত পৰিণত হ'ল বুলি মন্তব্য কৰিছিল । পিছে লুইছৰ অদম্য মনোবলৰ কথা হয়তো তেওঁলোকে চালিজাৰি চোৱা নাছিল । টকিঅ'ৰ প্ৰতিযোগিতাত এশ মিটাৰৰ সেই অভিনব দৌৰত ৯.৮৬ ছেকেণ্ডত নতুন বিশ্ব ৰেকৰ্ড সৃষ্টি কৰি লুইছে সতীৰ্থ বুৰেলক দ্বিতীয় স্থানলৈ হেঁচোকাই পঠালে আৰু নিজকে আকৌ সুপ্ৰতিষ্ঠিত কৰিলে । সকলো দিশৰ পৰা চালে আশীৰ দশকত কাৰ্ল লুইছৰ সমকক্ষ অল ৰাউণ্ড এথলিট আৰু নাই । কিন্তু সেই কাৰ্ল লুইছৰ অতি হেঁপাহৰ আৰু তেইছ বছৰৰ পুৰণি লং জাম্পৰ ৰেকৰ্ড ভংগ কৰাৰ গৌৰৱ মাইক পাৱেলে তেওঁৰ সন্মুখৰ পৰা থাপ মাৰি নিয়াৰ দৰেই কাঢ়ি নিবলৈ সক্ষম হৈছিল । সকলো বিজ্ঞ লোকেই মন্তব্য কৰিছিল যে বিউমণ্টৰ ১৯৬৮ চনৰ মেক্সিক' অলিম্পিকৰ সকলোকে তবধ লগোৱা ৮.৯০ মিটাৰ দৈৰ্ঘ্যৰ সেই ৰেকৰ্ড সাগৰপৃষ্ঠৰ বহু ওপৰৰ পাতল বায়ুমণ্ডল (rarefied atmosphere) নহ'লে ভংগ কৰাৰ কোনো আশাই নাই; আৰু যদিহে কোনোবাই সেই ৰেকৰ্ড ভংগ কৰিব পাৰে সেইজন হ'ব কাৰ্ল লুইছ । লুইছে সেই ৰেকৰ্ড ভংগও কৰিছিল । কিন্তু লুইছে মৰা দৈৰ্ঘ্যৰ দেওনা চেৰাই জাঁপ মাৰিছিল মাইক পাৱেলে । এওঁৰ নাম কোনেও ৰেকৰ্ড ভংগকাৰী এথলিটৰ শাৰীত ধৰাই নাছিল । কিন্তু সকলোকে আচৰিত কৰি পাৱেলে জীৱনৰ একমাত্ৰ শ্ৰেষ্ঠ জাম্প ঠিক সময়তে মাৰি বিউমণ্টৰ সেই ৮.৯০ মিটাৰৰ দৈৰ্ঘ্য অতিক্ৰম কৰিবলৈ আৰু অসম্ভৱকো সম্ভৱ কৰি ৮.৯৪ মিটাৰৰ নতুন ৰেকৰ্ড স্থাপন কৰিলে । মাইক পাৱেলৰ সেই কীৰ্তি হয়তো ১৯৯১ চনৰ ক্ৰীড়াজগতৰ শ্ৰেষ্ঠ ঘটনা নহ'ব পাৰে; কিন্তু সেই কীৰ্তি যে অতিমানৱীয় পৰ্যায়ৰ সেই বিষয়ে সন্দেহ নাই ।

**অমূল্য হাস গোস্বামী**




# দুৰ্ৱাৰডলিত বিশ্বকাপ ক্ৰিকেট ঃ ৱেষ্টইণ্ডিজ দলটো

দিগন্ত বিস্তৃত সাগৰৰ পাৰত কৃষ্ণাংগ বালকসকলে মনৰ আনন্দত ক্ৰিকেট খেলে । সুঠাম দেহাৰ অধিকাৰী এই বালকসকলে তীব্ৰ বেগেৰে বল কৰিব পাৰে, তীব্ৰভাৱে বল মাৰিব পাৰে। প্ৰকৃতিৰ অকৃপণ দান তেওঁলোকৰ স্বাস্থ্যত প্ৰতিফলিত । তেওঁলোকৰ কাৰণে খেলত জয়-পৰাজয় ডাঙৰ কথা নহয়,—ডাঙৰ কথা উদ্দাম যৌৱনৰ আনন্দ উপভোগ। সেইকাৰণেই হয়তো ৱেষ্ট ইণ্ডিজ আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত 'টাই' টেষ্টমেচৰ সময়ত ছাৰ ফ্ৰেংক ৱৰেলৰ সতীৰ্থ খেলুৱৈসকললৈ নিৰ্দেশ আছিল,—"ৰিলাক্স মাই বয়জ, ৰিলাক্স ।"

যোৱা বিশ্বকাপৰ সেই ঘটনাটো নিশ্চয় বহুতৰে মনত আছে । কৰ্টনি ৱালছে বল ডেলিভাৰি দিয়াৰ আগমুহূৰ্তত লক্ষ্য কৰিলে যে 'ননষ্ট্ৰাইকাৰ' ছেলিম জাফৰে নিজৰ স্থান এৰি ওলাই আহিছে । ইচ্ছা কৰিলে ৱালছে জাফৰক আউট কৰিব পাৰিলেহেঁতেন; কিন্তু সেইটো নকৰি ৱালছে 'প্ৰাণ খোলা' হাঁহিৰে জাফৰক 'সাৱধান' কৰি দিছিল । উল্লেখযোগ্য যে, সেই মেচখনত ৱেষ্টইণ্ডিজ পৰাজিত হৈছিল; কিন্তু সিদিনা জয়ী হৈছিল "ক্ৰিকেটৰ আদৰ্শ ।" ছাৰ লিয়েৰি কনষ্টেনটাইন, ছাৰ ফ্ৰেংক ৱৰেল, ছাৰ গাৰফিল্ড ছ'বাৰ্ছ, ক্লাইভ লয়েডহঁতে ৱেষ্টইণ্ডিজ ক্ৰিকেটৰ যি বুনিয়াদ গঢ়িছে তাৰ যোগ্য উত্তৰাধিকাৰী হৈছে ৰিচাৰ্ড, গ্ৰিনিজ, ৰিচাৰ্ডছনহঁত ।

যোৱা চাৰিখন বিশ্বকাপৰ প্ৰতিযোগিতাৰ তিনিখনৰ ফাইনেল খেলিছিল ৱেষ্ট ইণ্ডিজে । তাৰে দুবাৰ তেওঁলোকে চেম্পিয়ন আৰু এবাৰ ৰানাৰ্ছ আপ হৈছিল । ক্লাইভ লয়েড, এণ্ডি ৰবাৰ্টছ, গৰ্ডন গ্ৰিনিজ, মাইকেল হ'ল্ডিং আৰু জো গাৰ্নাৰৰ অৱসৰ গ্ৰহণ আৰু ভিভ ৰিচাৰ্ডৰ

ৰিচাৰ্ডছৰ পুনৰাগমন হ'বনে ?



অনিশ্চয়তাৰ ফলত ৱেষ্ট ইণ্ডিজ দল যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল । সম্প্ৰতি বেনছন এণ্ড হেজেছ ৱৰ্ল্ড ছিৰিজত ৱেষ্ট ইণ্ডিজ দলে তেওঁলোকৰ সুনাম ৰক্ষা কৰিব পৰা নাই । তাৰ অন্যতম কাৰণ হৈছে দলৰ সৰহভাগ বেটছমেন হৈছে অনভিজ্ঞ । ৱালছে, লাৰা, ৱেষ্ট, এথাৰটন আদি আন্তৰ্জাতিক ক্ষেত্ৰত সম্পূৰ্ণ নতুন । ব'লিঙত কিন্তু তৰুণ ফাষ্ট ব'লাৰ কুমিংছে যথেষ্ট কৃতিত্ব দেখুৱাইছে । বেটিঙত স্বাভাৱিকতে অভিজ্ঞ ডেছমণ্ড হেইনছ আৰু অধিনায়ক ৰিচি ৰিচাৰ্ডছনৰ ওপৰত বৰ বেছি নিৰ্ভৰ কৰিবলগীয়া হৈছিল । কাৰ্ল হুপাৰ বেট আৰু বল উভয়তে সফল হৈছিল । দলৰ নিৰ্ভৰযোগ্য খেলুৱৈ গাছ লোগি আঘাতৰ বাবে দলৰ লগত অহা নাছিল । আশা কৰা যায়,—বিশ্বকাপৰ আগতে তেওঁ সুস্থ হৈ উঠিব । আৰু যদি ভিভ ৰিচাৰ্ড দললৈ আকৌ ঘূৰি আহে, তেনেহ'লে দলটোৰ বেটিঙৰ শক্তি বৃদ্ধি পাব । ৱেষ্ট ইণ্ডিজৰ ফাষ্ট ব'লাৰসকল যিকোনো মেচত ভয়ংকৰ হৈ উঠিব পাৰে। মাৰ্ছাল, এম্ব্ৰোছ আৰু পেটাৰছন যি কোনো দলৰ বাবে চিন্তাৰ কাৰণ। হুপাৰ আৰু ৰিচাৰ্ডৰ পৰা প্ৰয়োজনীয় সহযোগিতা পালে বিপক্ষক কম ৰানত আউট কৰাৰ ক্ষমতা ৱেষ্ট ইণ্ডিজৰ আছে ।

বেটছমেনসকলে ঠিক সময়ত সঠিকভাৱে নিজকে কামত লগাব পাৰিলে ৱেষ্ট ইণ্ডিজ দলে তেওঁলোকৰ ঐতিহ্য ৰক্ষা কৰিব পাৰিব বুলি আশা কৰিব পাৰি । ৱেষ্ট ইণ্ডিজৰ খেলুৱৈ নিৰ্বাচক মণ্ডলীয়ে তেওঁলোকৰ দল গঠনৰ সময়ত নিশ্চয় গভীৰভাৱে চিন্তা-ভাৱনা কৰিব,—যাতে বেনছন হেজেছ ৱৰ্ল্ড ছিৰিজৰ পুনৰাবৃত্তি আৰু নহয় ।

## ছাৰজাত অংশ গ্ৰহণ স্থগিত

অলপতে মাদ্ৰাজত ভাৰতীয় ক্ৰিকেট কণ্ট্ৰল ব'ৰ্ডৰ সভাত বৰ্তমানে ছাৰজাৰ কোনো টুৰ্নামেণ্টত ভাৰতে ভাগ নলয় বুলি সিদ্ধান্ত লোৱা হয় । অহা এপ্ৰিলত ছাৰজাত অনুষ্ঠিত হ'বলগীয়া টুৰ্নামেণ্টত ভাৰতে অংশ গ্ৰহণ নকৰে আৰু ভৱিষ্যতে সাংগঠনিক পৰিবেশৰ সলনি নহ'লে তালৈ দল প্ৰেৰণ নকৰে। যোৱা অক্টোবৰত বৈধ প্লেয়িং কণ্ডিশ্যন অনুযায়ী খেল হোৱা নাই বুলি অভিযোগ কৰি ভাৰতে সেই প্ৰতিযোগিতাৰ কৰ্তৃপক্ষলৈ চিঠি পঠিয়াইছে । সভাত উপস্থিত থকা সদস্যসকলৰ সমালোচনাৰ উত্তৰত ব'ৰ্ডৰ প্ৰেছিডেণ্ট মাধৱৰাও সিন্ধিয়াই কয়, "ছাৰজাত মই উপস্থিত আছিলো ঠিকেই, কিন্তু খেল সম্বন্ধে সিদ্ধান্ত লোৱাৰ দায়িত্ব টুৰ কমিটিৰ। পাকিস্তানৰ বিৰুদ্ধে কম পোহৰত খেলাৰ বাবে সম্পূৰ্ণ দায়ী আজাহাৰ আৰু মেনেজাৰ অশোক মানকাড । কম পোহৰত কিয় ভাৰতে খেলিছিল এই প্ৰশ্নটো সোধা উচিত অধিনায়ক আৰু মেনেজাৰক ।" ছাৰজাৰ কমিটিয়ে ১৯৮৭ চনৰ বিশ্বকাপৰ প্লেয়িং কণ্ডিশ্যন অনুযায়ী খেলসমূহ হ'ব বুলি জনাইছিল; কিন্তু কিয় এই নিয়ম অনুযায়ী খেলসমূহ পৰিচালিত নহ'ল তাৰ কাৰণ ব্যাখ্যা কৰিবলৈ ছি.বি.এফ.এছ.লৈ ভাৰতে চিঠি দিছে আৰু যেতিয়ালৈকে তেওঁলোকৰ টুৰ্নামেণ্টৰ সংগঠন, প্ৰশাসন আৰু পৰিচালনাৰ ব্যৱস্থা সম্পৰ্কে সম্পূৰ্ণভাৱে সন্তুষ্ট নহয়, তেতিয়ালৈকে ভাৰত ছাৰজালৈ নাযায় ।

**পুলক লাহিড়ী**

৩৬ পৃষ্ঠাৰ পিছৰ পৰা

ছপোৱা এখন কালী পূজাৰ নিমন্ত্ৰণী পত্ৰ । পত্ৰখন অৱশ্যে পুৰণা; কেইবাবছৰৰো আগৰ যেন পাওঁ । সেইখনকে বাবাজীয়ে লগত লৈ ফুৰিছে পৰিচয় পত্ৰ হিচাপে। বাবাৰ নাম সঁচাকৈয়ে টাইগাৰ বাবা । চিঠিখনত তেনেদৰেই আছে ।

পাণ-তামোলৰ দোকান, দৰ্জিৰ দোকান, ছাইকেল মেৰামতিৰ দোকান, চাহৰ দোকান পোহনীয়া কুকুৰ আদিয়ে যদি ইংৰাজী নাম লব পাৰে বাবাইনো নোৱাৰিব কিয় ? হয় তেওঁৰ নাম টাইগাৰ বাবাই ।

বাঘ পোৱালিটোৱে তেওঁ কি কৰিব সেই কথা জানিবলৈ মোৰ বৰ আগ্ৰহ হ'ল । ব্যান্ড যজ্ঞটো কেনেকৈ সমাপন কৰে সেই বিষয়ে তেওঁৰ মুখৰ পৰাই শুনাৰ বুলি পুনৰ সেই কথা উলিয়ালো ।

বাবাই ক'লে, "শেৰ কা বাচ্চাকো যাগকো বাদ মহাত্মা বনাউগা ।"

"মতলব ?"

"মতলব ঠিক হ্যায় । যব পূজা অন্ত হোগা, তব চোৰ দেগা ।"

"চোৰ দেংগে ? কিউ ?"

বাবাজীৰ মতে বাঘৰ পোৱালি তেতিয়া আৰু হিংস্ৰ হৈ নেথাকে । গৰু-ছাগলীৰ নিচিনা ঘৰচীয়া হৈ সি বাবাজীৰ আশ্ৰমত প্ৰসাদ খাই ঘূৰি ফুৰিব ।

বাবাজীৰ হিন্দী কথন খাচ হিন্দীভাষী লোকৰ নিচিনা নালাগিল । আমাতকৈ অলপহে উন্নত ।

কবৰ মন গৈছিল—পাছত ছাৰ্কাছ পাৰ্টিত দি দিলে কেনে হয় ? নকলো । অলপ বেলেগ ধৰণে সুধিলো, "আচ্ছা, ছাৰ্কাছৰ বাঘবোৰ আচলতে এনেকুৱা বাঘেইনে কি ?"

কালী সাধকৰ মুখৰ ৰং তৎক্ষণাত বেলেগ হ'ল যেন দেখা পালো । চকুৰ জ্যোতিও ম্লান হৈ পৰিল ।

অসমৰ মানুহবোৰ কাজিৰঙাৰ গঁড়ৰ দৰে অজলা আৰু অহংকৰ বুলি ভাবিছিলনে কি তেওঁ ? মই পিছে অহংকৰ দৰে কৈ দিলো—যে তেওঁৰ ইয়াত মুঠেই সুবিধা নহ'ব । ছাৰ্কাছ পাৰ্টিক বিক্ৰি কৰিবলৈ বাঘ পোৱালি বিচৰা,—বাবাজী নহ'লেও,—আইন বহুত ধৰণৰ মানুহ মই এইখন চকীত বহিয়েই দেখিছোঁ ।

নেজ পেলাই সুৰ সুৰকৈ বাবাজী মোৰ কোঠাৰ পৰা ওলাই গ'ল ।

# বক্তৃতা

অলপতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ দুটা অনুষ্ঠানত দৰ্শক-শ্ৰোতা হিচাপে উপস্থিত আছিলো। দুয়োটা অনুষ্ঠান বক্তৃতাই নষ্ট কৰিলে বুলি মোৰ ধাৰণা হ'ল।

একোটা অনুষ্ঠানত আঠজনমানকৈ মানুহে বক্তৃতা দিছিল। তেওঁলোকৰ সৰহভাগেই আছিল উচ্চস্থানীয় ৰাজনৈতিক নেতা। ৰাজনৈতিক আৰু প্ৰশাসনিক দায়িত্ব পালন কৰিবলৈ তেওঁলোক তেনে ধৰণৰ অনুষ্ঠানত উপস্থিত থাকিবলগীয়া হয়েই। অনুষ্ঠানটোৰ সম্পৰ্ক কম্পিউটাৰৰ লগতেই হওক বা ভাৰত-নাট্যমৰ লগতেই হওক, আমাৰ দেশত মন্ত্ৰী পৰ্যায়ৰ ৰাজনৈতিক নেতাক আৰম্ভণীলৈ বিশেষ দায়িত্ব দি নিমন্ত্ৰণ কৰাটো এটা নিয়ম বা প্ৰয়োজনীয় কাম হৈ আছে। ইয়াক পৰম্পৰাই বুলিব পাৰি। আজিকালি বহুতে কবলৈ লৈছে,—মন্ত্ৰীকনো কিয় মাতিব লাগিছে? মন্ত্ৰী নহ'লে আমাৰ মিটিং নহ'বনে?—ইত্যাদি। পিছে কাৰ্যতঃ এই ধৰণৰ উক্তিবোৰ বিশেষ ফলপ্ৰসূ হোৱা নাই। বহুতো উক্তি উষ্মা বা উচ্ছ্বাসৰ অসংযত প্ৰকাশ হিচাপেই লুপ্ত হৈ গৈছে। ক্ষমতাত থকা ৰাজনৈতিক নেতাৰ অনুগ্ৰহ, সহায় আদি নোহোৱাকৈ ডাঙৰ কাম একোটা কৰিবলৈ হ'লে নিজৰ যি শক্তি, কৰ্মক্ষমতা, জ্ঞান আদিৰ প্ৰয়োজন, সেয়া বহুতৰে নাথাকে; থাকিলেও কিছুমান বৈষয়িক প্ৰয়োজনত তেওঁলোক ৰাজ-অনুগ্ৰহপ্ৰাৰ্থী হ'বলৈ বাধ্য। তেওঁলোকৰ উদ্দেশ্য কিন্তু মহতো হ'ব পাৰে; তেওঁলোক নিস্বাৰ্থ দেশসেৱকো হ'ব পাৰে। তদুপৰি, ৰাজনৈতিক হেঁচাৰ চৰিত্ৰ আৰু কৌশলো এনেকুৱা যে কোন ফালেদি কোন নেতা আহি মঞ্চত উপস্থিত হ'লহি তাৰ উৱাদিহ পোৱাই টান।

আনহাতে, ক্ষমতাত থকা ৰাজনৈতিক নেতাৰ ভাবটো এনেকুৱা হ'ব পাৰে: তোমালোকে কি কৰিব খুজিছা, তাৰ প্ৰত্যক্ষ জ্ঞান আমাক লাগে। আমি তোমালোকৰ লগত থাকি, তোমালোকৰ মাজত থাকি চাব খোজোঁ,—তোমালোকক আমি কিয় সহায় কৰিম, কেনেকৈ সহায় কৰিম।

তদুপৰি, এওঁলোকৰ সামাজিক ভাবমূৰ্তিৰ প্ৰশ্নটোও আছে। গতিকে মঞ্চ এওঁলোকৰ প্ৰয়োজনীয় আৰু প্ৰিয় ঠাই।

হওক। বহুত কথা বিচাৰ কৰি সদ্যহতে আমি ধৰি লব পাৰোঁ,—ৰাইজৰ মঞ্চত ৰাইজৰ প্ৰতিনিধিয়ে বিশিষ্ট ভূমিকা আৰু দায়িত্ব লৈ উপস্থিত থকাটো কোনো দোষৰ কথা নহয়। ভাৰতৰ বৰ্তমানৰ ৰাজনৈতিক পংকিলতাইহে ৰাইজৰ প্ৰতিনিধিক ৰাইজৰে এচামৰ কাৰণে বিকৰ্ষণীয় কৰি তুলিছে। নিয়মমতে তেওঁলোক আপোনহে হ'ব লাগিছিল। গতিকে, সদ্যহতে মঞ্চত তেওঁলোকৰ উপস্থিতি আমি গ্ৰহণ কৰিলো। এতিয়া প্ৰথমৰ কথাটোলৈ আহোঁ। তেওঁলোকৰ বক্তৃতাই সেই অনুষ্ঠান দুটা নষ্ট কৰিলে বুলি কলো কিয়? তেওঁলোকে যি সুৰত, যিবোৰ কথা কলে, সেইবোৰ শুনি কলো।

সেইদিনাৰ সেই কেইজন নেতাৰ কথাকে আমি সকলোৰে বাবে প্ৰযোজ্য বুলি কব (generalize কৰিব) নোখোজোঁ। সেইটো ভুল কাম হ'ব। সেই অনুষ্ঠান দুটাত বহি থাকোঁতে বক্তৃতা সম্পৰ্কে যিখিনি কথা মনলৈ আহিছিল, নেতা কেইজনৰ সূত্ৰ ধৰি সেইখিনি কথাহে প্ৰকাশ কৰিব খোজোঁ। কথাখিনি কেৱল শাসনাধিষ্ঠ ৰাজনৈতিক নেতাৰ বক্তৃতাৰ কথা হৈ নাথাকিব, সকলো বক্তাৰ বক্তৃতাৰ কথা হ'ব।

প্ৰত্যেকৰে সময়ৰ মূল্য আছে। এই সময় খৰচ কৰিলে তাৰ অধিকাংশৰ বিনিময়ত আমি সুফল পাব লাগে। আমাক সমুখত বহুৱাই লৈ যদি আপুনি বক্তৃতা দিয়ে, তেনেহ'লে আপোনাৰ প্ৰথম বিচাৰ্য বিষয়টো হোৱা উচিত,—আমি কোন? কিমানৰ মানুহ? আমি কি বিষয়ৰ কিমান কথা জানো বুলি আপোনাৰ ধাৰণা?—এইখিনি কথা বিচাৰ কৰি আপুনি অন্ততঃ এনেকুৱা কিছু কথা কব লাগিব,—যাৰ ভিতৰত আমাৰ কাৰণে অলপ হ'লেও নতুন কথা, আমোদজনক কথা থাকে। আমোদজনক কথাৰ কথা উল্লেখ কৰাৰ কাৰণ হ'ল,—আপোনাৰ কথাৰ মাজত যে সদায় নতুনত্ব বা জ্ঞানেই থাকিব লাগিব এনে নহয়, আনন্দ থাকিলেও হ'ব। আমাৰ বুদ্ধিৰ জোখাৰে আপুনি আনন্দ পাব পৰা কথা কলেও আমাৰ লাভ হ'ব। অৱশ্যে কথাৰে আনন্দ দিয়া আৰু বহুৱালি কৰাৰ মাজৰ পাৰ্থক্য আপুনি ধৰিব পাৰিব লাগিব।

এইখিনি বিচাৰ-বুদ্ধি নথকা বক্তাসকল বক্তৃতা বোলা বস্তুটোক বিকৰ্ষণীয় কৰি তোলাৰ দোষত দোষী। (আচলতে নৃত্য, গীত, অভিনয়, বক্তৃতা,—মঞ্চৰ এই এটাইবিলাক বস্তুৱেই সমানে উপকাৰী, প্ৰয়োজনীয় আৰু আকৰ্ষণীয় হ'ব লাগিছিল।)

মিটিং বহু ধৰণৰ আছে। কোন ধৰণৰ মিটিঙলৈ কোন ধৰণৰ শ্ৰোতা যায়, কিয় যায়, তাৰ বৰ্ণনা দীঘলীয়া হ'ব। টেলিভিশ্যনে ভাৰতৰ শীৰ্ষস্থানীয় ৰাজনৈতিক নেতাজনে উদাত্ত কণ্ঠেৰে বক্তৃতা দিয়াৰ দৃশ্য দেখুৱালে মাজে-মাজে "জনতাৰ একাংশ"ও দেখুৱায়। বহুক্ষেত্ৰত, সেইবোৰ মানুহৰ চেহেৰা, সাজ-পাৰ, ভাব-গতি আদি দেখিলেই ধৰিব পাৰি, তেওঁলোকে বক্তৃতাৰ এটা শব্দও বুজা নাই, বুজিবলৈ,—আনকি শুনিবলৈও চেষ্টা কৰা নাই। বৰমানুহ চাবলৈ অহা এইবিধ মানুহক সময়ৰ মূল্য আছে বুলি ভাবিবলৈ কোনেও শিকোৱা নাই। এওঁলোকে হামিয়াই-হিকটিয়াই-টোপনিয়াই থাকিলেও বক্তাৰ অসুবিধা নহয়। এওঁলোকৰ সন্মুখত বক্তৃতাৰ বিষয়বস্তু গোবৰ গেছো হ'ব পাৰে, বিশ্বশান্তিও হ'ব পাৰে। এইবোৰ সভাত শ্ৰোতাসকলৰ শৰীৰটো উপস্থিত থাকিলেই হ'ল,—বক্তাৰ কথাৰ লগত তেওঁলোকৰ মানসিক সম্পৰ্কৰ কোনো প্ৰয়োজন নাই। কিন্তু এনেবোৰ সভাত বক্তৃতা দিয়াৰ পৰাই বক্তাৰ যি মনোবৃত্তি গঢ়ি উঠে, সেই মনোবৃত্তিৰেই তেওঁ তেওঁতকৈ বুদ্ধিমান আৰু জ্ঞানী শ্ৰোতাৰো সন্মুখীন হয়। তেতিয়া বক্তৃতা অপদস্থ হয় আৰু ই অনুষ্ঠান নষ্ট কৰে।

তদুপৰি, এই "বিৰাট ৰাজহুৱা সভা"ৰ বক্তৃতাবোৰে ক্ষুদ্ৰ পৰ্যায়লৈকে বক্তৃতাৰ এটা বেয়া কালচাৰ সংক্ৰমিত কৰে।


আগতেই কৈছোঁ,—প্ৰতিটো বক্তৃতাত বুদ্ধিমান শ্ৰোতাই অন্ততঃ দুআষাৰ নতুন কথা, আমোদজনক কথা শুনিবলৈ পালেও বক্তৃতাৰ মৰ্যাদা ৰক্ষা পৰে। কিন্তু আমাৰ বেছিভাগ বক্তায়েই তাৰ কাৰণে আগতীয়াকৈ মনপুতি চিন্তা নকৰে। সাধাৰণতে আমাৰ ইয়াত হেনো ভালেমান বক্তাই মিটিঙত কি কব সেই বিষয়ে মিটিঙলৈ যোৱাৰ বাটত, আৰু মিটিঙত তেওঁৰ পাল পৰালৈ বহি থকাৰ সময়খিনিত ভাবে। বহুত বক্তাৰ বক্তৃতা অইনে লিখি দিয়ে; আৰু এই লিখি দিয়া ব্যক্তিসকলেও মিটিংখনলৈ কাক-কাক নিমন্ত্ৰণ কৰা হৈছে, তাত কেনেকুৱা বুদ্ধি-বৃত্তিৰ মানুহ উপস্থিত থকা সম্ভৱ, সেইবোৰ ভালকৈ বিচাৰ নকৰি "ৰচনা" একোখন লিখি দিয়ে। এনেকৈয়ে, এই "কথাৰ দেশ"খনতো বক্তৃতা বোলা বস্তুটোক লঘু আৰু বিৰক্তিকৰ কৰি তোলা হৈছে।

মানসিক অনুশীলন নকৰাকৈ, হোমৱৰ্ক নকৰাকৈ, বিষয়বস্তুটো লৈ আখৰা নকৰাকৈ মঞ্চত কোনো অনুষ্ঠান সুখ্যাতিৰে পৰিবেশন কৰাটো সম্ভৱ নহয়। বক্তৃতাও আচলতে সেই দৃষ্টিভংগীৰে গ্ৰহণ কৰিবলগীয়া অনুষ্ঠান।

স্বাভাৱিকতে, গুণী-জ্ঞানী ব্যক্তিক যে কোনো এটা বিষয়ে বক্তৃতা দিবলৈ মাতি অনা হয় (যেনে কোনো সোঁৱৰণী বক্তৃতামালাৰ বক্তৃতা,—talk ইত্যাদি), সেই বক্তৃতাৰ কথাক এই আলোচনাৰ ভিতৰত সামৰা নাই। সেইবোৰ বক্তৃতাৰ চৰিত্ৰটোৰে ৰাজহুৱা মঞ্চৰ বক্তৃতাক প্ৰভাৱিত কৰিব পৰা হ'লে ভাল আছিল, কিন্তু কৰিব পৰা নাই। বৰঞ্চ মাজে-মাজে ওভোতা প্ৰক্ৰিয়াটোহে শক্তিশালী হৈ উঠাৰ প্ৰৱণতা এটা দেখা যায়।

২৭/১/৯২







আপোনাক প্ৰয়োজন অধিক পুষ্টি

নতুন কমপ্লান®
ভিটামিল্ক®

আপোনাৰ দেহাৰ ভিতৰত আৰু এটি প্ৰাণ বাঢ়িবলৈ লৈছে। আপোনাৰ সন্তানৰ। এই সন্ধিক্ষণত আপোনাৰ স্বাস্থ্য আৰু আপোনাৰ সন্তানৰ বৃদ্ধিৰ বাবে প্ৰয়োজন অধিক পুষ্টিকাৰক আহাৰ।

কমপ্লান-ভিটামিল্কত আছে প্ৰয়োজনীয় পুষ্টিকাৰক উপাদান। আপোনাৰ বাবে আৰু গৰ্ভত থকা সন্তানটিৰ বাবে। লগতে ইয়াত আছে কমপ্লানৰ সকলোখিনি উৎকৃষ্টতা।

ইয়াত আছে প্ৰয়োজনীয় পৰিমাণৰ ফলিক এচিড, মিল্ক প্ৰটিন (২২.২ গ্ৰাম), ভিটামিন এ, বি৬ আৰু চি, আইৰণ, আয়ডিন, কেলচিয়াম, জিংক, আৰু মেগনেছিয়াম।




২ কাপ প্ৰতিদিনে

ৰেগুলাৰ ★ চকলেট

গ্লেক্সোই দিয়ে সুস্বাস্থ্য

GL/V/P/91 ASA

OKDISCD